জন সোঁতত জীৱন তৰী

শ্ৰীঠানুৰাম বৰা

Jana Sontat Jiwantori an Autobiography of Sri Thanuram Borah, a freedom fighter and film artiste.

প্ৰকাশক ঃ লিখক
ডেকাৰ গাঁও, তেজপুৰ, শোণিতপুৰ।

প্ৰথম সংস্কৰণ ঃ ডিচেম্বৰ, ১৯৯৫

মূল্য ঃ ৬০ টকা (ষাঠি টকা)

ছপা যোগান ঃ কাশ্মীৰক ইণ্ডাষ্ট্ৰী।
তেজপুৰ, চান্দমাৰী।

উছৰ্গা

মোৰ দেশ, মোৰ ভাষা
মোৰ জাতি, মোৰ আশা,
জননীৰ মান-অভিমান,
সকলোৰে তুমি ধ্বজাধাৰী—
হে' মোৰ উত্তৰ পুৰুষ,
লোৱা এই ক্ষুদ্ৰ উপহাৰ
তোমালৈ কৰিছো অৰ্পণ।

— লিখক



প্ৰসঙ্গ

১৮/১০/৯৪

৩১ আহিন, লক্ষ্মীপূজা

আজি ১৯১৬ শকৰ (১৯৯৪ চন) কাতি বিহু আৰু - লক্ষ্মী পূজা। মোৰ ৮৭ বছৰ আয়ুস পূৰ হ'বলৈ আৰু কেইদিন মান আছে। কিছুদিনৰ আগৰে পৰা মোৰ জীৱনৰ কিছু কথা লিখিবৰ বাবে ইচ্ছা হৈ আছিল। এই ইচ্ছাৰ অন্তৰালত শ্ৰীযুত পৰাগধৰ চলিহাদেৱে লিখা এখন চিঠিৰ এপাৰী কথা লুকাই আছে। চলিহাদেৱ আৰু মই ১৯৪২ চনত একেলগে - তেজপুৰ জেলত ৰাজনৈতিক বন্দী হিচাপে আছিলোঁ। জেলত থকা কালত দুয়ো লগলাগি জেলৰ ভিতৰত সাংস্কৃতিক অনুষ্ঠান পাতি জেলজীৱনৰ কঠোৰতাৰ মাজতো আনন্দ স্ফূৰ্তি কৰিবলৈ সুযোগ উলিয়াই লৈছিলোঁ। জেলৰ ম্যাদ শেষহোৱাত দুয়ো দুফালে গুচি গৈ নিজ নিজ কামৰ মাজত হেৰাই পৰিলোঁ। প্ৰায় অৰ্দ্ধ শতাব্দী পাৰ হোৱাৰ পিছত চলিহাদেৱ তেজপুৰলৈ আহক। তেখেতৰ অহাৰ কথা আগতীয়াকৈ জানি মই তেখেতলৈ চিঠি দিলোঁ। তাৰ কিছুদিনৰ আগতে চলিহাই অসম গণ পৰিষদত যোগদান দিছে। মোৰ চিঠি পাই তেখেতে তেজপুৰলৈ আহোঁতে আমাৰ ঘৰ ওলালহি। বহুত দিনৰ মূৰত পুৰণি বন্ধু লগপাই মনত অপাৰ আনন্দ লভিলোঁ। হেৰোৱা স্মৃতি সজীৱ হৈ উঠিল। দুয়ো তেজপুৰ জেলৰ দুৱাৰ মুখত যুটীয়া ফটো তুলিলোঁ। বহাগ বিহুৰ সময়ত আমাৰ যুগ্ম ফটোখন চলিহাদেৱলৈ পঠাই দিলোঁ। ফটো পাই তেখেতে মোলৈ লিখিলে -

শ্ৰদ্ধেয় [illegible] ডাঙৰীয়া,

প্ৰায় ডেৰমাহকাল মই
শিৱসাগৰত আছিলোঁগৈ সেই আপোনাৰ
[illegible] চিঠি আৰু ফটো দুখনি ২/৩
দিন আগতহে মোৰ হাতত পৰিল



এই চিঠি পাই মোৰ অতীত জীৱনৰ মনত পৰা কথাবোৰ লিখিবৰ বাবে, উদগনি পালোঁ। মাজে সময়ে সেইমতে লিখিবলৈ ধৰিলো। লিখা কাগজবোৰ, অ'ত ত'ত পৰি আছিল। আজি সেইবোৰ গোটাই মেলি লৈছো। মোৰ ২য় জোঁৱাই শ্ৰীমান বিপিন কটকীক সেইবোৰ চাই চিতি ভালদৰে সজাই পৰাই ছপা কৰিবৰ উপযোগী কৰি দিবলৈ কোৱাত তেওঁ সেই কামৰ ভাৰ ললে। ঈশ্বৰে কৰিলে লেখাখিনি কিতাপ আকাৰে প্ৰকাশ কৰাৰ আশা ৰাখিছো।

১৫/৪/৯৫

১ বহাগ, শনিবাৰ

আজি বহাগৰ পহিলা তাৰিখ। মানুহৰ বিহু। শ্ৰীমান বিপিনে মোৰ লেখাখিনিৰ এটা পাণ্ডুলিপি প্ৰস্তুত কৰি আনিছে। মাজে মাজে তেওঁ দুই চাৰিটা কথা যোগ বিয়োগ কৰি কিছু শুৱলা কৰি দিছে। কিতাপৰ ভিতৰৰ বিভিন্ন শিৰোনামা আৰু কিতাপৰ নামকৰণ দুয়ো আলোচনা কৰি কৰিছো – "জন সোঁতত জীৱন তৰী" নামটো শ্ৰীমান বিপিনেই দিছে। মই তাত সম্মতি জনাইছোঁ।

তেজপুৰ তৰণি সংঘৰ সদস্য কবি-সাহিত্যিক শ্ৰীমান হৰকুমাৰ চক্ৰবৰ্ত্তীয়ে মোৰ কিতাপখনৰ মূল পাণ্ডুলিপিটোৰ পৰা ছপাশালৰ বাবে উপযোগী কৰি এটা পাণ্ডুলিপি নকল প্ৰস্তুত কৰি দিয়াত তেওঁলৈ মোৰ মৰম আৰু কৃতজ্ঞতা জনালোঁ। "জন

"সোঁতত জীৱন তৰী"ৰ ওপৰত দু-আষাৰ লিখি মতামত দিবৰ বাবে মই শ্ৰীযুত বিজয় চন্দ্ৰ ভাগৱতী, শ্ৰীমতী পুষ্পলতা দাস, শ্ৰীযুত নবীনচন্দ্ৰ কাথহাজৰিকা আৰু শ্ৰীযুত পঞ্চানন চহৰীয়া দেৱক অনুৰোধ কৰাত তেখেত সকলে দয়া কৰি দু-আষাৰ লিখি মোক পৰম কৃতজ্ঞ কৰিলে। কিতাপখন ছপাশালত থকা অৱস্থাত মোৰ ভতিজা শ্ৰীমান গোলাপ বৰাই কিছু ভুলত্ৰুটি আঙুলিয়াই দি শ্ৰীমান বিপিনক সহায় কৰিছে। তেওঁলৈ মোৰ মৰম আৰু আশীৰ্বাদ থাকিল।

কাশী ব্লক ইণ্ডাষ্ট্ৰীৰ স্বত্বাধিকাৰী শ্ৰীধৰণী বৰ্ম্মনে তেওঁৰ নিজ দায়িত্বত কিতাপখন কলিকতাৰ জাগৰণী প্ৰেছত ছপাই দিয়াত তেওঁৰ আৰু প্ৰেছৰ কৰ্মী সকলৰ শলাগ ললোঁ।

অজ্ঞানিতে কিতাপখনত থাকিব পৰা ভুলত্ৰুটি আঙুলিয়াই দি সহৃদয় পাঠকে মোক পৰম উপকৃত কৰে যেন।

ৰাইজলৈ সেৱাৰে —

শ্ৰীঠানুৰাম বৰা

ডেকাৰ গাঁও

২ অক্টোবৰ, ১৯৯৫

পাতালি

[illegible]

[illegible]

[illegible]

[illegible]

সূচনা

শ্ৰীযুত ঠানুৰাম বৰা দেৱৰ "জন সৌতত জীৱন তৰী" খন পঢ়ি যাওতে মনটো যেন মহানগৰী এখনৰ কোলাহলৰ পৰা কোনোবা এখন সপোন ৰাজ্যলৈ উৰি গৈছিল য'ত সেউজী বোল সনা স্নিগ্ধ শ্ৰীৰ বাহিৰে আন একো নাই-পবিত্ৰতাৰ মাজতো যেন কিবা এটা মুকলি মূৰীয়া আনন্দ। তেওঁৰ জন্ম কাহিনীৰ মাজতো লুকাই আছে পুৰণিকালৰ বিশ্বাসৰ অগাধ শক্তি - সেই বিশ্বাসেই কিজানি প্ৰচণ্ড ইচ্ছাশক্তি হৈ অসম্ভৱক সম্ভৱ কৰে পৰম বিশ্বাসক পৰম জনে স্বীকৃতি দিয়ে। তেওঁৰ বুঢ়ী আইৰ ছবি খন সেই সময়ৰ নৈতিক সমাজৰ এখনি নিখুঁট ছবি হৈ ফুটি উঠিছে। পুথি খনিৰ আৰম্ভণিৰ পৰা শেষলৈকে আত্ম জিজ্ঞাসা অৰু আত্ম বিশ্লেষণৰ বাণীটোৱে কিতাপখনক সুখ পাঠ্য কৰিছে। কুঁৰি শতিকাৰ কাঁচিয়লি ৰ'দত সূৰ্য্যমুখী প্ৰেৰণাৰে জাগি উঠা মনটোৱে এই কুঁৰি শতিকাৰ অন্তৰ্গত ভৱিষ্যতৰ যুগটো কি হব ভাবি যেন উচপ খাই উঠিছে -মোৰ তেনে এটা ভাব হয়। তেওঁৰ গোটেই জীৱনটো এই সৰু পুথিখনৰ মাজতে ভাস্বৰ হৈ উঠিছে। পৰাধীনতাৰ মনোবেদনাত তেৱোঁ এদিন আন্দোলন কৰিছিল কিন্তু গুৰি ধৰা নেতাজন আছিল অতি পুৰুষ-সেয়ে আন্দোলনত পুৰুষালি আছিল কাপুৰুষতা নাছিল। আৰ্ত্তজনক, নিৰপৰাধী জনক হনন কৰি দেশৰ মুক্তি আনিব নোৱাৰি। তেনে মুক্তি স্থায়ীও নহয়। সেয়ে গান্ধীজীয়ে কৈছিল "আত্মশুদ্ধ হোৱা, স্বৰাজ নিজে নিজেই আহিব"। ৪২ চনৰ আন্দোলনত এই কথা বোৰকে বুজাবলৈ চেষ্টা কৰা হৈছিল — বহুতে বুজিছিল — বহুতে অৰ্থহীন ভাবাবেগ বুলি ভাবিছিল। পিছে সময়ে সকলো পূৰ্ণ কৰে—সময়েই অৰ্থহীন কথাৰ অৰ্থ আনি দিয়ে। সেই সময়তে বৰাদেৱে এবাৰ কথা কৈছিল — "আপোনালোক বাহিৰত থকালৈকে আন্দোলনটো অহিংস হৈয়েই থাকিব শ্ৰেষ্ঠানৰ পিছত কি হয় কব নোৱাৰো।" তেকা তেওঁৰ মনোভাব বুজিয়েই বোধকৰো সেইদৰে কৈছিল। সেই সময়ত যি সকল তৰুণ আছিল সেই সকলে কেটা বয়সৰ উত্তেজনাত বহু কথা কলেও জীৱনৰ বিয়লি বেলাত হিলোৰ নিৰৰ্থকতা বুজি পাব পাৰিছে সেয়ে অভিজ্ঞতা পুষ্ট মন বিলাকে ভৱিষ্যতৰ পুৰুষক সুকীয়াই দিছে। "জীৱনৰ বনাবমাত উছুটি নোখোৱাকৈ যাতে জীৱন-তৰণী বাই চলাই নিব পাৰি তাৰে চেষ্টা কৰা।" বৰাদেৱৰ বয়সে পকলা জীৱনেও জাতীয়তো

চাহি চাহি মহাসত্য এটাক যেন উদ্‌ঘাটন কৰিলে — শেষৰ অধ্যায়টো পঢ়িলে তেনেকুৱাই লাগে।

শৈশৱৰ পৰা চেমনীয়া — চেমনীয়াৰ পৰা ডেকা কাললৈকে ঘটা ঘটনাবোৰ তেওঁৰ কাপত জীৱন্ত হৈ উঠিছে। প্ৰাকৃতিক পৰিবেশৰ মাজত গাঁৱৰ খেল-ধেমালিয়ে প্ৰতিযোগিতাতকৈও সহযোগিতাৰ ছবি এখনহে দাঙি ধৰে। টিকাৰৰ কাহিনী খিনি ইমান মনোগ্ৰাহীকৈ লিখিছে যে পঢ়িলে চকুৰ আগতে যেন ঘটনাবোৰ দেখি আছো তেনেকুৱা অনুভৱ হয়। সহজ সৰল ভাষাৰে নিখুঁত ছবি এখন দাঙি ধৰিব পৰাটো এটা ডাঙৰ কলা। ডেকাৰ গাঁৱৰ বৰ্ণনা, খেল-ধেমালি, ভাওনাৰ আখৰা আদিৰ বিৱৰণ ইমান নিখুঁট হৈছে যে চকুৰ আগতে যেন ছায়াছবিৰ দৰে দৃশ্যবোৰ ৰৈ আছে তেনেকুৱা লাগে।

জীৱনৰ ধামখুমীয়াত বাস্তৱ সত্য কিছুমান দৃষ্টিৰ আঁৰত থাকি যায় — যেতিয়া বাস্তৱ জীৱনে পৰিয়ালৰ দায়িত্ব শিৰ পাতি লবলৈ আহ্বান জনায় — তেতিয়া অতীতক পাহৰি ভৱিষ্যতলৈ চাব লগীয়া হয়। আৰ্জনৰ কথা চিন্তা কৰিব লগীয়া হয়। সেই গুৰুভাৰৰ চিন্তাতে তেওঁ হাবি বন, গৰখীয়া আলি সকলো অতিক্ৰম কৰি ভিতৰুৱা গাওঁ — চাহ বাগিচা সকলোতে ভোক পিয়াহ পাহৰি ঘূৰি ফুৰিব লগীয়া হৈছিল। সেই কাহিনীবোৰ আজিকালি চলচিত্ৰৰ বাহিৰে আনে কল্পনা কৰিব নোৱাৰে। তেওঁৰ নিচিনা [illegible] ডেকা এজনকো গান্ধীজীৰ ভাবনে আকৰ্ষিত কৰিব পাৰিছিল। গান্ধীজী বাগ্মী পুৰুষ নাছিল কিন্তু কথাবোৰ অন্তৰ কাটি ওলাইছিল — সেয়ে জাতিক মন্ত্ৰমুগ্ধ কৰি, ব্যক্তিক সাধাৰণ সন্তোষৰ জীৱন এটাৰ পৰা নিষ্কাম-ভক্তিৰ সেৱাৰস ধন্য পৰম জীৱন এটাৰ অধিকাৰী হবলৈ নিমন্ত্ৰণ জনাব পাৰিছিল। সেই আমন্ত্ৰণেই [illegible] বিশ্বৰ [illegible] চিন্তাৰ ঐশ্বৰ্য্যত মহীয়ান কৰিলে। ৰাজনীতি বিজ্ঞানত কোনেও কল্পনা নকৰা এটি নতুন আদৰ্শই এটা [illegible] অধ্যায়ৰ সৃষ্টি কৰা হল — সেয়ে [illegible] ৰাজনীতিত, [illegible] সকলে তাকেই [illegible] সেই [illegible] [illegible] কৰিলে — সেই [illegible] [illegible] [illegible].

মানুহে যে মানুহক আনৰ চকুৰে দেখি মন্তব্য দিব নালাগে তাক আগৰ অচিনাকি পিছৰ বন্ধু প্ৰয়াত আলি হাজৰিকা ডাঙৰীয়াৰ বিষয়ে উল্লেখ কৰা অধ্যায়টোত ওলাইছে। এই সৰু সৰু কাহিনীবোৰে পুথিখনত কেইবাটাও ৰসৰ সোৱাদ আনি দিছে। বীৰ ৰস, কৌতুক ৰস, সেৱাৰস, ভক্তিৰস এই সকলো ৰসেই নিজ নিজ সৌন্দৰ্য্যৰে বিকশি উঠিছে।

শিক্ষক জীৱনত নিজৰ পৰিয়ালৰ প্ৰতি কৰ্ত্তব্য পালন কৰিও পৰাধীন দেশখনৰ মুক্তিৰ বাবে এই দেশৰে এজন নাগৰিক হিচাবে তেওঁৰ কি কৰ্ত্তব্য সেই কথা তেওঁ পৰম উপলব্ধিৰে ব্যক্ত কৰিছে। তেওঁ জীৱিকাৰ বাবে বেতন পাইছে সেয়ে কৰ্ত্তব্যক তেওঁ ফাকি দিব নোৱাৰে—দেশৰ কাতৰত থকা; গৰকাত থকা, দলিত নিষ্পেষিত, পঙ্গুভাই সকলৰ প্ৰতি তেওঁৰ কৰ্ত্তব্যৰ কথাও পাহৰা নাই। কিন্তু যেতিয়া কৰ্ত্তব্য আৰু আত্ম সন্মানৰ মাজত বাছিব লগীয়া হ'ল তেওঁ সন্মানকে, দেশৰ প্ৰতি কৰ্ত্তব্যকে আগ ঠাই দিলে আৰু আশাশুধীয়া ভাবে জীৱন পন কৰি সেৱা যজ্ঞত জপিয়াই পৰিল। তেওঁৰ জন্মগত প্ৰতিভাই তেওঁক সদায়েই হাত বাউল দি মাতি আছিল। সেই প্ৰতিভাই তেওঁক সন্মান, সুখ্যাতি, কীৰ্ত্তি, গৌৰৱৰ স্বৰ্ণ সিংহাসনত কলাকাৰ ৰূপে প্ৰতিষ্ঠা কৰিলে। মই তেওঁৰ অভিনয়ৰ বিষয়ে তেজপুৰলৈ যোৱাৰ আগৰে পৰা শুনিছিলো কিন্তু তেজপুৰলৈ যোৱাৰ পিছতো তেওঁৰ অভিনয় দেখাৰ মোৰ সৌভাগ্য হোৱা নাছিল। কিন্তু মানুহৰ মুখে শুনি শুনিয়েই মোৰ দেখা যেন লাগিছিল। (অৱশ্যে "জয়মতী" কথাছবি স্কুলত পঢ়ি থাকোতেই এবাৰ দেখিছিলো) মানুহে অতিৰঞ্জিত সুৰত কোৱা কথা এইদৰে শুনিছিলো যে তেওঁ অসুৰ হলে পাৰ চৰাইৰ ডিঙি মুচৰি ৰক্ত পান কৰা দৃশ্য অপূৰ্ব্ব। কথাষাৰ যে অতিৰঞ্জিত তাক এই পুথি খনেই প্ৰমান কৰিছে। মানুহে তেনে যদি অনুভৱ কৰিছিল তেন্তে তেওঁ যে কিমান ডাঙৰ কলাকাৰ আছিল, কিমান ওখ খাপৰ অভিনেতা আছিল তাকে সূচায়। শিল্পীয়ে যেতিয়া নিজ চৰিত্ৰৰ লগত একীভূত হৈ যায় তেতিয়াই চৰিত্ৰই দৰ্শকৰ মন ছুব পাৰে। সেই ক্ষেত্ৰত তেওঁ আছিল তুলনাহীন। জহৰীয়ে জহৰ চিনি পোৱাৰ দৰে প্ৰয়াত জ্যোতি প্ৰসাদ আগৰৱালাদেৱে সোণৰ চেকুৰা শিল্পী সকলক চিনি পাইছিল আৰু সেই চিনি পোৱা

গুণটোৱেই পৰম জনৰ আশীৰ্ব্বাদ হৈ শিল্পী সকলক যোগ্য আসন দিয়াৰ নিমিত্ত হব পাৰিছিল। শ্ৰীবৰাদেৱৰ জীৱনটো বহু ৰসেৰে সমৃদ্ধ - কিন্তু সকলো ৰস অতিক্ৰম কৰি যি ৰসে তেওঁৰ ব্যক্তিত্বত মহিমা আনি দিছে সেই ৰস হ'ল - স্বদেশ প্ৰেমৰ ৰস, সেৱা ৰস আৰু শিল্পীৰ অভিনয় প্ৰতিভাৰ ৰস। এই তিনিও ৰসৰ মাজতে তেওঁৰ প্ৰতিভাই তেওঁৰ ব্যক্তিত্বই স্বতন্ত্ৰ ৰূপে সোণত সুৱগা চৰায় জিলিকি আছে।

— দেশৰ দুৰ্নীতি, বিভিৎসতা আদিক ভাষণেৰে নহয় সেই জীৱনৰ সকলো কদৰ্য্যতাকে ৰাইজৰ আগত দাঙি ধৰিব পাৰে অভিনয়ে — তেনে অভিনয়ৰ তেওঁ আছিল মূৰ্ত্ত প্ৰতীক পূৰ্ণ জীৱনৰ অভিজ্ঞতাই তেওঁৰ হতুৱাই যেন কোৱাইছে — হে উঠি অহা তাৰুণ্য অভিমানী ডেকা বন্ধু সকল-জীৱনৰ দুৱাৰ ডলিত ঠিয় হৈ যদি কোন বাটে যাবা ভাবিছা তেন্তে গান্ধীৰ পথকে বাছি লোৱা। ভাওনাত দুঃশাসনৰ ৰক্ত পানৰ নিচিনা ভাওদি সত্ৰাধিকাৰ সহ সকলোকে থিয় কৰাব পৰাৰ নিচিনা অভিনয় অসাধাৰণ প্ৰতিভা নাথাকিলে সাধাৰণ অভিনেতাৰ অভিনয়ে কৰিব নোৱাৰে। তেওঁ নিজেই কৈছে "সকলো প্ৰচেষ্টাৰ মূলতে চাউল কঠা"। তথাপিও তেওঁৰ নেতৃত্বত বা পৰিচালনাত হোৱা ভাওনাত সেই সময়ৰ কাছমাৰী বাগিচাৰ জমাদাৰৰ পুত্ৰই দেউতাকে ভাওনা কৰিলে ত্যাজ্যপুত্ৰ কৰিব বুলি কোৱা স্বত্বেও ভাওনাত বিভীষণ হৈ কলা প্ৰদৰ্শন কৰিলে - গৰজি উঠা দেউতাকে কিন্তু পুত্ৰক ত্যাজ্যপুত্ৰ নকৰিলে।

তেজপুৰ জেলৰ মচিব নোৱাৰা কাহিনীটো পঢ়িলে চকুৰ পানী ৰুধিব নোৱাৰি। স্বহীদ কুঁশল কোঁৱৰক ফাঁচি দিয়াৰ আখৰা—যি সকল কৰ্ম্মী এই ঘোৰ আখৰাৰ সাক্ষী—সেই সকলে আজিৰ ভোগী জীৱনৰ উত্তৰাধিকাৰী সকলক ক্ষমা কৰিব পাৰিবনে?

ৰুৰেল পঞ্চায়ত নিৰ্ব্বাচনৰ সময়ত তেওঁ যি ভাবমূৰ্ত্তি প্ৰকাশ কৰিলে সেই কথাটোৱে তেওঁৰ বাস্তৱবাদী ৰাজনীতিৰ ছবি এখন দাঙি ধৰে। অন্তৰৰ আদেশ যেতিয়া সৎ ভাৱনাৰ হয় তেতিয়া পৰিস্থিতি অনুকূল হোৱাত ঈশ্বৰেই সহায় কৰে।

ৰুৱেল পঞ্চায়তৰ উপ সভাপতি হিচাবে, লোকেল বোর্ড হুইপ হিচাবে তেওঁ কৰা কামৰ খতিয়ান তেওঁৰ পুথি খনিয়েই দিছে কাৰণে নোঁদোহাৰিলোঁ। — তেওঁৰ ধৰ্ম্ম নিৰপেক্ষতাৰ ভাব এটা যে জন সমাজত প্ৰতীয়মান হৈছিল সেইটো ৰেভাৰেণ্ড জহন তিৰো নামৰ পাদুৰী এগৰাকীৰ উপাসনাৰ অন্তত বৰাদেৱক দু - আষাৰ কবলৈ কৰা অনুৰোধতে ফুটি উঠিছে।

— তেওঁৰ চৰিত্ৰৰ সকলো সবলতাই দুৰ্ব্বলতাৰ ৰূপ লোৱা কাহিনীটো তেওঁ নিজেই স্বীকাৰ কৰি করুণ ভাবে বৰ্ণাই অনুতাপৰ জুইত দগ্ধ হৈ নিজকে শুদ্ধ কৰিছে — এই কথাটোৱে মানুহ যে বহু সময়ত পৰিস্থিতিৰ দাস হব লগীয়া হয় তাকেই সূচাইছে আৰু সূচাইছে নিয়তিৰ পৰিহাস।

কিতাপখন পঢ়ি গলে ভাৰতৰ স্বাধীনতাৰ বুৰঞ্জীত অসমৰ ভূমিকা কেনে আছিল তাকে যেন তেওঁ প্ৰাণৰ পৰশ দি প্ৰকাশ কৰিব খুজিছে তেনে লাগে। শিশু কালত পৃথিবীখন কিমান জটিল কথাষাৰ যেতিয়া বুজা নাযায় তেতিয়া এই ধৰা বসুন্ধৰা যেন লগাটো স্বাভাবিক। বয়স বাঢ়ি অহাৰ লগে লগে যি জীৱন সংগ্ৰাম আৰম্ভ হয় আৰু তাৰ সম্মুখীন হবলৈ যি সাহস, মনৰ দৃঢ়তা সংকল্পৰ আকুলতাৰ প্ৰয়োজন হয় সেই গোটেইখন ছবি পুথিখনত আঁকা। — বৰাদেৱ স্বাধীনতা যুঁজৰ এজন সুদক্ষ যুঁজাৰু ৰূপে শোণিতপুৰৰ ৰাজনীতিৰ ইতিহাসত এখনি মূল্যবান পাত — কিন্তু তেওঁৰ গোটেই শোণিতপুৰ নহয় গোটেই অসমতে যি খ্যাতি তাক নাট্য জগতৰ ইতিহাসে মচিব নোৱাৰা এটি অধ্যায়। তেওঁৰ নিচিনা চকু ঘূৰাব পৰা অভিনেতা স্বৰ্গীয় জ্যোতি প্ৰসাদ আগৰৱালাই হেনো অকল জাৰ্ম্মানীত হে দেখিছিল — তাৰ মানে সুবিধা সুযোগ পোৱা হলে তেওঁ যে অভিনেতা বা পৰিচালক হিচাবে বিশ্ব বিখ্যাত হব নোৱাৰিলে হেঁতেন কোনে কব পাৰে? প্ৰতিভাৰ স্বীকৃতি সদায়েই আছে।

বৰাদেৱৰ বুকু ভেদি ওলোৱা অনুভৱে জাতিটোক জগাওক — উত্তৰ পুৰুষ সকলে জীৱনৰ প্ৰশ্ন বিলাকৰ উত্তৰ পাওক — বৰাদেৱৰ সাধনা সফল হওক।

পুষ্পলতা দাস
বিনোবা নগৰ
গুৱাহাটী - ১৮
২৫/১১/৯৫

পাতনি

মোৰ জ্যেষ্ঠ জন শ্ৰীযুত ঠানুৰাম বৰা দেৱৰ জন্ম ১৯০৭ চনৰ ৩ নৱেম্বৰ ১৭ কাতি দেওবাৰে তেজপুৰ চহৰৰ পৰা ৪ মাইল উত্তৰে ডেকাৰ গাৱত। ১৯০৭ চনটোৰ বাহিৰে ইংৰাজী ৩ নৱেম্বৰ ১৭ কাতি, দেওবাৰ মোৰ জন্ম তিথিৰ লগত মিল। মোৰ জন্ম ১৯১৮ চনত। নৱেম্বৰ, কাতি মাহত জন্ম হলে পুৰুষ মহিলা উভয়ে দুৰ্ব্বাৰ সাহসী হয় যেনে :— পণ্ডিত জৱহৰ লাল নেহৰু, ইন্দিৰা গান্ধী আদি। শ্ৰীযুত ঠানু ৰাম বৰাদেৱ আৰুময়ো বৰ সাহসী। মৰণলৈ আমাৰ ভয় নাই। কংগ্ৰেছত - পিছত ইন্দিৰা কংগ্ৰেছত আমাৰ সাহে বহু কাম কৰিছিল।

তেজপুৰ মহাভৈৰৱ মন্দিৰৰ পৰা হলেশ্বৰ মন্দিৰ প্ৰায় ৫/৬ মাইল দূৰ। তেজপুৰ তীৰ্থ স্থানেৰে আবৃত কাৰণে ইয়াক "সপ্ত তীৰ্থ" বুলিও কয়। তেজপুৰৰ মানুহ সাধাৰণতে শাক্ত, বৈষ্ণৱ আৰু শৈৱ। শ্ৰীযুত বৰাদেৱৰ আত্মজীৱনী মতে ৯ বছৰ বয়সৰ পৰা কল পতুৱাত বহুবাই শিৱ পূজা কৰাইছিল। পিছত অৱশ্যে বৈষ্ণৱ হল। হলেও তেজপুৰৰ মানুহৰ ভিতৰত কোন বৈষ্ণৱ, কোন শৈৱ আৰু কোন শাক্ত ধৰাই টান। ব্যৱধান নথকাতো বৰ উত্তম কথাই হৈছে।

শিৱৰ আন এটা নাম অষ্টমূৰ্ত্তি। পুৰা দূৰ-দৰ্শন খুলিলেই "সত্যম শিৱম্ সুন্দৰম" দেখো। সত্য-জ্ঞান শিৱ-বিজ্ঞান আৰু সুন্দৰম প্ৰজ্ঞান। জ্ঞান বিজ্ঞান আৰু প্ৰজ্ঞান সৃষ্টিৰ সৰ্ব্ব শ্ৰেষ্ঠ অৱদান। পৃথিৱী, পানী, বায়ু, আকাশ, অগ্নি, চন্দ্ৰ, সূৰ্য্য আৰু যজমান বা পুৰোহিত অৰ্থাৎ যিজনে প্ৰকৃতিৰ ওপৰত এই শক্তিবোৰ পৰিচালনা কৰে, তেওঁ।

শ্ৰীযুত বৰাদেৱে অজ্ঞাতসাৰে এই সুমধুৰ কলা বিজ্ঞানৰ সোৱাদ সৰুৰে পৰা আহৰণ কৰি ভাওনা নাটকৰ অভিনয় কৰি পৰম তৃপ্তি লাভ কৰিছিল। অষ্ট মূৰ্ত্তিক অনুধাৱন নকৰিলে জ্ঞান, বিজ্ঞান আৰু প্ৰজ্ঞানৰ সোৱাদ পাব নোৱাৰে।

তেজপুৰ 'পল' কিন্তুলে মহা মানৱ মহাত্মা গান্ধীজী আহোঁতে ১৪ বছৰ বয়সতে পৃথিৱীৰ তথা মানৱ সমাজৰ শান্তিৰ এই দূতজন দেখি নিজক ধন্য মানিছিল আৰু নিহৰ ওপৰে জীৱন এইজনা বিশ্ব শান্তিৰ সেৱক হল আজি ৮৭ বছৰ পৰ্যন্ত।

সত্য অহিংসা বৰ কঠোৰ উপাদান। শ্ৰীযুত বৰা ডাঙৰীয়াই শৰীৰ আৰু মনৰ উপাদানেৰে কম বয়সৰ পৰা গঢ় দিবলৈ ধৰিলে। "অভ্যাসৰ নৰ, কৰ্ম পথে কৰে শৰ" – বোলা কথাষাৰ আখৰে আখৰে শ্ৰীযুত বৰাদেৱৰ জীৱনত খাটে।

ডেকাৰ গাঁৱৰ ৰাস মন্দিৰ চাৰিদুৱাৰ অঞ্চলৰ ভিতৰত পুৰণা ৰাস আৰু নাট্য মন্দিৰ। থিয়েটাৰ সম্পৰ্কত এই নাট্য মন্দিৰ তেজপুৰৰ বাণ ৰঙ্গমঞ্চৰ লগৰ। ডেকাৰ গাওঁ অঞ্চলৰ বহুজন গুণী জ্ঞানী অভিজ্ঞ অভিনেতা, বাণ ৰঙ্গমঞ্চৰো অভিনেতা।

সবাহ ভাওনাতো ডেকাৰ গাওঁ অঞ্চল খুব আগবঢ়া। ৰাস উৎসৱ এই অঞ্চলৰ প্ৰধান অনুষ্ঠান। ৰাস ভাওনাত শঙ্খ চূড় অসুৰৰ চমকপ্ৰদ অভিনয় চাবৰ কাৰণে শ শ টাউনীয়া মানুহ গৈছিল। ছাত্ৰ অৱস্থাত আমিও গৈছিলো। অসুৰৰ তেজস্বী ভাও শ্ৰীযুত ঠানুৰাম বৰাদেৱৰ হাত-ভৰি, মাংস পেশী, বুকু পিঠি আৰু চকুৰ তীক্ষ্ন চাউনীয়েদি শৰীৰৰ অঙ্গী ভঙ্গী ততকৈ জিলিকি উঠে আৰু তাত চকু পৰিছিল বহুতৰ।

বহুতৰ ভিতৰত এজন আছিল ৰূপ কোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালাদেৱ যি অসমৰ ভিতৰত মুকুট-মণি হিচাবে অসমৰ প্ৰথম বোলছবি 'জয়মতী' ৰূপায়ন কৰিবলৈ কাম হাতত লৈ শ্ৰীযুত ঠাণুৰাম বৰা দেৱক বুকুত সুমুৱাই লৈ 'অসুৰ'ৰ ভাও দি 'জয়মতী' বোলছবি খনৰ ৰূপে ৰঙে সজাই পৰাই তুলিছিল। জয়মতীৰ 'অসুৰৰ ভাবে শ্ৰী বৰাদেৱক অসমৰ ভিতৰত এগৰাকী শ্ৰেষ্ঠতম অভিনেতা সকলৰ ভিতৰত অন্যতম বুলি স্বীকৃতি দিলে। ই ১৯৩৩ - ৩৪ চনৰ কথা।

তেজপুৰ থানাৰ সন্মুখত তেজপুৰ টাউন হল। হলটো উত্তৰে। পশ্চিম ভাগত চিলভাৰ জুবিলী পুথি ভঁৰাল। দক্ষিন ভাগত আনোৱাৰ চিনেমা পৰ্যন্ত খোলা ঠাই। হলৰ দক্ষিণত এখন ৰভা মঞ্চ তৈয়াৰ কৰিলোঁ। তাৰ দক্ষিনে আনোৱাৰ চিনেমাৰ ফালে এটা নামঘৰ। ১৯৫৫ চন। শ্ৰী শ্ৰী শঙ্কৰ উৎসৱ পাতিম। মঞ্চত দুঃশাসনৰ ৰক্ত পানৰ ভাওনা কৰিম। শ্ৰীযুত ঠানুৰাম বৰাদেৱক ভীমৰ ভাও আৰু মই দুঃশাসনৰ ভাও ললোঁ। মঞ্চৰ ওপৰত তুমোমৰ যুদ্ধ প্ৰায় ২০ / ২৫ মিনিট। মই ওপৰলৈ চিট খাই পৰিগলোঁ আৰু ভীমে আলটা চাইকেলৰ টিউবত সুমুৱাই থোৱাৰ পৰা ঢোকে ঢোকে তেজ পিব ধৰিলে। ২/৩ মিনিট যোৱাৰ পিছত "প্ৰতিশোধ, প্ৰতিশোধ" বুলি হাঁ হাঁ কৈ ৰঙা হাত

মুখ লৈ নামি গ'ল। মই মৰাৰ ভাও ধৰিলোঁ। লাইট নুমাই গ'ল। কোনোবাই চিঞঁৰিলে "দুঃশাসন মৰিল"। এন্ধাৰৰ মাজে মাজে চিঞৰ আৰু হাত চাপৰিৰ শব্দে শব্দে মই মঞ্চৰ পৰা নামি নিৰুদ্দেশ হলো। শ শ মানুহ - লৰা - ছোৱালী, পুৰুষ মহিলা। আমাৰ অভিনয় "অভূত পূৰ্ব্ব অভূত পূৰ্ব্ব" বুলি কোৱা শুনিলো। আমাৰ আনন্দৰ ঠাঁই নাই। গাঁৱৰ পৰা আহি বহু দিনৰ মুৰত টাউনৰ ভাওনাত ভাও দিলোঁ। শ শ মানুহ - কিমান ভাল লাগিছিল! শ্ৰীশ্ৰী শঙ্কৰ উৎসৱ কমিটিৰ সম্পাদকো ময়ে।

তেজপুৰৰ পৰা ৪ মাইল মান আঁতৰত থাকিও ডেকাৰ গাওঁ আঞ্চলৰ বাহিৰৰ টাউনীয়া মানুহৰ লগত বৰ ঘনিষ্ঠতা আছিল। এইটোৱে অসীম স্বাস্থ্য আৰু শক্তিৰে পৰিপুষ্ট শ্ৰীযুত ঠানুৰাম বৰাদেৱক খুব সুবিধা দিলে। তেখেতৰ ঘৰ হলেশ্বৰ মৌজাৰ মাজ ভাগত। হলেও, মহাভৈৰৱ, ভৈৰৱপদ, গৰৈমাৰী, কিছু অংশ বিহগুৰি, বাঁহবাৰী আৰু বালিপৰা মৌজাৰ মানুহৰ লগত তেখেতৰ খুব আত্মীয়তা হল। ইয়াৰ মূল বস্তু হ'ল -- চাইকেলখন আৰু কৰ্ম্ম শক্তি। কংগ্ৰেছ কৰ্মী সকলক এক গোট কৰি কাম কৰাৰ অসীম প্ৰেৰণা হল শ্ৰীযুত বৰা ডাঙৰীয়া। চহৰত এনে সুবিধা নাই। শ্ৰীযুত বৰা দেৱে তেখেতৰ গ্ৰন্থত লিখিছে তেজপুৰ টাউনৰ স্বৰ্গীয় ৰুদ্ৰকান্ত বৰা ডাঙৰীয়াৰ কথা। আমি সকতে দেখাৰ পৰা স্বৰ্গীয় ৰুদ্ৰকান্ত বৰাৰ বাহিৰে তেজপুৰত কংগ্ৰেছী মানুহ দেখা নাছিলোঁ। স্বাধীনতাৰ পাছত খদ্দৰ কিনি আৰু পিন্ধি কংগ্ৰেছী হোৱা মানুহৰ সংখ্যা কম নহয়। গাঁৱৰ কৰ্ম্মীৰ মাজত যি সকলে কাম কৰি কংগ্ৰেছ অনুষ্ঠানটো শক্তিশালী কৰিছিল, তাৰ ভিতৰত শ্ৰীযুত ঠানুৰাম বৰাদেৱ বিৰল ব্যক্তিত্বৰ অধিকাৰী।

শ্ৰীযুত বৰাদেৱে তেখেতৰ গ্ৰন্থখনত মোৰ কথা কেইবা ঠাইতো লিখিছে। "বৰা আৰু মই" একেবাৰেই "এক কথীয়া" মানুহ। আমাৰ কথা বহুত আছে। লিখিলে দীঘলীয়া হব। হাতীক হাতেৰে হেচিব পাৰিলেও, আমাক কথা আৰু কামেৰে হেচিব নোৱাৰি আৰু এইদৰে বৰা ডাঙৰীয়াই ৮৮ বছৰত আৰু মই ৭৭ বছৰত ভৰি দিছোঁহি।

শ্ৰীযুত বৰা ডাঙৰীয়াই ৰাজনৈতিক; অৰ্থনৈতিক আৰু সামাজিক জীৱনত সপৰিয়ালে বহু দুখ কষ্টক আপোন কৰি লৈ বিপদ আপদ পাৰ কৰি দিছিল। ই আছিল তেখেতৰ অপৰাজেয় "সাহস"।

৮৮ বছৰত নিজৰ জীৱন নিজে অধ্যয়ন কৰি কিমান মধুৰ স্মৃতি ৰোমন্থন কৰিছে, জানিলে শুনিলে, পঢ়িলে ভাল লাগে। ছজনী ছোৱালী দুটি উচ্চ শিক্ষিত জোঁৱাই আৰু এগৰাকী লক্ষী পত্নীক বুকুত লৈ ববা ডাঙৰীয়া এতিয়াও পৰম সুখী। এনে সৌভাগ্য কেইজনৰ?

শ্ৰীযুত ববাদেৱ আৰু তেখেতৰ সহধৰ্ম্মিনীৰ শতায়ু কামনা কৰিছোঁ আৰু জী - জোঁৱাই নাতি নাতিনী হঁতে দীৰ্ঘায়ু হওক। তেখেতে আমাৰ বৰ জী জিনু আৰু তেখেতৰ বৰ জী বেণু আৰু ননী আৰু আমাৰ পত্নী শ্ৰীমতী প্ৰতিভাৰ কথা উল্লেখ কৰিছে এই সৰু গ্ৰন্থখনত। এইয়ে তেখেতৰ অকৃত্ৰিম স্নেহ প্ৰমান কৰিছে। আমি কি ভাষাৰে শলাগ লম?

শুভ কামনাৰে

ইতি

৪ আগষ্ট ১৯৯৫ চন।
তেজপুৰ, পিন ৭৮৪০০১

শ্ৰী নবীন চন্দ্ৰ কাথহাজৰিকা
নবীন ভৱন, নেহেৰু ময়দান
তেজপুৰ।

বৰাদেৱৰ "জন সোঁতত জীৱন তৰী"

দুই মাহ মান আগৰ কথা। হঠাতে এদিনাখন তাহানিৰ বন্ধু ডেকাৰ গাঁৱৰ শ্ৰদ্ধেয় ঠানুৰাম বৰাদেৱ মোৰ ঘৰত উ পস্থিত হ'লহি। লগত জোৱায়েক অধিবক্তা কটকী আৰু নাতি লৰা দিগন্ত। তেওঁক বহু বছৰ মূৰত লগ পাই ১৯৬০ চনলৈ আগুৱাই গলোঁ। তেতিয়া মই নৱ প্ৰতিষ্ঠ বালিপাৰা উন্নয়ন খন্ডৰ প্ৰজেক্ট অফিছাৰ। অস্থায়ী কাৰ্য্যালয় ডেকাৰ গাঁৱত - তেওঁৰ ঘৰৰ ওচৰতে। আঞ্চলিক পঞ্চায়তৰ বৰাদেউ আছিল এজন সক্ৰিয় সদস্য। ব্লকত যোগদান দিয়েই বৰাদেউৰ সতে মোৰ অন্তৰংগতা গঢ়ি উঠে। কিয় জানো প্ৰথম লগ পাবৰ দি নৰে পৰাই তেওঁৰ ব্যক্তিত্বৰ প্ৰতি আকৰ্ষিত হওঁ। তেওঁক দেখিছিলো প্ৰথম জয়মতী চিনেমাত। ভয় লগা অসুৰৰ ভাওত অভিনয় কৰি তেওঁ ইতিহাস সৃষ্টি কৰিছিল। জ্যোতি প্ৰসাদৰ এনেকুৱা অমৰ শিল্পীৰ ওপৰত চকু নপৰি কাৰ ওপৰত পৰিব? ডেকাৰ গাঁৱৰ ৰাস উৎসৱেই বৰাদেৱক সৃষ্টি কৰিলে বুলি কব পাৰি।

তেওঁৰ "জন সোঁতত জীৱন তৰী" পঢ়াৰ আগতে তেওঁৰ বিষয়ে সকলো কথা জানিছিলো বুলি কলে ভুল কোৱা হব। ব্যক্তিগত সান্নিধ্যলৈ অহাৰ পিছতহে বৰাদেৱৰ ব্যক্তিত্বৰ বিষয়ে কিছু কথা জনাৰ সুযোগ হৈছিল - সেই কথা সত্য। বিশ্ব বিদ্যালয়ৰ ডিগ্ৰী নাথাকিলেও যে মানুহে জীৱনত প্ৰতিষ্ঠা লাভ কৰিব পাৰে - তাৰে উদাহৰণ ঠানুৰাম বৰা। তেওঁ গান্ধী বাদীয়েই নহয় দেশক নিজতকৈও বেছি ভাল পোৱা এজন প্ৰকৃত সমাজ কৰ্ম্মীও। অবিভক্ত দৰং জিলাৰ দহজন প্ৰকৃত সমাজ কৰ্ম্মীৰ ভিতৰত বৰা ডাঙৰীয়াও যে এজন সেই কথা মই অভিজ্ঞতাৰ পৰা কৈছো। বৰা ডাঙৰীয়া সোণৰ চৰুত হাত দি ওপজা নাছিল। কিন্তু জীৱনত তেওঁ বহুতো সোণৰ পৰশ পালে আৰু সেইবোৰৰ পৰশতেই তেওঁৰ জীৱন সোণালী হ'ল বুলি কব পাৰি। ৰাইজৰ সেৱাত এনেকৈ এটা অভাব গ্ৰস্ত জীৱন উছৰ্গা কৰিব পৰা কামটো কম গৌৰৱ আৰু মহত্বৰ কথা নহয় জানো? ঘাত-প্ৰতিঘাত পূৰ্ণ কৰ্ম্মময় জীৱনত কেইবাজনো সৎ আৰু আদৰ্শ পুৰুষৰ সান্নিধ্য নোপোৱা হেতেন হয়তো বৰাদেৱৰ জীৱন তৰী কেনি গ'ল হেতেন কোৱা টান। সমাজ সেৱাত এনেকৈ উদ্বুদ্ধ হৈ কাম কৰা লোক অসমত বিৰল।

আমাৰ অভিজ্ঞতা মতে চাকৰি কৰা মানুহেহে প্ৰকৃত সমাজ কৰ্ম্মী কোনজন কব পাৰে। শ্ৰদ্ধেয় বৰা ডাঙৰীয়াৰ এনে কিছুমান গুণ আছে প্ৰথম সাক্ষাততে এজন অচিনাকি লোকেও ক'ব পাৰে। তেওঁৰ জীৱনটো মূলতঃ তিনিটা ভাগত ভগাব পাৰি। (১) চাকৰি জীৱন (২) সাংস্কৃতিক (অভিনয়) জীৱন আৰু (৩) ৰাজহুৱা জীৱন। সাধাৰণতে স্পষ্ট বাদী লোকক সমাজৰ অধিকাংশ মানুহে ভাল নাপায়। কিন্তু বৰা ডাঙৰীয়াৰ স্পষ্টবাদীতাৰ বাবে তেওঁৰ শত্ৰুয়েও প্ৰশংসা নকৰি নোৱাৰে। মই জনাত তেওঁৰ কোনো শত্ৰু নাই। তাৰে বহুত উদাহৰণ "জন সোঁতৰ জীৱন তৰী"ত প্ৰকাশ পাইছে। আমি জনাত কোনো পদবীৰ লালসাত তেওঁ কোনো দিনেই কাম কৰা নাছিল।

দীঘলীয়া পাতনি লিখিলে কিতাপখনৰ মূল উদ্দেশ্যখিনি লাঘব হয় বুলি মই ভাবো। পাতনিৰ উদ্দেশ্য হব লাগে লিখকজনৰ ব্যক্তিত্ব জন মানসত দাঙি ধৰা। মোৰ দৃষ্টিত বৰা ডাঙৰীয়াই লিখা "জন সোঁতত জীৱন তৰী" - এটা ব্যক্তিগত জীৱনৰ ঘাত-প্ৰতিঘাত, অসম, ভাৰত তথা তেজপুৰৰ ৰাজহুৱা আৰু সাংস্কৃতিক জীৱনৰ এখন যুগ পাঠ্য দলিল - অৰ্থাৎ অতীত ইতিহাসৰ - এটি চমু অধ্যায়। 'জীৱন তৰী' খন কেইবাবাৰো পঢ়ি থাকিলেও আমনি নালাগে। সচাঁ - মনোৰম ইতিহাসৰ এটি কাহিনী যেন লাগে। এনে ছবি - বৰাদেৱে চিত্ৰায়িত কৰি তেওঁ ধন্য হোৱাৰ উপৰিও আনকো আনন্দ দিছে। এজন সাৰ্থক ভাৱৰীয়া, সমাজ কৰ্ম্মী আৰু স্কুলৰ শিক্ষকতাতে জীৱনটো অবদ্ধ নাৰাখি বৰা ডাঙৰীয়াই লগতে সাহিত্য চৰ্চা কৰা হেতেঁন নতুন প্ৰজন্মই তেওঁৰ লিখাবোৰৰ পৰা উপকৃত হ'ল হেঁতেন সন্দেহ নাই। 'জীৱন তৰী'ৰ সাৱলীল বৰ্ণনা আৰু উপমাবোৰ - সঁচাকৈয়ে মনোগ্ৰাহী। তেওঁৰ লিখাৰ মাজতে সাহিত্য প্ৰতিভা লুকাই আছে সেই কথা **জন সোঁতত জীৱন তৰী** পঢ়া পাঠক পাঠিকা মাত্ৰেই অনুভৱ কৰিব।

শৰীৰৰ উৎকৰ্ষ সাধন চৰ্চা, সুন্দৰৰ সংস্কৃতি ৰক্ষা আৰু সমাজ সেৱাকেই তেওঁ জীৱনৰ ব্ৰত হিচাপে লৈ নতুন প্ৰজন্মক বৰা ডাঙৰীয়াই এটি আদৰ্শ দেখুৱালে। কাৰো পদ লেহন কৰি তেওঁ কেতিয়াও নিজক সৰু কৰা নাই। নিজৰ জীৱনৰ ঘাত-প্ৰতিঘাতলৈ তেওঁ একো কেৰেপ নকৰি সমাজ সেৱাতেই জীৱন তৰী এৰি দিলে। সেইবাবে মই ভাবো - ভগৱানেও তেওঁক বহুত দিছে। ৰাইজ আৰু চৰকাৰৰ পৰাও তেওঁ স্বীকৃতি লাভ কৰিছে। আৰ্থিক ভাবে নহলেও অনাবিল মানসিক শান্তি লাভ কৰিছে। সাধাৰণ

ৰাইজৰ সুখ-দুখ, অভাৱ অনাটন অৰু আশা আকাঙক্ষাৰ সতে নিজক বিলাই দি বৰাদেৱে কেনেকৈ আনন্দিত হৈছিল ভাবিলে বিস্ময় মানিব লাগে। প্ৰগাঢ় দেশ প্ৰেম নাথাকিলে এইটো কেতিয়াও সম্ভৱপৰ নহয়।

সংসাৰ খন যে এখন নাটক অৰু আমিবোৰ ইয়াৰ ভাৱৰীয়া সেই চৰম সত্যটো তেওঁ উপলব্ধি কৰিছিল। আমাৰ সমাজতো যে এক শ্ৰেনী কৃত্ৰিম ভাৱৰীয়া আছে - এইটো তেওঁৰ ৮৮ বছৰীয়া জীৱনৰ অভিজ্ঞতা। জীৱন তৰীত - "জীৱনৰ খলাবমাৰ বাটেদি" আৰু অসমৰ কথাছবিৰ ফেন্তুজালি'ত কৃষ্ণ সংস্কৃতিৰ প্ৰধান পৃষ্ঠপোষক সুন্দৰৰ পূজাৰী ৰূপকোঁৱৰ জ্যোতি প্ৰসাদে অসমীয়া জাতিলৈ দি যোৱা অৱদান সম্বন্ধে ক'ৰা আলোচনা খিনি সচাঁকৈয়ে অসমৰ হেৰাই যোৱা ইতিহাসৰ এখিলা পাত। সেই অধ্যায়টি নপঢ়িলে - অসমীয়া জাতীয় জীৱন যেন অসম্পূৰ্ণ হৈ ৰব - এনে ভাব আমাৰ হৈছে। জ্যোতি প্ৰসাদৰ সহযোগী হৈ চিত্ৰবনত কাম কৰাৰ ভাগ্য কেইজনৰ হৈছিল? আমাৰ ৰাজ্যত জ্যোতি প্ৰসাদ আৰু লক্ষীধৰ শৰ্ম্মাৰ দৰে আদৰ্শবান দেশ প্ৰেমিকৰ অভাৱ এতিয়া বৰকৈ অনুভৱ কৰা হৈছে। "অসম মৰিলে আমিও মৰিম" - এই শ্লগান প্ৰফুল্ল মহন্ত আৰু ভৃগু ফুকনহঁতে তেতিয়া নুবুজাকৈয়ে দিছিল বুলি ক'লে নিশ্চয় ভুল নহব। আমাৰ দেশৰ আৰু সমাজৰ অৱহেলিত লোক সকলৰ বাবে - আমি কি কৰিছো - সেই কথা উপলব্ধি কৰাৰ সময় আহিছে। পৰিশেষত আজি অসমীয়াৰ কি অৱস্থা - আমি কি হম তাকে বৰ আক্ষেপেৰে তিক্ততা পূৰ্ণ ভাষাৰে লিখি বৰা দেৱে অনাগত দিনৰ ইংগিত তেওঁ ৰাইজক দিছে। সৌ সিদিনাৰ লৰা ৰজাৰ (অ গ প ৰ) চৰকাৰ পতা দিনৰ পৰা এতিয়া চৰকাৰৰ দিনলৈকে চলা দুৰ্নীতি স্বজন প্ৰীতি আৰু ভ্ৰষ্টাচাৰৰ বিৰুদ্ধে তেওঁৰ নিৰ্ভীক মতবাদ বোৰ দাঙিধৰিছে - এজন খাটি কংগ্ৰেছী হিচাবে তেওঁৰ জীৱন তৰীত।

বৰাদেৱৰ লিখনিৰ পৰা ওলোৱা - **'জন সোঁতত জীৱন তৰী'** - এখন সুখ পাঠ্য জীৱন সোঁৱৰণ বুলিব লাগে। কিতাপখন এবাৰ পঢ়ি শেষ কৰাৰ অন্তত পাঠকে ২য় বাৰ পঢ়ি ইয়াৰ সৌন্দৰ্য্য আৰু গভীৰতা অনুভৱ কৰিব - সন্দেহ নাই। আজিলৈকে বহুতো লিখকৰ জীৱন সোঁৱৰণ পঢ়িলোঁ; কিন্তু এনেকুৱা নিৰ্ভীক, সত্য কথা লিখা দলিল (গান্ধীজীৰ মোৰ সত্য অন্বেষনৰ কাহিনী) বাদ দি বহুত কম আছে বুলি মই ভাবো।

শ্ৰদ্ধেয় বৰাৰ দৰে নিস্বাৰ্থ সমাজ কৰ্ম্মী, অৱহেলিত সকলৰ দুখত দুখী আৰু প্ৰকৃত দেশ প্ৰেমিক আমাৰ ৰাজ্যত বহুত নাই বুলি আমি জানো। "জল সোঁতত জীৱন তৰী" – প্ৰকৃততে এজন সংঘাতপূৰ্ণ সমাজ সেৱীৰ জীৱনৰ এটি সোঁৱৰণ। এইখন পঢ়ি পাঠক উপকৃত হোৱাই নহয় - বহুতো নজনা কথাৰ সন্তেদ পাব। ভগবানে বৰা ডাঙৰীয়াক আৰু আমাক পুৰণি তথ্যৰ সংবাদ দিবলৈ সুস্বাস্থ্য দিয়ক ইয়াকে প্ৰাৰ্থনা কৰিছো।

পঞ্চানন চহৰীয়া

চন্দ্ৰাপাৰ, গুৱাহাটী

১ - ১০ ৯৫

উষা নাট্যমন্দিৰৰ একাংশ ঃ ডেকাৰ গাওঁ

কুৰি শতিকাৰ কাঁচিয়লি ৰ'দত

যিমান দুখ-কষ্টৰে ভৰা নহওঁক কিয় বাল্যকাল সুঁৱৰি ভাল লাগে ; এটা বুজাব নোৱাৰা আমোদ পোৱা যায়। আন দহ জনৰ দৰে মোৰো ল'ৰালি কাল তেনে কোনো বৈচিত্র্যপূৰ্ণ নহয়। যি সময়ত মোৰ জন্ম তেতিয়া বৃটিছ ৰাজৰ পূৰ্ণ পয়োভৰ। দেশীয় মানুহবোৰ একেবাৰে পিছ পৰা। চাকৰি-বাকৰি কৰা দূৰৰে কথা গাওঁ বিলাকত পঢ়া শুনাৰ বাবে পঢ়াশালিয়েই নাছিল। গাঁৱৰ মানুহবোৰ চহা। তেওঁলোকে বছৰটোৰ কেইমাহ মান (বাৰিষা-খৰালিত) খেতি-খোলাত ব্যস্ত হৈ থাকি বাকী সময় এনেয়ে কটায়। বেপাৰ-বাণিজ্য, কল-কাৰখানা, গাড়ী-মটৰ আদি একো নাই। তেজপুৰ চহৰৰ পৰা চাৰি মাইল উত্তৰে ভেকাৰ গাওঁ। মোৰ পিতা-দেউ বাপাতি ৰবাৰ বাহঁ খেৰেৰে সজা সৰু ঘৰটো ভেকাৰ গাঁৱৰ শইকীয়া চুবুৰীত। ঘৰৰ আগেদি যোৱা সৰু আলি বাট-টোৱেই এতিয়া ৫২নং ৰাষ্ট্ৰীয় ঘাইপথ। তেতিয়া এই বাটেদি চাহ কোম্পানীৰ গৰু গাড়ী অহা যোৱা কৰে। বাৰিষা হলে ৰাস্তাত বোকা হয়। ৰাস্তাৰ দুয়ো কাষে ডাঠ হাবি আৰু মাজে মাজে ধান খেতিৰ পথাৰ আছিল।

১৯০৭ চনৰ ৩ নৱেম্বৰ, ১৭ কাতি দেওবাৰে মোৰ জন্ম বুলি পিতৃদেউৰ পৰা জানিব পাৰো। পাৰ্ব্বতীয়াৰ হিমুলেশ্বৰ দেৱালয়ৰ কাষৰ গাওঁখন মোৰ আইৰ গাওঁ। তেওঁ তাৰ পাটগিৰী পৰিয়ালৰ। আইতা ৰজিতিয়ে মোৰ জন্মৰ আগে আগে আই কনকেশ্বৰীক তেওঁৰ লগতে নি ৰাখিছিল। আইতাৰ ঘৰতে মোৰ জন্ম হয়। শইকীয়া চুবুৰীৰ সেই পুৰণি পৈত্রিক ৰাতীঘৰ এতিয়া আনলোকৰ হাতলৈ গ'ল যদিও মোৰ শৈশৱ আৰু যৌৱন কালৰ বহু স্মৃতি তাতেই

কটাইছিলোঁ। পিতাদেউ তেজপুৰ কাছাৰিৰ পিয়ন আছিল। ঘৰুৱা অৱস্থা কোনোমতে দুবেলা দুসাজ খাই চলিব পৰা। পৰ্ব্বতীয়াৰ গঙ্গানাথ শইকীয়া পাটগিৰী (আইতাৰ ভায়েক) আৰু আইতা প্ৰায়ে আমাৰ ঘৰলৈ আহে আৰু মোক বৰ মৰম কৰিছিল। মোৰ ওপৰৰ দুজনী ছোৱালী আছিল। তেওঁলোকৰ নাম বাচ আৰু লাল। বাচ আৰু লাল হেনো দেখিবলৈ বৰ ধুনীয়া আছিল। ভেজে ফুটি যাওঁ ফাটি যাওঁ চেহেৰা। মই অভাগা যে মোৰ দুবছৰ বয়সতে বাচ আৰু লাল জহনী লাগি ঢুকাল আৰু পিছৰ বছৰত আয়েও চকু মুদিলে। পিতাদেউ তেনেই অকল শৰীয়া হ'ল। মোক বুকুত বান্ধি শোকে দুখে পিতাদেৱে সংসাৰ চলাব ধৰিলে। আইৰ অবিহনে আইতাই মোক মৰম চেনেহৰ মাজত তুলি তালি ডাঙৰ কৰিছিল।

মোৰ জন্মৰ বিষয়ে পিতাদেউৰ মুখে শুনা কথা: বাচ আৰু লাল জন্ম হোৱাৰ পিছত কিছু বছৰ ধৰি আমাৰ ঘৰত কোনো সন্তান জন্ম হোৱা নাছিল। এই লৈ সকলোৰে চিন্তাৰ অন্ত নাই। পৰিয়ালত পুত্ৰ সন্তান নহলে বোলে সকলো মিছা; তেতিয়াৰ ধাৰণা। ওচৰ চুবুৰীয়া আৰু বয়োজ্যেষ্ঠ লোকৰ উপদেশ মানি এদিন আইতাই পিতাদেউ আৰু আইক লৈ হিঙ্গুলেশ্বৰ দেৱালয়লৈ গল। দেৱালয়ত চাকি-বন্তি জ্বলাই সেৱা-সৎকাৰ কৰি এটি পুত্ৰ সন্তান হব লাগে বুলি আশীৰ্ব্বাদ ললে। ইয়াৰ পিছতহে মোৰ জন্ম হয়। অৱশ্যে কাকো পৰিল, তালো সৰিল হ'ব পাৰে। আইতা বজিতি এগৰাকী নৈষ্ঠিক নাৰী আছিল। পূজা-সেৱা, মঠ-মন্দিৰ ৰক্ষণশীল ৰীতি-নীতিত নিষ্ঠাবান লোকৰ প্ৰভাৱ সেই সময়ত যথেষ্ট আছিল। তেনে পৰম্পৰা আমাৰ মাজত আছিল যদিও মই সকলে পৰা অন্ধ অনুকৰণ ভাল নাপাইছিলো। পিতাদেৱে মোৰ ন-বছৰ বয়সৰ পৰা মোৰ হতুৱাই ঘৰত শিৱপূজা কৰাইছিল। পৰ্ব্বতীয়াৰ ৺দুৰ্গা বামুনে পূজা

কৰিছিল। মোক গা ধুৱাই, নতুন ধুতি পিন্ধাই, কল বগুৰাৰ চোঁচত বহুৱাই বামুনে সংস্কৃতত মন্ত্ৰ মাতি মোৱাৰ লগে লগে মোকো সেইদৰে মাতি বাবলৈ দিছিল। এইদৰে বহুত দিনলৈ প্ৰতি বছৰে পিতাদেৱে শিৱ পূজা পাতিছিল।

ঢেকীয়ালতিৰে আগলি কলা পাতত আখৰ লিখো

আমাৰ ঘৰৰ আগতে এখন সৰু স্কুল আছিল। মই কাছুটি লোৱা হোৱাত এদিন পিতাদেৱে আৰু আইতাই মোক তালৈ লৈ গ'ল। হেড্ পণ্ডিত ৺পুৱাৰাম দাস নলবাৰীৰ মানুহ। মোক স্কুলত নাম লিখাই দিলে। আমাৰ অঞ্চলত সেই সময়ত এই বৰঝাৰ এল, পি স্কুল খনেই একমাত্ৰ পঢ়াশালি আছিল। তাতো লৰা-ছোৱালীৰ সংখ্যা তেনেই তাকৰ আছিল। পঢ়া-শুনাৰ পৰিবেশ গাওঁ বোৰত নাছিল বাবে বহুতেই লৰালি কালটো ধেমালি-ধুমুলা, ধুপাচালি মাৰি আৰু গৰু-ম'হ ৰখি কটাইছিল। সমনীয়াৰ লগত মই গলেও আইতা আৰু পিতাদেউৰ শাসনৰ কাৰণে বং তামাছাত বেছি গা-ঢালিব নোৱাৰিছিলোঁ। পাঁচ বছৰত মই 'ক' শ্ৰেণীত আছিলো। তুলাপাত পাবলৈ নাই। স্কুললৈ ঘৰৰ পৰা কলপাত লৈ যাওঁ। ঢেকীয়া লতিৰে কলম বনাই তাৰে কলপাতত আখৰ লিখিবলৈ পণ্ডিতে শিকায়। সেইমতে কলাপাতত অ-আ-ক-খ লিখিবলৈ শিকিছিলোঁ। ইয়াৰ উপৰিও শিক্ষকে মাটিত আখৰ লিখি দিয়ে আমি সেই আখৰৰ ওপৰে ওপৰে ভোলগুটি, জিকা গুটি লাটুমনি আদি লৈ সজাওঁ। এনেকৈয়ে প্ৰথমে আখৰৰ লগত চিনাকি হৈছিলোঁ। পিতাদেউ চাকৰিৰ কামত পুৱাতেই ঘৰৰ পৰা ওলায়। মই দিনতো আইতাৰ তত্বাৱধানত থাকোঁ। আইতাই স্কুলত থৈ যায়হি, বাজতে ছুপৰীয়া গাধীবো খুৱাইহি। মোক পিতাই আৰু

আইতাৱে যি ভাবে যত্ন কৰিছিল মই মাতৃহাৰা দুৰ্ভগীয়া বুলি ভাবিবই পৰা নাছিলোঁ। পৰিয়ালত লৰা-ছোৱালী নবয় কাৰণে মোক সকলোৱেই এজনী খোজনীয়া বুঢ়ীৰ ওচৰত বিক্ৰী কৰিছিল। বুঢ়ীয়ে মোক খুন্দু বুলি মাতিছিল। সৌৰৱণী নাম ঠাকুৰাম ৰাখে।

প্ৰথম মহা সমৰৰ বিজয়োল্লাস

ৰবৰাৰ এল, পি স্কুলত পঢ়ি থকা অৱস্থাতে ইংৰাজ আৰু জাৰ্মানৰ মাজত যুদ্ধ লাগে বুলি শুনিছিলোঁ। পিছত জানিব পাৰিছিলো সেই যুদ্ধ পৃথিৱীৰ প্ৰথম মহাসমৰ। যুদ্ধত ইংৰাজ জিকিল। ভাৰতবৰ্ষ তেতিয়া ইংৰাজৰ শাসনাধীন বাবে যুদ্ধত ইংৰাজৰ জয়লাভে ভাৰতবৰ্ষৰো জয়লাভ সূচালে। দেশ জুৰি সকলো প্ৰজা আনন্দত মতলীয়া হৈছিল। বিজয়ৰ আনন্দ-উল্লাস চাৰিওফালে বিয়পি পৰিছিল। ডেকাৰ গাওঁ বৰুৱা চুবুৰী নামঘৰৰ সম্মুখত জয় জয়ন্তী মেলাত ৰাইজৰ বিপুল সমাবেশ ঘটিছিল। ইয়াত আগ ভাগ লৈছিল তেজপুৰ কাছাৰিৰ চাকৰিয়াল বিদ্যানাথ বৰুৱাই। ছাত্ৰ বিলাকক প্ৰধান শিক্ষকে শাৰী পতাই উৎসৱ স্থলীলৈ লৈ যোৱা মনত পৰে। খেল ধেমালিৰ প্ৰতিযোগিতা পাতিছিল। প্ৰতিযোগিতা বিলাকৰ ভিতৰত এটা আছিল ওখ বাঁহৰ খুটা এটাত উঠিব লাগে। ভলুকা বাঁহৰ ৰব ওখ খুটাটোত মিঠা তেল ঢালি পিছলাই থোৱা আছে। সেই খুটাত উঠি তাৰ ওপৰত থকা টকা এটা আনিব লাগে। বহুতে চেষ্টা কৰিছিল কিন্তু পৰা নাছিল। দুই একে কষ্ট কৰি খুটাটোৰ মাজ পাইছিলগৈ, পিছে খোপনি ৰাখিব নোৱাৰি পিছলি মাটিত লুটি খাই পৰিছিলহি। দৰ্শকৰ মাজত তেতিয়া হাঁহিৰ গিৰ্জনি উঠিছিল। এই খেল চাই বৰ আনন্দ পাইছিলো। ভাত আমাক বুট খাবলৈ দিছিল। সেই বছৰ এল, পি স্কুলৰ শেষ পৰীক্ষা দি উঠিছো।

পিতাদেৱে টাউনৰ হাইস্কুলত নাম লিখাই দিয়াৰ কথা কোৱাত মনত অপাৰ আনন্দ পাইছিলোঁ।।

টি বি আৰ অৰ্থাৎ তেজপুৰ বালিপাৰা ৰেলৱে

চাহ আৰু প্ৰাকৃতিক তেল উদ্যোগত অসম ভাৰতৰ বাটকটীয়া ৰাজ্য। ডিগবৈৰ অইল ৰিফাইনেৰী পৃথিৱীৰ প্ৰাচীনতম্ ৰিফাইনেৰী। ইয়াণ্ডাবু সন্ধিৰ পিছত অসম বৃটিছৰ হাতলৈ যোৱাত অসমত চাহাবে চাহ খেতি আৰম্ভ কৰে। অসমীয়া মানুহৰ ভিতৰতো দুই একে চাহ খেতি আৰম্ভ কৰিছিল। তাৰ ভিতৰত মণিৰাম দেৱান বৰুৱা অগ্ৰণী লোক আছিল। চাহ উদ্যোগৰ উন্নতিৰ হকে অসমৰ ৰাস্তা-ঘাটৰ ব্যৱস্থা হৈছিল। শদিয়াৰ পৰা ধুবুৰীলৈ দীঘল পথত পানী জাহাজ আৰু নাওঁ চলাচল কৰিছিল। ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে অৱস্থিত চাহ বাগিচাবোৰৰ পৰা কালক্ৰমত জাহাজ আৰু নাৱেৰে চাহৰ বাকচ ভাটিলৈ পঠোৱা হৈছিল। তেজপুৰ জাহাজ ঘাটলৈ বালি পাৰাৰ পৰা এটা নেৰ' গেজ ৰেল লাইন আছিল। এই লাইনেদি এখন সৰু ৰেল চলে। ইয়াৰে চাহ পাতৰ বাকচ কঢ়িয়াইছিল আৰু পিছলৈ যাত্ৰীও অহা যোৱা কৰিছিল। জুইশলা বাকচ কিছুমান যোৰা দি টানি নিলে যেনে লাগে দূৰৰ পৰা এই ৰেলখনো তেনে লাগিছিল। দৰংজিলাৰ পাচনৈৰ পৰা শিঙৰী জাহাজ ঘাটলৈও এটা সৰু ৰেল লাইন আছিল। তেজপুৰৰ পৰা বালিপাৰালৈ যোৱা এই ৰেল লাইনটোৰ দুয়ো কালে অটব্য অৰণ্য আছিল। হাবি কাটি ৰেলখন অহাৰ লগে লগে আমি ৰেল চাবলৈ ঢাপলি মেলো। চিটি ভলি চাহাব টি বি আৰৰ ইঞ্জিনিয়াৰ আছিল। তেওঁৰ পিছত ডুকি চাহাব ইঞ্জিনিয়াৰ হয়। বৰ্তমান শ্ৰীনবীন চন্দ্ৰকান্ত হাজৰিকাৰ বাসহানৰ পূৰত ডুকি চাহাবৰ বঙলা আছিল। তেওঁ অসমীয়া

কৈৱৰ্ত্ত সম্প্ৰদায়ৰ ছোৱালী বিয়া কৰাইছিল। তেতিয়া হেম ডাক্তৰ ৰেলৰ আৰু চুবেণ ডাক্তৰ সৰ্ব্ব সাধাৰণৰ ডাক্তৰ হিচাবে জনাজাত আছিল। ডিপোটাৰ ৺পূৰ্ণ চৌধুৰী, পৰ্ব্বতীয়াৰ ৺গুণাকান্ত শৰ্ম্মা, কলিয়াবৰৰ ন-সত্ৰৰ ৺বলোভদ্ৰ গোস্বামী আৰু পতীয়া চুবুৰীৰ ৺নন্দৰাম দাস টি বি আৰৰ গাৰ্ড আছিল। গাৰ্ডৰ পোচাক স্থকীয়া। তেজপুৰ ৰেল ষ্টেচনৰ কাষতে আৰ, এচ এন কোম্পানীৰ জাহাজ ঘাট। এই ঘাট আজিও আছে। আমি টি বি আৰত উঠি তেজপুৰলৈ যাওঁ। চাহাব যোৱা ৰেলৰ ডবা বেলেগ আছিল। তাত আমাৰ মানুহ উঠা নিষেধ। তেতিয়া এই ৰেলখনেই আমাৰ কাৰণে কুৰি শতিকাৰ প্ৰগতিৰ প্ৰতীক যেন আছিল।

মনত পৰা তেজপুৰ নগৰী

সকতে শুনিছিলোঁ। খিলঙৰ পিছতেই অসমৰ ভিতৰত তেজপুৰ অতি ধুনীয়া ঠাই। তেজপুৰ চৰকাৰী হাইস্কুলত নাম লগোৱাৰ আগতেও ডাঙৰৰ লগত তেজপুৰলৈ যাওঁ। খোজকাঢ়ি যোৱাৰ বাহিৰে অন্য উপায় একো নাই। দিনত টি বি আৰ মাত্ৰ এবাৰ চলে। কেঁচা ৰাস্তাটোৰ দুয়োফালে ডাঠ হাবি। চহৰ খন হোলা, পুখুৰী আৰু হাবিৰে পৰিপূৰ্ণ। ব্ৰহ্মপুত্ৰৰ পানী অবাধ গতিত নগৰৰ যেনি তেনি সোমাই বাবিৰা হোলা পুখুৰীবোৰ চপ্‌চপীয়া হৈ থাকে। চহৰৰ মাজত বৰ গোলা আৰু হৰিবিলাস আগৰৱালাৰ পকীঘৰ তেতিয়াৰ চকুত লগা ঘৰ। চহৰৰ আলিবোৰ ঠেক আৰু কেঁচা আছিল। ভঙা ইটা আৰু পাথৰৰ টুকুৰাৰে কিছুমান দৰ্কাৰী ৰাস্তা বনোৱা হৈছিল। সাধাৰণতে জেলৰ কয়দী লগাই ৰাস্তাৰ কাম কৰোৱা হৈছিল। কয়দীবোৰে ইটা-পাথৰ ভাঙে, ৰাস্তাত ৰোলাৰেৰে টানে। কয়দীবোৰৰ লগত একোজন ওৱাৰ্ডাৰ থাকে। এইদৰে কয়দীৰ

হতুৱাই মিচন চাৰিআলিলৈকে পাথৰ আৰু ভঙা ইটাৰে বাজাৰ কাম কৰোৱা হৈছিল। তেজপুৰ বজাৰৰ ভিতৰত কিতাপৰ দোকান তিনিখন আছিল। মেইন ৰোডৰ কাষত সৰুজুপুৰী ঘৰত ৺ভাষিৰাম কলিতা আৰু ৺ৰমা হাৰিৰ দুখন আৰু ৺চন্দ্ৰ দাসৰ (চন্দ্ৰ লেঙেৰা বুলি জনাজাত) দোকানখন তেওঁৰ নিজ ঘৰত আছিল। ১৯৩৬ চনত জোনাকী চিনেমা হল সজা হয়। তাৰ আগতে সেই ঠাই জংঘল হৈ আছিল। এখন চাহ দোকান দিছিল ৺নৰ ডেকাই। দোকানখন এতিয়াও আগৰ ঠাইতে (থানা পুখুৰীৰ দক্ষিণ পাৰত) আছে। এতিয়া পৰিবহন নিগমৰ আস্থান থকা ঠাইত এটা চাহাবৰ বঙলা আছিল। ওচৰতে আৰু এটা চাহাবৰ বঙলা আছিল। চাহাব জনৰ নাম এট্‌কিন। তেওঁ মাটিৰ জৰিপ কৰিছিল। এট্‌কিনৰ পৰিবাৰ আছিল ৺গোলাপী মেম। তেজপুৰৰ বাৰহলীয়া বৰাৰ পৰিয়ালৰ বাসস্থান আছিল। বৰাৰ পৰিয়ালে বাৰখন হালেৰে খেতি কৰিছিল বাবে তেওঁলোক থকা ঠাইখন বাৰ হলীয়া বুলি কোৱা হয়। মুক্তিযোদ্ধা আৰু আজীৱন সমাজ কৰ্ম্মী ৺ৰুদ্ৰ বৰা সেই বৰা পৰিয়ালৰে লোক। বাৰহলীয়াত গড়াল পাতি বাঘ ধৰা আমি চাবলৈ যাওঁ। ডেকাৰ গাওঁ বৰুৱা চুবুৰীৰ ৺ভগীৰাম কৈৱৰ্ত্তই গড়াল সাজি বাৰহলীয়াত বাঘ ধৰিছিল। গড়ালত এটা ছাগলি বান্ধি থয়। ৰাতি বাঘ ছাগলি খাবলৈ গড়ালত সোমোৱাৰ লগে লগে বিশেষ কায়দাৰে ৰখা গড়ালৰ দুৱাৰখন জাপ খাই আৰু বনৰজা গড়ালত বন্দী হৈ গোটেই ৰাতি হাওঁৰিয়াই থাকে। বাঘ গড়ালত সোমোৱাৰ লগে লগে কেতিয়াবা ছাগলিটো উলিয়াই নিয়া হয়। গড়ালটো ভলুকা বাঁহেৰে মজবুতকৈ সজা আৰু মাটিত গোজপুতি লৰচৰ কৰিব নোৱাৰাকৈ ৰখা হয়। বন্দী বাঘৰ গোজৰণিত ওচৰৰ মানুহ ভীতিগ্ৰস্ত হৈ থাকে। ৰাতিপুৱা মানুহ গোটখাই জাঠি জোংলৈ বাঘটো গড়ালৰ ভিতৰতে

মাজি পেলায়। সেইদৰেই বাৰহলীয়াত বাৰ মাৰিছিল।

বাৰ হলীয়াৰ পিছতে তেজপুৰৰ কলিবাৰী আৰু ৰেল ষ্টেচনৰ আশে পাশে কিছু দূৰলৈ পুৰণি অসমীয়া মানুহৰ বসতি আছিল। কলিবাৰীত ৰায় বাহাদুৰ পদ্মনাথ গোহাঞি বৰুৱা, ভবানীচৰণ ভট্টাচাৰ্য্য আদি গুণী-জ্ঞানী লোকৰ বাসস্থান আছিল। গোহাঞি বৰুৱাৰ ঘৰৰ আগত তেখেতৰ প্ৰেছ এটা আছিল। উষা আলোচনী তাৰ পৰা প্ৰকাশ হৈছিল। মহাভৈৰৱ মন্দিৰ হাবি জংঘলেৰে ভৰি আছিল। ভৈৰবী দেৱালয়লৈ যাবলৈ মানুহে ভয় কৰে। কেউ কালে জংঘল। হাবিৰ মাজেদি সুৰসুৰীয়া বাটেদি মানুহে অহা যোৱা কৰে। তাত দৈনিক কালী গোসাঁনীৰ পূজা হৈছিল। পাৰ, ছাগলি বলি দিয়া হৈছিল। মোৰ ৰিণি ৰিণি মনত পৰা তেজপুৰ চহৰখন—পূবে কলিবাৰী, পশ্চিমে হজৰাপুখুৰী, দক্ষিণে ব্ৰহ্মপুত্ৰ আৰু উত্তৰে এতিয়াৰ মেইন বজাৰৰ মাজত সীমাবদ্ধ।

জয়াৰ ৰাতি ফেউৰাৰ ফেউ ফেউ

শালনি, পুনিয়নি, শ'লমৰা অঞ্চলত জন বসতি একেবাৰে কম আছিল। হাবি জংঘলৰ মাজে মাজে কৰ'বাত ক'ৰবাত এঘৰ দুঘৰ মানুহ পোৱা যায়। অসমৰ বাহিৰৰ মানুহ আঙুলিৰ মূৰত গণিব পৰা। ডেকাৰ গাঁৱৰ পৰা অলপ দূৰত মুকলি চাপৰি চৰণীয়া গোঁপচাৰ। তাত আমি গৰখীয়াক গৰু দিবলৈ যাওঁ। বাটত জবিতল বুলি এডোখৰ ঠাই আছে। তাত দিনতেৰাঘৰ উৎপাত। কেঁৰিয়াৰা জাকৰ পৰাই বাঘে গৰু ধৰি লৈ যায়। গধূলি হোৱাৰ লগে লগে গাওঁবোৰ কাঁহ পৰি জীন যোৱা যেন হয়। শিয়াল কেঁচা আদি নিশাচৰ প্ৰাণীৰ মাতে ৰাতি বেছি গহীন কৰি তোলে। শিয়ালৰ আন এটা নাম ফেউৰা। ভয়ত আতঙ্কিত হৈ শিয়ালে

কেউ কেউটক চিঞৰিলে কেউবাই চিঞৰা বুলি কয়। সাধাৰণতে বাঘ ওলালে বোলে কেউবাই চিঞৰে। ৰাতি কেউবাই চিঞৰিলে মানুহে হাতত জোৰবত্তি লৈ ওলাই আহি গোহালিৰ গৰু গাই নজৰ কৰে, কোনোবাই ভগা টিং বজাই চিঞৰ বাখৰ কৰে যাতে বাঘ আঁতৰি যায়। এদিন ৰাতি বৰ্ত্তমান ৰাস মন্দিৰৰ পশ্চিম ফালৰ গাওঁখনত বাঘ ওলাল। তাত ৺মানিক হাজৰিকা, ৺বানেশ্বৰ বৰুৱাহঁতৰ ঘৰ আছিল। বাৰীবোৰ বৰ ডাঙৰ কিন্তু হাবিৰে পৰিপূৰ্ণ। বাঘে গোহালিৰ পৰা গৰুলৈ গ'ল। চাৰিওফালে হুল স্থুল হ'ল যদিও ৰাতি একো কৰিব পৰা নগ'ল। ৰাতিপুৱা তেজপুৰ টাউনৰ মেন্টি চাহাবক খবৰ দিলে। মেন্টি চাহাব সেই সময়ত বিখ্যাত চিকাৰী আছিল। বড়া পুখুৰী পাৰৰ ৺চন্দ্ৰ বৰুৱাও এজন ভাল চিকাৰী আছিল। মেন্টি চাহাব আৰু চন্দ্ৰ বৰুৱা দুয়ো চিকাৰ সম্পৰ্কত ভাল বন্ধু। বাঘ ওলোৱা খবৰ পাই দুয়ো ৰাতিপুৱা আহিল। দুয়োৰে হাতত দুটা বন্দুক। দুই চিকাৰীয়ে জংঘলৰ মাজত জুপি জুপি বাঘটো চাই ফুৰিছে। এইদৰে চাই ফুৰোতে জোপোহাৰ মাজত সোমাই থকা নাহৰ ফুটুকী বাঘটোৱে ৺চন্দ্ৰৰ পিচফালে জাপ মাৰি তেওঁৰ ডিঙিত কামোৰ মাৰি ধৰিলে। মেন্টি চাহাবে ঘূৰি চাই দেখে যে ঘটনা সৰ্ব্বনাশ। উপায় নাপাই বাঘটোৰ মুখেদি বন্দুকৰ নলী ভৰাই দি গুলি কৰিলে। বাঘ লুটি খাই পৰিল। কিন্তু ৺চন্দ্ৰ নাবাচিল। দুদিনৰ পিছত হাস্পতালত তেওঁৰ মৃত্যু হ'ল। মেন্টি চাহাব উড়ীয়া লোক। তেওঁৰ উপাধি মহান্তি। কিন্তু মেন্টি নামেৰেহে জনাজাত। পুনিয়ণিৰ বড়াপানীত শৰ, সোণোৰা, হৰিণ, শহা, কেটেলাৰ অবাধ বিচৰণ। মানুহে জাল পাতি পহু ধৰে। আমি পহু ধৰা চাবলৈ যাওঁ। বড়াপানী বিলখন পিটেৰে পৰিপূৰ্ণ। তাত বৰডা, খাগৰি, নল চেপেটী আৰু কাঁহি বন গজি ডাঠ হাবিৰ দৰে হৈ আছিল। নল গজালি খাবলৈ তালৈ পহুবোৰ আহে আৰু বিলৰ মাজত সোমাই

থাকে। পছুবোৰ ধৰিবলৈ যোৱা মানুহে তাঙৰ জাল লৈ বিলৰ কাষত জাল পাতে। জালৰ ফালে মানুহবোৰে হাবিত সোমাই পছুবোৰ খেদিবলৈ ধৰে। প্ৰাণ ৰক্ষা কৰিবলৈ পছুবোৰ দৌৰি পলাওতে জালত পৰেগৈ। কিছুমান পছু জপিয়াই জাল পাৰ হৈ যায়। জালত পৰা পছুবোৰ তেতিয়া মৰিয়াই মাৰে। মৃত্যুৰ আগ মুহূৰ্ত্তত পছুৱে চিঞৰা বহুতে শুনা নাই। সেই চিঞঁৰ বৰ করুণ, বৰ দুখ লগা। আজি কালিৰ নিচিনা তেতিয়া বন্য প্ৰাণী নিধনৰ ক্ষেত্ৰত বিশেষ আইন নাছিল। কটকী চুবুৰীত ৺তনুৰাম দাস নামৰ এজন মানুহ আছিল। তেওঁ জাল পাতি পছু ধৰা কামত বৰ পাকৈত আছিল। মই কব পৰাতে পুনিয়ণিত কোনো মানুহ নাছিল। আজি সেই ঠাই মানুহেৰে পৰিপূৰ্ণ। ৰঙা-পানী মাত্ৰ ৰঙাপানী হৈ আছে। আগৰ সেই ৰঙাপানী বিলত থকা পিটৰ উপৰিও বহুত ঠাই কসংলতীয়া হৈ আছিল। তাত ম'হ পেলাই আমাৰ বাইজে মাছ ধৰিছিল। ৰঙাপানী বিলৰ মাছ, কাছ ৰঙাপানীৰ পিটৰ মাজে মাজে ইকৰা-খাগৰিৰ মাজত সোমাই থকা পছু আজি নাই, মাত্ৰ আছে ঠাইৰ নামহে। পুনিয়ণিত পিছলৈ দুইএঘৰ মিঞা মানুহ সোমাল। আৰু কিছু থলুৱা লোকেও চাপৰিত খেতি কৰিবলৈ ললে। এনেয়ে পৰি থকা অপৰ্য্যাপ্ত মাটিৰ কিছু কিছু অংশত চালাক চতুৰ চৰকাৰী কৰ্ম্মচাৰী, উকিল আদিয়ে নামজাৰি কৰাই লৈছিল। সেই সকল লোকেই ঢাকা আদিৰ পৰা অহা মিঞা মানুহক তাত বহিবলৈ দিছিল। কোনো কোনো লোকে সেই মাটি বাহিৰৰ লোকক বিক্ৰীও কৰিছিল। এতিয়া গোপচাৰ বুলি চিঠা বহীত, মেপত উল্লেখ আছে, কিন্তু মাটি সম্পূৰ্ণ মানুহৰ দখলত। সেই বিলাক বেছি ভাগেই হ'ল ঢাকা, মৈমনসিঙৰ পৰা অহা মিঞা মানুহ। এই সকল লোকৰ সৰবৰাহৰ ক্ষেত্ৰত বিষয়া কৰ্ম্মচাৰীৰ অৰ্থলোভ, স্থানীয়

লোকৰ উদাসীনতা আৰু ৰাজনৈতিক কাৰণো জড়িত আছে।

তেজপুৰ গৱৰ্ণমেণ্ট হাইস্কুলৰ দুৱাৰ ডলিত

উত্তৰে অকা-ডফলা পাহাৰ (বৰ্ত্তমান অৰুনাচল প্ৰদেশ) দক্ষিণে ব্ৰহ্মপুত্ৰ, পূবে হাৰাজান, পশ্চিমে ৰবনদী হল সেইকালৰ দৰং জিলা। তেজপুৰ মহকুমাত হাইস্কুল মাত্ৰ এখন আছিল—তেজপুৰ গৱৰ্ণমেণ্ট হাইস্কুল। গৰৈমাৰী, চলা, পিঠাখোৱা, বিহগুৰি আদিৰ পৰা খোজকাঢ়ি লৰা হাইস্কুলত পঢ়িবলৈ যায়। ৰাতিপুৱাই ঘৰৰ পৰা স্কুললৈ ওলাওঁ আৰু ঘূৰি আহি ঘৰ পাওঁতে গধূলি হয়। বাটত ক'তো চাহ-মিঠাইৰ দোকান নাছিল। পতীয়া চুবুৰীৰ ৺ৰামনাথ নামৰ এজন মানুহৰ এখন দোকানত ভজা বুট বেচিছিল। আমি তাত ভজা বুট খাওঁ। পাতি পয়ছা এটা দি বুট কিনিলে কেইবাজনেও খাব পাৰি। ৰাস্তাৰ কাষত পনিয়ল, অমৰা, বগৰী আদি নানা বনৰীয়া ফলমূলৰ গছ-গছনি আছিল। লগৰীয়াৰ লগত কিতাপ কলি এঠাইত থৈ ফলমূল খাই পংপঙাই ফুৰিছিলোঁ। কেতিয়াবা ঘৰ আহি পাওঁতে দেখি হলে পিতাদেউ আগবঢ়ি গৈছিল। স্কুলত আমাতকৈ ওপৰ শ্ৰেণীত জ্যোতি প্ৰসাদ আগৰৱালাক দেখিছিলোঁ। তেতিয়া মোৰ লগত চিনাকি নাছিল। আগৰৱালা পৰিয়াল বুলিলে তেতিয়া সকলোৱে জানিছিল। সেই পৰিয়ালৰে লৰা জ্যোতি প্ৰসাদ। তেজপুৰ "পকী" তেওঁলোকৰ ঘৰ। তেতিয়া ইমানেই জানিছিলোঁ। জ্যোতি প্ৰসাদৰ লগত মোৰ সান্নিধ্যৰ কথা পিছত লিখিম। তেজপুৰ গৱৰ্ণমেণ্ট হাইস্কুলত ক্লাছ থ্ৰীত নাম লগাই মেট্ৰিকৰ সময়তে আৰ্থিক অনাটন আৰু ঘৰুৱা পৰিস্থিতিৰ হেঁচাত স্কুল এৰি চাকৰিৰ অনুসন্ধানত ওলালোঁ।

তেজপুৰত হাইস্কুলত পঢ়িবলৈ যোৱা বছৰতে পিতাদেউৰ চাকৰি গ'ল। পিতাদেৱে কাছাৰিত পিয়দা চাকৰি কৰা বুলি আগতেই

কৈছো। চাকৰি কেনেকৈ গল-সিও এটা কাহিনী। পিতাদেউ মানুহজন বৰ জেদী আৰু খঙাল আছিল। তেজপুৰ কাছাৰিৰে এজন নাজিৰৰ লগত পিতাদেউৰ বোলে আগৰে পৰা টকা-পইছাৰ লেনদেন্ আছিল। এদিন নাজিৰজনে তেজপুৰ বজাৰৰ মানুহৰ আগতে পিতাদেউক পইছা খুজিলে। স্থান কাল বিচাৰ নকৰাকৈ তেনেকৈ পইছা খোজাত পিতাদেউৰ বৰ খং উঠিল। খঙৰ ভমক ইমান চৰিল যে ওচৰতে পৰি থকা বাৰি এডালেৰে পিতাদেৱে নাজিৰক কেইবা কোবো শোধালে। পিছদিনা জিলাৰ উপাযুক্তৰ ওচৰত নাজিৰ জনে পিতাদেউৰ ওপৰত গোচৰ দিলে। গোচৰত পিতাদেউৰ চাকৰি গ'ল। পিতাদেৱে নিচাযুক্ত মাদক দ্ৰব্য ব্যৱহাৰ কৰিছিল। সেই সময়ত নিচা যুক্ত দ্ৰব্য ব্যৱহাৰ কৰিলে পৰাচিত হব লাগে — নহলে সমাজে এঘৰীয়া কৰে। এইলৈ পিতাদেউৰ সগত আইতাৰ মনোমালিন্য হৈ আছিল। আইতা বৰ ধৰ্ম্ম-পৰায়না মহিলা আছিল। পিতাদেৱে নিচাযুক্ত মাদক দ্ৰব্য সেৱন কৰাটো আইতাই মুঠেই সহ্য কৰিব পৰা নাছিল। সেয়েহে পিতাদেউৰ চাকৰি যোৱাৰ পিছত আইতাই আমাক এৰি থৈ পৰ্ব্বতীয়াৰ ভায়েক ৺গঙ্গানাথ শইকীয়া পাটগিৰীৰ লগলৈ গ'ল। আইৰ মৃত্যুৰ পিছত পিতাদেৱে দ্বিতীয় সংসাৰ কৰাৰ কথা নাভাবিলে। আইতায়েও যেতিয়া আমাক এৰি থৈ গ'ল তেতিয়া পিতাদেৱে মোকে একমাত্ৰ সম্বল কৰি ললে। অতি দুখ-কষ্টেৰে পইছা উপাৰ্জ্জন কৰি পিতাদেৱে মোক পঢ়োৱাত লাগিল। খেতিৰ মাটি দুবিঘা আছিল। তাতেই খেতি কৰিছিল। কিন্তু পিছলৈ অৱস্থাৰ তাড়নাত পৰি সেই মাটি কেই-ডৰাও বন্ধকত থব লগা হ'ল। মোৰ স্কুলৰ মাচুল, কিতাপ-পত্ৰ যোগাৰ কৰোতে বাগানৰ কেইবাজনো সদাশয় লোকে সহায় কৰিছিল। এইদৰে স্কুলত পঢ়িছিলো যদিও দাৰিদ্ৰ্যৰ হেঁচাত মেট্ৰিকৰ ডেওনা পাৰ হব নোৱাৰিলোঁ। সেই সময়ত

স্কুলত চাকৰি ওলাইছিল। পৰ্ব্বতীয়াৰ ৺মহিধৰ কাকতি মোৰ বৰ শুভাকাংক্ষী লোক আছিল। ডেঙি কৃষ্ণাবৰবাৰী এল, পি স্কুলত শিক্ষকতা কৰি আছিল বৰঝাৰ এল, পি স্কুলখন আমাৰ ঘৰৰ ওচৰতে। তাত এটা শিক্ষকৰ পদ খালি হোৱাত মোক কাকতিয়ে তাৰ কাৰণে আবেদন কৰিবলৈ ক'লে। সেইমতে আবেদন কৰিলোঁ। কাকতিয়ে মোৰ পৰা নিজে আবেদন লিখাই-ডি আইক দিলেগৈ আৰু তাৰ পাছ দিনৰ পৰাই মোৰ চাকৰি হ'ল। তেতিয়া স্কুল ডি আই আছিল ৺সৰ্ব্বানন্দ দাস। অসমৰ প্ৰাক্তন মুখ্য সচিব ধৰ্ম্মানন্দ দাসৰ দেউতাক। ১৯২৬ চনত মই বৰঝাৰ এল পি স্কুলৰ শিক্ষক নিযুক্ত হ'লো। দৰমহা নিচেই কম যদিও বয়বস্তুবো দাম অতি কম আছিল। মাছ-পুঠি কিনিবই নালাগে, বিচাৰি গলেই পোৱা যায়। এটা ডাঙৰ বৌমাছৰ দাম দুঅনাৰ (মেট্ৰিক পদ্ধতিত ১২ পইছা) ওপৰ নহয়। বস্তু বেচা-কিনাত ওজনৰ কথা নাছিল। প্ৰত্যেক বস্তুৰ দাম এপইছা, দুপইছা, তিনি পইছা, চাৰি পইছা ইত্যাদি। তামৰ পইছা প্ৰচলন আছিল। ১৯৫৭ চনত নতুন মুদ্ৰা প্ৰচলন হ'ল। তাৰ আগত টকা, অনা, পাই, পইছা চলিছিল।

ভোগালীত দুৰ্যোগ

মাঘ বিহুৰ আন এটা নাম ভোগালী বিহু। সকতে এই উৎসৱ বৰ ধুম্‌ধাম্ আৰু উলহ মালহৰ মাজেৰে পালন কৰিছিলোঁ। বিহুলৈ এমাহ মান থকাৰ পৰাই মেজি ঘৰৰ কাৰণে খৰি আৰু নৰা কাটিছিলোঁ। লগৰ লগৰীয়াৰ সহযোগত এই কাম কৰি বেচ স্ফূৰ্তি পাইছিলোঁ। এইদৰে বিহুৰ কাম কৰোতে এবাৰ মোৰ এটা দুৰ্ঘটনা ঘটিল। মোৰ বয়স তেতিয়া বাৰ বছৰ মান হৈছে। বিহুত মেজিৰৰ সাজিবলৈ এবাৰাৰীত বাঁহ কাটিবলৈ গৈছো। লগত

৺লালিত শইকীয়া আৰু এজন। এজোপা জলুকা বাঁহত লগিতে এডাল ডাঙৰ বাঁহ কাটিলে। বাঁহডাল উলিয়াবৰ কাৰণে সি ওপৰলৈ উঠি গ'ল আৰু মোক তলৰ পৰা টানিবলৈ দিলে। মই তেতিয়া কটা বাঁহৰ মূঢ়াটোত উঠি বাঁহডাল টানিব ধৰিছো এনেতে লগিতে হাতত থকা দাখন তললৈ নোচোৱাকৈ মই ধৰা বাহডালত থাপ মাৰি দিলে। দাৰ থাপটো মোৰ হাতত পৰিল। বাওঁ হাতৰ কেঞা আঙুলিটো লগে লগে উফৰি গৈ কৰবাত পৰিলগৈ আৰু তাৰ কাষৰ আঙুলিটোৰো আধা কাটিলে। মই চকুৰে সৰিয়হ ফুল দেখিলোঁ। চিঞৰত গগন ফালি ঘৰলৈ দৌৰিছো। কটা ঠাই ডোখৰৰ পৰা তেজ চিৰ্চিৰাই দুৰলৈ মাৰিছে। সোঁ হাতেৰে কটা হাতখনত ধৰি আছো। ঘৰ আহি পাই দেখো পিতাদেউ ঘৰত নাই। ওচৰতে থকা ৺জোনাই পেহীৰ ঘৰলৈ গ'লো। ডাক্তৰ কবিৰাজ ওচৰত নাছিল। এজন বেজ আছিল। তেওঁ কথাটো গম পাই পেহীৰ ঘৰলৈ আহিল। মই চেঙালুটি পাৰি আছো। তেওঁ মোৰ কটা আঙুলিৰ তলত বান্ধ এটা দি ধৰণী ধৰিলে। দৰব জাতি দিলে। সেইবাৰ ভোগালী বিহুয়ে মোক দুৰ্ভোগ দি গল। সেই কষ্ট মনত পৰিলে আজিও চকুৰ আগেদি ফিৰিঙতি ওলায়।

দুলীয়াই পাতিলে দোলা

বুৰঞ্জীত পাইছো—আহোম স্বৰ্গদেউ সকল, ৰাজ-মন্ত্ৰী সকল আৰু উচ্চ বিষয়া বৰ্গ দোলাত আহে দোলাত যায়। তাৰ কাৰণে দোলা-ভাৰী, দোলা-কাষৰীয়া, ডাং ধৰা আদি ভাগে ভাগে পদবীৰ সৃষ্টি কৰিছিল। সামন্ত প্ৰথাৰ এই পৰম্পৰা পিছৰ কালৰ সত্ৰাধিকাৰ সকলৰ ক্ষেত্ৰত দেখা পাইছিলোঁ। তেজপুৰ বালিপাৰা ট্ৰাম ওৱেজত সেই সময়ত বগা চাহাব বিলাক অহা যোৱা কৰে। চাহ বাগিচাৰ

মেনেজাৰ আৰু চৰকাৰী উচ্চ বিষয়া সকলো যথা চাহাৰ আছিল। চাহাৰ উঠা কোঠাবোৰ বৰ ধুনীয়া, তাত আমাৰ মানুহ সোমাবলৈ নিদিয়ে। মাত্র সত্রাধিকাৰ প্ৰভু সকল আহিলে তেনে কোঠাত বহি আহিছিল। ডেকাৰ গাওঁ পুৰণি ৰেল ষ্টেচনটো বৰ্ত্তমান বাস মন্দিৰৰ কাষতে পুৰত আছিল। ৰেল ষ্টেচনৰ ওচৰতে ডেকাৰ গাওঁ শইকীয়া চুবুৰী নামঘৰ। এবাৰ কলিয়াবৰ ন সত্ৰৰ সত্রাধিকাৰ স্বৰ্গীয় যুক্তিদেৱ গোস্বামীৰ দেউতাক ডেকাৰ গাঁৱলৈ ৰেলেৰে আহিব বুলি খবৰ আহিল। ৰাইজ আৰু শিষ্য সকল নিৰ্দিষ্ট দিনত সময়মতে দোলা লৈ গায়ন-বায়ন সহ ডেকাৰ গাওঁ ৰেল ষ্টেচনত বৈ আছে। সৰু লৰা হিচাবে লগৰীয়াৰ লগত মইও আছো। তেজপুৰৰ পৰা ৰেলখন আহি আছে। ৰেল কিছু দুৰত থাকোতেই ৰাইজ বহি পৰিল। ৰেল আহি পোৱাত ধুনীয়া কোঠাটোৰ পৰা সত্রাধিকাৰ প্ৰভু নামি আহিল। ৰাইজে শৰাই সফুৰা দি আঁঠু ললে। সত্রাধিকাৰ সজাই থোৱা দোলাত উঠিল। দোলা দণ্ডাৰ লগে লগে গায়ন-বায়নৰ তাল খোল আৰু আয়তী সকলৰ উৰুলিৰে গোটেই অঞ্চল মুখৰিত হ'ল। ৰাইজ প্ৰভু ঈশ্বৰক দোলাত লৈ লাহে লাহে নামঘৰলৈ আগবাঢ়িল। নামঘৰৰ সন্মুখত দোলা থলে। গোসাঁই দোলাৰ পৰা নামিল। ওচৰতে ৰৰপীৰা, চৰিয়া আৰু গামোচা আছে। গোসাঁই পীৰাত উঠিল। শিষ্য সকলে লোটাৰ পানীৰে চৰিয়াত গোসাঁইৰ ভৰি ধুৱালে আৰু গামোচাৰে ভৰি মচি দিলে। চৰিয়াৰ ভৰি ধুউৱা পানী শিষ্য সকলে মূৰত লৈ থোৱা দেখিছিলোঁ। গোসাঁই সকল আহিলে তেতিয়া এনেকৈয়ে আদৰিছিল। জামুগুৰিৰ কৰতীপাৰ সত্ৰ পুৰণি কলিয়াবৰ সত্ৰৰে অংশ। কৰতীপাৰ সত্ৰৰ সত্রাধিকাৰ স্বৰ্গীয় ফনেশ্বৰ গোস্বামীদেৱ কেইবাবাৰো ডেকাৰ গাঁৱলৈ আহিছিল। ৰাইজে পূৰ্ব্বাপৰ নিয়মমতেই গোসাঁইক আদৰিছিল। পিছলৈ শ্ৰীশ্ৰীনিকামূল সত্ৰৰ সত্রাধিকাৰ স্বৰ্গীয় গহন চন্দ্ৰ গোস্বামী দেৱকো আদৰি সাদৰি আমাৰ গাঁৱলৈ অনা হৈছিল।

তেজপুৰ চৰকাৰী উচ্চ ইংৰাজী স্কুলত পঢ়ি থকা অৱস্থাতে এদিন শুনিবলৈ পালো আউনীআটি সত্ৰৰ সত্ৰাধিকাৰ নিজৰ জাহাজেৰে আহি কল্লিবাৰী ঘাটত বাহৰ পাতি আছেহি। সত্ৰাধিকাৰ বাহৰ পাতি থকা চাবলৈ গলো। শিষ্য বিলাকে ব্ৰহ্মপুত্ৰৰ বালিত ঘৰ-দুৱাৰ সাজি সুন্দৰ ব্যৱস্থা কৰি থৈছে। গোসাঁই আঁৰ কাপোৰৰ ভিতৰত। তিৰোতা মানুহ গ'লে আঁৰ কাপোৰৰ বাহিৰত থাকিব লাগে। তাৰ পৰাই সেৱা জনাব। শিষ্য সকলে গোসাঁইৰ ওচৰত মাটিত বা ঢাৰিতহে বহিব পায়। তলজাতৰ লোকক চৰণ চুই সেৱা কৰিবলৈ নিদিয়ে। তেতিয়া এনে লোকাচাৰ, নীতি নিয়ম আৰু অস্পৃশ্যতা সমন্ধে একো ভাবিব পৰা নাছিলো। আগৰ সকলে যেনেকৈ বাট দেখুৱাই গৈছে তেনেকৈ যোৱাটোৱেই নিয়ম বুলি ভাবিছিলোঁ। এতিয়া অনুভৱ কৰিছো অসমীয়া ধৰ্মাধ্যক্ষ সকলৰ এনে আচাৰ-ব্যৱহাৰ নীতি নিয়মৰ ফলতে শক্তিশালী সমাজ এখন গঢ়ি উঠিব নোৱাৰিলে। আজিলৈকে আমি সকলো মিলি অসমীয়া হবই পৰা নাই, মানুহনো কেতিয়া হম? আমাৰ ওচৰৰ পাহাৰীয়া ভাই-ভনীহঁতে এনে ভেদাভেদ আৰু অৱজ্ঞাৰ ফলতে অসমীয়াৰ মাজৰ পৰা আঁতৰি গৈছে। শ্ৰীমন্ত শঙ্কৰদেৱে গীতা ভাগৱতৰ অমিয়া ৰস আহৰণ কৰি কীৰ্ত্তন পুথিত সকলোৰে পাৰ পৰাকৈ দি গৈছে। প্ৰাণী মাত্ৰৰে আত্মাৰাম বুলিছে, জাতকুলৰ বিচাৰ নকৰি সকলোকে সমান চকুৰে চাই সেৱা আগবঢ়াবলৈ কৈছে। কিন্তু পিছৰ কালত গুৰুজনাৰ নামত ধৰ্ম্মৰ গুৰি ধৰোতা সকলে-এনে উপদেশ উলংঘা কৰি সমাজত বিভেদৰ সৃষ্টি কৰিবলৈ ক'ত ক্ষমতা পালে তাক কোনেও নাজনিলে। গুৰুজনাৰ সৃষ্টি 'নামঘৰ' একতাৰ প্ৰতীক আছিল কিন্তু এতিয়া 'নামঘৰ' বিভেদৰ প্ৰতীক হ'ল। খেলে খেলে আৰু জাতে জাতে এতিয়া নামঘৰ হবলৈ ধৰিছে।

প্ৰথম মনৰ মাজত কিহবাৰ আঁচোৰ

লৰালি কালটো বৰ আনন্দ স্ফূৰ্ত্তিৰ মাজত কটোৱা বুলি কব নোৱাৰো। ইয়াৰ প্ৰধান কাৰণ দাৰিদ্ৰ্য, ঘৰুৱা পৰিবেশ আৰু শিক্ষাৰ প্ৰতি থকা ধাউতিত হোৱা অনেক বাধা বিঘিনী। তথাপিতো লগৰীয়াৰ লগত ফুৰিছো, খেলিছো আৰু ৰং তামাছাও কিছু নকৰা নহয়। দেশৰ পৰিস্থিতিৰ কথা একো বুজ নাপাইছিলো। বগা চাহাবেই আমাৰ হৰ্ত্তা-কৰ্ত্তা বিধাতা আৰু ভাগ্যনিয়ন্তা বুলি ভাবিছিলো। এনেহে মনত খেলাইছিল যেন আমাক শাসন কৰাৰ অধিকাৰ বৃটিছৰ বাহিৰে আন কাৰো নাই। চাহ বাগিছাৰ মেনেজাৰ, জিলাৰ বৰ চাহাব, পুলিচ চাহাব, শিক্ষা বিভাগৰ মুৰব্বী, ইঞ্জিনীয়াৰ আদি সকলো বগা চাহাব আছিল। তেজপুৰৰ আশে পাশে চাহ বাগিচা বহুত আছে। ডেকাৰ গাওঁ পুৰণি ৰেল ষ্টেচনৰ ওচৰত কেতিয়াবা বগা চাহাব বিলাক লগ লাগে। তেওঁলোক ঘোঁৰা আৰু বাগিত আহিছিল। শুনিবলৈ পাইছিলো তেতিয়া প্ৰথম মহাসমৰ চলি আছে। মহাসমৰৰ প্ৰভাৱ ইয়াত নাছিল যদিও ইউৰোপীয়ান চাহাব বিলাকৰ মাজত সমৰ প্ৰস্তুতি কিছু আছিল। চাহাব বিলাকে ডেকাৰ গাওঁ ৰেল ষ্টেচনৰ কাষত পথাৰ আৰু হাবিৰ মাজত সোমাই যুদ্ধৰ আখৰা কৰিছিল। কুৰুক্ষেত্ৰ ৰণত চতুৰঙ্গৰ সহায়ত যুদ্ধ হৈছিল। চতুৰঙ্গ হ'ল—হাতী, ঘোঁৰা, ৰথ আৰু পদাতিক। কুৰি শতিকাৰ আৰম্ভণিত যুদ্ধত হাতী আৰু ৰথ অপ্ৰচলিত হ'ল কিন্তু শিল্প বিপ্লৱে আনি দিয়া ভাপকল পানী জাহাজে প্ৰভূত পৰিমাণে সহায় কৰিছিল। তেজপুৰ চহৰৰ পশ্চিমত থকা হজৰা পুখুৰী পাৰত চাহাব বিলাকে ঘোঁৰাদৌৰ প্ৰতিযোগিতা পাতে, আমি চাবলৈ যাওঁ। ঘোঁৰা দৌৰত পইছাৰ বাজি হয়। তেজপুৰ টাউনত পঢ়া স্কুলীয়া ছাত্ৰ হিচাবে সেই সময়ত বাহিৰৰ কথাও কিছু আগতীয়াকৈ জানিব পাৰিছিলোঁ। ভাৰত স্বাধীন কৰিবলৈ পশ্চিমত কিছুমান কংগ্ৰেছ নেতা ওলোৱা বুলি ডাঙৰ মানুহৰ মুখেদি শুনিছিলো।

বোম্বাইত বালগঙ্গাধৰ তিলক, পাঞ্জাবত লালা লাজপত ৰায় আৰু বেঙ্গলত বিপিনচন্দ্ৰ পাল সেই সকলৰ ভিতৰত প্ৰধান আছিল। তিনিওকে লাল, পাল, বাল বুলি জনা গৈছিল। এই সকলৰ উপৰিও মোহনদাস কৰমচাঁদ গান্ধীয়ে বিহাৰত নীল খেতিয়ক সকলক লগত লৈ সত্যাগ্ৰহ আন্দোলন কৰাৰ কথাও শুনিবলৈ পাইছিলোঁ। গান্ধীক ৰবীন্দ্ৰনাথ ঠাকুৰে মহাত্মা উপাধি দিছিল।

১৯২১ চনত মই গৱৰ্ণমেণ্ট হাইস্কুলত পঞ্চম শ্ৰেণীৰ ছাত্ৰ। আমি শুনিবলৈ পালো তেজপুৰলৈ মহাত্মা গান্ধী আহিব। মহাত্মা গান্ধীক তেতিয়া ভাৰতৰ বাইজে দেৱতা জ্ঞান কৰে। গান্ধী যলৈকে গৈছে হাজাৰ হাজাৰ নৰ-নাৰী আবাল বৃদ্ধ বনিতা ত'লৈকে তেওঁক অনুসৰণ কৰিছে। গান্ধীৰ লগে লগে মানুহ মন্ত্ৰমুগ্ধ হৈ দৌৰিছে। তেজপুৰ পল' ফিল্ডত ওখকৈ মঞ্চ সাজি তাত মহাত্মা গান্ধীক আদৰিবলৈ ব্যৱস্থা কৰা হৈছিল। মহাত্মা গান্ধী আহি তেজপুৰৰ পৰমানন্দ আগৰৱালাৰ বাসভৱন 'পক্কী'ত আছেহি। লগত আলি ভ্ৰাতৃদ্বয় মহম্মদ আলি আৰু চৌকত আলিও আহিছিল। আলি ভ্ৰাতৃদ্বয় টাউনৰ আব্দুল হামিদৰ ঘৰত আলহী। পিছত জানিছিলো আলি ভ্ৰাতৃদ্বয়ে খিলাফৎ আন্দোলনৰ নেতৃত্ব দিছিল। পল' ফিল্ডত লোকে লোকাৰণ্য। সকলো মহাত্মাৰ দৰ্শন প্ৰাৰ্থী। আমি স্কুলীয়া ছাত্ৰ হিচাবে সভাৰ একাষে থিয় হৈ চাই আছো। যথা সময়ত নেতৃবৰ্গৰ লগত মহাত্মা সভাস্থলীত উপনীত হ'ল। মহাত্মাৰ পিন্ধনত খদ্দৰৰ খোৰ মৰা ধুতি, ভৰিত সাধাৰণ চেণ্ডেল, খদ্দৰৰ পাঞ্জাবী, ঘাগৰি-গঁতীয়াকৈ লোৱা চাদৰ এখন আৰু মূৰত বগা কয়দী টুপি। মহাত্মা আগমনৰ লগে লগে সকলো ৰাইজ হৰ্ষধ্বনি কৰি থিয় হ'ল আৰু "জয় মহাত্মা গান্ধীজী কি জয়" ধ্বনিৰে আকাশ মুখৰিত হ'ল। ৰাইজৰ এনে দলদোপ হেন্দোল দোপ্ আগতে কেতিয়াও দেখা নাছিলো। আদৰণি হৈ যোৱাৰ পিছত মহাত্মাই হিন্দীত ভাষণ

দিছিল। মহাত্মাৰ ভাষণ লগে লগে এজন লোকে অসমীয়ালৈ অনুবাদ কৰি গৈছিল। মানুহজন বেচ থুলন্তৰ চাহাবৰ নিচিনা। পিছত গম পালো সেইজনেই বাৰিষ্টাৰ তৰুণ বাম ফুকন। ঘঁতৰত সূতা কাটি কাপোৰ পিন্ধা, নিজৰ ঘৰত ব্যৱহাৰিক বস্তু উৎপাদন কৰা, বিলাতী বস্ত্ৰ ত্যাগ কৰা, ছাত্ৰ সকলক চৰকাৰী স্কুল-কলেজ ত্যাগ কৰি ওলাই অহা, বৃটিছ চৰকাৰৰ লগত অসহযোগ কৰা আদি কথা মহাত্মাই ভাষণত কৈছিল। সভাস্থলীতে জানিব পাৰিলো মহাত্মা গান্ধীয়ে অসহযোগ আন্দোলন আৰম্ভ কৰি অহিংস নীতিৰে বৃটিছক ভাৰতৰ পৰা খেদিবলৈ প্ৰয়াস কৰিছে। আমাৰ ডেকাৰ গাৱঁৰ এগৰাকী তিৰোতা সভাৰ আগশাৰীত বহি আছিল। তেওঁৰ নাম ৺ভুপৰী। মানুহ গৰাকী বেচ সাহসী। তেওঁ নিজে কপাহ কাটি খদ্দৰৰ কাপোৰ বৈ পিন্ধিছিল। গান্ধী মঞ্চৰ পৰা নামি আহোঁতে মানুহ গৰাকীয়ে পিন্ধা খদ্দৰৰ কাপোৰ পিটিকি পিটিকি চাই মানুহ গৰাকীক বৰ প্ৰশংসা কৰিছিল।

সভাৰ অন্তত মানুহ যেনি তেনি গ'ল। ঘৰলৈ যোৱা ঘৰলৈ, কামত যোৱা কামলৈ আৰু মই তেতিয়া আমাৰ ডেকাৰ গাঁও, গৰৈমাৰিৰ বাইজৰ লগত ঘৰলৈ খোজ ললোঁ। ঘৰ পাওঁতে গধূলি আন্ধাৰ হ'ল। পিতাদেউ অকলে আছে। খোৱা খিনি মই নিজেই যোগাৰ কৰি লৈ খালোঁ। পিতাদেউক আৰু গধূলি ওচৰৰ দুই এজন ফুৰিবলৈ অহা মানুহক মহাত্মা গান্ধীৰ কথা কলোঁ। সেই দিনা ৰাতি মোৰ টোপনি নহ'ল। গান্ধী মানুহ জনৰ কথা ভাবি থাকোঁতেই গ'ল। গান্ধীক দেখা আৰু ভাষণ শুনাৰ পিছত মোৰ মনৰ মাজত কিহবাৰ আঁচোৰ খোৱা যেন লাগিল। জীৱনত প্ৰথম বাৰ মনৰ ভিতৰত কিবাএটা পৰিবৰ্ত্তন আহিল। জন্মভূমি আৰু নিজৰ দেশৰ প্ৰতি সেৱাৰ মনোভাব এটা জাগিল। নিজৰ দেশখনক নিজৰ মানুহে শাসন কৰিব লাগে। বিদেশীয়ে নিজৰ স্বাৰ্থ পূৰণৰ

বাবেহে আমাৰ দেশ শাসন কৰিছে—আমাৰ উন্নতিৰ কাৰণে নহয়। এই কথাটো মনৰ ভিতৰত স্পষ্ট হৈ উঠিল। দিন যোৱাৰ লগে লগে মনৰ গতি কংগ্ৰেছৰ ফালে ঢাল খালে। স্বাধীনতাৰ ভাব মনত জাগ্ৰত হ'ল। খদ্দৰ ভাল পোৱা হ'লো। মহাত্মা গান্ধীয়ে প্ৰথম ভ্ৰমণ কৰাৰ পিছত অসমত স্বদেশী আন্দোলনে গা কৰি উঠে। বৰ্ত্তমান ডেকাৰ গাৱত য'ত ৰাস মন্দিৰ আছে তাত একো নাছিল। অকনমান মুকলি ঠাইহে আছিল। তাতেই কেতিয়াবা মানুহ গোটখাই মেল মিটিং কৰে। ডেকাৰ গাঁৱলৈ চন্দ্ৰনাথ শৰ্ম্মা, হেমচন্দ্ৰ বৰুৱা আৰু অমিয়কুমাৰ দাস আদি দেশৰ সেৱাত আগবাঢ়ি ওলোৱালোক সকল অহা দেখিছিলোঁ। এই ঠাইতে মিটিং পাতি নেতা সকলে আন্দোলনৰ বক্তৃতা দিছিল। এই নেতা সকলৰ আহ্বানত ১৯২১ চনত মিটিং বহা ঠাইতে বিদেশী বস্ত্ৰ দাহ কৰা হৈছিল। দূৰ দূৰণি অঞ্চলৰ মানুহ আহি দপ্ দপ্‌কৈ জ্বলি থকা জুইত কাপোৰ কানি জাপি দিয়া দৃশ্য এতিয়াও চকুৰ আগত ভাহি আছে। ডেকাৰ গাঁৱৰ স্থানীয় লোকৰ ভিতৰত ঘনশ্যাম বৰাই এই ক্ষেত্ৰত আগভাগ লৈছিল। এই মিটিঙৰ কিছু দিনৰ পিছত ৺চন্দ্ৰনাথ শৰ্ম্মাৰ মৃত্যু হয়।

অ কা ভকলাই পঁচা নিয়ে

অসমৰ উত্তৰাংশ-পৰ্বত পাহাৰেৰে পৰিপূৰ্ণ। যুগ যুগ ধৰি উত্তৰ অংশৰ কথা ভৈয়ামৰ মানুহে জনা নাছিল। ১৯৬২ চনৰ চীনা আক্ৰমণৰ পিছতহে এই অঞ্চলৰ প্ৰতি মানুহৰ চকু মেল খালে। আহোম ৰজাৰ দিনত উত্তৰত থকা পাহাৰ-পৰ্ব্বতৰ লোকে মাজে সময়ে ভৈয়ামলৈ আহি উৎপাত কৰিছিল। ভৈয়ামৰ লোকৰ পৰা ভকা-হকা দি গৰু-ম'হ সা-সম্পত্তি লুট কৰিছিল। এই অত্যাচাৰৰ পৰা ৰক্ষা পাবলৈ আহোম ৰজাই পাহাৰীয়া লোক সকলক বুজাই বঢ়াই ৰাখিবলৈ এক শ্ৰেণী মানুহ নিয়োগ কৰিছিল। পাহাৰীয়া

সকলক বছৰি ভৈয়ামবাসীৰ হৈ টকা আৰু অন্যান্য উপঢৌকন দিয়াৰ নিয়ম আছিল। ইয়াক পঁচা দিয়া বোলা হয়। পিছলৈ বৃটিছৰ দিনত জিলাৰ বৰ চাহাবে ৰাজ কোষৰ পৰা এই পঁচা দিছিল। সক কালৰ কথা। তেজপুৰ ট্ৰেজাৰীৰ পৰা ডফলা মানুহে পঁচা নিবলৈ আহে। তেওঁলোক পাহাৰৰ পৰা চাৰিছুৱাৰ হৈ ভালুক পুঙেদি খোজকাঢ়ি আহি থাকে। ৰাস্তাৰ ঠায়ে ঠায়ে বৈ ৰাতিটো কটাই দোক মোকালিতে আকৌ খোজ লয়। ডেকাৰ গাৱৰ নতুন পুখুৰীৰ ওচৰত আহঁতৰ তলত ডফলাই জিৰণি লৈছিল। তাত তেওঁলোকে ৰান্ধি বাঢ়ি খাইছিল আৰু ৰাতি কটাইছিল। তেওঁলোকক আমি চাবলৈ যাওঁ। একে লগে ভালেমান মানুহ আহিছিল। প্ৰত্যেকৰ পিঠিত একোটা বাঁহ বেতেৰে সজা হোৰা। হোৰাটো ফিটা লগোৱা। তাৰ ভিতৰত খোৱা বস্তুকে আদি কৰি দৰ্কাৰী বস্তু ভৰাই আনে। গাত এখন গাঠি মাৰি লোৱা এৰী চাদৰ আৰু গুপ্তাংগ ঢাকি থবলৈ এডাল লেঙুটি ব্যৱহাৰ কৰে। ককালত বেতেৰে গঁথা দীঘল ৰচি এডাল মেৰোৱা থাকে। ভৰিত কলাফুলৰ ওপৰ অংশত ৰচাৰে বান্ধ দিয়া আৰু ককালত দা এখন খাপত ভৰোৱা থাকে। মূৰত বেতৰ টুপি এটা। টুপিটোৰ সন্মুখৰ ফালে লোহা বা তামৰ এডাল শলা আৰু পিছফালে ৰৰটোকোলাৰ ঠোঁটৰ দৰে এটা চৰাইৰ ঠোঁট বন্ধা থাকে। টুপিত ছুই চাৰিটা ধুনীয়া বনৰীয়া চৰাইৰ পাখিও গুজি লয়। অঁকা ডফলাই জাংফাই কেকমনি ব্যৱহাৰ কৰিছিল আৰু মুখ হাতত টাটু কৰি লৈছিল। শুকান জলকীয়া আৰু ভাঙৰ টোপোলা ডফলাই লৈ আনে আৰু সেইবোৰ ভৈয়ামৰ মানুহক বিক্ৰী কৰা দেখিছিলো। ডফলা ভাং, ডফলা জলকীয়া প্ৰায় মানুহে বিচাৰিছিল। পাহাৰলৈ যোৱা ৰাস্তা নাছিল। জংঘলৰ মাজেদি লুংলুঙীয়া ৰাস্তা। সেই বাটেদিয়েই পাহাৰীয়া লোকে অহা যোৱা কৰিছিল। পাহাৰীয়া অৱণ্য অঞ্চলটোক পলিটিকেল

এৰিয়া বুলি কৈছিল। পলিটিকেল অফিচাৰৰ বঙলা আজিও আছে।

বুঢ়ী আইৰ মৰম

মাতৃৰ মৰম বুজি পোৱাৰ আগতেই মোৰ আই ঢুকাইছিল। বুঢ়ী আইয়ে মোক নিচেই সৰুৰে পৰা আইৰ মৰম দিছিল। বুঢ়ী আইৰ মৰমহে মোৰ মনত আছে। এল পি স্কুলত পঢ়োতে তেওঁ কেনেকৈ মোৰ তদাৰক কৰিছিল আগতে কৈছো। মই যেতিয়া অলপ ডাঙৰ হ'লো একমাত্ৰ নাতি হিচাবে মোলৈ বুঢ়ী আইৰ মৰম অতি-পাত বাঢ়িল। বুঢ়ী আইয়ে পৰ্ব্বতীয়াৰ পৰা মাজে মাজে মোক চাবলৈ আহে; কিছুপৰ মোৰ লগত থাকি মৰম কৰি চুমা খাই আকৌ ঘৰলৈ গুচি যায়। বুঢ়ী আইৰ বৰঝাৰ গাঁৱৰ আমাৰ ঘৰৰ ওপৰত ৪ পুৰা মাটি আছিল। তাৰে আধা মাটি মৰমতে বুঢ়ী আইয়ে মোক দিছিল। লিখা পঢ়া কৰি নহয়; মুখে মুখে। এই কথাত বুঢ়ী আইৰ ভায়েকৰ পুতেকহঁতে ভালপোৱা নাছিল। সেয়েহে তেওঁলোকে বুদ্ধি সাজি মাটিখিনি বুঢ়ীৰ পৰা দান বিক্ৰী কাগজ কৰাই লোৱাৰ পাং পাতিলে। তেওঁলোকে তেজপুৰ কাছাৰিলৈ বুঢ়ীক লৈ গ'ল। তেজপুৰ কাছাৰিত তেওঁলোকৰ চিনাকি এজন উমেদাৰ আছিল। তেওঁৰ সহযোগত চল কৰি বুঢ়ীৰ পৰা কাগজ লিখাই ললে। বুঢ়ীয়ে কৈছিল আধা মাটি মোৰ নাতিক আৰু আধা মাটি মোৰ ভাই লৰাহঁতক দিছো। লিখা পঢ়া নজনা মানুহ; কাগজত মহৰীয়ে কি লিখিছে নাজানে। তেওঁক বুজায় দিয়া হৈছিল যে বুঢ়ীৰ ইচ্ছা মতেই সকলো কথা লিখা হৈছে মাত্ৰ হাকিমে সুধিলে কাগজত টিপ চহী দিয়া বুলি কলেই হ'ব। সময় পাৰ হৈ গ'ল। লাহে লাহে মই ডাঙৰ হোৱাত বুঢ়ী আইয়ে মোৰ ভাগৰ মাটি খিনি মোক দিবৰ বাবে ভায়েকৰ পুতেক হঁতক কৈ থাকে। তেওঁলোকে

মোৰ বিয়াবাক হলে সেই মাটি মোক দিব বুলি দিন পিচুৱাই থকা হ'ল। এইদৰে বহুদিন যোৱাৰ পিছত বুঢ়ীৰ মনত সন্দেহ হ'ল। তেওঁ মেল গোটালে। তেতিয়া ১৯২৪ চন। মৌজাদাৰ সকলৰ বৰ প্ৰতাপ। মেললৈ তিনিজন মৌজাদাৰক নিমন্ত্ৰণ কৰিলে। মৌজাদাৰ সকল হ'ল—ডেকাৰ গাঁৱৰ ৺গোলোক শৰ্ম্মা, পতীয়া চুবুৰীৰ ৺সোনোৰাম শইকীয়া, ৰাম পৰ্ব্বতীয়াৰ ৺গুণাকান্ত শৰ্ম্মা আৰু ডেকাৰ গাঁৱৰ ৺আনন্দিৰাম শইকীয়াকো মাতিলে। মেলত আচল কথাটো ওলাই পৰিল। কাগজত মোক মাটি দিয়াৰ কথা লিখা হোৱা নাছিল। বুঢ়ীয়ে এইদৰে প্ৰবঞ্চনা কৰা কাৰণে মনত বৰ আঘাত পালে। তেওঁ মেলৰ মাজতে চিঞৰি উঠিল—মই যদি ধৰ্ম্মত আছো সি ছমাহৰ ওপৰ দিন মাটি খাবলৈ নাপায়। বুঢ়ী আইৰ শাও লাগিল। মানুহ জন ছমাহ পাৰ নৌ হওঁতেই ঢুকাল। বুঢ়ী আয়েও মনৰ দুখত ভায়েকৰ ঘৰৰ পৰা ওলাই এঘৰ সম্বন্ধীয় মানুহৰ লগত থাকিবলৈ ললে। ১৯২৬ চনত চাকৰিত সোমালো যদিও দৰমহা পাওঁ মাহে বাৰ টকা। খেতিৰ মাটি যি ছবিঘা আছিল তাকো বন্ধকত দিয়া আছে। বাৰ টকাৰে চাউল কিনি খাই পিতাদেউ আৰু মই জীৱন নিৰ্ব্বাহ কৰো। পিতাদেউ বৰ ধৰ্ম্ম পৰায়ণ লোক আছিল। পৰৰ সম্পত্তিত মুঠেই লোভ নাছিল। পিতাদেৱে খবৰ ৰখা হলে বুঢ়ী আইক ফাকি দি মাটিৰ কাগজ লিখাব নোৱাৰিলে হেঁতেন। কিছু বছৰৰ পিছত বুঢ়ী আই ঢুকাল। তেওঁৰ আশা পূৰ্ণ নহ'ল। বুঢ়ী আইৰ কাম কাজ মই গুচাইছো।

অভিনয় প্ৰসঙ্গ

চাবলৈ গলে সংসাৰ এখন নাটঘৰ আৰু আমিবোৰ ভাৱৰীয়া। এই সংসাৰ নাটঘৰত আকৌ কৃত্ৰিম নাটঘৰ সাজি আমি কৃত্ৰিম ভাৱৰীয়া হওঁ আৰু সমাজত একো একোটা যুগৰ সংস্কৃতিৰ ৰূপ প্ৰকাশ

কৰো। শ্ৰীমন্ত শঙ্কৰ গুৰুৱে কৃত্ৰিম নাটঘৰত বৈকুণ্ঠৰ পট আঁকি অভিনয়ৰ যোগেদি মানুহৰ মাজত ভগৱত প্ৰেম বিলাইছিল। অসমীয়া সমাজত অভিনয়ৰ পৰম্পৰা অব্যাহত আছে তেতিয়াৰ পৰাই। ডেকাৰগাওঁ শইকীয়া চুবুৰী আৰু পুথিখাতি নামঘৰৰ ভাওনাত মই প্ৰথম অভিনয় কৰো। "কংস বধ" ভাওনাত বসুদেৱ আৰু "দ্ৰৌপদীৰ সয়ম্বৰ"ত ধৃষ্টদ্যুম্ন হৈছিলোঁ। মোৰ বয়স তেতিয়া ১৬ বছৰ। স্কুলৰ চাকৰিত সোমোৱা বছৰেই স্বৰ্গীয় বালিৰাম দাস মৌজাদাৰে পতা দুৰ্গোৎসৱত ভাগ লওঁ। পূজাস্থলীত এটা অস্থায়ী প্ৰেক্ষাগৃহ নিৰ্ম্মাণ কৰা হৈছিল। প্ৰেক্ষাগৃহ সজাৰ দায়িত্ব মৌজাদাৰে মোক দিলে। লগতে চাৰিজনমান মানুহো দিলে। বালিৰাম বৰছলা মৌজাৰ মৌজাদাৰ আছিল। সেই মৌজা এতিয়া দুভাগ হৈ ঢেকীয়াজুলি আৰু বৰছলা মৌজা হৈছে। মৌজাদাৰৰ মানুহ লৈ মই দুৰ্গা পূজাৰ প্ৰেক্ষাগৃহ সাজো। বাঁহবেত সকলো বাৰীতে আছিল। বালিৰাম দাসে বিয়া কৰাইছিল মাজগাঁৱৰ পৰা মাজগাঁৱৰ ঘৰত প্ৰকাণ্ড বাঁহৰ বাৰী আছিল। আমি তাৰ পৰাও পূজাৰ বাঁহ অনাইছিলো। প্ৰতি বছৰে দুৰ্গা পূজাৰ তিনিৰাতি ভাওনা থিয়েটাৰ পতা হয়। অন্যান্য নাটকৰ উপৰিও "দেৱলা দেৱী" নাটক প্ৰতি বছৰে অভিনয়ৰ কাৰণে লোৱা হয়। মই খিজিৰ খাঁ আৰু ৺চেনাৰামদাসে দেৱলা দেৱীৰ অভিনয় কৰে। পৰ্ব্বতীয়াৰ ৺মহীধৰ কটকীয়ে হাৰমনিয়াম বজাইছিল। তবলা বজাইছিল ৺গগন চন্দ্ৰ শৰ্ম্মাই। এওঁ অন্ধ আছিল যদিও সুন্দৰ তবলা বজাইছিল।

১৯২৭ চনৰ এই পূজাস্থলীত "কৰ্ণাৰ্জ্জুন" আৰু "মেঘনাদ বধ" নাটক মঞ্চস্থ কৰা হয়। ইয়াত মই-ভীম আৰু মেঘনাদৰ অভিনয় কৰিছিলোঁ। কৰ্ণাৰ্জ্জুন নাটকৰ পাশাখেল আৰু দুঃশাসনৰ ৰক্তপান দৃশ্যত ভীমৰ অভিনয় দেখি বালিৰাম দাস দেৱে কৈছিল—কলিকতাৰ

মিনাৰ্ভা থিয়েটাৰত ভীমৰ অভিনয় চাই বৰ ভাল লাগিছিল আৰু আজি তুমি কৰা অভিনয় চাই সিমানেই ভাল লাগিছে।" মেঘনাদৰ ভাও লোৱা দিনা থিয়েটাৰ চাবলৈ পৰ্ব্বতীয়াৰ মোৰ বুঢ়ী আইতাও আহিছিল। দুৰ্গাপূজাৰ থিয়েটাৰত সাধাৰণতে দৰ্শক বহুত হয়। তেতিয়া ওচৰত ক'তো পূজা নাছিল। মেঘনাদে পূজা কৰি থকা দৃশ্য আৰম্ভ হ'ল। মই মেঘনাদ হৈ পূজাত মগ্ন (নিকুম্ভিলা যজ্ঞ)। এনেতে গুপুতাৰেদি আহি লক্ষ্মণে আক্ৰমণ কৰিলে। দুই বীৰৰ প্ৰচণ্ড যুদ্ধ আৰম্ভ হ'ল। মেঘনাদ নিৰস্ত্ৰ। পূজাৰ সামগ্ৰী কোষা-অৰ্ঘা হাতত যি পাইছো দলিয়াই যুদ্ধ কৰিছো। শেষত খালি হাতেৰে যুঁজি যুঁজি ভাগৰি পৰিছো। অস্ত্ৰাঘাতত দেহা ক্ষত-বিক্ষত হ'ল। উইংচৰ কাষৰ পৰা ফিচ্‌কাৰীৰে মোৰগালৈ আলতা চতিয়াই দিয়াত দেহা তেজেৰে লুতুৰি পুতুৰি হোৱা যেন হ'ল। মই অৱশ হৈ বচন মাতিলো—

ছিৰাছিল হ'ল কলেৱৰ
ধাৰেৰে পৰিছে তেজ
তেজেৰে ৰাঙলী হ'ল সমষ্ট শৰীৰ।
শৰীৰত নাই হায় তেজৰ ধনিষ্ঠা ;
বল আৰু নাই গাত—
অস্থিৰ লাগিছে দেহা
অন্ধকাৰ দেখিছো সকলো।

এইদৰে বচন মাতি থাকোতেই লক্ষ্য কৰিছিলো-দৰ্শকৰ মাজত বহি থকা বুঢ়ী আইতাই হুক্ হুকাই কান্দিব ধৰিছে আৰু বুঢ়ীক ওচৰত বহি থকা মানুহে নিচুকাব লগা হৈছে। এনেকৈয়ে মোৰ অভিনয় জীৱন আৰম্ভ হয়।

চাকৰিৰে জীৱন আৰম্ভ

বৰঘাৰ এম পি স্কুলত মোৰ কেনেকৈ চাকৰি হ'ল আগতেই উল্লেখ কৰিছোঁ। দেহ মন একেলগে বান্ধিবলৈ হলে কিবা এটা কৰি খাবই লাগিব। স্কুলৰ মাচুল, কিতাপ পত্ৰ, পিন্ধাকাপোৰ কানি আৰু খোৱাবোৱা যোগাৰ দিবলৈ পিতাদেউ তেনেই যোত্ৰহীন হৈ পৰিল। সেয়েহে স্কুল এৰিবলৈ বাধ্য হৈ অনাই বনাই ফুৰিছিলোঁ। অৱশ্যে সেই সময়ত বহুতো অৰ্থবান আৰু মেধাবী ছাত্ৰইও স্কুল কলেজ এৰি অসহযোগ আন্দোলনত লাগিছিল। বাতৰি কাকত পঢ়িবলৈ নাপাইছিলো। সকলো খবৰ মানুহৰ মুখেদিহে শুনা। মনত বৃটিছ বিদ্বেষী ভাব এটা সোমাইছিল বাবে চৰকাৰী স্কুল এৰি অহাত অনুতাপ কৰিব লগীয়া হোৱা নাছিল। কিন্তু চৰকাৰী স্কুলতে চাক'ৰি কৰিব লগা হোৱাত মনত কিছু জ্বলন হৈছিল। হ'লেও বাস্তব সত্যক উলাই কৰিব নোৱাৰি। চাকৰিত জইন কৰিলোঁ। স্বদেশ আৰু স্বাধীনতাৰ ভাবে মনৰ মাজত বাহ লোৱাত খদ্দৰ পিন্ধিবলৈ আৰম্ভ কৰিলোঁ। চাকৰি আৰম্ভ কৰাত ছাত্ৰ জীৱনৰ দৰে আকৌ এটা নিয়ম নীতিৰ মাজত সোমাই পৰিলোঁ। স্কুললৈ সময় মতে অহা যোৱা কৰা, লৰা ছোৱালীক পঢ়োৱা, গাঁৱত শিক্ষক হিচাবে মানুহক কিছু দিহা পৰামৰ্শ আদি দিয়া নিত্য নৈমিত্তিক কামত পৰিণত হ'ল। কংগ্ৰেছী আন্দোলনৰ প্ৰতি মনৰ দুৰ্ব্বলতা ক্ৰমান্বয়ে বাঢ়িবলৈ ললে। সময় আৰু সুবিধা পালেই কংগ্ৰেছ কৰা মানুহৰ লগত চিনাকি হওঁ আৰু সেই সকলৰ বক্তৃতা শুনো। চন্দ্ৰনাথ শৰ্ম্মা আৰু হেমচন্দ্ৰ বৰুৱাৰ নাম সেই সময়ত বিশেষভাবে জনাজাত হৈছিল। পিছলৈ অমিয় কুমাৰ দাসৰ নামও শুনিছিলো। তেখেতৰ লগত তেজপুৰত চিনাকি হয়। তেজপুৰৰ অজয় চলিহাইঁতৰ ঘৰত তেখেত ডাঙৰ দীঘল হৈছিল। মই তেখেতক অমিয় দাদা বুলি মাতিছিলো। ১৯২৬ চনত পাণ্ডুত

কংগ্ৰেছ অধিবেশন বহিছিল। দেশভক্ত তৰুণ ৰাম ফুকন আৰু কৰ্ম্মবীৰ নবীন চন্দ্ৰ বৰদলৈৰ নাম কংগ্ৰেছ অধিবেশনৰ সময়ত চাৰিওফালে ফাটিফুটি গৈছিল। কংগ্ৰেছ মহা সভাৰ বক্তাখন খোলে খদ্দৰৰ কাপোৰেৰে সজা হৈছিল। মোৰ সেই সভাত যোগদান দিয়াৰ সৌভাগ্য নহ'ল কাৰণ তেতিয়া মই স্কুলৰ শিক্ষক।

সৰুৰে পৰা মই শৰীৰ চৰ্চা আৰু অভিনয় কৰি ভাল পাইছিলোঁ। ভাওনাত ভাও দিয়া মোৰ খুব চখ্ আছিল। গাঁৱৰ নামঘৰত বছৰত কেইবাবাৰো ভাওনা হয়। শ্ৰীমন্ত শঙ্কৰদেৱে দি যোৱা ভাওনা তেৰাৰ তিৰোভাবৰ পাঁচশ বছৰৰ পিছতো পৰম্পৰাগত ভাবে চলি আছে। গাঁৱৰ ভাওনা চায়েই ভাও দিয়াৰ প্ৰতি প্ৰথম আকৃষ্ট হওঁ। চাকৰিত সোমালোঁ যদিও পৰাধীনতাৰ গ্লানিয়ে মনৰ মাজত অহৰহ পীড়া কৰিছিল যাৰ ফলত জাতীয় চেতনাই গা কৰি উঠিল। সেয়েহে সুবিধা পালেই কংগ্ৰেছী মানুহৰ লগত কাম কৰিবলৈ আৰম্ভ কৰিলোঁ।

ডেকাৰ গাঁৱৰ ৰাস

আগতে কটকী চুবুৰীলৈ সোমোৱা ৰাস্তাৰ দক্ষিণ ফালে অলপ বাকৰি মাটি আছিল। তাত মানুহ মৰিলে খৰি দিয়ে। তাৰ ওচৰত ৺বালিৰাম দাস মৌজাদাৰে ১৯২৬ চনৰ পৰা দুৰ্গা পূজা পাতিছিল। পূজাত বাঁহ বেতেৰে অস্থায়ী প্ৰেক্ষাঘৰ সাজি বয়স্ক আৰু বয়স্থ সকল মিলি ভাওনা থিয়েটাৰ পাতো। ষ্টেজ মেনেজাৰ আছিল ৺ভাৰত বৰুৱা। বৰুৱাই পিছত মুছলমান ছোৱালী বিয়া কৰাই ধৰ্ম্মান্তৰ গ্ৰহণ কৰে আৰু চামচুল হুদা নামে জনাজাত হয়। পূজা মণ্ডপৰ অস্থায়ী প্ৰেক্ষাগৃহতে কেইবছৰমান পিছত কাঠ, বাঁহ খেৰ আদিৰে এটা ষ্টেজ সজা হয়। থিয়েটাৰৰ প্ৰথম ডেকাৰ হৈছিল ৺কটিক

শইকীয়া আৰু ৺কেশাই শইকীয়া। পৰ্ব্বতীয়াৰ মহীধৰ কটকী, মাজ গাঁৱৰ ৺অতন গোঁহাই, কিঋিং গোঁহাই, ৺পানী মৰলি, ৺ডালিম বৰা, ৺ৰূপি হাবি, হলেশ্বৰৰ শ্ৰীপূৰ্ণ শৰ্ম্মা (এতিয়া বিশ্বনাথ চাৰি আলি), ৺হেম শৰ্ম্মা, গৰৈমাৰীৰ ৺ভৱানী দাস, বেছেৰীয়াৰ ৺গঙ্গাধৰ শৰ্ম্মা, ডেকাৰ গাঁৱৰ ৺লবোৰাম দাস, বৰঝাৰৰ ৺ৰসধৰ বৰুৱা, ৺চেনাৰাম দাস আদি ষ্টেজত থিয়েটাৰ কৰা প্ৰথম ব্যক্তি। মই ষ্টেজৰ সম্পাদক আৰু ৺লবোৰাম দাস মেনেজাৰ। পূৰণি বেল ষ্টেচনৰ কাষতে পশ্চিমত কিছু মুকলি ঠাই আছিল। সেই ঠাইতে ৰাইজে ৰভা সাজি মাজে সময়ে ভাওনা পাতিছিল। বিশেষকৈ ফাকুৱাত ডাঙৰকৈ ভাওনা পতা হয়। মাজত মঞ্চ সাজি চাৰিওফালে চাৰিখন ৰভাত চাৰিখন ভাওনা পতা হয়। ৰাইজে দিয়া দায়িত্ব পালন কৰি মই ভাওনাৰ পৰিকল্পনা কৰিছিলোঁ। ইয়াত ১৯২৭ চনত "নাৰী পৰ্ব্ব" ভাওনাত বই দুৰ্যোধনৰ অভিনয় কৰিছিলোঁ।

১৯২৮ চনত এই ঠাইতে পোন প্ৰথমে ৰাস ভাওনাৰ পাতনি মেলা হয়। ৰাসৰ পূজা ভাগ কৰিছিল কামৰূপৰ ৺ললিত অধ্যাপকে আৰু বিধি পাঠ কৰিছিল স্বৰ্গীয় মহাদেৱ শৰ্ম্মাই। শ্ৰীকৃষ্ণৰ ভাৰত ৺ধৰ্ম্মেশ্বৰ শৰ্ম্মা আৰু ৰাধাৰ ভাৰত শ্ৰীপূৰ্ণ শৰ্ম্মা আছিল। ৰাসৰ অসুৰ শঙ্খচূৰ হৈছিলোঁ মই। ৰাস উৎসৱৰ অসুৰৰ অভিনয় মই একাদিক্ৰমে বহু বছৰলৈ কৰি আছিলোঁ। পিছলৈ শ্ৰীপূৰ্ণ শৰ্ম্মা কৃষ্ণ আৰু ৺তিলক দাস ৰাধা হৈছিল। ৺তিলক দাসে পিছত কৃষ্ণৰ অভিনয়ো কৰিছিল। সেই সময়ত দৰং জিলা (বৰ্ত্তমান শোণিতপুৰ আৰু মঙ্গলদৈ) আৰু নগাঁও আদি কতো ৰাসোৎসৱ হোৱা নাছিল। ডেকাৰ চুবুৰী কুণ্ডাৰবাৰী গাঁৱৰ আউনী সত্ৰত মাত্ৰ ৰাস ভাওনা হয়। ডেকাৰ গাঁৱত ৰাসোৎসৱ আৰম্ভ হোৱাৰ লগে লগে সেই ৰাস ভাওনাৰ অন্ত পৰিল আৰু তাৰ ৰাইজেও ডেকাৰ গাঁৱৰ ৰাসত যোগদান কৰিলে। ডেকাৰ গাঁও ৰাস উৎসৱৰ প্ৰথম আৰম্ভনিত মূৰত খোল

লৈছিল শ্ৰীশ্ৰীনিকামূল সত্ৰৰ সত্ৰাধিকাৰ ধৰ্ম্মৰত্ন গহনচন্দ্ৰ গোস্বামী প্ৰভুৱে।

প্ৰকাণ্ড ৰভাৰ তলত ৰাস উৎসৱ হৈছিল। এবাবাৰীৰ পৰা ছোৱা গছ, ওচৰৰ শিঙীয়া হোলাৰ পৰা উলুবৰঙা খেৰ আৰু বাইজৰ ঘৰে ঘৰে উঠোৱা বাঁহেৰে ৰভা সজা হয়। ভাৱৰীয়া সজোৱা ছোঁঘৰ আছিল ওচৰত থকা ৺ললিত শইকীয়াৰ খেৰী ৰঙলাটো। তাৰ পৰাই ভাৱৰীয়া সকল চৰকাৰী ৰাস্তা আৰু ৰেললাইন পাৰ হৈ বিশ নলমান গৈ ৰাসৰ প্ৰৱেশ দ্বাৰত উপস্থিত হয়। কৃষ্ণ আৰু অসুৰৰ ভাৱত কাৰো আপত্তি নাই; কিন্তু ৰাধাৰ অভিনয়ৰ বাবে প্ৰত্যেক চুবুৰীয়েই দাবি কৰে। মই হলেশ্বৰ দেৱালয়ৰ ঠাকুৰৰ পৰিয়ালৰ শ্ৰীপূৰ্ণ শৰ্ম্মাৰ নামটো আগবঢ়াইছিলো। কিন্তু একমতত উপনীত হব পৰা নগ'ল। সেয়েহে সিদ্ধান্ত হ'ল যে যি কেইজন লৰাই ৰাধাৰ অভিনয় কৰিবলৈ ইচ্ছা কৰিছে তেওঁলোকৰ ভিতৰত মেকআপত যাক বেছি ভাল লাগিব তেওঁকে ৰাধাৰ বাবে বাছনি কৰা হব। কথামতে কাম হ'ল। ৰাসৰ দিনা শ্ৰীপূৰ্ণ শৰ্ম্মাকে ৰাধাৰ বাবে নিৰ্ব্বাচিত কৰা হ'ল। সেই সময়ত পোহৰৰ ব্যৱস্থা হিচাবে মেণ্ঠল লাইট আৰু আৰিয়া ব্যৱহাৰ কৰা হৈছিল। ভাৱৰীয়া সজোৱা কাম কৰিছিল তেজপুৰ টাউনৰ শিল্পী ৺পিয়াৰী মোহন চৌধুৰী, ৺ললিত চন্দ্ৰ চৌধুৰী আৰু ৺ভাৰত বৰুৱাই। ৰাসৰ দৃশ্যাৱলী সজোৱা কামত ডেকা-বুঢ়া সকলোৱে কেইবাদিনো ধৰি খাটিছিল। বৃন্দাবন, সৰোবৰ, অৰণ্য, পদুম ফুলৰ মাজৰ পৰা বিষ্ণু আবিৰ্ভাৱ হোৱা দৃশ্য আদি তৈয়াৰ কৰা হৈছিল। সঁচা হৰিণ, ৰাজ হাঁহ আৰু ম'ৰা ছৰাই আনি দৃশ্যাৱলী মনোৰম কৰিতোলা হৈছিল। ৰাসত তেজপুৰ টাউনৰ উপৰিও বহু দূৰ দূৰণিৰ মানুহেৰে ভৰি পৰিছিল। এনেকৈয়ে আৰম্ভ হৈছিল—ডেকাৰ গাৱত ৰাস উৎসৱ। এই দৰে কিছু বছৰ ৰাস হোৱাৰ

পিছত কটকী চুবুৰীৰ পৰা নাট্য মন্দিৰ বৰ্ত্তমানৰ ঠাইলৈ অৰ্থাৎ ৰাসোৎসৱৰ ঠাইলৈ স্থানান্তৰ কৰা হয়। ৰাসোৎসৱ পতা মাটি পূৰ্ব্বতে কেইজনমান পট্টাদাৰৰ আছিল। তেওঁলোক হ'ল— ৺অনন্ত শইকীয়া ৺ৰমা শইকীয়া, ৺নন্দীৰাম বৰা, ৺গোলোক শৰ্ম্মা মৌজাদাৰ আৰু ৺গগনচন্দ্ৰ শৰ্ম্মা। ৰাজহুৱা অনুষ্ঠান ৰাস মন্দিৰৰ কাৰণে এই মাটি অধিগ্ৰহণ কৰিবলৈ চৰকাৰৰ ওচৰত ৰাইজে দৰ্খাস্ত কৰিলে। মুঠ মাটি ছবিঘা। চৰকাৰে বিঘাই প্ৰতি ২০ বিশ টকাকৈ অধিগ্ৰহণ মূল্য নিৰ্দ্ধাৰণ কৰিলে। মাটিৰ মূল্যৰ বাবদ এশ বিশ টকাৰ প্ৰয়োজন। এই টকা দিবলৈ ৰাইজৰ কোনো ফাণ্ড নাছিল। গতিকে টকা বিচাৰি ৺দয়াল চন্দ্ৰ ভূঞা মৌজাদাৰৰ পৰিয়ালৰ ওচৰলৈ গলোঁ। মোৰ লগত ৺নীলকণ্ঠ বৰা, ৺আনন্দি শইকীয়া, ৺উমাৰাম ডেকা, ৺চেনাৰাম বৰা আৰু ৺বেথাৰাম দাস অঞ্চলৰ মুখীয়াল লোক হিচাপে গৈছিল। তেজপুৰ অঞ্চলত পতীয়া চুবুৰীৰ ভূঁঞা পৰিয়াল সেই সময়ত বিখ্যাত পৰিয়াল আছিল। ৰায়বাহাদুৰ ৺মহীধৰ ভূঁঞাৰ অন্যতম পুত্ৰ ৺দয়াল চন্দ্ৰ ভূঁঞা। ডেকাৰ গাঁৱৰ ৰাস আৰম্ভ হোৱাৰ পৰা ৺দয়ালচন্দ্ৰ ভূঁঞা আমাৰ লগত জড়িত হৈ আছিল। এবাৰ ৰাস চাই অহাৰ কেই দিনমান পিছতে ভূঁঞা বেমাৰত পৰিল। জানিব পৰা মতে তেখেতৰ খুব জ্বৰ হৈছিল। জ্বৰত ভুগি কেইদিন মানৰ পিছতে ভূঁঞাৰ মৃত্যু হ'ল। আমি বিদিনা যাওঁ সেইদিনা ভূঁঞা পৰিয়ালৰ সম্পত্তিৰ ভাগ-বাটোৱাৰা হৈ আছিল। মৌজাদাৰৰ চ'ৰা ঘৰত ভালে কেইজন গণ্য মান্য লোক আছিল। সেই সকলৰ ভিতৰত চন্দ্ৰকমল হাকিম (৺চন্দ্ৰকমল ভূঁঞা), যোগেন জজ (৺যোগেন চন্দ্ৰ বৰুৱা) ৺সোনাৰাম শইকীয়া (মৌজাদাৰ) আৰু ৺ললিত ভূঁঞা (মৌজাদাৰ) প্ৰধান। আমি তেখেত সকলৰ আগতে আমাৰ উদ্দেশ্যৰ কথা কলো। তেখেত সকলৰ আটাই কেইজনে আমাৰ কথা মতে

৺দয়ালচন্দ্ৰ ভূঞাৰ নামত এশ বিশ টকা দিবলৈ ৰাজী হ'ল। এই টকা লৈ চৰকাৰৰ ঘৰত জমা দিয়া হ'ল। মাটিৰ মালিক সকলক বিঘাই প্ৰতি বিশ টকাকৈ ক্ষতিপূৰণ দি চৰকাৰে ৰাস মন্দিৰক মাটি চমজি দিলে। উল্লেখযোগ্য যে ৺গোলোকচন্দ্ৰ শৰ্ম্মা আৰু ৺গগন চন্দ্ৰ শৰ্ম্মাই মাটিৰ মূল্য লোৱা নাছিল।

জীৱনৰ খলা-বমা বাটেদি

শৰীৰ চৰ্চা, সংস্কৃতি আৰু সমাজ সেৱা এই তিনিওটা বিষয়তে মোৰ ৰাপ আছিল। কিন্তু এই দিশত আগবাঢ়িবলৈ সুবিধা নাছিল। সমাজসেৱা কামত সুবিধা পালেই ভাগ লৈছিলোঁ। সাধাৰণ ৰাইজৰ সুখ দুখ, অভাব-অনাটন, আশা-আকাঙ্ক্ষা আদিৰ মাজত নিজকে মিলাই দিলেহে ৰাইজৰ সহযোগেৰে সমাজৰ উন্নতিৰ বাবে কাম কৰিব পাৰি। গান্ধীজীৰ সত্য, অহিংসা আৰু ত্যাগৰ মূলমন্ত্ৰ অনুধাৱন কৰি সমাজ সেৱাত আত্ম নিয়োগ কৰা অতি কষ্ট সাধ্য কাম। তাৰোপৰি "সৰ্ব্বাৰম্ভা তণ্ডুল প্ৰস্থ মূলাঃ" বুলি শাস্ত্ৰত কৈছে। সকলো প্ৰচেষ্টাৰ মূলতে চাউল কঠা। চাউলৰ চিন্তাই অন্য কথা ভাবিবলৈ নিদিয়া হ'ল। এবাৰ ৰাসত ব্যস্ত হৈ থাকোতেই আমাৰ ঘৰত জুই লাগিল। সকলো পুৰি ছাৰখাৰ কৰিলে। একো বচাব নোৱাৰিলোঁ। স্বৰগ ভাগি মূৰত পৰা যেন লাগিল। পিতাদেউ মূৰে কপালে হাতদি বহি থকা হ'ল। বাৰটকীয়া চাকৰিৰে কোনোমতে জোৰা নমৰে। অৱশেষে চাহ বাগিচাৰ চাকৰিত সোমাব পাৰিলে কিছু পইছা পোৱা যায়। সেয়েহে বাগিচাৰ চাকৰিৰ সন্ধানত ঘৰৰ পৰা বাহিৰ হলোঁ। বাতিপুৱাতে পিতাদেউৰ অনুমতি লৈ মাটিখুলা (বৰ্ত্তমান বেলশিৰি) বাগানলৈ খোজকাঢ়ি যাত্ৰা কৰিলোঁ। দুৰন্ত কিমান তেতিয়া নাজানো। যাবলৈ সিদ্ধান্ত কৰিলোঁ তেতিয়া যামেই। দূৰ বিমানেই অহঙ্কৰ।

কলাকুচি বাগানৰ মাজেদি যাব লাগে। বেলশিৰি বাগানত আমাৰ গাঁৱৰে ৺মিলন নামৰ এজন মানুহে জামাদাৰ কাম কৰিছিল। তেখেতৰ ওচৰলৈকে যাব ওলালোঁ। অটব্য অৰণ্যৰ মাজেদি লুংলুঙীয়া ৰাস্তাৰে খোজ কাঢ়ি গৈ আছো। হাতী, বাঘ, ভালুক থকা ঠাই যদিও সেইবোৰলৈ সমূলি ভয় লগা নাছিল। ইয়াৰ কাৰণ হব পাৰে মনৰ ভিতৰত স্তূপীকৃত হৈ থকা অদম্য আশা-আকাঙ্ক্ষা আৰু জীৱনত পোৱা নানা ঘাত-প্ৰতিঘাত। কিমান দূৰ খোজ কাঢ়িছো কব নোৱাৰোঁ। মাজে মাজে মনটো দুখেৰে ভৰি পৰিছিল। দুঃখ পাতলাবলৈ হাবিৰ মাজেদি গৈ থাকোতে চিঞৰি চিঞৰি কান্দিছোঁ। ওচৰত মানুহ নাই বাবে যিমান পাৰো তিমান চিঞৰিছো। বেলি লহিয়াওতে বাগান পালোগৈ। জামাদাৰে আশাত চেঁচাপানী ঢালিলে। একো চাকৰি নাই বুলি কলে। কলিজাৰ পৰা হোলোকা-হোলোকে তেজ ওলোৱা যেন লাগিল। ৰাতিটো বাগানতে থাকিলোঁ। চাহ বাগিছাত ৰাতি কটোৱাৰ প্ৰথম অভিজ্ঞতা হ'ল। বাগিচাৰ মেনেজাৰ, বাবু আৰু কুলি বৰ আঁতৰে আঁতৰে থাকে। তেতিয়া কুলিৰ অৱস্থা বৰ দুখলগা। দেখিলে ভাব হয় সিহঁত যেন মানুহৰ শাৰীত নপৰে। গধূলি হোৱাৰ লগে লগে কুলি লাইনত হুলস্থুল বাঢ়ে। লাওপানী খাই লৈ মতা মাইকী লৰা ছোৱালীবোৰে চিঞৰ-বাখৰ কৰে। ধম্ ধমা ধম্ মাদলৰ মাতে গছৰ পাত সৰায়। ৰাতি গহীন হৈ অহাৰ লগে লগে সকলো শুই নিহ্‌পালী দিয়ে। বাগানৰ সময় আমাৰ সময়তকৈ প্ৰায় এঘণ্টা আগ বঢ়া। দোক্‌মোকালি হোৱাৰ আগতেই "পাগ্‌লা ঘণ্টি" বাজি উঠে। তেতিয়াই কুলিবোৰ কামত যাবৰ বাবে সাজু হব লাগে। এতিয়া বাগিছাৰ বনুৱা সকলৰ অৱস্থা বহুত উন্নত হ'ল। সেই ক্ষেত্ৰত পিছৰ কালত ৺অমিয় কুমাৰ দাসৰ অৱদান স্মৰণযোগ্য।

বেলশিৰি বাগিচাত বাঁধি থাকি পিছদিনা বাতিপুৱাতে বিফল মনোৰথ হৈ ঘৰলৈ ঘুৰি আহিলোঁ। বাটতে কলাকুছিত আমাৰ গাঁৱৰ ৺হলিৰাম বৰুৱা নামৰ এজন মানুহৰ ঘৰত এৰাতি থাকিলোঁ। বৰুৱাই বাগিচাত মহৰী কৰিছিল। তাতো চাকৰি আছেনেকি গম ললো—পিছে নাই। ঘৰ পলোঁহি। পিতা দেউ আৰু ওচৰৰ মানুহৰ সহায়ত পোৰা ঘৰটোৰ ভেটিতে খেৰ-বাঁহৰ আকৌ এটা ঘৰ সাজিলোঁ। স্কুলত শিক্ষকতা কৰি থাকো। মাজে সময়ে সমাজৰ কামত ওলাওঁ। মই জনাত সেই সময়ত আমাৰ ইয়াত দেশৰ কাম কৰা সকলো লোক কংগ্ৰেছী। ৺চন্দ্ৰনাথ শৰ্মা (পিছত কৰ্মবীৰ সন্মান লাভ কৰে) ৺হেমচন্দ্ৰ বৰুৱা (পিছত ত্যাগবীৰ সন্মান লাভ কৰে) ৺লক্ষ্মীধৰ শৰ্মা, ৺অমিয়কুমাৰ দাস, মহাদেৱ শৰ্মাৰ লগত মোৰ ব্যক্তিগত চিনাকি আছিল। শ্ৰীশ্ৰী নিকামূল সত্ৰৰ সত্ৰাধিকাৰ স্বৰ্গীয় গহণচন্দ্ৰ গোস্বামীদেৱৰ লগত সক কালৰ পৰা চিনাকি আছিল। শ্ৰীবিজয়চন্দ্ৰ ভাগৱতীদেৱে অসহযোগ আন্দোলনত কটন কলেজৰ পৰা ওলাই আহি কংগ্ৰেছৰ কামত আত্মনিয়োগ কৰাৰ কথা শুনিছিলো, কিন্তু তেখেতৰ লগত মোৰ তেতিয়া চিনাকি নাছিল। ভাগৱতীদেৱৰ ঘৰ সেই সময়ত চতিয়াত আছিল।

১৯৩১ চনৰ কথা। তেতিয়া ডেকাৰ গাঁৱত প্ৰাথমিক কংগ্ৰেছ কমিটি গঠন হোৱাই নাই। প্ৰাথমিক কংগ্ৰেছ কমিটি গঠন নহলে কংগ্ৰেছৰ কাৰ্য্যসূচী ৰূপায়ণ কৰাত অসুবিধা হয়। কংগ্ৰেছত যোগ দিয়াৰ প্ৰবল হেপাহ থাকিলেও দেখুৱাই মই সেইটো কৰিব পৰা নাই, কাৰণ চাকৰি আছে। চাকৰি নকৰিলে প্ৰাণ নাবাচে। অৱশ্যে কিছু বছৰ আগৰে পৰা কংগ্ৰেছী মানুহৰ লগ লোৱা, কংগ্ৰেছৰ ইটো সিটো কাম কৰি দিয়া, সদস্য ভৰ্ত্তি কৰা আদি গোপনে কৰি আছিলোঁ। এদিন ৺গহনচন্দ্ৰ গোস্বামী ডেকাৰ গাঁৱৰ কটকী চুবুৰীলৈ আহিল। মোক মতাই নি তেখেতে ক'লে যে

ডেকাৰ গাঁৱত এখন প্ৰাথমিক কংগ্ৰেছ গঠন কৰিব লাগে। সেই সময়ত যি কেইজন কংগ্ৰেছৰ কাম কৰিব পৰা উপযুক্ত লোক আছিল তেওঁলোকে সকলো চাকৰিয়াল। অনাকৰী লোকেৰে কংগ্ৰেছ পাতি কি লাভ হব? গতিকে ডেকাৰ গাঁৱত কংগ্ৰেছৰ প্ৰাথমিক গোট স্থাপন কৰিব পৰা নহ'ল। সেই সময়ত গোটেই ভাৰতবৰ্ষত অসহযোগ আন্দোলন আৰু আইন অমান্য আন্দোলনে তোলপাৰ লগাইছিল। অসমত আগ শাৰীৰ কংগ্ৰেছী নেতা সকলে চুকে কোণে সোমাই আন্দোলন জোৰদাৰ কৰাত উঠি-পৰি লাগিছিল। কংগ্ৰেছৰ কাম কৰাৰ পৰিকল্পনা কৰি ডেকাৰ গাঁৱত এটা অৰাজনৈতিক অনুষ্ঠান খোলা হ'ল। নাম দিয়া হ'ল—"ডেকাৰ গাঁও যুৱক সংঘ"। এই সঙ্ঘৰ ৺পূৰ্ণ দাস সভাপতি আৰু মই সম্পাদক হওঁ। সঙ্ঘটোৰ লগত বিশেষ ভাবে জড়িত ব্যক্তি সকলৰ ভিতৰত ৺বাবুৰাম বৰুৱা আৰু ৺গোলাপ বৰুৱাৰ নাম উল্লেখযোগ্য। অসমত গ্ৰহণী আৰু মেলেৰীয়া ৰোগৰ প্ৰকোপ বৰ বেছি হৈছিল। এই বেমাৰত বহু লোক অকালতে মৃত্যুৰ মুখত পৰিছিল। কানি খালে গ্ৰহণী বেমাৰ ভাল হয় বুলি বিশ্বাস আছিল। সেয়েহে বহুলোকে গ্ৰহণী ভাল কৰিবলৈ প্ৰথমে কানি খাবলৈ আৰম্ভ কৰি পিছত এই বদ্ অভ্যাস এৰিব নোৱাৰা হৈছিল। বৃটিছ চৰকাৰে কানীয়া বিলাকক কানিৰ পট্টা দিছিল লগতে মদ আৰু কানিৰ দোকান খোলাত উদ্‌গনি দিছিল। এই দোকান বিলাকৰ পৰা চৰকাৰে যথেষ্ট ৰাজহ আদায় কৰিছিল। মেলেৰীয়া ৰোগ নিৰাময়ৰ কাৰণে ৰামকৃষ্ণ সেৱাশ্ৰমৰ কালৰ পৰা কুইনাইন মিক্সাৰ বনাই মৌজাদাৰ সকলৰ যোগেদি বেমাৰীৰ মাজত বিতৰণৰ ব্যৱস্থা কৰা হৈছিল। তেতিয়া হলেশ্বৰ মৌজাৰ মৌজাদাৰ আছিল ৺সোনাৰাম শইকীয়া। আমি যুৱক সঙ্ঘই এই কামটো হাতত ললো। আমি চুবুৰীয়ে চুবুৰীয়ে মেলেৰীয়া বেমাৰীৰ খবৰ লৈ ঔষধপাতি বিতৰণ কৰি ফুৰিছিলোঁ। এই কামৰ বাবে ৰাইজৰ মাজত যুৱক সঙ্ঘৰ জনপ্ৰিয়তা বৃদ্ধি পালে।

তেজপুৰ চাৰি আলিৰ বৰ্ত্তমান মিছন হাসপতাল হোৱা ঠাইত কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সম্মিলন হ'ল। সম্মিলনৰ গুৰু দায়িত্ব পৰিল ৺গহন চন্দ্ৰ গোস্বামী প্ৰভুৰ ওপৰত। তেখেত তেতিয়া তেজপুৰ জিলা কংগ্ৰেছৰ সভাপতি। সম্মিলনৰ কাৰণে ৰভা, গেট, মঞ্চ, প্ৰতিনিধি থকা—মেলাৰ ব্যৱস্থা, খোৱা-বোৱাৰ যোগাৰ, প্ৰচাৰ কাৰ্য্য ইত্যাদি সকলোতে জিলা কংগ্ৰেছৰ সভাপতিয়ে নজৰ দিব লগা হৈছিল। যান বাহনৰ সুবিধা নাছিল। বহু দূৰ দূৰনিৰ মানুহ সভালৈ খোজ কাঢ়ি আহিছিল। কলাবাৰীৰ পৰাও খোজ কাঢ়িয়েই প্ৰতিনিধি আহিছিল। জ্যোতি প্ৰসাদ আগৰৱালা যুৱক কংগ্ৰেছৰ সভাপতি আছিল। আমি ডেকাৰ গাঁও যুৱক সংঘৰ কালৰ পৰা সম্মিলন কৃতকাৰ্য্য হোৱাত দিনে ৰাতিয়ে খাটিছিলোঁ। ৺তুলসী হাতী বৰুৱাই মুল সভাত সভাপতিত্ব কৰিছিল। স্থানীয় ডেকা দলটোৰ ভিতৰত মই আগভাগ লৈ সম্মিলনৰ কাম কৰি যোৱাত আগ শৰীৰ কংগ্ৰেছ নেতা সকলৰ লগত পৰিচয় হোৱাৰ সুবিধা পাইছিলো। যুৱক সংঘই আৰু কিছুমান কাম হাতত লৈছিল। চোৰ ডকাইতৰ উৎপাত বৃদ্ধি পোৱাত সংঘৰ তৰফৰ পৰা ওচৰৰ গাওঁ বোৰত ৰাতি পহৰা দিয়াৰ ব্যৱস্থা কৰা হৈছিল। চোৰ ধৰিব পাৰিলে পুলিচক গতাই দিয়া হৈছিল। ইয়াৰোপৰি মানুহ মৰিলে মৃতকৰ কাঠ-সংস্কাৰ আৰু পৰিয়ালক আৱশ্যকীয় সহায় কৰিবৰ কাৰণেও যুৱক সংঘ ওলাই আহিছিল। এনেবোৰ কামৰ আঁচনি হাতত লোৱাত সংঘটো ৰাইজৰ প্ৰিয়পাত্ৰ হৈ পৰিছিল। সংঘৰ কামত মই দেহে—কেহে খাটিছিলোঁ।

চৰকাৰী চাকৰি ভলাৰ বগৰী

ৰৰঝাৰ স্কুলত কিছু বছৰ কাম কৰি থকাৰ পিছত হঠাতে এদিন অৰ্ডাৰ পালোঁ মোক চিত্তলমাৰী এল. পি. স্কুললৈ প্ৰধান শিক্ষক

হিচাবে বদলি কৰিছে। খবৰটো শুনি পিতাদেউ বিমৰ্ষ হোৱা যেন লাগিল। কাৰণ মই ঘৰৰ পৰা আঁতৰত থাকিব লাগিব। উপায় নাই। ব্যৱহাৰৰ কাৰণে ঘৰত লাম লাকটু যি আছে তাৰে দুই এপদ লৈ নতুন ঠাইত চাকৰি কৰিবলৈ ওলালোঁ। যাবৰ সময়ত পিতাদেৱে বেজাৰ কৰা দেখিলোঁ। চিতলমাৰীত নেপালী সম্প্ৰদায়ৰ বহুত মানুহ আছিল। ৺ছত্ৰনাথ উপাধ্যায় মোৰ বৰ প্ৰিয় ছাত্ৰ আছিল। পিছত তেওঁ শিঙৰী হাইস্কুল প্ৰতিষ্ঠা কৰি তাৰ হেড্ মাষ্টৰ হৈছিল। ৺মানধ্বজ বহৰা চেত্ৰী নামৰ ছাত্ৰ এজনো মোৰ বৰ প্ৰিয় আছিল। তেওঁৰ লৰা এজনে এতিয়া শিঙৰী হাইস্কুলত শিক্ষকতা কৰি আছে। মোক চিতলমাৰীৰ পৰা আকৌ বদলি কৰি শিঙৰী এল. পি. স্কুললৈ পঠিয়ালে। টোপোলা টুপলিৰে আকৌ শিঙৰী পালোগৈ। শিঙৰীত মোৰ এজন বন্ধু চাকৰিয়াল আছিল। তেওঁৰ ঘৰ আমাৰ কটকী চুবুৰীত। এছ পি আৰটিৰ একাউণ্টেণ্ট ৺চন্দ্ৰকান্ত দাস। তেওঁৰ লগতে ৰেলৱেৰ কোৱাৰ্টাৰত থাকিবলৈ ললোঁ। তেজপুৰ বালিপাৰা ৰেলৰ নিচিনা শিঙৰীৰ পৰা পাঁচনৈ লৈও এখন ৰেল চলিছিল। শিঙৰী ব্ৰহ্মপুত্ৰ নদীৰ এটা ডাঙৰ জাহাজ ঘাট। জাহাজেদি চাহপাতৰ বাকচ পশ্চিমলৈ ৰপ্তানি কৰাৰ সুবিধাৰ কাৰণে প্ৰধানতঃ এই ৰেল লাইন বহুৱা হৈছিল।

মই ভাওনা থিয়েটাৰ কৰা মানুহ। শিঙৰীত ভাওনা থিয়েটাৰ কৰাৰ পৰিবেশ এটা পাইছিলো। মোৰ স্কুলৰ ওচৰতে এখন অসমীয়া মানুহৰ গাওঁ আছিল। তাৰ সৰহ সংখ্যক মানুহ কৈৱৰ্ত্ত সম্প্ৰদায়ৰ। মই সেই গাঁৱৰ ভাওনাত যোগ দিবলৈ ললোঁ। শিঙৰী বাগানত এবাৰ চন্দ্ৰকান্ত সিংহ নাটক কৰা হৈছিল। মই তাত মিঙিমাহা ভিলোৱাৰ অভিনয় কৰিছিলোঁ। বাগানৰ লোক সকলে মোৰ অভিনয় চাই বৰ ভাল পাইছিল। শিঙৰীত থকা অৱস্থাতে খবৰ পালোঁ—পিতাদেউৰ টান নৰিয়া। ঘৰ পালোঁহি। দেখিলোঁ

পিতাদেউ শোৱা পাটীত। একেবাৰে দুৰ্ব্বল। দৰব-পাতি থুৱাই আল পৈচান ধৰিবলৈ এজন মানুহৰ দৰ্কাৰ। মই ডি, আইৰ ওচৰত মোক ঘৰৰ ওচৰলৈ বদলি কৰি দিবলৈ খাটনি ধৰিলোঁ; কিন্তু ডি আইয়ে মোৰ কথাত কান নিদিলে। মনত বৰ দুখ লাগিল। শিঙৰীত থকা কাল চোৱাৰ স্মৃতি এতিয়াও মোৰ মনত সজীৱ হৈ আছে। শিঙৰীৰ গুপ্তেশ্বৰ দেৱালয় হিন্দু সকলৰ পৱিত্ৰ ঠাই। তাত তেতিয়া আজিৰ দৰে জন বসতি আৰু ৰাস্তা পদূলি নাছিল। ওখ গছ—গছনি, উলু কাঁহিবন আৰু বৰঙাবে ভৰা হাবিৰ মাজেদি সুৰ্-সুৰীয়া ৰাস্তাৰে মানুহ অহা যোৱা কৰে। দেৱালয়ৰ উত্তৰে ৰেল ষ্টেচনটো, চাহাবৰ বঙলা আৰু বাবু থকা ঘৰবোৰ। চিতলমাৰী অঞ্চলটোত মাছ-পুঠিৰ অভাব নাছিল। চিতলমাৰী বিলত মাছ উভৈনদী হৈ থাকে। তাৰোপৰি হাবিৰ মাজে মাজে কিছুমান ভাওতী মাটিত মানুহে সৰিয়হ খেতি কৰে। গধুলি হলে সোগোৰা, শহাপহু সৰিয়হনিত চৰিবলৈ আহে। বৈদাৰ লিম্বু নামৰ এজন নেপালী লোকৰ লগত মোৰ বন্ধুত্ব আছিল। তেওঁ পহু চিকাৰ কৰি আমাক পহু মাংস দিয়ে, তেওঁৰ এটা এক নলী খজা বন্দুক আছিল। এছ, পি, আৰ, টি লাইনটোত ষ্টেচন তিনিটা। শিঙৰী, দুগ্ৰাজুলি আৰু পাঁচনৈ। এই লাইনেদি যাত্ৰীবাহী গাড়ীতকৈ মালগাড়ী বেছি চলিছিল। ৰেলেৰে কঢ়িউৱা বস্তুৰ ভিতৰত চাহপাত আৰু মৰাপাট প্ৰধান আছিল। ৺ছত্ৰনাথ উপাধ্যায়ৰ ককাক দেউতাকহঁতে প্ৰচুৰ মৰাপাটৰ খেতি কৰিছিল। গুপ্তেশ্বৰ দেৱালয়লৈ গৈ থাকো। দেৱালয়খনৰ মাহাত্ম্য সৰুকালৰ পৰা শুনিবলৈ পাইছিলোঁ। শুনা মতে গুৰুজনাৰ পিতৃ কুসুম্বৰে দুগৰাকী আইক বিবাহ কৰাই ও সন্তান সন্ততি লভিব পৰা নাছিল। কুসুম্বৰ ভূঞাৰ এজনী কপিলী গাই আছিল। গাইজনী কোনোমতেই খীৰাব পৰা নাছিল। ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে শিঙৰী আৰু দক্ষিণ পাৰে ভূঞা সকলৰ বাসস্থান বৰদোৱা। গাইজনী ৰাতি ব্ৰহ্মপুত্ৰ পাৰ হৈ গুপ্তেশ্বৰ দেৱালয়ত

উপস্থিত হয়হি। দেৱালয়ৰ পূজাৰীয়ে খীবোৱাৰ পিছত গাইজনী আকৌ ঘৰলৈ ঘুৰি যায়। পিতৃ কুসুমৰে কথাটো জনিব পাৰি গুপ্তেশ্বৰক সন্তুষ্ট কৰিবলৈ মনস্থ কৰিলে। এই উদ্দেশ্যে এদিন নাৱেৰে স-পৰিয়ালে ব্ৰহ্মপুত্ৰ পাৰ হৈ আই সত্যসন্ধাৰ হতুৱাই গোপেশ্বৰৰ (গুপ্তেশ্বৰ) পূজা ভাগ কৰোৱালে। এই পূজাৰ কিছুদিনৰ পিছতেই আইৰ গৰ্ভত গুৰুজনাৰ স্থিতি হ'ল।

ধৰ্মীয় দৃষ্টি ভঙ্গীৰে মঠ-মন্দিৰ দেৱালয়লৈ যাব লাগে বোলা কথাত মোৰ সিমান বিশ্বাস নাই। মঠ, মন্দিৰ, দেৱালয়, মচজিদ, গির্জা আদি ভগৱানক প্ৰাৰ্থনা কৰা ঠাই। অভীষ্ট সিদ্ধিতকৈও মনৰ পৱিত্ৰতা আৰু শান্তি লাভৰ বাবেই পূণ্যস্থানলৈ গৈ ঈশ্বৰ চিন্তা কৰিব লাগে। পিতাদেউৰ অসুখৰ কাৰণে মোক ঘৰৰ ওচৰলৈ বদলি কৰি আনিব লাগে বুলি ডি আইৰ ওচৰত কৰা অনুনয় বিনয়ে ফল নধৰাত মনত বৰ দুখ লাগিছিল। মনৰ দুখ পাতলাবলৈকে এদিন গুপ্তেশ্বৰ দেৱালয়লৈ গলোঁ। জয়াল অৰণ্যৰ মাজত দেৱালয় খন। মানুহৰ সমাগম বৰ কম। দেৱালয়ৰ ভিতৰত মাটিত বহি লৈ একান্ত মনে ভগৱানক চিন্তা কৰি আছো। এইদৰে চিন্তা কৰোতে কিছু পৰৰ পিছত মোৰ দুচকুয়েদি ধাৰাসাৰে লোতক বাগৰিবলৈ ললে। বহুপৰ তেনেকৈ বহি থাকি মন্দিৰৰ পৰা ওলাই আহিলো। মনত বেচ শান্তি পালোঁ। কিছুদিনৰ পিছত গৰৈমাৰী এল পি স্কুললৈ মোক বদলি কৰাৰ হুকুম পালোঁ। ঘৰৰ ওচৰলৈ বদলি কৰি দিয়াত ভাল লাগিল। ১৯৩১ চনত গৰৈমাৰী এল পি স্কুলত জইন কৰিলো। ঘৰৰ পৰা স্কুললৈ ৩ মাইল (প্ৰায় ৫কি. মি.) দূৰ। বাইচাইকেল লৈ অহা যোৱা কৰো। ৩০ টকাত বিলাতী হাম্বাৰ চাইকেল এখন ললোঁ। এই স্কুলত চাকৰি কৰি থকা অৱস্থাতে মই লাহে লাহে ৰাইজৰ মাজত বেছি ঘনিষ্ঠ ভাবে সোমাই পৰিলোঁ। সামাজিক কাম কাজ

বোৰত আগভাগ লবলৈ সুবিধা পালে। সেই সময়ত জাতি ভেদ প্ৰথা বৰ প্ৰবল আছিল। শঙ্কৰগুৰু আৰু মহাত্মা গান্ধীৰ কথা নেতাৰ পৰা আৰম্ভ কৰি মুখিয়াল লোক সকলৰ মুখত আখৈ ফুটাদি ফুটিলেও কাৰ্য্যত সকলো ফুটুকাৰ ফেন। জাতি ভেদ, লেই লেই ছেই ছেইৰ খোপনি বাঢ়িল। বামুনৰ ঘৰত শূদিৰে খোৱা বাচন বেলেগে ৰখা হয়। সেই বাচনত শূদিৰে খাই ধুই থৈ আহিব লাগে। নীহ কুলীয়া মানুহ গলে তেওঁলোক বহা ঠাই ভোখৰত পানী ছটিয়াই দিয়ে। এনে বাতাবৰণত মই অতীষ্ঠ হৈ কেতিয়াবা

গৰৈমাৰীৰ কৈৱীবস্তিৰ বাইজৰ লগত লিখক

চিঞৰি চিঞৰি প্ৰতিবাদ কৰিবলৈ মন গৈছিল। ফলত এবাৰ (১৯৩৩ চন) সৰস্বতী পূজাত ভাওনা পাতিবলৈ লোৱা হ'ল। ভাওনাত ওচৰৰ গাওঁ বিলাকৰ সহযোগ বিচৰা হ'ল। কেওঁট চুবুৰী, আহোম চুবুৰী, বেঙনি ৰাব, সাঙীবন্ধা কছাৰী, কৈৱৰ্ত্ত চুবুৰী, কৈৱী বস্তি, চলা গাঁও আৰু লাল বস্তিৰ বাইজ একেলগে ভাওনা

কৰিবলৈৰ ব্যৱস্থা হ'ল। "ৰাৱণ বধ" ভাওনা। মোক ইন্দ্ৰজিত আৰু ওপৰত কুম্ভকৰ্ণ ৰাৱণৰ অভিনয় কৰিবলৈ দিলে। আটাই কেইখন গাঁৱৰ পৰা ভাৱৰীয়া লোৱা হ'ল। মুঠতে যিমান ল'ৰা-ছোৱালী আছিল সকলোকে ৰামৰ সৈন্য বান্দৰ আৰু ৰাৱণৰ সৈন্য ৰাক্ষসৰ ভাও দিয়া হৈছিল। ভাওনাৰ কিছুদিন আগৰ পৰা আখৰা চলিছিল। আখৰাত মুছলমান, কৈৱৰ্ত, আহোম, কছাৰী কোচ, কেওঁট, কলিতা, ব্ৰাহ্মণ আদি সকলোৰে ল'ৰা-ছোৱালী আৰু ডাঙৰেও ভাগ ললে। এনে ধৰে মিহলি মানুহেৰে ভাওনা কৰিবলৈ ওলোৱাত সমাজৰ মুখিয়াল কেইজন মানে ঘোৰ আপত্তি কৰিছিল। ৺গহন চন্দ্ৰ গোস্বামীক কথাতো জনোৱাত তেখেতে বহুত বুজাই বঢ়াইও মানুহ কেইজনৰ মত সলনি কৰিব নোৱাৰিলে। ভাওনাৰ আগদিনা গন্ধৰ্ব্ব গীত গোৱা হয়। সেইদিনা সকলো ভাওৰীয়া উপস্থিত থাকিব লাগে। বিভীষণৰ ভাও লোৱা ল'ৰাজন গন্ধৰ্ব্বৰ দিনা উপস্থিত নথকাত খবৰ লোৱা হ'ল। ল'ৰাজনৰ দেউতাক কাছমাৰী বাগিচাত জামাদাৰ। আপত্তি কৰা সকলৰ মাজত তেওঁও এজন। তেওঁ পুতেকক বাগিচালৈ মাতি শাসনৰ সুৰত সুধিলে, তই কালিলৈ বিভীষণৰ ভাও দিবিনে মোৰ ত্যাজ্য পুত্ৰ নোহোৱাকৈ থাকিবি? ল'ৰাই উত্তৰ দিলে-মই কালিলৈ বিভীষণৰ ভাও দি আপোনাৰ ত্যাজ্য পুত্ৰ হম। বাপেক গৰজি উঠাত পুতেক বাগিচা এৰি গুচি আহিল আৰু পিছদিনা সৰস্বতী পূজাৰ ভাওনাত বিভীষণ হ'লহি। ত্যাজ্য পুত্ৰ কিন্তু নহ'ল। যি কি নহওক এই ভাওনা হৈ যোৱাৰ পিছত মানুহৰ মনত গোটমৰা জাতি ভেদ আৰু অস্পৃশ্যতাৰ কৰাল কিছু কুমলিল।

আৰতৰীয়া ৰাস

১৯২৮ চনৰ পৰা ভেকাৰ গাৱঁত আজি পৰ্য্যন্ত ৰাসোৎসৱ প্ৰতি বছৰে হৈ আহিছে। আৰম্ভণিৰ পৰা কিছু কাললৈ ৰাসত মই

অসুৰ আৰু শ্ৰীপূৰ্ণ শৰ্ম্মা ৰৰঠাকুৰ কৃষ্ণ হৈছিল। আমাৰ অভিনয়ৰ কাৰণেই ডেকাৰ গাঁৱৰ ৰাস বিখ্যাত হৈ পৰিছিল। ৰাসত দৰ্শকৰ হেঁচা টেপাত বিৰ দি বাট নোপোৱা হয়। অসুৰৰ নৃত্য ৰাসৰ প্ৰধান আকৰ্ষণ হৈছিল। অসুৰৰ বিকট চিঞৰ আৰু ভয়ঙ্কৰ ৰূপ দেখি কোলাৰ কেচুৱাবোৰে ভয় খাই বুলি মাকহঁতে চাদৰেৰে সিহঁতৰ মুখ ঢাকি ধৰিছিল। জামুগুৰি, চতিয়া, ঢেকীয়াজুলি, বিশ্বনাথ চাৰি আলি আদিৰ পৰা ৰাস চাবলৈ অহা মানুহৰ যোগেদি মোৰ অভিনয়ৰ কথা চাৰিওফালে বিয়পি পৰিছিল। কাতি মাহৰ পূৰ্ণিমাত ৰাস হয়। এই ৰাসত মই নিজৰ ঠাইত ভাও দিয়াতো ৰাইজে বিচাৰে। সেয়েহে অসুৰৰ অভিনয়ৰ বাবে অন্য ঠাইৰ পৰা নিমন্ত্ৰণ আহিলেও সেই নিমন্ত্ৰণ ৰক্ষা কৰাটো মোৰ পক্ষে সম্ভৱ নাছিল। বহু নিমন্ত্ৰণ অনিচ্ছা সত্বেও মই ৰক্ষা কৰিব পৰা নাছিলোঁ। এবাৰ জামুগুৰীয়া ৰাইজে বৰ জোৰ দি ধৰিলে। মই তেখেত সকলৰ ৰাসত অসুৰৰ ভাও দিবই লাগে। মোৰ অসুবিধাৰ কথাটো কোৱাত তেখেত সকলে ৰাসৰ তাৰিখ পিছুৱাই নি পিছৰ পূৰ্ণিমাত আৰতবীয়া ৰাস পাতিলে। মই জামুগুৰিত এনেকৈ পতা ৰাসত অসুৰৰ ভাও দিছিলো। জামুগুৰি কৰতীপাৰ সত্ৰৰ সত্ৰাধিকাৰ স্বৰ্গীয় ফনেশ্বৰ গোস্বামীদেৱ মোৰ ধৰ্ম্ম গুৰু। দৰং কলেজৰ প্ৰফেচাৰ ৺দেবেশ্বৰ গোস্বামী তেখেতৰে লৰা। তেওঁ তেতিয়া পঢ়ি আছিল। তেনেতে সত্ৰাধিকাৰ পুথিখাতী শইকীয়া চুবুৰী নাম ঘৰলৈ শিচ সকলৰ ওচৰলৈ আহক। "কৰ্ণ পৰ্ব্ব" ভাওনাত মোৰ ভীমৰ অভিনয়ৰ কথা ৰাইজৰ মুখেদি শুনিলে। বোধকৰো সেয়ে তেখেতে সত্ৰত "কৰ্ণ পৰ্ব্ব" ভাওনা পাতিবলৈ ৰাইজক ভৰসা ধৰিলে। সত্ৰাধিকাৰৰ আজ্ঞা পালিবই লাগে। কোনোবা এটা তিথিত জামুগুৰি কৰতীপাৰ সত্ৰত "কৰ্ণপৰ্ব্ব" ভাওনা পতা সিদ্ধান্ত হ'ল। নগাঁৱৰ কলিয়াবৰ পুৰণি সত্ৰৰ অংশ কৰতীপাৰ সত্ৰ।

জামুগুৰিলৈ তেতিয়া চকী ঘাটেদি খোজকাঢ়ি মানুহ অহা যোৱা কৰে। ভৰলী নদীখন নাৱেৰে পাৰ হব লাগে। আমি খোজকাঢ়ি- কৰতীপাৰ সত্ৰলৈ খোজ ললোঁ। দুঃশাসনৰ ভাও লৈছিল শইকীয়া চুবুৰীৰ ৺ভোলা কেওঁটে। ৰাতিলৈ ভাওনা আৰম্ভ হ'ল। দুঃশাসনৰ লগত ভীমৰ যুদ্ধ। আমি দুয়ো গদাযুদ্ধ কৰিছো। তাৰ পাছত বাহু যুদ্ধ। বাহু যুদ্ধ কৰি দুঃশাসনক মাটিত মগৰাই লৈ বুকুৰ ওপৰত বহি অট্টহাস্য মাৰি বচন মাতিছো—বচন ফাকি এতিয়াও মনত আছে—

শুন অৰে দুৰ্য্যোধন নকৰিবি শোক,
পূৰ্ব্বে নিন্দা গৰু বুলি কৰিছিলি মোক।
গৰু মুখে তেজ পিও তোৰ ভায়েৰৰ
গাৱে যদি শক্তি আছে ৰাখ আজি তই।
অ হঃ হঃ হঃ চেঁচা হ'ল বক্ষ ৰক্ত তোৰ,
কৃষ্ণা! কৃষ্ণা!! এইবাৰ বেণী তব কৰিম বন্ধণ।
দুঃশাসনৰ ৰক্ত পান কৰো মই
হাঃ হাঃ হাঃ হাঃ ৰক্ত! ৰক্ত!!

বচন মাতি দুঃশাসনৰ বুকু বিদাৰি ৰক্ত পান কৰি মই যেতিয়া মুখত আলতা লৈ তেজেৰে ৰাঙলী হৈ থিয় হওঁ সেই মূহুৰ্ত্তত নাম ঘৰৰ ভিতৰত থকা সকলো লোক সত্ৰাধিকাৰ সহ থিয় হ'ল। মই এইদৰে কিছু সময় অভিনয় দেখুৱাই "যাজ্ঞ সেনী! যাজ্ঞ সেনী!! বেনী তব কৰিম বন্ধন" বুলি দৌৰি নাম ঘৰৰ পৰা ওলাই আহিলোঁ। বাহিৰলৈ ওলাই সত্ৰাধিকাৰ প্ৰভুৰ ঘৰ পালোঁগৈ। আই আৰু তেখেতৰ ডাঙৰ ছোৱালীও নাম ঘৰৰ পৰা ঘৰলৈ গ'ল। মোক গা ধোৱাৰ সুবিধা কৰি খাবলৈ জা-জলপান দিলে। ৰাতি পুৱাল। ভেকাৰ গাঁৱৰ পৰা যোৱা সকলো বাইজ চকী ঘাটেদি খোজকাঢ়ি ঘৰলৈ আহিলোঁ।

সুস্থ শৰীৰ সুস্থ মনৰ মন্দিৰ।

"শৰীৰমাদ্যম্ খলু ধৰ্ম্ম সাধনম্" এই আপ্তবাক্য মই সকবে পৰা মানিছিলোঁ। শৰীৰ নিখুঁণীয়া আৰু সবল কৰি ৰাখিবলৈ সকবে পৰা যত্ন কৰিছিলোঁ। পুৱা ৪ বজাত উঠি কুৱাত চেঁচা পানীৰে গা ধোওঁ, নাকেদি পানী সুমুৱাও আৰু উলিয়াওঁ। তাৰ পিছত দুয়ো নাকেৰে পানী খাওঁ। পুৱা ৪ বজাত উঠা অভ্যাসটো মোৰ এতিয়ালৈকে আছে। সূৰ্য্যোদয়ৰ আগতে দৌৰা আৰু খোজকঢ়া মোৰ নিয়মিত অভ্যাস। এতিয়া দৌৰিব নোৱাৰো যদিও খোজ কাঢ়ো। ডেকা বয়সত সদায় ব্যায়াম কৰিছিলো। আমি চাৰিজনে ব্যায়াম কৰিছিলো। তেওঁলোক হল ৺চন্দ্ৰ দাস, ৺প্ৰফুল্ল দাস, শ্ৰীঘন শইকীয়া আৰু মই। ঘন শইকীয়াৰ ঘৰৰ সন্মুখত নাৰিকল গছ কেইবা জোপাও আছিল। আমি সেই নাৰিকল গছত ৰচা লগাই বান্ধি লওঁ। ৰচাত লোহাৰ ৰিং লগাই লৈছিলোঁ। ৰিঙত ব্যায়াম কৰো। কাথেৰে পেৰেলেল বাৰ বনাই লোৱা হৈছিল। কাথ মিস্ত্ৰি মাতি এই কাম কৰাইছিলো। পেৰেলেল বাৰ এডাল ৺চন্দ্ৰ দাসৰ ঘৰতো আছিল। মই দুই ঠাইতে পেৰেলেল বাৰত ব্যায়াম কৰো। মুদগৰ, ডাম্বেল লৈও ব্যায়াম কৰিছিলোঁ। পিছলৈ সুদা হাতেৰে ব্যায়াম কৰিবলৈ লৈছিলো। নিয়মিত ভাবে ব্যায়াম কৰাৰ ফলত মোৰ শৰীৰৰ মাংস পেশী বোৰ মেটুৰা মেটুৰি হৈ বহু অংশত ভাগ হৈছিল। শৰীৰৰ বিভিন্ন অঙ্গ ইচ্ছামতে সঞ্চালন কৰিব পাৰিছিলোঁ। মোৰ শৰীৰ সবল সুঠাম হোৱা বাবে অসুৰ, ভীম, দস্যু আদিৰ অভিনয়ৰ বাবে মোক নিৰ্ব্বাচন কৰা হৈছিল। মই চকুৰ ব্যায়াম কৰিবলৈও লৈছিলো। ইয়াৰ ভিতৰত চকুৰ মনি ঘূৰোৱাতো প্ৰায়ে কৰিছিলোঁ। চকুৰ মণি দুটা চকৰিৰ দৰে ঘূৰাব পাৰো।

সামাজিক বৰ্জ্জন

ঘাটে পানীয়ে নিষেধ বা সামাজিক বৰ্জ্জন অসমীয়া সমাজত অতীজৰে পৰা চলি অহা এটা সামাজিক বিধান। এই বিধানৰ প্ৰয়োগ ভিন্ ভিন্ সময়ত ভিন্ ভিন্ কাৰণত হোৱা দেখা যায়। ইয়াত ন্যায় অন্যায়, উচিত-অনুচিত বিচাৰ কৰিবলৈ বা নিজৰ পক্ষ সমৰ্থন কৰি শ্ৰোতাীয়ে জবাব দিবলৈ বিশেষ সুবিধা নাই। সাধাৰণতে এক পক্ষীয় ভাবেই—এই বিধানৰ প্ৰয়োগ হৈছিল। মোৰ ডেকা বয়সৰ এটা কথা মনত পৰিছে। আমাৰ ডেকাৰ গাঁৱৰ ৰাসোৎসৱত ভাগ লোৱা চুবুৰী কেইটা হ'ল—শইকীয়া চুবুৰী, ডেকা চুবুৰী, যুগী বাৰী, পুথি থাতি, পথাৰ চুবুৰী, ৰৰঝাৰ গাওঁ, বৰুৱা চুবুৰী, কটকী চুবুৰী আৰু নাম ডেকাৰ চুবুৰী। প্ৰত্যেক চুবুৰীলৈকে ৰাসৰ ভাও বিলোৱা হয়। বৰুৱা চুবুৰীৰ ৰাইজে তাৰ এঘৰ মানুহক ঘাটে পানীয়ে নিষেধ কৰি থোৱা আছিল। তেওঁলোকে বহুত চেষ্টা কৰিও ৰাইজৰ লগ লব পৰা নাছিল। ইয়াৰ কাৰণতো চমুকৈ কৈছো। বৰুৱা চুবুৰীৰ এগৰাকী তিৰোতাক বগা চাহাবে ৰাখিছিল। পিছত চাহাবে এৰি থৈ যোৱাত তেওঁ বৰুৱা চুবুৰীৰ নিজ ঘৰত থাকিবলৈ লৈছিল। তেওঁৰ লগত সহায়কাৰী হিচাবে পৰিয়ালৰে ৺মণিৰাম নামৰ এজন লোক আছিল। মানুহ গৰাকীক মানুহে মেম বুলি মাতে। ৺মণিৰাম বৰুৱাৰ মেমৰ লগত থকাটোৱেই অপৰাধ হ'ল। তেওঁ বিয়াবাৰু কৰাই বেলেগে সংসাৰ আৰম্ভ কৰিলে যদিও ৰাইজে তেওঁক লগ নিদিলে। ৺মণিৰামৰ পুতেক ৺দয়াৰাম আৰু ৺মায়াৰাম। ৺মণিৰামৰ উত্তৰ পুৰুষেও ৰাইজৰ সঙ্গ লব পৰা নাছিল। এই কথাটোৱে মোক বৰ পীড়া কৰিছিল। ইয়াৰ প্ৰতিবাদ স্বৰূপেই এবাৰ ৰাসত মই ৺দয়াৰামৰ ঘৰৰ পৰা চান্দা লৈ ৰাসত যোগ দিবলৈ মাতিলোঁ। বিবৰ্জ্জিত মানুহক ৰাসত সহযোগ কৰিবলৈ মতাত কটকী চুবুৰী, বৰুৱা চুবুৰী আৰু নাম ডেকাৰ চুবুৰীৰ

ৰাইজে ৰাসকে বাদ দিয়াৰ সিদ্ধান্ত কৰিলে। ৰাস ভাওনাৰ আগদিনা গন্ধৰ্ব। গন্ধৰ্বৰ দিনা ৰাইজৰ মাজত বহুত তৰ্ক বিতৰ্ক হ'ল। কিন্তু একো সিদ্ধান্ত নোহোৱাত সকলো ঘৰাঘৰি গুচি গ'ল। ভাওনাৰ আগদিনা গন্ধৰ্ব গীত গাব লাগে। ৰভাৰ তলত আমি মাত্র তিনি জন থাকিলোঁ। শইকীয়া চুবুৰীৰ ৺আদিৰাম শইকীয়া, বৰঝাৰৰ ৺নিবাই কলিতা আৰু মই। উপায় নাপাই তিনিও লগ লাগি গন্ধৰ্ব গীত গাই পিছদিনা ভাওনা কৰিব পৰা ব্যৱস্থা কৰি থলোঁ। সেইদিনা ৰাতি মোৰ চকুত টোপনি নাই। ৰাস যদি পাতিব নোৱাৰো তেনে কি হব? ৰাতি পুৱাল। ধল পোহৰতে গা-পা ধুই উঠিয়েই ৺মিনাৰাম শইকীয়াৰ পোছাকৰ দোকান পালোঁগৈ। তেওঁক ক'লো "ককাই মই ভাৱৰীয়া থিক কৰিম তই পোছাক খিনি ভাৰা নোলোৱাকৈ এনেয়ে দিবিনে?" তেওঁ মোক দিব বুলি কলে। ৺আনন্দি শইকীয়া মোৰ সম্বন্ধত ককা হয়। তেখেতক ক'লো 'ককা আপুনি গায়ন বায়নৰ ওচৰলৈ যাওক যাতে তেখেত সকলে ৰাস ভাওনাৰ কাম খিনি চলাই দিয়ে।" কৃষ্ণ, ৰাধা আৰু মই শঙ্খচূৰ আছোৱেই। ৰাসৰ দিনা ওপৰত উল্লেখ কৰা তিনি চুবুৰীৰ বাদে বাকী সকল আছিল। মই তেতিয়া গবৈমাৰী এল পি স্কুলৰ শিক্ষক। সেই অঞ্চলত ভাওনা থিয়েটাৰ পাতি ডেকা লৰা বিলাকক হাত কৰি থৈছো। তেওঁলোকক কথাটো কোৱাত ত্রিশজন লৰা গোপীৰ ভাও দিবলৈ ওলাই আছিল। পাঁচজন লৰা আমাৰ গাঁৱৰ পৰা উলিয়ালোঁ। সকলো মিলি ছুদিন ধৰি পূৰ্ণোদ্যমে ৰাস ভাওনা পাতিলোঁ।

অসমীয়া কথাছবিৰ ফেঁহুজালি

সকতে ৰজা হৰিশ্চন্দ্র নামৰ পৰ্দাত চাব পৰা এখন ছবি ওলোৱাৰ কথা শুনিছিলোঁ। বোম্বাই, কলিকতা আদিৰ মানুহেহে এই ছবি

চাবলৈ পাইছিল। অসমত ১৯৩৬ চন পৰ্য্যন্ত কোনো ছবিঘৰ নাছিল। গুৱাহাটীৰ "বিজুলী" অসমৰ প্ৰথম চিনেমা হ'ল। "বিজুলী'ৰ আগৰ নাম "পিক্‌চাৰ হাউচ" আছিল। জ্যোতি প্ৰসাদ আগৰৱালাই জয়মতী কথাছবি নিৰ্ম্মাণ কৰি ভাৰতীয় চলচিত্ৰ জগতত অসমক আগ শাৰীত বহুৱালে। "জয়মতী" নিৰ্ম্মাণ প্ৰসঙ্গত ফুআয়াৰ নিজ অভিজ্ঞতাৰ কথা কবলৈ ওলাইছো।

জ্যোতি প্ৰসাদক তেজপুৰ চৰকাৰী হাইস্কুলত পঢ়া অৱস্থাত দেখা পাইছিলোঁ। চিনাকি নাছিল। মোতকৈতেওঁ কেই বছৰ-মান আগৰ। স্কুলীয়া ছাত্ৰ অৱস্থাতে শোণিতকুঁৱৰী নাটকখন লিখি জ্যোতি প্ৰসাদ বিখ্যাত হৈ পৰিছিল। শোণিতকুঁৱৰী নাটকখন হাতে লিখা অৱস্থাতে বাণ ষ্টেজত মঞ্চস্থ কৰা মই নিজে চাইছিলোঁ। জ্যোতি প্ৰসাদে নিজে চিত্ৰলেখাৰ অভিনয় কৰিছিল। উষাৰ অভিনয়ত আছিল নগাঁৱৰ ন-সএৰ ৺জগন্নাথ গোস্বামী। অসমীয়া নাট্য জগতত "বাণ ষ্টেজ" সকলোৰে চিনাকি আৰু অভিনয় জগতত বাণ ষ্টেজৰ অৰিহণা অনস্বীকাৰ্য্য। ফণী শৰ্ম্মা, বিষ্ণু ৰাভা, চন্দ্ৰধৰ গোস্বামী আদি বহুতো প্ৰতিভাশালী অভিনেতাই বাণ ষ্টেজত অভিনয় জীৱন আৰম্ভ কৰি পিছৰ কালত খ্যাতি লভিছিল। তেজ-পুৰত বাণ ষ্টেজ প্ৰতিষ্ঠা হোৱাৰ আগতে বেঙ্গলী ষ্টেজত থিয়েটাৰ চোৱা দৰ্শকৰ খুব ভিৰ হৈছিল। শুনামতে এবাৰ বেঙ্গলী ষ্টেজৰ থিয়েটাৰত বহিবলৈ ভাল চিট নোপোৱাত কেইজনমান লোক অসন্তুষ্ট হ'ল। তেওঁলোকে অসমীয়া মানুহৰ এটা নিজা ষ্টেজ লাগে বুলি অনুভৱ কৰিলে। এই অনুভৱৰ ফলতে কলিবাৰী অসমীয়া ভাষাৰ উন্নতি সাধিনী সভাৰ মাটিত বাণ ষ্টেজ প্ৰতিষ্ঠিত হ'ল। এই ষ্টেজতে এবাৰ চন্দ্ৰকান্ত সিংহ নাটক চাবলৈ গৈছিলো। চন্দ্ৰকান্ত সিংহৰ অভিনয় কৰিছিল জ্যোতি প্ৰসাদ আগৰৱালাই আৰু ডাক্তৰ ললিত মোহন চৌধুৰীয়ে মিঙিমাহা তিলোৱাৰ অভিনয় কৰিছিল।

কি অপূৰ্ব অভিনয়! সেই অভিনয় আজিও মনত পৰে। বাণ থিয়েটাৰ লগত কিছুদিন মইও ঘনিষ্ঠ ভাবে জড়িত হৈ পৰিছিলোঁ। আৰু অভিনয় কৰিছিলোঁ।।

১৯৩২ চনৰ কথা। ইতিপূৰ্ব্বে ১৯২৯ চনৰ লাহোৰ কংগ্ৰেছত পূৰ্ণ স্বৰাজৰ প্ৰস্তাৱ গ্ৰহণ হোৱাৰ পিছত মহাত্মা গান্ধীৰ নেতৃত্বত আৰম্ভ হোৱা ১৯৩০ চনৰ আইন অমান্য আন্দোলনে সমগ্ৰ ভাৰতবৰ্ষত প্ৰৱল ৰূপ ধাৰণ কৰিছে। অসমত কংগ্ৰেছী নেতা সকলে আন্দোলন চলাই আছে। তেজপুৰত জ্যোতিপ্ৰসাদ আগৰৱালা, গহনচন্দ্ৰ গোস্বামী, হেমচন্দ্ৰ বৰুৱা, অমিয়কুমাৰ দাস, শ্ৰীবিজয়চন্দ্ৰ ভাগৱতী আদি নেতা সকলে দিনে ৰাতিয়ে গাঁৱে ভূঞে গৈ ৰাইজৰ মাজত আন্দোলন গঢ়ি তুলিছে। জ্যোতি প্ৰসাদ আগৰৱালাই বিলাত, জাৰ্ম্মানী আদি দেশত অধ্যয়ণ কৰি স্বদেশলৈ ঘুৰি আহি আন্দোলনত জপিয়াই পৰিছিল। মহাত্মা গান্ধীৰ আদৰ্শ আৰু আন্দোলনৰ কাৰ্য্যসূচীত জ্যোতি প্ৰসাদৰ পূৰ্ণ সমৰ্থন আছিল। সাহিত্য সংস্কৃতিৰ লগতে ৰাজনীতিতো জ্যোতিপ্ৰসাদে সক্ৰিয় অংশ-গ্ৰহণ কৰি গঞা ৰাইজৰ মাজত সোমাই আন্দোলন তীব্ৰতৰ কৰিছিল। জ্যোতিপ্ৰসাদ ডেকাৰ গাঁৱলৈ প্ৰায়ে আহে। ৺চেনাৰাম দাসৰ লগত তেওঁৰ ভাল চিনাকি। ৺চেনাৰাম দাসে তেতিয়া স্বদেশী ভাণ্ডাৰৰ কাপোৰৰ দোকানত কাম কৰে। তেওঁৰ মুখে ডেকাৰ গাঁৱৰ ৰাস ভাওনাৰ কথা শুনি জ্যোতিপ্ৰসাদ এবাৰ ডেকাৰ গাঁৱৰ ৰাস চাবলৈ আহিল। বিশেষকৈ ৰাসত ওলোৱা অসুৰ নৃত্য চাবলৈ বৰ আগ্ৰহী হ'ল। ৰাসত অসুৰ ময়ে হওঁ। ৰাতি তিনিমান বজাত অসুৰৰ প্ৰবেশ হয়। তাৰ আগতে মোক ওলাবলৈ নিদিয়ে। কাৰণ মই ওলোৱাৰ পিছত দৰ্শক নাথাকে। ৰাতি তিনি বজালৈকে বৈ থাকি জ্যোতিপ্ৰসাদে ছুদিন মোৰ অসুৰৰ অভিনয় চালে। অভিনয় চাই থাকোতে তেওঁ মোৰ চকুৰ পাক দেখি "দেখিছানে!

দেখিছানে !!" বুলি ৺চেনাৰামক কৈ আছিল। অভিনয়ৰ পিছত জ্যোতিপ্ৰসাদৰ লগত মোৰ চিনাকি হ'ল। সুন্দৰৰ পূজাৰী এই বিপ্লবী শিল্পী গৰাকীৰ লগত হোৱা শেষ ৰাতিৰ চিনাকিয়ে পিছত বন্ধুত্বৰ ৰূপ ললে। তাৰ পাছৰে পৰা জ্যোতিপ্ৰসাদৰ পকীলৈ যোৱা আৰম্ভ কৰিছিলোঁ। ইয়াৰ কিছুদিনৰ পিছত সংগ্ৰামী জ্যোতি প্ৰসাদক পুলিচে এৰেষ্ট কৰি শিলচৰ জেললৈ পঠায়। শিলচৰ জেলত কিছুদিন কটাই জ্যোতিপ্ৰসাদ জেলৰ পৰা ওলাই আহিল। জ্যোতিক ভায়েক কমলা প্ৰসাদ আগৰৱালাই শিলচৰ জেলৰ পৰা গাড়ীৰে লৈ আহিলগৈ। আনন্দচন্দ্ৰ আগৰৱালা তেতিয়া পুলিচৰ উচ্চ বিষয়া। মঙ্গলদৈত হোৱা সাহিত্য সভাত সেই বছৰ আনন্দ চন্দ্ৰ আগৰৱালা সভাপতি হৈছিল। জ্যোতি প্ৰসাদৰ লগত শ্ৰীবিজয় চন্দ্ৰ ভাগৱতীও শিলচৰ জেলত আছিল। তেজপুৰৰ পকীত জ্যোতি আছেহি বুলি জানি এদিন তেওঁক লগ ধৰিবলৈ গলোঁ। ১৯৩৩ চনৰ ডিচেম্বৰ মাহৰ কথা। খুব ঠাণ্ডা পৰিছিল। পকীৰ দক্ষিণ ফালৰ কোঠাটোত জ্যোতি থাকে। মোক তালৈকে মাতি নিলে। দেউতাক পৰমানন্দ তেতিয়া ভোলাগুৰি চাহ বাগিচাত থাকে। মাজে সময়ে ঘৰলৈ আহে। জ্যোতিয়ে ঘৰুৱা দুই চাৰি আলাপৰ কথা পাতি জেলৰ ভিতৰৰ কথাও কলে, মই নীৰৱে শুনি গলো। মইযে ভাওনা থিয়েটাৰ কৰি ভালপাও আৰু শঙ্কৰী কলা কৃষ্টিৰ প্ৰতি আগ্ৰহী সেই কথা জ্যোতি প্ৰসাদে জানে। সেয়েহে শিলচৰ জেলৰ ভিতৰত জন্মাষ্টমী পাতি কৃষ্ণ সংস্কৃতিৰ বিষয়ে বক্তৃতা দিয়াৰ কথা – মোক অকমান কৈ শুনাইছিল। জেলত থাকোতেই লক্ষ্মীনাথ বেজবৰুৱাৰ "জয়মতী কুঁৱৰী" নাটক চিনেমা কৰিবলৈ যে ঠিক কৰিলে তেওঁৰ কথাৰ পৰা ধৰিব পাৰিলোঁ। কিন্তু সেই মুহূৰ্ত্তত বিশ্বাস হোৱা নাছিল: কাৰণ চিনেমা কৰিবলৈ অসমত তেতিয়া একো সুবিধাই নাছিল। ষ্টুডিঅ' নাই, বিজুলি নাই,

যন্ত্ৰপাতি নাই, অভিনেতা অভিনেত্ৰী নাই, যান বাহন, চিনেমা হল একোৱেই নাই। গতিকে জ্যোতি প্ৰসাদৰ কল্পনা অলীক যেন লাগিছিল। হলেও তেওঁৰ জ্ঞান আৰু ব্যক্তিত্বৰ আগত একো কোৱাৰ সাহস নাছিল। জেলৰ পৰা ভগ্ন স্বাস্থ্য লৈ জ্যোতি ওলাই আহিছিল, তেতিয়া অসমত ভাল চিকিৎসাৰ একো ব্যৱস্থা নাছিল। কলিকতাত চিকিৎসাৰ কাৰণে যোৱাৰ কথা। জেলৰ টাৰ্ম সম্পূৰ্ণ শেষ কৰি ওলাই আহি জ্যোতিপ্ৰসাদ আকৌ আন্দোলনত লাগিল। আন্দোলনৰ লগে লগে এইবাৰ চিনেমাৰ কামতো দিনে ৰাতিয়ে ব্যস্ত হ'ল। গুৱাহাটী, কলিকতা, তেজপুৰ, ভোলাগুৰি ডিব্ৰুগড়লৈ অহা-যোৱাত লাগিল। চিনেমাৰ কাৰণে তেওঁ ভৱা মতে ভাও লোৱা মানুহ বিচাৰি অসমৰ ইমুৰৰ পৰা সিমুৰলৈ চলাথ কৰিছিল। জয়মতী কুঁৱৰীৰ চৰিত্ৰ সঠিক ৰূপায়ণ কৰি শেষ প্ৰেমৰ চানেকি দাঙি ধৰিবলৈ জ্যোতিয়ে আপ্ৰাণ চেষ্টা কৰিছিল। জ্যোতিৰ মতে জয়মতী কুঁৱৰী প্ৰকৃততে নিজ দেশক ভালপোৱা এগৰাকী মহীয়সী নাৰী। অত্যাচাৰী আৰু স্বেচ্ছাচাৰী ৰজাৰ শাসনৰ পৰা দেশক উদ্ধাৰ কৰিবলৈকে তেওঁ কঠোৰ শাস্তি মুৰ পাতি লৈছিল। জেৰেঙাৰ সতী জয়মতীৰ আত্ম ত্যাগৰ নিদৰ্শন পৃথিৱী বিৰল। জেলত থাকোতে জয়মতী হব পৰা এগৰাকী নাৰী মূৰ্ত্তি কল্পনা কৰি জ্যোতিয়ে ছবি আঁকিছিল। কিন্তু কি আচৰিত কল্পনাৰ জয়মতী আৰু জ্যোতিৰ মাতৃ কিৰণময়ীৰ মাজত জ্যোতিয়ে একো তফাৎ বিচাৰি নাপালে। অগাধ মাতৃ ভক্তিৰ ফলতহে এনেহোৱা সম্ভৱ।

১৯৩৪ চনত "জয়মতী" কথাছবিৰ দৃশ্য গ্ৰহণ আৰম্ভ হ'ল। বেজবৰুৱা দেৱৰ "জয়মতী কুৱৰী" নাটকত ৰাস ভাওনাৰ দৃশ্য নাই। কিন্তু জ্যোতিপ্ৰসাদে তেওঁৰ "জয়মতী" কথাছবিত আহোম স্বৰ্গদেউৰ ৰাজসভাত ৰাস ভাওনাৰ এটি দৃশ্য সংযোজন কৰিলে। জ্যোতি-প্ৰসাদ কৃষ্ণ সংস্কৃতিত অটল বিশ্বাসী আৰু শ্ৰদ্ধাশীল। ছুকুতি নাশি

সংস্কৃতি বিলাবলৈ জ্যোতি পৰম আগ্ৰহী। বৃন্দাবনৰ অমিয়া সৌন্দৰ্য্য আৰু আনন্দৰ মাজত অসুৰ ওলাই সকলো লণ্ড ভণ্ড কৰিলে। গোপী সকলৰ মনৰ আনন্দ হৰিল, বনৰ সৌন্দৰ্য্য ম্লান হ'ল আৰু সকলোৰে মনত আতঙ্কৰ সৃষ্টি হ'ল। এনে অৱস্থাত সংস্কৃতিৰ বাহক শ্ৰীকৃষ্ণই অসুৰ নিধন কৰি বৃন্দাবনলৈ পুনৰ সৌন্দৰ্য্য আৰু আনন্দ ঘূৰাই আনিলে। ৰাসৰ এই দৃশ্যটো সকলোৱে আগ্ৰহেৰে উপভোগ কৰে। শঙ্কৰী কলা কৃষ্টিৰ প্ৰতি শ্ৰদ্ধাশীল জ্যোতি প্ৰসাদে জয়মতীত আহোম ৰজাৰ ৰাজ সভাত ৰাসৰ এই দৃশ্যটো পৰিবেশন কৰিবলৈ সিদ্ধান্ত কৰিলে। জ্যোতিপ্ৰসাদৰ বৰ দেউতাক চন্দ্ৰকুমাৰ আগৰৱালাই গুৱাহাটীৰ পৰা "অসমীয়া" নামৰ এখন বাতৰি কাকত উলিয়াইছিল। তেতিয়া সেইখনেই বাতৰি কাকত। তেজপুৰ আহি পাওতে কেইবাদিনো লাগে। "জয়মতী" চিনেমাৰ কাৰণে অভিনেতা অভিনেত্ৰী বিচাৰি "অসমীয়া"ত বিজ্ঞাপন ওলাইছিল। বিজ্ঞাপন দিয়েই জ্যোতি ক্ষান্ত নাছিল। যোৰহাট, গোলাঘাট, ডিব্ৰুগড়, নগাওঁ সকলোতে জ্যোতিপ্ৰসাদে নিজে গৈ অভিনয়ৰ বাবে প্ৰাৰ্থী বাছনি কৰিছিল। এদিন আমাৰ ঘৰৰ ওচৰৰ ৺চেনাৰাম দাসে মোক জ্যোতি প্ৰসাদে মাতি পঠিওৱা বুলি খবৰ দিলে। মই গলোঁ। তেতিয়া জ্যোতিয়ে ক'লে—"মই জয়মতীত ৰাসৰ শঙ্খচূৰৰ নৃত্যটো তুলিব খুজিছো। আপুনিয়ে এই নৃত্য দিব লাগিব। পাৰিব নে?" জ্যোতিৰ প্ৰস্তাৱত মই বৰ আনন্দিত হৈ "পাৰিম" বুলি কলোঁ। তেতিয়া ক'লে মই আপোনালৈ খবৰ দিম। সেইমতে আপোনাৰ নিব লগা লোক সকলক লগত লৈ ভোলাগুৰি বাগানলৈ যাব। ভোলাগুৰিত জয়মতীৰ শ্যুটিং হব।

ভোলাগুৰি চাহ বাগিচাত জ্যোতিপ্ৰসাদে চিত্ৰবন নাম দি এটা ষ্টুডিঅ' নিৰ্ম্মান কৰিছে বুলি শুনিবলৈ পাইছিলোঁ। বাগিচাৰ বনুৱা আৰু ওচৰৰ গহপুৰ, বালিজান, ব্ৰহ্মজান, বৰঙাবাৰী আদি

গাঁৱৰ মাইজৰ সহযোগত বাঁহ বেত, তামোল পাত, কলগছ ব্যৱহাৰ কৰি কৃত্ৰিম কাৰেংঘৰ, তোৰণ আদি সজাই পৰাই তুলিছিল। যথা সময়ত মোলৈ খবৰ আহিল—ভোলাগুৰি বাগানলৈ যাব লাগে। মই ভাওনাত খোল বজোৱাৰ কাৰণে ৺ভোলানাথ শইকীয়া, তাল বজাবলৈ ৺বগীৰাম শইকীয়া আৰু শঙ্খচূড়ৰ লগত যুদ্ধ কৰিবলৈ শ্ৰীকৃষ্ণৰ অভিনয়ত ডেকাৰ গাওঁ ৰাসত ৰাধাৰ ভাও দিয়া শ্ৰীপূৰ্ণ শৰ্মা (ৰৰঠাকুৰ) ক লগত ললোঁ। নিৰ্দিষ্ট দিনত এওঁলোকক লৈ জাহাজেৰে তেজপুৰৰ পৰা কাঠনিবাৰী ঘাটলৈ ৰাওনা হলোঁ। সেইদিনত ৰাস্তায়েদি যাবলৈ বাছমটৰৰ কোনো ব্যৱস্থা নাছিল। ধূলি আৰু বোকা ৰাস্তা। সাধাৰণতে মানুহে পানী জাহাজত অহা যোৱা কৰে। টি ৰি আৰত ডেকাৰ গাৰৰ পৰা তেজপুৰলৈ অহা যোৱা কৰো। ৰাতি ১২ মান বজাত কাঠনিবাৰী ঘাট পালোঁগৈ। এখন লৰী ঘাটত আমাক নিবৰ কাৰণে ৰৈ আছিল। লৰীত উঠি ভোলাগুৰি বাগান পালোগৈ। ৰাতিটো কেম্পত থাকিলোঁ।

ৰাতিপুৱা জ্যোতিপ্ৰসাদ কেম্পলৈ আহিল। আমাৰ লগত কথা-বতৰা পাতিলে। আবেলি আখৰা হব বুলি কৈ গ'ল। কথা মতেই কাম। আবেলি ষ্টুডিঅ' ত আখৰা আৰম্ভ কৰিলে। মোৰ নৃত্যটো আৰু যুদ্ধখন কিমান ঠাইৰ ভিতৰত হব লাগিব এৰিয়াটো দেখুৱাই দিলে। তাৰ ভিতৰতে সকলো হব লাগিব। যদি তাৰ অলপ মানো ইফাল সিফাল হয় তেনে হলে গোটেই ৰিলটোৱেই নষ্ট হব। তিনদিন মান আখৰা চলিল। শুটিং আৰম্ভ হ'ল। লৰা ৰজাৰ ৰাজসভা, কলগছৰ খুটা আৰু কল পটুৱাৰে বেৰদি ৰাজ কাৰেং সজা হৈছিল। বেৰবোৰ সক দৈয়া জাপিৰে সজোৱা। জ্যোতিপ্ৰসাদে আহোমৰ দিনৰ পুৰণি কলীয়া বস্ত্ৰ কিছুমান সংগ্ৰহ কৰি ৰাজ কাৰেং সজাইছিল। উত্তৰ গুৱাহাটীৰ পৰা এটা হিলৈ, কলিয়াবৰৰ ভোলাগুৰি সত্ৰৰ পৰা কাঠৰ ডাঙৰ শৰাই

আনিছিল। তাৰোপৰি পুৰণি অলঙ্কাৰ পাতি কিংখাপ, গোমচেং, পহুৰ শিং, গড়ৰ মূৰ আদি ঠায়ে ঠায়ে ব্যৱহাৰ কৰি আহোম যুগৰ পৰিবেশ ফুটাই তুলিছিল। ৰাজ সিংহাসনত হাতী-দাত খটোৱা যেন কৰিবলৈ কলগছৰ বগা অংশটো ব্যৱহাৰ কৰিছিল। ফটোত হাতী দাত যেনেই লাগিছিল। ৰজা, পাত্ৰ মন্ত্ৰী আৰু পাৰিষদ বৰ্গই ৰাস ভাওনা চাই আছে। মই প্ৰথমে খোলৰ চেৱে চেৱে অসুৰ নৃত্য কৰিছো আৰু তাৰ পিছত কৃষ্ণৰ লগত যুদ্ধ কৰিলোঁ। যুদ্ধ হৈ থকা অৱস্থাতে জ্যোতিপ্ৰসাদে কেমেৰাৰ পিছ ফালৰ পৰা মোক কেমেৰালৈ খেদা মাৰি গৈ চকু ঘূৰাবলৈ নিৰ্দেশ দি আছিল। মই যিমান পাৰো কেমেৰা লৈ চাই চকুৰ মণি ঘূৰাই আছিলো। জ্যোতিপ্ৰসাদেও পিছ ফালৰ পৰা 'ঘূৰাওক' 'ঘূৰাওক' বুলি চিঞৰি আছিল। শুটিং শেষ হ'ল। মেক্‌আপ্ কমলৈ ঘূৰি গলোঁ। মেক আপৰ সময়ত মোৰ গাত নীল ঘহিছিল গদাধৰৰ অভিনয় কৰা ৺ফুনু বৰুৱাই (পৰশু ৰাম বৰুৱা)। সেই সময়তে ওচৰত ডালিমীৰ অভিনয় কৰা স্বৰ্গজ্যোতি বৈ আছিল। স্বৰ্গজ্যোতিক মাকন বুলি মাতিছিল। মাকনেও মোৰ গাত নীল ঘহিবলৈ ধৰিলে। ডেকা বয়সত মোৰ দেহৰ গঠন সুন্দৰ আছিল। ৰিং, পেৰেলেল বাৰ, ডাম্বেল মুদগৰ লৈ নিয়মিত ভাবে ব্যায়াম কৰিছিলোঁ। অসুৰৰ নৃত্য কৰোতে মোৰ হাত ভৰি আৰু বুকুৰ মাংস পেশীবোৰ খোলৰ ছেৱে ছেৱে কপাই তুলিছিলোঁ।

ভাটিবেলা জ্যোতি প্ৰসাদে মোক চাংবঙলালৈ মাতি জীপখন পঠাই দিলে। মই তেখেতৰ চাংবঙলা পালোঁগৈ মোক বহিবলৈ দিলে। এনেতে বাবুৰ্চিয়ে খোৱা-বস্তু আনি দিলেহি। তেখেতেও খাইছে মোকো খাবলৈ কলে। দুয়ো খাই থাকোতে কথাৰ লাচতে তেখেতে কলে "বুজিছে ৰবা, মই ইংলণ্ডত থাকোতে পৃথিবীৰ বহু দেশৰ পিক্‌চাৰ চাইছিলোঁ। মাত্ৰ এখন জাৰ্মানীৰ পিক্‌চাৰত এজন

এক্টৰে চকুৰ মণি ঘূৰোৱা দেখিছিলোঁ। আজি আপুনি মোৰ ছবিত চকু ঘূৰাই দেখুৱালে।" জ্যোতিৰ মুখত প্ৰশংসা শুনি মোক আনন্দ লাগিছিল।

ভোলাগুৰি বাগিচা অসমীয়া কথাছবিৰ তীৰ্থস্থান। আজি তাত চিত্ৰবন নাই। সোণালী অতীতহে সমাধিস্থ হৈ আছে। অসম টি, কৰ্পোৰেচনে ভোলাগুৰি চাহ বাগিচা আগৰৱালা পৰিয়ালৰ পৰা কিনি ললে। নামটো অৱশ্যে ভোলাগুৰিয়ে আছে।

১৯৩৫ চনৰ প্ৰথম ভাগতে "জয়মতী" কথাছবিয়ে কলিকাতত মুক্তি লাভ কৰে। কিছুদিনৰ পিছত গুৱাহাটিৰ কামৰূপ নাট্য মন্দিৰত এই ছবি দেখুওৱা হয়। তেতিয়ালৈকে ছবিখন নিজে চাবলৈ পোৱা নাছিলো যদিও সমালোচনা বহুত শুনিছিলো। ভালতকৈ বেয়াৰ ফালে মানুহে বেছি চকু দিয়ে ; কিন্তু বেয়াক ভাল কৰিবলৈ কোনো যত্নবান হোৱা দেখা নাযায়। দোষ বতি ফুৰা অসমীয়া মানুহৰ মজ্জাগত অভ্যাস। শ্ৰীকণ্ঠ মাধৱদেৱে কৈছে—

অধমে কেৱল দোষ লৱয় মধ্যমে গুণ
দোষ লয় কৰিয়া বিচাৰ।
উত্তমে কেৱল গুণ লৱয় উত্তমোত্তমে
অল্প গুণ কৰয় বিস্তাৰ।

জ্যোতি প্ৰসাদৰ সহোদৰ ভাতৃ বিবেকানন্দ আগৰৱালাই ছবিখন প্ৰদৰ্শন কৰাত খুব কষ্ট কৰিছিল। তেতিয়া অসমৰ ক'তো ছবিঘৰ নাই, বিজুলীৰ ব্যৱস্থা নাই, যান বাহনৰ অসুবিধা। সকলো অসুবিধা আওকান কৰি বিবেকাই কেতিয়াবা গৰুগাড়ী, কেতিয়াবা লৰি আদিত ডায়নেমা, চিনেমাৰ যন্ত্ৰপাতি কঢ়িয়াই, খেল পথাৰ, স্কুলঘৰ, নামঘৰ আদিৰ আগত এই ছবি দেখুৱাৰ ব্যৱস্থা কৰিছিল।

প্ৰথম অসমীয়া কথাছবি হিচাবে "জয়মতী" কিমান সাৰ্থক ছবি হ'ল সেই বিষয়ে কোৱাৰ ধৃষ্টতা মোৰ নাই—কিন্তু ছবিখনত নিৰ্ম্মাতা

জ্যোতি প্ৰসাদৰ নিজৰ জন্মভূমিক, দেশৰ মাটিক, নিজৰ সংস্কৃতি পৰম্পৰাক ভালপোৱাৰ স্বাক্ষৰ ছবিখনে বহন কৰিছে আৰু ছবিখনত জ্যোতিপ্ৰসাদৰ কলা সুলভ গভীৰ জ্ঞানৰ পৰিচয় আছে। তাৰোপৰি জয়মতী কথাছবিয়ে ভাৰতীয় ফিল্ম জগতত অসমক এখন আগ শাৰীৰ আসন দিলে। আৰ্থিক দিশত জ্যোতি প্ৰসাদৰ বহুত ক্ষতি হ'ল। নগৰৰ মধ্য বিত্ত আৰু সম্ভ্ৰান্ত পৰিয়ালৰ মানুহে ছবিখন নাচালে যদিও গাঁও অঞ্চলৰ হাজাৰ হাজাৰ লোকে "জয়মতী" খেদি ফুৰি চাইছিল।

জয়মতী চিনেমা ওলোৱাৰ কিছুদিনৰ পিছত জ্যোতি প্ৰসাদে আৰু এখন কথাছবি নিৰ্ম্মান কৰাৰ চিন্তা কৰিলে। মই মাজে মাজে তেখেতৰ ঘৰলৈ গৈ থাকো। পকা ঘৰৰ দক্ষিণৰ কোঠাটোৱেই জ্যোতি থকা কম। তাতে বহি দুয়ো কথা পাতো। এদিন কথা থাকোতে তেখেতৰ লক্ষ্মী স্বৰূপিনী ভাৰ্য্যা দেৱযানী আইদেৱে আমাক খাবলৈ চাহ আৰু মুৰি দি গ'ল। মুৰি বোলে জ্যোতিৰ বৰ প্ৰিয়। চাহ মুৰি খাই কথা পাতি আছো। জ্যোতিয়ে ক'লে—"মই আকৌ এখন ছবি কৰিবৰ বাবে চিত্ৰ নাট্য প্ৰস্তুত কৰিছো। নামটো "ইন্দ্ৰমালতী" হব। মালতীৰ কাৰণে এজনী ছোৱালী লাগে। খুব কম খৰছত এই বাৰ ছবি বনাম। জয়মতীত মোৰ ষাঠি হাজাৰ মান টকা খৰছ হ'ল। খৰছ নুঠিল। আপোনালোকৰ ফালে ছোৱালী আছে যদি মোক খবৰ দিব।"

চিনেমাৰ কাৰণে ছোৱালী পোৱা সহজ কথা নাছিল। ৰক্ষণশীল অসমীয়া সমাজে পুৰুষৰ লগত ছোৱালীয়ে থিয়েটাৰ, ভাওনা, চিনেমাত অভিনয় কৰাতো সহজভাবে লব নোৱাৰিছিল। জয়মতীত অভিনয় কৰা ছোৱালীহঁতক বাইজে হেয়জ্ঞান কৰিছিল। কোনো কোনোক সামাজিক ভাবে বৰ্জন কৰিছিল। চিনেমাত অভিনয় কৰা বাবে জীৱনত বিষময় ফল ভোগ কৰিলে আইদেউ সন্দিকৈয়ে।

তেওঁক খিয়া কৰাবলৈ কোনো ভেকা ওলাই নাছিল। কাৰণ তেওঁ চিনেমাত পদা পানিক "বগুহৰ দেউ" বুলিছিল। জামুগুৰিৰ বৰ-ভগীয়াৰ ছোৱালী বেৱতীয়ে 'জয়মতী'ত 'পাটমাদে'ৰ অভিনয় কৰা বাবে তেওঁলোকৰ ঘৰখনক বাইজে বাদদি থৈছিল। তেওঁক বিয়া কৰাবলৈ কোনো ভেকা আগবাঢ়ি অহা নাছিল। শেষত এজন লৰা ওলাল। বিয়াত জোৰণৰ আগদিনা এশ টকা দণ্ড ভৰি বাইজৰ লগ লব লগা হৈছিল। গোলাঘাটৰ ভনিটী বুঢ়া গোহাঁই, মোহিনী ৰাজ কুমাৰী, ব্ৰতেশ্বৰী ৰাজ কুমাৰী, জামুগুৰিৰ দিনেশ্বৰী আদি কেইৰাজনী ছোৱালীয়ে "জয়মতী"ত বিভিন্ন চৰিত্ৰত অভিনয় কৰিছিল। তেওঁলোকেও জীৱনত সমাজৰ গঞ্জনা ভোগ কৰিব লগীয়া হৈছিল। বৰ্ত্তমান যুগত এই কথা সম্পূৰ্ণ অবিশ্বাস্য যেন লাগে। জ্যোতিয়ে "ইন্দ্ৰমালতী" কথাছবিৰ বাবে ছোৱালী এজনী চাবলৈ কোৱাত মই বিমোৰত পৰিলোঁ। চিনেমাত এক্টিং কৰিবলৈ ছোৱালী বিচাৰি গলে মানুহে বা মোক কি কয়? মনত কিছু ভয় আৰু সংকোচ লাগিছিল। হলেও মই তলে তলে ছোৱালীৰ অনুসন্ধান কৰিলোঁ। আমাৰ চুবুৰীৰে এজনী ছোৱালী মোৰ চকুত পৰিল। তেওঁ আমাৰ অলপ সম্পৰ্কীয় হয়। ছোৱালীজনী আগবঢ়া বিধৰ আৰু তেওঁ-লোকৰ ঘৰখনো পুৰণি নীতি নিয়মত বৰকৈ খামুচি থকা নহয়। মই এদিন ছোৱালীজনীৰ মাক ছন্দেশ্বৰী বৰুৱাক কথাটো কলো। ছন্দেশ্বৰী বৰুৱাক আমি কন বৰুৱানী বুলি মাতো। বৰুৱানীয়ে কথাটো শুনি মাকনক মাতিলে। মাকনৰ নাম ৰাসেশ্বৰী বৰুৱা। কথাটো ওলাল। তিনিও আলোচনা কৰিলোঁ। মনত কিছু ভয় আৰু সংকোচ লৈ মাকন অভিনয় কৰিবলৈ ওলাল। মোৰ মনটো ফৰকাল লাগিল। সেই দিনাই মই 'মালতী' চৰিত্ৰত অভিনয় কৰিবলৈ এজনী ছোৱালী পোৱাৰ কথা জ্যোতি প্ৰসাদক কলোগৈ। জ্যোতি প্ৰসাদে সেইমতেই তেওঁলোকৰ লগত কথা বতৰা হৈ ৰাসেশ্বৰী বৰুৱাক "মালতী"ৰ বাবে নিৰ্ব্বাচন কৰিলে।

কিছু দিনৰ পিছত শ্যুটিং আৰম্ভ হ'ল। নিকামুল সত্ৰৰ ওচৰত আগৰৱালা পৰিয়ালৰ তালবাৰীত চিনেমাৰ কাম চলিছিল। সেই ঠাইত এতিয়া কমলাপ্ৰসাদ আগৰৱালাৰ ঘৰ-দুৱাৰ আছে। কমলাপ্ৰসাদ আগৰৱালাই তেজপুৰৰ "পকী" আৰু মাটিখিনি অসম চৰকাৰক বিক্ৰী কৰি তালবাৰীলৈ উঠি গ'ল। তেজপুৰ "পকীত" এতিয়া "জ্যোতি-ভাৰতী" নামে অসম চৰকাৰৰ সাংস্কৃতিক কেন্দ্ৰ এটা গঢ় লৈ উঠিছে। ৰূপ কোঁৱৰ জ্যোতিপ্ৰসাদৰ সপোন সাকাৰ কৰিবলৈকে এতিয়াৰ মুখ্যমন্ত্ৰী শ্ৰীহিতেশ্বৰ শইকীয়া ডাঙৰীয়াই শিক্ষা মন্ত্ৰী হৈ থাকোতে এই ঘৰটি অধিগ্ৰহণ কৰিছিল। কিন্তু যোৱা শিল্পী দিৱসত জ্যোতিৰ ভ্ৰাতৃবধূ আৰু কমলাপ্ৰসাদ আগৰৱালাৰ ধৰ্ম্মপত্নী শ্ৰী মিনা আগৰৱালাই চৰকাৰৰ প্ৰতিশ্ৰুতি পালন নকৰাত আক্ষেপ প্ৰকাশ কৰা শুনিলো। তালবাৰীত শ্যুটিং চলি থাকোতে তাত ভাগ লবলৈ আমি ঘৰৰ পৰা অহা যোৱা কৰিছিলোঁ। মই 'ইন্দ্ৰমালতীত' চণ্ডিৰাম নামৰ এজন ডেকাৰ অভিনয় কৰিছিলোঁ। দৃশ্য গ্ৰহণ শেষ হোৱাত ৰেকৰ্ডিঙৰ কাৰণে আমি কলিকতালৈ গলো। কলিকতাৰ অৰোৰা ষ্টুডিঅ'ত ৰেকৰ্ডিং হৈছিল। টি বি আৰত উঠি ৰাঙাপাৰা আৰু ৰাঙা-পাৰাৰ পৰা কলিকতাৰ শিয়ালদহ ষ্টেচন পালোঁগৈ। কলিকতাৰ Calcutta Hotel অত আমাৰ থকা খোৱাৰ ব্যৱস্থা কৰি দিছিল। হোটেলৰ ওপৰ তলাত ৺ৰাসেশ্বৰী বৰুৱা, তেওঁৰ মাক ৺ছন্দেশ্বৰী বৰুৱা আৰু ৰেকৰ্ডিংত যোৱা কেইবা গৰাকী ছোৱালীক থাকিবলৈ দিলে। ছোৱালীবিলাক থকা কমৰ ওচৰতে আন এটা কমত মই আছিলোঁ। তলত জ্যোতিপ্ৰসাদৰ লগত বলীন (ফণী শৰ্ম্মা) বিষ্ণুপ্ৰসাদ ৰাভা আৰু শ্ৰীভূপেন হাজৰিকা আছিল। ভূপেন তেতিয়া ৮/৯ বছৰীয়া সৰু ল'ৰা। তেওঁৰ মাতটো বৰ মিঠা আৰু মৰম লগা। হোটেলত "ইন্দ্ৰ মালতী"ৰ ৰেকৰ্ডিঙৰ কাৰণে যোৱা আৰু শিল্পী আছিল। ৰেকৰ্ডিং হৈ যোৱাৰ পিছত কলিকতা মহা-

নগৰী আৰু আশে-পাশে থকা ঠাইবিলাক চাইছিলোঁ। মুগা-পাত আৰু অসমীয়া গহনা পিন্ধি যোৱা ছোৱালী আৰু যোৱাৰী দেখি মানুহবোৰে ঘূৰি ঘূৰি চাইছিল আৰু কিছুমানে পিছ লৈছিল। জ্যোতিৰ মুখেদি শুনা মতে এইখন ছবিত চৌদ্ধ হাজাৰ মান টকা খৰছ পৰিছিল। জয়মতীত হোৱা লোকচানৰ ভাৰখন এই ছবিয়ে কিছু পাতলালে। তেজপুৰৰ তালবাৰীতে ভৱিষ্যতে এটা স্থায়ী ষ্টুডিঅ' নিৰ্ম্মাণ কৰা জ্যোতিৰ সপোন আছিল। কিন্তু সপোন নফলিয়ালে।

উষা নাট্য মন্দিৰ

ডেকাৰ গাঁৱৰ উষা নাট্য মন্দিৰ অকল ভাওনা থিয়েটাৰ কৰা ষ্টেজেই নহয়; ই সমগ্ৰ অঞ্চলটোৰ ৰাইজক ঐক্যবদ্ধ কৰি কৃষ্টি সংস্কৃতিৰ দিশত আগুৱাই নিয়া এক মহান অনুষ্ঠান। ইয়াৰ জন্মলগ্ন বিচাৰিলে ১৯২৬ চনৰ দুৰ্গা পূজা বুলি কব পাৰি। মৌজাদাৰ ৺বালিৰাম দাসে ডেকাৰ গাঁৱত দুৰ্গাপূজা পতাৰ কথা ইতিপূৰ্ব্বে উনুকিয়াই আহিছো। দুৰ্গা পূজাৰ তিনিও ৰাতি তেজপুৰ বাণ ষ্টেজ আৰু বেঙ্গলী ষ্টেজত থিয়েটাৰ, দৃশ্যাবৃত্তি আদি হয়। টাউনত আমাৰ গাঁৱৰ পৰা যোৱা শিল্পী সকলে বিশেষ স্থান নাপায়। সেই কাৰণে ৺বালিৰাম দাসৰ দুৰ্গা পূজাৰ ঠাইতে উষা নাট্য মন্দিৰ নামকৰণেৰে প্ৰথম এটা ষ্টেজ সজা হয়। ষ্টেজ ঘৰটো প্ৰথম অৱস্থাত বাঁহ-বেত, খেৰৰ আছিল। ষ্টেজৰ কাৰণে চিন আঁকিছিল ভাৰত বৰুৱাই (পিছত চামচুল হুদা নাম ললে) আৰু ভাৱৰীয়া সজোৱাত আছিল ৺পিয়াৰীমোহন চৌধুৰী আৰু ৺ললিতমোহন চৌধুৰী। ১৯২৮ চনত প্ৰথম বাৰৰ কাৰণে ডেকাৰ গাওঁ পুৰণি বেল ষ্টেচনৰ কাষত যেতিয়া বাস পতা হ'ল, তেতিয়াৰ পৰা সেই ঠাই ডোখৰৰ আকৰ্ষণ বাঢ়িল। ৰাইজে সভা সমিতি, উৎসৱ পাৰ্বণ ইয়াতে পতা হ'ল। কালক্ৰমত

উষা নাট্য মন্দিৰৰ ঘৰ উৰলি যোৱাত, বাইজৰ খাম-খেয়ালিৰ ফলত ইয়াৰ কোনো মেৰামতি নোহোৱাত ঘৰটো ভাঙি পৰে। নতুনকৈ সেই ঠাইত ষ্টেজ ঘৰ আৰু সজা নহ'ল। ১৯৩১ চনত বৰ্ত্তমানৰ ঠাইত আকৌ অস্থায়ী এটা ষ্টেজ সজা হ'ল। নাম উষা নাট্য মন্দিৰেই ৰখা হ'ল। ষ্টেজ ঘৰ সাজিবলৈ মূলধন নাছিল। ৰাইজৰ কায়িক পৰিশ্ৰম আৰু ঘৰে ঘৰে উঠোৱা বাঁহ কাঠেৰেই ষ্টেজ ঘৰ হ'ল। তেতিয়া বিজুলি বাতি নাছিল। মেণ্টল লাইট, আৰিয়া আৰু ভলুকা বাঁহৰ চুঙাত কেৰাচিন তেল ভৰাই ফটা কানিৰ শলিতা জ্বলাই থিয়েটাৰ ভাওনাত পোহৰৰ ব্যৱস্থা কৰা হৈছিল। আজি সেই দিনবোৰৰ কথা ভাবিলে নিজেই আচৰিত হওঁ। বহুত পৰিবৰ্ত্তন হ'ল। গেজেপনি হাবিৰ ঠাইত মানুহৰ ঘৰ-দুৱাৰ, খেতিৰ পথাৰ হ'ল, হোলা পিটনিবোৰ নাইকিয়া হৈ ৰাস্তা কলকাৰখানা হ'ল। একালৰ পঁয়া লগা অৱস্থাৰ পৰা সময়ৰ হাত বাউলত—উষা নাট্য মন্দিৰে এতিয়া কিছু গা কৰিছে যদিও ৰাইজৰ সপোনৰ উষা নাট্য মন্দিৰ হবলৈ বহুতো বাকী। এতিয়ালৈকে মোৰ জীৱনৰ সমস্ত কাল উষা নাট্য মন্দিৰৰ লগতে জড়িত হৈ আছে। ইয়াত বহুতো নাটকৰ বহুতো অভিনয় কৰিলোঁ। ভীমৰ গৰ্জন, ৰাৱণৰ অট্টহাস্য, বাণৰ অহঙ্কাৰ, নৰকাসুৰৰ গৰ্ব্ব, মেঘনাদৰ ৰণ হুঙ্কাৰ, বভ্ৰুবাহনৰ বীৰত্ব, মিঙিমাহা তিলোৱা আৰু খিজিৰ খাঁৰ খল হাঁহি, শঙ্খচূড়ৰ ভয়ঙ্কৰ ৰূপ এই নাট্য মন্দিৰতে একালত প্ৰদৰ্শন কৰিছিলোঁ। জীৱনৰ ৰাগ-অনুৰাগ, ভুল-ভ্ৰান্তি, দোষ-ত্ৰুটি, হৰ্ষ-বিষাদ, অভিযোগ-অনুযোগ, মান-অভিমান আদি অনেক কথা উষা নাট্য মন্দিৰৰ ধূলিত মিহলি হৈ আছে।

উষা নাট্য মন্দিৰৰ আজিৰ অৱস্থা প্ৰাপ্তিত যি সকল সদাশয় লোকে বিশেষ অৰিহণা যোগাইছিল সেই সকলৰ ভিতৰত তেজপুৰৰ বিখ্যাত ব্যৱসায়ী ৺ৰাধেশ্যাম আগৰৱালা, ৺ৰাৱতমল মূলচাঁদ,

এসময়ৰ সুৰবাৰী বাগিচাৰ মালিক ৺আলি হাজৰিকা, বৰঝাৰ গাঁৱৰ অৰবিন্দ কনষ্ট্ৰাকচনৰ মালিক ৺অৰবিন্দ, কেতেকীবাৰীৰ মেহেতা কনষ্ট্ৰাকচনৰ স্বত্বাধিকাৰী আৰু তেজপুৰৰ দোৱাৰ্কা প্ৰসাদৰ নাম উল্লেখযোগ্য। মই এতিয়া ৮৭ বছৰীয়া বৃদ্ধ। আজিও ঘৰৰ আগ ফালৰ বাৰান্দাত বহি মোৰ সাংস্কৃতিক জীৱনৰ লগত ওতঃপ্ৰোত-ভাবে জড়িত এই নাট্য মন্দিৰলৈ চাই থাকো। স্মৃতি ৰোমন্থন কৰো। পুৰণি কত যে কথা মোৰ মনত পৰে! আনন্দ পাওঁ, তৃপ্তি লভো।

বাপুজীৰ স্মৃতি

স্কুলীয়া জীৱনত তেজপুৰ পল, যিন্ডত প্ৰথম বাৰৰ কাৰণে গান্ধীজীক দেখা পোৱাৰ কথা আগতে কৈছো। গান্ধীজীৰ মতবাদ মতে মানৱ সেৱাই ঈশ্বৰ সেৱা। সমাজৰ আটাইতকৈ পিছ পৰা দলিত, নিষ্পেষিত মানুহ শ্ৰেণীৰ উন্নতিৰ কাৰণে গান্ধীজীয়ে কাম কৰিছিল। অস্পৃশ্য বিবেচিত মেতৰ সকলক গান্ধীজীয়ে হৰিজন নাম দিছিল। হৰিজন সকলৰ কল্যানৰ কাৰণে হৰিজন আন্দোলন কৰি ভাৰত বৰ্ষৰ নানা ঠাইত তেখেতে অৰ্থ সংগ্ৰহ কৰি ফুৰিছিল। গান্ধীজীক ২য় বাৰৰ বাবে দেখাৰ সৌভাগ্য হ'ল ঢেকাৰ গাঁৱতে। হৰিজন সকলৰ কাৰণে দান লৈ ফুৰিছিল। তেতিয়া তেজপুৰ বালি-পাৰা ৰেল লাইন (টি বি আৰ) আছেই। সৰু নেৰ' গেজ ৰেল। প্ৰথম শ্ৰেণীৰ দবাত বগা চাহাবৰ বাহিৰে আনক উঠিবলৈ নিদিয়ে কিন্তু টি, বি, আৰতে ১ম শ্ৰেণীৰ দবাত গান্ধীজী আহিছিল। ঢেকাৰ গাঁৱৰ পুৰণি ৰেল ষ্টেচনত ৰেল ৰখালে। অসংখ্য প্ৰজা গান্ধীজীক চাবলৈ বৈ আছিল। ৰেলৰ দবাৰ দুৱাৰ মুখলৈ আহি গান্ধীজীয়ে এখন বগা খদ্দৰৰ কাপোৰ দুহাতেৰে মেলি ধৰিলে। সেই কাপোৰতে মানুহে সাধ্যানুসৰি পইছা দিছে। মইও মোৰ

জেপত সিকি আধলি বিমান আছিল গোটেই খিনি দি গান্ধীজীক নমস্কাৰ কৰিলোঁ। কিছু সময় বৈ ৰেলখন গ'ললৈ। ৰেল চলি যাওঁতেও মানুহবোৰে গান্ধীজীক চাবলৈ বহু দূৰলৈকে ৰেলৰ লগে লগে দৌৰি দৌৰি গৈছিল। সেই দৃশ্য আজিও মনত আছে।

গান্ধীজীক শেষ বাৰৰ কাৰণে গুৱাহাটীত দেখা পালোঁ। আমি তেজপুৰৰ পৰা গৈছো। মাঘৰ বিহু। অমিয় দাদাই এখন বাছ বন্দোবস্ত কৰিলে। অমিয় দাস, গহন গোস্বামী, মহীকান্ত দাসকে আদি কৰি বহুতো কংগ্ৰেছী লোক গৈছিলোঁ। মহাত্মাজী গুৱাহাটীৰ শৰণীয়া আশ্ৰমত আছিলহি। আমি গান্ধীজী বাহিৰ ওলাই বহা পীৰাখনৰ ওচৰতে বহিলোঁ; মই একেবাৰে পীৰাৰ ওচৰত। আমি গৈ পোৱাৰ কিছু সময়ৰ পিছত তেখেত ওলাই আহিল। পীৰাত লেপেটা কাঢ়ি বহিল আৰু আমাৰ সকলোকে "ভাইয়ো" সম্বোধনেৰে মাতি দুই চাৰি আষাৰ কথা ক'লে। মিঠা হাঁহিৰে সুমিষ্ট ভাষাৰে কোৱা কথাত আমি মোহিত হলো। গান্ধীজীৰ কি বিশাল ব্যক্তিত্ব আৰু আকৰ্ষণ শক্তি আছে ওচৰত লগ পোৱা সকলেহে জানে। এইদৰে পুৱা বেলাত তেখেতক দেখা কৰি আকৌ আবেলিৰ ৰাজহুৱা সভালৈ গলোঁ। জৰ্জ ফিল্ডত বিৰাট ৰাজহুৱা সভা হৈছিল। লোকে লোকাৰণ্য। গান্ধীজী অহালৈ সকলোৱে অপেক্ষা কৰি আছে। গান্ধীজী আহিল। গাড়ীৰ পৰা নামি খোজকাঢ়িবলৈ লৈছে। মানুহৰ মাজত ভীষণ হেঁচা-ঠেলা লাগিছে। গান্ধীজীয়ে ভৰি দভাৰ লগে লগে খোজৰ ধূলি লবলৈ মানুহৰ হেতা-ওপৰা লাগিছে। গান্ধীজীক দুকাষে দুজনী ছোৱালীয়ে ধৰি গৈছিল। গান্ধীজী মঞ্চত উঠাতহে পদধূলা লোৱা লোকৰ ভিৰ কমিল। মঞ্চত উঠাৰ লগে লগে ৰামধুন আৰম্ভ হ'ল। এই গীত আৰম্ভ কৰিলে মহাত্মাৰ পুত্ৰ কানু গান্ধীয়ে। মঞ্চত সকলোৱে হাত চাপৰি বজাই ৰামধুন গালে। গান্ধীজীয়ে

মূৰে গায়ে খদ্দৰৰ কাপোৰ লৈ প্ৰথমে ধ্যান কৰি ললে আৰু তাৰ পিছত সভা আৰম্ভ হ'ল। গান্ধীজীৰ বক্তৃতাৰে সভা শেষ হ'ল।

সংগ্ৰাম জগনৰ বাটেদি

ভাওনা থিয়েটাৰৰ যোগেদিয়েই মই ৰাইজৰ মাজত পৰিচিত হৈছিলোঁ। শিঙৰীৰ পৰা জামুগুৰিৰ ভিতৰত বহুত ঠাইত মই অভিনয় কৰিছিলোঁ। চাহ বাগিচা আৰু গাঁও উভয়তে মোৰ সমান চিনাকি হৈছিল। আজিৰ দৰে চিনেমা, ৰেডিঅ, টেলিভিচন থকা হলে মোৰ জনপ্ৰিয়তা হয়তো নাবাঢ়িল হেতেন। তেতিয়া সেই-বোৰ একো নাছিল। গতিকে বহুত ঠাইৰ পৰা অভিনয়ৰ বাবে নিমন্ত্ৰণ পাইছিলোঁ। জনপ্ৰিয়তাই মোক কংগ্ৰেছৰ কাৰণে কাম কৰাত প্ৰভুত পৰিমাণে সহায় কৰিছিল। দেশ স্বাধীন কৰিবৰ কাৰণে ৰাইজৰ মাজত আন্দোলন দিনক দিন বাঢ়ি গৈছিল। দেশৰ হকে খাটি জেল খোৱা মানুহৰ নামবোৰ শুনি আছিলোঁ। নিজে কিন্তু একো কৰিব পৰা নাছিলো। ইয়াৰ কাৰণ দাৰিদ্ৰ্য আৰু বৃদ্ধ পিতাৰ চোৱা চিতাৰ বাবে মোৰ ব্যস্ততাই প্ৰধান। পৰাধীনতাৰ গ্লানিয়ে কিন্তু মনৰ উক্‌মুকনি দিনক দিনে বঢ়াইনি আছিল। ২য় মহাযুদ্ধ আৰম্ভ হোৱা কিছুদিন আগৰ পৰাই মই দেখা দেখিকৈ কংগ্ৰেছৰ কামত লাগিছিলোঁ। তেজপুৰত তেতিয়া গহনচন্দ্ৰ গোস্বামী, অমিয় কুমাৰ দাস, মহাদেৱ শৰ্ম্মা, নৰেণ গোস্বামী, শ্ৰীবিজয়চন্দ্ৰ ভাগৱতী, মহীকান্ত দাস, জ্যোতি প্ৰসাদ আগৰৱালা, মহিমচন্দ্ৰ সিংহ আদি নেতা সকলে পূৰ্ণোদ্যমে কংগ্ৰেছৰ কামত লাগিছিল। তৃণমূল পৰ্য্যায়ত অলেখ কৰ্ম্মীয়ে সংগঠনৰ কাম কৰি আছিল।

তেজপুৰত জিলা কংগ্ৰেছৰ এখন সভা বহিল। সভালৈ মই যোৱা নাছিলোঁ। বৰঝাৰ এম, ভি স্কুলত মই তেতিয়া শিক্ষক।

কংগ্ৰেছ সংগঠন সবল কৰিবৰ বাবে সভাত আলোচনা হ'ল। গাঁও-বোৰত কংগ্ৰেছৰ ইউনিট পাতি কংগ্ৰেছৰ সভ্য ভৰ্ত্তিৰ অভিযান চলাবলৈ সিদ্ধান্ত হ'ল। মোৰ বাঢ়ি যোৱা জনপ্ৰিয়তাৰ কথা শুনি সেই সভাতে মোক কংগ্ৰেছৰ অৰ্গেনাইজাৰ নিযুক্তি দিলে। পাৰিতোষিক মাহে দহ টকা। মই নিযুক্তিৰ কাগজ পালো। কটকী চুবুৰীৰ শ্ৰীসূৰ্য্য দাস মোৰ পৰিবাৰৰ ককায়েক। তেওঁক কাগজখন দেখুৱালোঁ আৰু পৰামৰ্শ বিচাৰিলোঁ। তেওঁ মোক নিযুক্তি পত্ৰ গ্ৰহণ কৰিবলৈ কলে। ২য় মহাসমৰৰ ৰণ হুঙ্কাৰ পশ্চিমত সৰল হৈছে। ভাৰতত তাৰ প্ৰভাৱ পৰিছেহি—কিন্তু তেতিয়াও মিত্ৰ পক্ষৰ লগত ভাৰতে যোগ দিয়াৰ ঘোষণা হোৱা নাই। মই কংগ্ৰেছৰ অৰ্গেনাইজাৰৰ কাম কৰিবলৈ ওলাই আহিলোঁ।

বৰঝাৰ এম ভি স্কুলৰ হেড্‌পণ্ডিত তেতিয়া বেছেৰীয়াৰ ৺দূৰ্গাৰাম নাথ। নাথে মোক স্কুলৰ পৰা লেজাৰত এৰি দিয়ে। কেতিয়াবা সময়মতে স্কুল নাপালে বা ক্ষতি কৰিলেও আপত্তি নকৰে। হাজিৰা বহীত চহী কৰি থবলৈ কয়। হেড্ পণ্ডিত জনৰ মোৰ প্ৰতি থকা এই সদিচ্ছা আৰু সহযোগৰ কথা পাহৰিব নোৱাৰোঁ।

পূবে ভৰলী নদী আৰু পশ্চিমে গাভৰু নদীৰ মাজত মোৰ সংগঠনৰ কাম সীমাবদ্ধ। তেতিয়া মই চফল ডেকা। বিয়া কৰোৱা বেছি দিন হোৱা নাই। কটকী চুবুৰীৰ স্বৰ্গীয় বেথাৰাম দাস কাননগোৰ মাজু ছোৱালী শ্ৰীমতী ফুলৰ লগত মোৰ বিবাহ সম্পন্ন হ'ল। মোৰ পৰিবাৰৰ জ্যেষ্ঠ ভাতৃ দ্বয় ৺চন্দ্ৰ দাস আৰু শ্ৰীসূৰ্য্য দাসৰ লগত আগৰে পৰা মোৰ বন্ধুত্ব আছিল। বয়সত তেওঁ লোক স্থুয়োজন মোতকৈ কিছু সৰু আছিল। সূৰ্য্যৰ খেলা ধূলাত বৰ ৰাপ আছিল। ফুটবলত তেওঁ নাম কৰা খেলুৱৈ আছিল। খেলাত ৰাপ থকাৰ বাবে তেওঁ পঢ়া শুনাতো আগবাঢ়ি যোৱাত সুবিধা পাইছিল। পূৰ্ব্ববঙ্গৰ ঢাকাৰ পৰা ইঞ্জিনীয়াৰিং বিভাগত পাছ কৰি

পিছত চাকৰিত সোমাল। ৰায় বাহাদুৰ মহীধৰ ভূঞাৰ নাতিনী, মৌজাদাৰ দয়াল ভূঞাৰ কন্যা শ্ৰীমতী কুঞ্জলতা ভূঞা (মামাতু) ক সূৰ্য্যই বিয়া কৰালে। এতিয়া অৱসৰ প্ৰাপ্ত সূৰ্য্য দাস নাতি পুতিৰে সুখৰ সংসাৰ লৈ গুৱাহাটীৰ জু ৰোডত আছে। কাম কৰিবলৈ তেতিয়া দেহত আৰু মনত অফুৰন্ত বল আছিল। শৰীৰ চৰ্চা আৰু নিয়মীয়া ভোজন মোৰ সৰুৰে অভ্যাস। বেমাৰ আজাৰ কাক বোলে নাজানো। ঔষধ খাই পোৱা নাছিলোঁ। ঘৰত খোৱা বোৱাৰ যোগাৰ দি চাইকেল লৈ কামত ওলাওঁ। চাইকেলৰ ফ্ৰেমত বন্ধা এটা বস্তাৰ বেগ আছিল। আজিকালি চাইকেলত তেনেকুৱা বেগ প্ৰায়ে দেখা পোৱা নাযায়। বেগত সংগঠনৰ কাগজ পত্ৰ আৰু লাগতিয়াল বস্তু ভৰাই লওঁ। স্কুল চলি থকা অৱস্থাত ওচৰৰ গাওঁ বিলাকত ঘূৰোঁ। বন্ধৰ দিনত দূৰলৈ যাওঁ। চাইকেলেই একমাত্ৰ বাহন। ৰাস্তা পদুলিৰ অৱস্থা শোচনীয়। চৰকাৰী ৰাস্তাত শিলগুটি ছটিয়াই দিয়াত বোকা পানী কিছু কম কিন্তু ভিতৰুৱা বাট পথৰ অৱস্থা বৰ্ণনাতীত। বাৰিষা কিছুমান গাৱঁৰ ৰাস্তাত আঁঠুৱনীয়া বোকা হয়।

সত্যৰ সদায় জয়। গীতা ভাগৱত মহাকাব্যৰ শিকনি। মহাৰথী দ্ৰোণাচাৰ্য্য, ভীষ্ম, সত্যবাদী বিদুৰে কৌৰৱৰ চাউল খাইছিল যদিও পেটে পেটে পাণ্ডৱৰ পক্ষহে সমৰ্থন কৰিছিল। পাণ্ডৱ সত্যাশ্ৰয়ী, নিৰ্ভীক, অনুশাসন প্ৰিয় আদি নানা মহৎগুণৰ অধিকাৰী। সৃষ্টি কৰ্ত্তাই প্ৰকৃতিৰ বুকুত মুকলি মূৰীয়াকৈ থাকিবলৈ জীৱ সৃষ্টি কৰিছে। জীৱ শ্ৰেষ্ঠ মানুহ কিয় মানুহৰ দাস হৈ থাকিব? এটা জাতিয়ে আন এটা জাতিক কিয় শোষণ কৰি থাকিব? মনৰ মাজত এনে ভাবৰ হেন্দোলনি উঠিছিল। পশ্চিমত বাল গঙ্গাধৰ তিলকেও প্ৰচাৰ কৰিছিল—“স্বাধীনতা আমাৰ জন্মস্বত্ব”। বৃটিছ আমাৰ হৰ্ত্তাকৰ্ত্তা বুলি যি ভাব সৰুৰে পৰা মনৰ মাজত সোমাই আছিল সি

কেতিয়াবাই আঁতৰিল। লাহে লাহে দেশ স্বাধীন কৰাৰ ভাব মনত ঘনীভূত হ'ল।

২য় মহাসমৰৰ খলকনি ভাৰতবৰ্ষত বিয়পি পৰিল। ভাৰতৰ ইংৰাজ চৰকাৰে দেশৰ নেতৃবৰ্গৰ লগত কোনো আলোচনা নকৰাকৈ এই যুদ্ধত মিত্ৰ শক্তিৰ লগত যোগদান কৰিলে । দেশৰ ৰাজকোষৰ ধন যুদ্ধৰ কাৰণে খৰছ হবলৈ ধৰিলে। প্ৰজাৰ স্বাৰ্থৰ কথা নাভাবি এক পক্ষীয় ভাবে যুদ্ধত অৱতীৰ্ণ হোৱাত দেশীয় নেতা সকল ক্ষুদ্ধ হ'ল। বৃটিছ বিৰোধী আন্দোলনে ক্ৰমে ক্ৰমে অধিক শক্তিশালী ৰূপত দেখা দিবলৈ ধৰিলে।

ডেকাৰ গাঁৱৰ পৰা কিছু দূৰত অৱস্থিত ঢেকীদল, উনিপাৰ আৰু বটাবাৰী গাওঁকেইখনৰ অধিকাংশ বৰো কছাৰী লোকেৰে ভৰা। তাত এখন প্ৰাথমিক কংগ্ৰেছ কমিটি গঠন কৰা হ'ল। সভাপতি, সম্পাদক ক্ৰমে ৺বিষ্ণু বৰো আৰু ৺বস্তাই বৰুৱা। ৺বস্তাই বৰুৱা বস্তাই মিস্ত্ৰী নামে জনাজাত। ৺তুলাৰাম বসুমতাৰী উক্ত কমিটিৰ সহকাৰী সভাপতি। তুলাৰাম বসুমতাৰীৰ বাৰীৰ ভিতৰত এটা কংগ্ৰেছ ভলন্টিয়াৰৰ কেম্প আছিল। তাত কছাৰী ডেকা লৰা বিলাকে ভলন্টিয়াৰ হৈ ট্ৰেনিং লৈছিল। ট্ৰেনিং দিছিল ৺কেশৱ বৰাই। বৰা মোৰ লগতে কেম্পলৈ অহা যোৱা কৰে। তেওঁ পতাকা উত্তোলন আৰু কুচকাৱাজ শিকাইছিল। মই গান্ধীজীৰ বাণী প্ৰচাৰ কৰোঁ আৰু যুদ্ধৰ কামত বাইজৰ পৰা মিলিটাৰীয়ে যাতে কোনো সহায় পাব নোৱাৰে সেই বিষয়ে সজাগ থাকিবলৈ ভলন্টিয়াৰ বিলাকক বুজাওঁ। ইয়াৰ উপৰিও বিলাতী বৰ্জন আৰু কাণি নিবাৰণত আগ ভাগ লবলৈ ভলন্টিয়াৰক সজাগ কৰোঁ। সেই সময়ত মোৰ এলেকাৰ ভিতৰত পতা ভলন্টিয়াৰ কেম্প বিলাকত মোৰ প্ৰধান কাম এইটোৱেই আছিল।

এদিন তুলাৰাম বসুমতাৰীৰ বাৰী পুলিছে ঘেৰাও কৰিলে।

৺কেশৱ বৰা আৰু মোক এৰেষ্ট কৰিব। ধীৰাজ নামে এজন চি আই ডি ইন্সপেক্টৰে গোপন অনুসন্ধান কৰি কেম্প বিলাকৰ কথা কৰ্তৃপক্ষক জনাই থাকে আৰু পুলিচ লৈ সেইমতে যাক কৰায়ত্ব কৰিব লাগে কৰে। পুলিচ অহাৰ কথা আগতেই গম পাই গাঁৱৰ পশ্চিমে থকা জংঘলত সোমাই পৰিলোঁ। লগত বন্মাই, তুলাৰাম, বিষ্ণু আৰু কেশৱ। ভলন্টিয়াৰ লৰা বিলাক যেনি তেনি পলাল। জংঘলৰ একেবাৰে ভিতৰত সোমালোঁ। তাত বাঘে হাওঁৰিয়াই আছিল। ৺তুলাৰামে ফুচ্ ফুচাই কলে ৰবাবাবু ভয় নাখাব, আমাৰ ইয়াত সদায় বাঘে হাওঁৰিয়াই থাকে। মানিলে বন ৰজাই কাকো অপকাৰ নকৰে। পুলিচ যেতিয়া গ'ল তেতিয়া আমাক খবৰ দিলে। আমি হাবিৰ মাজৰ পৰা ওলাই আহি তুলাৰামৰ ঘৰ পালোঁহি। দুদিন স্কুললৈ নগলোঁ। হেড পণ্ডিত নাথে বহীত চহী কৰি থবলৈ দিলে।

বৰ্ত্তমান শালনি এয়াৰ ফিল্ড তেতিয়া অটব্য অৰণ্য। ওখ ওখ শাল গছৰে পৰিপূৰ্ণ এই ফৰেষ্ট ৰিজাৰ্ভ খন বনৰীয়া হাতী, বাঘ ভালুক আদিৰ ৰম্যভূমি আছিল। ওচৰৰ মানুহে ইয়াৰ পৰাই উলু·খৰঙা, ইকৰা খাগৰি কাটি নি ঘৰ সাজিছিল। ২য় মহাযুদ্ধই ঠাইখনলৈ পৰিবৰ্ত্তন আনিলে। মিত্ৰ শক্তিৰ বিৰুদ্ধে জাৰ্মান আৰু জাপান যুদ্ধত অৱতীৰ্ণ হল। ভাৰতবৰ্ষ ইংৰাজ শাসিত দেশ হোৱাত জাপানৰ শত্ৰু দেশ হল। গতিকে পূব পিনৰ পৰা জাপানী সৈন্য প্ৰতিহত কৰিবৰ কাৰণে বিমান যুদ্ধৰ ঘাটি হিচাবে শালনি ঠাইখন বৃটিছ চৰকাৰে নিৰ্ব্বাচন কৰিলে। ২য় মহাযুদ্ধৰ আগত উৰা জাহাজ আমাৰ মানুহে দেখা নাছিল।

শালনিত এয়াৰ ফিল্ডৰ কাম আৰম্ভ হ'ল। সৈন্যৰ ছাউনী সজাৰ কাম চলিল। প্ৰথম অৱস্থাত কাঠ বাঁহ আৰু খেৰৰ ঘৰ সজা হৈছিল। কংগ্ৰেছৰ ফালৰ পৰা এই কামত সহযোগ নকৰিবলৈ নিৰ্দেশ আছিল। ভলন্টিয়াৰ কেম্প বিলাকত আন্দোলনৰ উপৰি-

ও যুদ্ধত বৃটিছ চৰকাৰক কোনো ক্ষেত্ৰতে সহায় নকৰিবলৈ আলোচনা চলে। কেইবাখনো গাঁৱৰ মাজত একোটা ভলন্টিয়াৰ কেম্প স্থাপন কৰা হৈছিল। ডেকাৰ গাঁৱৰ উষা নাট্য মন্দিৰত এটা কেম্প চলিছিল। কেম্পৰ অধিনায়ক ৺কেশৱ বৰা, সভাপতি শ্ৰীফল শইকীয়া আৰু সম্পাদক শ্ৰীগিৰিধৰ শৰ্ম্মা। নিকামুল কেম্পৰ অধিনায়ক আছিল শ্ৰীচন্দ্ৰকান্ত ডেকা বৰুৱা। চতিয়াৰ বাপাৰাম গগৈ গোটেই জিলাৰ সৰ্ব্বাধিনায়ক আছিল। বিহগুৰি, গটঙ্গা, পাভক, ঘটুৱা, জহামাৰী, বেছেৰীয়া, ডিগোটা, বালিপাৰা, পাটগাওঁ, চপাগুৰি, বেঙলীৰ আদিত জিলা কংগ্ৰেছৰ উদ্যোগত কংগ্ৰেছ ভলন্টিয়াৰ কেম্প গঢ়ি উঠিছিল। হলেশ্বৰ দেৱালয়ৰ ওচৰৰ বৰপুখুৰী পাৰত শ্ৰীআদিৰাম নাথ আৰু ৺চেনাৰাম নাথৰ চেষ্টাত এটা ভলন্টিয়াৰ কেম্প স্থাপিত হৈছিল। বালিপাৰা কেম্পত অধিনায়ক আছিল ৺কাশীৰাম মেধি। বালিপাৰা কেম্পলৈ গলে মই মেধিৰ ঘৰতে থাকো আৰু খোৱা-বোৱা কৰো। তেতিয়া মেধিৰ ঘৰখন কংগ্ৰেছ কৰ্ম্মীৰ ভাত ঘৰ বুলি কব পাৰি। শালনি ফিল্ডলৈ যুদ্ধৰ সা-সামগ্ৰী, সৈন্য সামন্ত অনা নিয়া কৰাত ডেকাৰ গাওঁ বেল ষ্টেচনৰ গুৰুত্ব বাঢ়িছিল। ডেকাৰ গাওঁ অঞ্চল কৃষ্টি সংস্কৃতি আৰু সামাজিক কাম কাজত আগৰে পৰা কিছু আগবঢ়া আছিল। ইয়াৰ ওচৰ পাজৰৰ গাওঁবিলাকে ডেকাৰ গাৱঁৰ ওপৰত প্ৰাধান্য দি আহিছিল। সেয়েহে ডেকাৰ গাঁৱত ভলন্টিয়াৰ কেম্প হোৱাত ইয়াৰ দায়িত্ব আৰু গুৰুত্ব অন্যান্য কেম্পতকৈ কিছু বাঢ়িল। আন্দোলন তীব্ৰতৰ কৰাত এই কেম্পেই মোৰ প্ৰধান সহায়ক হৈছিল। আন্দোলনৰ কাল চোৱাত অধিক সময় এই কেম্পত কটাইছিলোঁ।

বিন্দুকুৰি সপ্তাহিক বজাৰখন তেতিয়াও আছিল। প্ৰতি দেওবাৰে এই বজাৰ বহে। বজাৰৰ ওচৰতে এটা মদৰ মহল

আছিল। বিন্দুকুৰিৰ ওচৰৰ চাহ বাগিচাৰ বনুৱা সকল এই মহলৰ প্ৰধান গ্ৰাহক আছিল। সেই সময়ত সকলো চাহ বাগিচাৰ ওচৰত একোটা মদৰ মহল আছিল। বনুৱাবোৰে দিন হাজিৰা কৰি পোৱা ধন মদৰ মহলত দিছিল। শ্ৰমিক শ্ৰেণীক যুগ যুগ ধৰি শ্ৰমিক কৰি ৰখাৰ কাৰণে শাসক শ্ৰেণীৰ ইও এক কায়দা আছিল। বিন্দুকুৰি মদৰ মহলত আমি এদিন পিকেটিং কৰিবলৈ গৈছিলোঁ। শ্ৰীআদি ৰামনাথ, ৺চন্দ্ৰকান্ত দাস, শ্ৰীচুলাল দাস, শ্ৰীকণী দাসকে আদি কৰি বহুতো ল'ৰা পিকেটিং কৰিবলৈ গৈছিল। মহলত মদ বিক্ৰী বন্ধ কৰি থকা অৱস্থাতে এজন নেপালী ডেকা মানুহে মদ খাই খুকুৰীৰে ৺চন্দ্ৰকান্ত দাসক ডিঙিত ঘপিয়াই দিলে—৺চন্দ্ৰ তেজেৰে তুমুৰলি হৈ মাটিত ঢলি পৰিল। এনেতে আদিৰামে নেপালীটোৰ হাতৰ পৰা খুকুৰীখন কাঢ়ি লোৱাত ৺চন্দ্ৰ ৰক্ষা পৰিল। সেই সময়ত মই লগত কৰ্ম্মীলৈ বজাৰৰ ভিতৰত বেপাৰী সকলক বুজাই আছিলো— যাতে তেওঁ লোকে মিলিটেৰীক কোনো ধৰণৰ বস্তু বিক্ৰী নকৰে।

মই ৰৰঝাৰ এম, ভি স্কুলত চাকৰি কৰি আছো। স্কুল খন সৈন্য বিভাগে অধিকাৰ কৰি তাত কেৰাচিন তেলৰ গুদাম পাতিলে। ডেকাৰ গাওঁ ছোৱালী এম, ভি স্কুলতে দুয়োখন স্কুলৰ কাম চলাব লগা হ'ল। ৰাতি পুৱাৰ পৰা ১০½ বজালৈ ছোৱালী বিলাকৰ ক্লাছ চলে। তাৰ পিছত লৰাৰ স্কুল বহে। এদিন ডেকাৰ গাওঁ কেম্পৰ সম্মুখেদি দহখন গৰুৰ গাড়ীত খেৰ বোজাই কৰি শালনি এয়াৰফিল্ডলৈ নিয়া হৈছিল। সৈন্যৰ ছাউনী সাজিবলৈ খেৰৰ আৱশ্যক। কেম্পৰ ভলন্টিয়াৰ বিলাকে মোক খবৰটো দিলে। মই গাড়ীবোৰ ওভোটাই পঠাবলৈ কলো। তেওঁলোকে সেইমতে গাড়ীৰ পিছ ললে। ৰৰঝাৰ গাঁৱৰ ওচৰত তেওঁলোকে গাড়ীবোৰ ৰখালে। গাড়ীৰ পৰা খেৰবোৰ দলিয়াই পেলাই দি খালি গাড়ী ঘূৰাই পঠালে। ভলন্টিয়াৰৰ দলটোত শ্ৰীহেমেন্দ্ৰ দাস (বৰ্ত্তমান অৱসৰ

প্ৰাপ্ত মুখ্য অভিযন্তা) ৺তিলক দাস, ৺ফুলেশ্বৰ ডেকা, শ্ৰীছুলাল দাস শ্ৰীকলীধৰ দাস, শ্ৰীপুলিন বৰুৱাকে লৈ কেইবাজনো ল'ৰা গৈছিল। মই কিছু দেৰি পিছতে স্কুললৈ বুলি ঘৰৰ পৰা ওলাই আহিলোঁ। স্কুলৰ সম্মুখত ডি, আই, এছ আই আৰু শিক্ষক সকলে কথাপাতি আছিল। মই স্কুললৈ সোমাব ধৰোতেই তেজপুৰৰ ফালৰ পৰা মিলিটাৰী গাড়ী আহি মোৰ ওচৰতে ৰখালেহি। গাড়ীখনৰ পৰা কেইবাজনো মিলিটাৰী নামি আহিল। তেওঁলোকে টমি গান টোঁৱাই মোক ঘেৰাও কৰি ধৰিলে। এনেতে লাঠি টাঙোন লৈ কেম্পৰ ডেকা দলটো আহি মোৰ পিছফালে থিয় দিলেহি। মই তেওঁলোকক কলো—"তোমালোক থাৰা হৈ থাকা, একো নকৰা।" ডি আই, এছ আই, শিক্ষক সকল স্কুলৰ ভিতৰলৈ সোমাই গ'ল। এনেতে আৰু বাৰখন খেৰৰ গাড়ী আহি আছিল। মিলিটাৰী কেইটাই কোনো কথা নোকোৱাকৈ মোলৈ "টমি গান" টোঁৱাই ৰৈ আছে। গাড়ী কেইখন আমাৰ আগেদি পাৰ হৈ কিছুদূৰ যোৱাত— সিহঁত বন্দুক সামৰি গুচি গ'ল। পিছত জানিব পাৰিলো—সিহঁত অষ্ট্ৰেলিয়ান সৈন্য আছিল। মই স্কুললৈ নগলো। কেম্পলৈ ঘূৰি যাব ধৰোতেই কেইজনমান ভলন্টিয়াৰ দৌৰি অহাৰ দৰে আহি খবৰ দিলেহি যে তিলক আৰু ফুলেশ্বৰক লাঠি ধাৰী চিপাহীয়ে পিটি পিটি পিঠি ফালি দিছে। মই লৰালৰিকৈ কেম্পলৈ গলো। দেখিলো ৺ফুলেশ্বৰ আৰু ৺তিলক কেম্পত পৰি আছে। ৺ফুলেশ্বৰৰ পিঠিখন ছিৰাছিৰি হৈ ফাটি তেজওলাইছে। তেজপুৰৰ পৰা ৺ললিত চৌধুৰী ডাক্তৰ আৰু ৺পদ্ম শৰ্ম্মা উকিল আহি ঔষধ পাতি দিছে।

সেইদিনা আবেলি মদপী কমাৰ চুবুৰীত এখন ডাঙৰ ৰাজহুৱা সভা হৈছিল। সভালৈ শ্ৰীমতী পুষ্পলতা দাস আহিছিল। মিছন চাৰি আলিৰ পৰা আমি এটা দীঘলীয়া শোভা যাত্ৰা উলিয়ালোঁ। ল'ৰা-বুঢ়া, ডেকা-গাভৰু আহি শোভা যাত্ৰাত যোগ দিলেহি।

কংগ্ৰেছ কৰ্মী আৰু ভলন্টিয়াৰ সহ সকলো ৰাইজ শোভাযাত্ৰা কৰি মদপী নামঘৰত হোৱা ৰাজহুৱা সভাথনলৈ যাত্ৰা কৰিলোঁ। ৺ফুলেশ্বৰক জখমী অৱস্থাৰেই কেইজনমানে দাঙিলৈ গৈ আছে। শ্ৰীচন্দ্ৰকান্ত ডেকা বৰুৱা, ৺কেশৱ বৰা, ৺বাবুৰাম বৰুৱা, ৺গোলাপ বৰুৱা, শ্ৰীপুলিন বৰুৱা, ৺প্ৰভাত বৰুৱা আদি কংগ্ৰেছ কৰ্মী সকলে শোভাযাত্ৰাত যোগ দিছিল। মই আৰু কেইজনমানে কাষে কাষে অহা যোৱা কৰি শোভা যাত্ৰা পৰিচালনা কৰি গৈ আছোঁ। সভাস্থলী পাবলৈ কিছুদূৰ থকা অৱস্থাতে ৰাস্তাৰ কাষত পৰি থকা গ্লাচৰ টুকুৰা মোৰ ভৰিত সোমাল। ভৰিৰ তলুৱাৰ পৰা জোৰেৰে তেজ ওলাব ধৰিছে; কাষৰ বননি তেজেৰে ৰঙা হ'ল। তেজ নোবোৱাত মাটিত বহি লৈ দুই হাতেৰে ভৰিৰ তলুৱাখন খামুচি ধৰি আছো। এনেতে শোভাযাত্ৰাৰ এজনী ছোৱালীয়ে তেওঁৰ মূৰত মৰা ফিটাদালেৰে কটা ঠাইখিনি বান্ধি দিলে। ছোৱালীজনী আছিল শ্ৰীমতী উষা শইকীয়া। তেওঁ হুলেশ্বৰ মৌজাৰ তেতিয়াৰ মৌজাদাৰ ৺সোণাৰাম শইকীয়াৰ কন্যা। উষাক পিছত প্ৰাক্তন সাংসদ আৰু অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি ধৰণীধৰ দাসে বিয়া কৰালে। মদপী নামঘৰৰ বাহিৰে ভিতৰে মানুহ ঠাহ খাই আছিল। শ্ৰীমতী পুষ্পলতা দাসে ৺ফুলেশ্বৰ ডেকাৰ ছিৰাছিৰ হোৱা পিঠিখন চাই হুক্ হুকাই কান্দি পেলালে।

স্বাধীনতা আন্দোলনৰ শেষ পৰ্য্যায় ভাৰত ত্যাগ আন্দোলন। ইয়াৰ আগতে অসহযোগ আন্দোলন আৰু আইন অমান্য আন্দোলন হৈ গৈছে। আইন অমান্য আন্দোলনৰ শেষৰ ফালে মই সক্ৰীয় অংশ গ্ৰহণ কৰো। "ভাৰত ত্যাগ" আন্দোলনত দেহে কেহে লাগিছিলোঁ। ১৯৪২ চনৰ আগষ্ট মাহত বোম্বাইত কংগ্ৰেছে "ভাৰত ত্যাগ" আন্দোলনৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। মহাত্মা গান্ধীজীৰ "কৰেঙ্গে য়্যা মৰেঙ্গে" ধ্বনি গোটেই ভাৰতবৰ্ষত বিয়পি

পৰিল। "কৰ্ত্তব্য সাধন কিম্বা শৰীৰ পতন।" কংগ্ৰেছ কৰ্ম্মী সকলৰ মুখে মুখে শুনা গ'ল। গান্ধীজীয়ে অহিংসা নীতিৰে আন্দোলন কৰিছিল যদিও ভাৰতবৰ্ষৰ বহু ঠাইত বহু সময়ত হিংসাই গা কৰি উঠিছিল। জয়প্ৰকাশ নাৰায়ণ, অৰুণা আচফ আলি, সুভাষচন্দ্ৰ বসু প্ৰভৃতি নেতা সকলে নিৰস্ত্ৰ আৰু অহিংস আন্দোলনত সমৰ্থন দিয়া নাছিল। মাজে মাজে আমাৰ কংগ্ৰেছ কৰ্ম্মী সকললৈ লিখা কৰা প্ৰচাৰ পত্ৰ আহিছিল। তাত পশ্চাৎঘাটি কাম কাজৰ নিৰ্দ্দেশ আছিল। অসমত ঠায়ে ঠায়ে মৃত্যু বাহিনী গঠিত হৈছিল। এই বাহিনীত যোগদান কৰা সকলে আত্মগোপন কৰি ধ্বংসাত্মক কামত লিপ্ত হৈছিল। ৰেল যগৰোৱা, ৰাস্তাৰ দলং আৰু চৰকাৰী কাৰ্য্যালয় জ্বলোৱা কামত আত্মগোপনকাৰী সকল ব্যস্ত আছিল। তেজপুৰত গহনচন্দ্ৰ গোস্বামী, জ্যোতিপ্ৰসাদ আগৰৱালাৰ নেতৃত্বত বহুতো ডেকাই মৃত্যু বাহিনীত যোগ দি আত্মগোপন কৰি ফুৰিছিল আৰু ধ্বংসাত্মক কামত ব্ৰতী হৈছিল। ডেকাৰ গাঁৱৰ পৰা কিছু নিলগত থকা বিমলৰ ৰেলৰ দলংখন ভাঙিবৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছিলো। সেইমতে কাম কিছু আগ বাঢ়িছিল। ডেকাৰ গাওঁ পুৰণি ৰেল ষ্টেচনৰ পৰা হাতুৰী আৰু বেঞ্চি চুৰ কৰি গুচৰবে বাৰী এখনত লুকুৱাই থোৱা হ'ল। কথাটো কেনেবাকৈ জ্যোতি প্ৰসাদৰ কাণত পৰিল। জ্যোতিপ্ৰসাদ ডেকাৰ গাঁও কেম্প পালেহি। কৰ্ম্মী সকলক বুজালে যে সেই কাম ওপৰৰ নিৰ্দ্দেশ নোপোৱালৈকে বন্ধ ৰাখিব লাগে। বিমলৰ দলং ভঙা কামটো স্থগিত থাকিল।

আন্দোলনত গা ঢালি দিয়াত চাকৰিৰ মোহ কমি আহিল। দেশ থাকিলে চাকৰি থাকিব এনে ভাব মনলৈ আহিল। স্কুললৈ যোৱা সেৰেঙা হ'ল। ডি আইৰ পৰা প্ৰধান শিক্ষকলৈ চিঠি আহে। মোৰ ৰিপৰ্ট দিচাৰে। প্ৰধান শিক্ষকেও মোক কাম কৰি থকা দেখুৱায়।

বিয়াল্লিশৰ ."ভাৰত ত্যাগ" আন্দোলন ইতিহাসৰ চিৰ স্মৰণীয় কথা। অসমৰ চুকে কোণে এই আন্দোলনৰ ঢৌ বাগৰি পৰিল। শান্তি সেনা, ভলন্টিয়াৰ, তৃণমূল পৰ্য্যায়ৰ কংগ্ৰেছ কৰ্ম্মী সকল দিনে ৰাতিয়ে আন্দোলন সবল কৰাত ব্যস্ত হ'ল। চচিয়েলিষ্ট, কমিউনিষ্ট আৰু কংগ্ৰেছ এই তিনিটা ৰাজনৈতিক দলেই তেতিয়া প্ৰধান দল আছিল।. আদৰ্শগত পাৰ্থক্য থাকিলেও স্বাধীনতা আহৰণৰ ক্ষেত্ৰত কাৰো দ্বিমত নাছিল। সকলো দলৰ কৰ্ম্মী সকলে স্বাধীনতা আন্দোলন জোৰদাৰ কৰাত লাগিছিল। গাঁৱৰ সাধাৰণ হোজা মাইজে স্বাধীনতা কথাটো সিমান হৃদয়ঙ্গম কৰিব পৰা নাছিল। কানি, ভাং আৰু অন্যান্য ৰাগীয়াল দ্ৰব্য সেৱন কৰি একালৰ নিপুন অসমীয়া জাতিটো অধঃপতনৰ দিশত গৈ আছিল। কংগ্ৰেছ কৰ্ম্মী, গান্ধী টুপি পিন্ধা লোক দেখিলে কিছুমান মানুহে তেতিয়া ফিচিঙা ফিচিং কৰিছিল। চহৰৰ কোনো কোনো অভিজাত পৰিয়ালৰ লোকে কংগ্ৰেছ ভলন্টিয়াৰ বা মুক্তি আন্দোলনৰ কৰ্ম্মী দেখিলে গালি পাৰিছিল। তেওঁলোকে চাহাবী আদৰ-কায়দা, পশ্চিমীয়া ঢং, চাহাবৰ মুখেদি ওলোৱা কথাতহে বেছি গুৰুত্ব দিছিল। এতিয়া সেই সকলৰ নাম ললে অপ্ৰিয় হব লাগিব। আমাৰ মাজৰে বহু-লোকে চাহাবৰ গোলামী কৰিছিল; ঠিকা ঠুকলি, মদ কানিৰ মহল লৈ টকা ঘটাত লাগিছিল। তেওঁলোকৰ মানত দেশপ্ৰেম অভিধানৰ বুকুত থকা এটা শব্দ মাত্ৰ। সেই চাম মানুহৰ মাজৰ পৰাই কোনোৱে চোৰাংচোৱাগিৰী কৰিও পয়ছা ঘটিছিল আৰু চাহাবৰ বাহ্ বাহ্ লৈছিল। এই শ্ৰেণী মানুহৰ অভাৱ কোনো কালতে নাছিল এতিয়াও নাই। কেইজনমান প্ৰাতঃ স্মৰণীয় ব্যক্তিৰ প্ৰভাৱ মই জীৱনত আজিও অনুভৱ কৰি আছো। সেই সকলৰ ভিতৰত-মই নিচেই সৰু অৱস্থাতে দেখা লক্ষ্মীধৰ শৰ্ম্মা, চন্দ্ৰনাথ শৰ্ম্মা, হেম বৰুৱা আৰু পিছত আন্দোলনত পোৱা গহন চন্দ্ৰ গোস্বামী আৰু অমিয়

দাদাৰ নাম উল্লেখযোগ্য। তেজপুৰ কাছাৰিত লক্ষ্মীধৰ শৰ্মাক ওকালতি কৰা দেখিছিলো। তীক্ষ্ণ বুদ্ধি আৰু বাগ্মীতাত লক্ষ্মীধৰ শৰ্মাৰ নাম বৈ বৈ গৈছিল। অতি কম বয়সতে যক্ষ্মা ৰোগত এইজন পুৰুষৰ দেহাৱসান হ'ল।ঃতেতিয়া যক্ষ্মা ৰোগৰ চিকিৎসা নাছিল। যুগ পৰিৱৰ্ত্তনৰ লগে লগে এনে অনুকৰণীয় ব্যক্তিৰ অভাৱ হোৱাটো মানৱ জাতিৰ কাৰণে এটা ডাঙৰ বিপদ হৈছে। আজি আমাৰ বংশধৰ সকলে তেওঁলোকৰ আগত অনুকৰণীয় ব্যক্তি দেখা পোৱা নাই। যি তেনে ব্যক্তি বোলাবলৈ গৈছে তেওঁলোক ভিতৰি ফোপোলা, কথা আৰু কামত ওলোটা। আদৰ্শস্বৰূপ ব্যক্তি অবিহণে ধৰ্ম্ম, সাহিত্য, সংস্কৃতি আৰু ৰাজনীতি সকলোতে বিপদ। চাৰিওফালে দুৰ্নীতি, ভ্ৰষ্টাচাৰ আৰু ফাকিৰ মাজত ডাঙৰ দীঘল হোৱা আমাৰ উত্তৰ পুৰুষে কি কৰিব ভাবিলে পেটতে হাত ভৰি লুকায়। বৰ্দ্ধিত কৰ্ম্ম ব্যস্ততা আৰু সমস্যাই মানুহৰ পৰস্পৰৰ মাজত থকা সমন্ধৰ অৱনতি ঘটাইছে। ওচৰ চুবুৰীয়া, আত্মীয় স্বজনৰ খা-খবৰ লবলৈ সময় নোহোৱা হৈছে। "আকালৰ ভাত বিপদৰ মাত" এতিয়া শুনাতহে ভাল লাগে। মোৰ বিবাহৰ আগৰ কথা। স্বাধীনতাৰ কামত কংগ্ৰেছ কৰ্ম্মী হৈ গাঁৱে গাঁৱে ঘূৰি ফুৰোঁ। গাঁৱৰ মানুহ বোৰ কেনে আছিল তেওঁলোকৰ সংস্পৰ্শলৈ আহিহে বুজিব পাৰিছিলোঁ। তেতিয়া পৰস্পৰৰ মাজত চেনেহা-চেনেহি, শ্ৰদ্ধা-ভক্তি অটুট আছিল। কাৰোবাৰ বিপদ হলে ওচৰ চুবুৰীয়া আহি উবুৰি খাই পৰিছিল। এটা সৰু কথা মনত পৰিছে। সেই দিনা ধুমুহা বতাহ। লগতে বৰষুণ। মই কটকী চুবুৰীৰ ৺চন্দ্ৰকান্ত দাসৰ ঘৰত বহি আছোঁ। ধুমুহা বতাহ শাম কটাত খবৰ পালো আমাৰ শইকীয়া চুবুৰীৰ নাম-ঘৰটো ধুমুহাত ভাগি পৰিল। বতাহত নামঘৰৰ ভিতৰত সোমাই আশ্ৰয় লোৱা মানুহ এজনীক ঘৰে হেঁচা মাৰি ধৰি আছে। যি মুহূৰ্ত্তত শুনিলো-সেই মুহূৰ্ত্ততে মই দৌৰিবলৈ ধৰিলোঁ। নামঘৰ

পালোঁহি। মানুহ গৰাকী শ্ৰীগিৰিধৰ শৰ্ম্মাৰ মাক। অচেতন অৱস্থাত মানুহ গৰাকীক কেইজনমানে লগলাগি ঘৰলৈ দাঙি নিলো। বহুত মানুহ জমা হৈছে। ৺খগেন্দ্ৰ, গিৰিধৰ, ভৱানন্দ আৰু জীয়েক কেইজনীয়ে কান্দি আছে। তেওঁলোক তেতিয়া সৰু সৰু। মই একুৰা জুই ধৰি মাক গৰাকীৰ সেঙেটা পৰা গাটো সেকি আছো। মই তেতিয়ালৈকে জীৱনত মৰা মানুহ দেখা নাছিলোঁ। চিনিও নাপাওঁ। ৺দীনাই বায়ন নামৰ এজন বয়োজ্যেষ্ঠ লোকে মোক কলে "বাপাই, তুমি মৰা মানুহ সেকি থাকিলে কি হব?" বৰ দুখ লাগিল। চলচলীয়া চকু মোহাৰি ঘৰলৈ গুচি গলোঁ। সন্ধ্যা হৈ আহিল। ঘৰত পিতাদেউ আৰু মই। বেজাৰত একো নাখাই-নবৈ শুই থাকিলোঁ। ৺খগেন্দ্ৰহঁতৰ ঘৰখনৰ লগত তেতিয়াৰ পৰা মোৰ আত্মীয়তা বেছি হ'ল।

বালিপাৰাৰ ৺কাশী মেধি, চাৰিদুৱাৰৰ ৺শুকান কোছ, গাৰো গাঁৱৰ চেংগ চেংন্দ আৰু দ্ৰোপদী মমিন আমাৰ কংগ্ৰেছ কৰ্ম্মী। ৺কাশী মেধি তেতিয়াৰ দিনত বালিপাৰা মৌজাৰ এগৰাকী আগ শাৰীৰ লোক। মেধিৰ ঘৰত সদায় কংগ্ৰেছ কৰ্ম্মীৰ সমাগম হয়। কংগ্ৰেছৰ কামত তেখেতৰ ঘৰলৈ মই প্ৰায়ে যাওঁ। তেজপুৰৰ পৰা অমিয় দাদা, গহণ গোস্বামী, মহীকান্ত দাস, শ্ৰীবিজয় চন্দ্ৰ ভাগৱতী আদি নেতা সকল গৈ তাতে জিৰায়। মেধিৰ যোগেদিয়েই সেই ঠাইত বহুতো কংগ্ৰেছ কৰ্ম্মী বাহিৰ কৰা হৈছিল। ৺কুন্দৰ দাস, ৺অমৰ দাস, শ্ৰীনৰেণ দাস, শ্ৰীলাৱণ্য বৰা, শ্ৰীবগীৰাম শইকীয়া, শ্ৰীহৰেণ দাস আদি সেই সকলৰ ভিতৰত উল্লেখযোগ্য। বালিপাৰালৈ যাওঁতে মই প্ৰায়ে ৺কেশৱ বৰাক লগত লৈ যাওঁ। অকলসৰে যাবলৈ ভয় লাগে। যান-বাহন নাই। বাগানৰ দুই এখন লৰী, গৰু গাড়ী চলে। চাহাব বিলাক বাগিত আৰু ঘোৰাত তেজপুৰলৈ অহা যোৱা কৰে। বজাৰৰ বাবত বেপাৰীয়ে মহৰ গুটীয়া

পাড়ীত মাল বস্তু নিয়ে। ৰাস্তাৰ দুয়ো কাষে হাবি। দিনতে বাঘ হাতীৰ উপদ্ৰৱ হয়। হাতীয়ে ৰাস্তাৰ কাষতে গছৰ ডাল ভাঙি খাই থাকে। এদিন ৰাতি পুৱাতে ৺কেশৱ বৰা আৰু মই চাইকেল মাৰি ৺কাশী মেধিৰ ঘৰ ওলালোঁগৈ। চাবিছুৱাৰ পলিটিকেলত ৺শুকান কোছ থাকে। ৺মেধি আৰু ৺কুন্দৰ দাসক লৈ আমি ৺শুকানৰ ঘৰলৈ গলোঁ। জবাসৰ নদীৰ ওচৰ পাইছোঁ। ৰাস্তাৰ দলঙৰ পৰা দেখা পালো এজাক হাতী। হাতীবোৰে নদীত নামি শুৰেৰে পালৈ পানী মাৰি আছে। ৺মেধিয়ে কলে ভয় নকৰিব, হাতী বৰ জ্ঞানী জন্তু। কেতিয়াও খেদি নাহে। মাত্ৰ ৰৈ নাথাকিব। সেই মতে আমি হাতী জাক পাৰ হৈ গলোঁ। চাবি ছুৱাৰ পলিটিকেলত শুকানৰ চাং ঘৰত কিছু কংগ্ৰেছ কৰ্ম্মীক লগ ধৰি আন্দোলনৰ কথা আলোচনা কৰিলোঁ।

চাবিছুৱাৰ মৌজাৰ চেঙেলী মৰা আৰু গাৰো গাঁৱত কংগ্ৰেছ সংগঠন ভালদৰে আগ বাঢ়িছিল।

মোৰ মনত পৰা দিনৰ কথা। আমাৰ ঘৰৰ পূৱফালে গেজেপনি হাবি। এই হাবি জৰিতল হৈ শালনীলৈকে সংলগ্ন আছিল। তাত মাজনিশা হুদুৰে হুদু হুদু কৈ মাতে। হুদুৰ মাতত বুকুকঁপি উঠে। বাঘৰ হাওঁৰণি, শিয়ালৰ হোৱা সদায় শুনো। হোকোৰা বাঘে বাৰীঘৰ পিত্‌পিতাই ফুৰে। শুই উঠি বাঘৰ খোজ চাওঁ। ওচৰ পাজৰৰ মানুহৰ ঘৰবোৰ কাঠৰ খুটাৰ খেৰী ঘৰ। ছুৱাৰবোৰ বাঁহৰ কাঠিৰে সজা। ছুৱাৰত ভিতৰৰ পৰা এডাল শলখা বা ডাং লগোৱা থাকে। অৱস্থাপন্ন মানুহৰ ঘৰবোৰ সাধাৰণতে কাঠৰ ফুলচাঙি দমৰা লগাই চাবি চলীয়াকৈ সজা। চোৰ ডকাইতৰ উপদ্ৰৱ নাছিল। বাৰীত তামোল-নাৰিকল গছত টোকোৰা চৰায়ে বাহ সাজিছিল। বিলত বৰ টোকোলা, শৰালি, বগলি, কণামুচৰি, মাছৰোকা আদি জাক জাক চৰাই দেখা পোৱা গৈছিল। কেঁচেলা পছু, সোণাৰা পছু, হৰিণ,

থকা আমি হাবিতে গলেই পোৱা গৈছিলো। আজি সেই জীৱ জন্তুবোৰ কমি আহিছে। মানুহৰ উৎপাতত সেই জীৱ জন্তুবোৰৰ বংশ বৃদ্ধি নোহোৱা হ'ল। হয়তো অদূৰ ভৱিষ্যতে একেবাৰে লুপ্ত হৈ যাব।

১৯৪২ চনৰ ২০ আৰু ২১ চেপ্তেম্বৰত তেজপুৰ মহকুমাত কাছাৰি ঘৰ, চৰকাৰী কাৰ্য্যালয় আৰু পুলিচ থানাবোৰত ভাৰতৰ জাতীয় পতাকা উত্তোলনৰ কাৰ্য্যসূচী গ্ৰহণ কৰা হ'ল। জাতীয় পতাকা খনত অশোকচক্ৰটোৰ ঠাইত তেতিয়া ৰ'হৰ আছিল। ২০ চেপ্তেম্বৰত থানাত পতাকা উত্তোলন কৰিবলৈ যাওঁতে গহপুৰত কনকলতা, মুকুন্দ কাকতী আৰু ঢেকীয়াজুলিত মনবৰ, তিলেশ্বৰী আদি কেইবাজনো কংগ্ৰেছ মৃত্যু বাহিনীৰ কৰ্মীয়ে পুলিচৰ গুলিত প্ৰাণ বিসৰ্জন দিলে। সেইকথা বনজুইৰদৰে সকলো ফালে বিয়পি পৰিল। তাৰ পিছদিনা অৰ্থাৎ ২১ চেপ্তেম্বৰত তেজপুৰ কাছাৰি ঘৰ আৰু থানাত পতাকা উত্তোলন কৰা হব। আমি তাৰ আগদিনা গাঁৱে গাঁৱে গৈ ৰাইজক সমদলত যোগদান দিবলৈ আহ্বান জনালোঁ। আমাৰ ডেকাৰ গাঁও উষা নাট্য মন্দিৰৰ কেম্পত স্বেচ্ছা সেৱকৰ মিটিং পতা হ'ল। মৃত্যু বাহিনী গঠন কৰিলোঁ। মৃত্যু বাহিনীৰ এক নম্বৰত ৺কেশৱ বৰাৰ নাম দিয়া হ'ল। তেওঁ কাছাৰি ঘৰত পতাকা উঠাব। আগদিনা ছোৱা গুলি চালনাৰ কথা জানিও মানুহ পিছদিনা ওলাই আহিবলৈ সাজু হ'ল।

২১ চেপ্তেম্বৰৰ দিনা পুৱা ৯মান বজাৰ পৰা তেজপুৰ অভিমুখে ৰাইজৰ সমদল বাহিৰ হবলৈ ধৰিলে। বালিপাৰাৰ পৰা ৺কাশী মেধিৰ নেতৃত্বত মুনিহ তিৰোতা, ডেকা গাভৰুৰ সমদল আহি আছে। বাটত পাটগাওঁ, আদাবাৰী, ঢেকীদল, ঘোৰামাৰী, চপাগুৰি আদিৰ ৰাইজ ওলাই আহি ডেকাৰ গাওঁ কেম্প পালেহি। প্ৰায় দহ বাৰ হাজাৰ লোক ডেকাৰ গাওঁ ৰাজ ফিল্ডত সমবেত হ'ল। অপৰাহ্ন

প্ৰজাৰ সমাবেশত ডেকাৰ গাওঁ কেম্পত ভাৰতীয় জাতীয় পতাকা উত্তোলন কৰা হ'ল। পতাকাখন সহজে কোনেও নমাব নোৱাৰাকৈ নাট্য মন্দিৰৰ মুধত ওখ বাঁহ বান্ধি আৰি দিয়া হৈছিল। "বন্দে মাতৰম্ "ভাৰত মাতা কী জয়" "মহাত্মা গান্ধীজী কী জয়" ধ্বনিৰে আকাশ বতাহ মুখৰিত হ'ল। লেথেৰি নিছিগা লানি লৈ সমদল আগবাঢ়িল তেজপুৰ টাউনলৈ। ডেকাৰ গাওঁ ৰাস মন্দিৰৰ পৰা আৰম্ভ কৰি - মিছন চাৰিআলিলৈকে মানুহৰ দীঘলীয়া লাইন হৈছিল। সিম্‌সিমীয়া বৰষুণ পৰি আছিল যদিও জনতাৰ উৎসাহ কমা নাই। এনেতে কুকি "চলজাৰ" বোৰ টাউনৰ ফালৰ পৰা আহি পালে। সিহঁত গাড়ীৰ পৰা নামিয়েই বন্দুক টোঁৱাই শোভাযাত্ৰাকাৰীৰ ফালে খেদি গ'ল। মই শোভাযাত্ৰাৰ আগৰফালে আছো। মোৰ পিন্ধনত এটা নীলা পাঞ্জাবী আৰু মানচেষ্টাৰ মিলত তৈয়াৰী ধুতি। মোক যাতে ভলন্টিয়াৰ দলৰ মানুহ বুলি চিনি নাপায় তাৰ কাৰণে এনে পোছাক পিন্ধি গৈছো। সৈন্যবোৰে সমদলৰ মাজ ভাগৰ পৰা আক্ৰমণ আৰম্ভ কৰিলে। লৰা-বুঢ়া-বোৱাৰী-জয়ৰী একো বাছ বিচাৰ নকৰাকৈ বন্দুকৰ কুন্দাৰে, বেতেৰে আৰু সঙ্গীনেৰে একালৰ পৰা মানুহবোৰ পিটিবলৈ ধৰিলে। প্ৰায় মানুহ প্ৰাণৰ ভয়ত কাঁহি ছিটিকা দিলে। কিছুমান আঘাত প্ৰাপ্ত হৈ ৰাস্তাতে পৰি থাকিল। আৰু কিছুমান ৰাস্তাৰ কাষৰ খাৰৈত লুকাল। শোভাযাত্ৰা ছেদেলি ভেদেলি হ'ল। ডেকাৰ গাওঁ কেম্পৰ ঘৰৰ ওপৰত উৰি থকা জাতীয় পতাকাখন নমাবৰ কাৰণে কেইজন মান চিপাহীয়ে চেষ্টা কৰি আছে। ৰাস্তাত কুকি সৈনিক এটাই বালিপাৰাৰ এজন শোভাযাত্ৰাকাৰীক বন্দুকৰ কুন্দাৰে মৰিয়াই মৰিয়াই মাটিত বগৰাই পেলাইছে। মানুহবোৰে দূৰৰ পৰা চাই আছে। এনেতে ডেকা চুবুৰীৰ ৺চেন বৰুৱা নামৰ এজন লোকে এডাল নঙলাৰে সৈনিকটোক ছুক্কোৰ মাৰি সাউৎকৰে

জনতাৰ মাজত সোমাই পৰিল। পিছত চিপাহী বোৰ গলগৈ। এনেতে আমি গম পালো বিহগুৰি, বেহেৰীয়া, ডিপোটা, পিঠাখোৱাৰ ৰাইজ সমদলে তেজপুৰ টাউনলৈ আহিব লাগিছে। আমিও বহুত ডেকা কৰ্ম্মী গাঁৱৰ ভিতৰুৱা ৰাস্তায়েদি গটঙ্গা গুলালোগৈ। গটঙ্গাত শোভাযাত্ৰী সকলৰ লগত যোগ দিলোঁ। এইবাৰ পুলিচ মিলিটাৰীৰ পৰা বিশেষ বাধা নাপালোঁ। শোভাযাত্ৰা লাহে লাহে তেজপুৰ চাৰ্চ ফিল্ড পালেগৈ। চাৰ্চ ফিল্ডত অগণন প্ৰজা। পৰিস্থিতি অতি উত্তপ্ত। শান্তি-শৃঙ্খলা ৰক্ষাৰ দায়িত্বত ৺উজীৰ হাকিম আছিল। কুকি চলজাৰ, পুলিচ ফিল্ডত লাইন পাতি বৈ আছে। বিহগুৰিৰ ৺নৰেণ গোস্বামীয়ে ৺উজীৰ হাকিমৰ লগত কিবা আলোচনা কৰি আছিল। এনেতে ৰগা চামৰাৰ পুলিচ চাহাৰ গাড়ী লৈ আহি পালে। তেওঁ অহাৰ লগে লগে জনতাক ছত্ৰভংগ কৰিবলৈ লাঠি চালনা আৰম্ভ হ'ল। সৈন্যবোৰে কোনোৱে বন্দুকৰ কুন্দাৰে ; কোনোৱে ককালৰ বেল্ট খুলি, পুলিচে বেতেৰে মানুহবোৰ কোবাবলৈ ধৰিলে। নিৰস্ত্ৰ লোকক এনেদৰে প্ৰহাৰ কৰা জীৱনত সেইদিনাই প্ৰথম দেখিছিলোঁ। লৰাবুঢ়া, বোৱাৰী জীয়ৰীবোৰ আতঙ্কিত হৈ পলাব ধৰিলে। পতাকা উত্তোলন নহ'ল। মই, দুলাল, ৺তিলক আৰু কেইজনমান থানাৰ আগেদি তেজপুৰ চক বজাৰৰ ফালে গলো। বাটত গিৰিধৰ আৰু ঘন শইকীয়াক পালোঁ। তেওঁ লোক ৺নবৰ দোকানত চাহ খাবলৈ সোমাল। পতাকা উত্তোলন কৰাৰ আশা নেদেখি আমি মাজ গাঁৱৰ বাটেদি ঘৰলৈ খোজ ললোঁ। গাঁৱত আহি জানিব পাৰো যে মোক এৰেষ্ট কৰিবৰ বাবে পুলিচ আহিছিল।

পুলিচৰ পৰা হাত সাৰি থাকিবই লাগিব। আন্দোলন চলাই থাকিব লাগিব। মোৰ মনৰ ভাব। মই লাহে লাহে ঘৰত থাকিবলৈ এৰি দিছো। ৰাতি মদপী গাঁৱত থাকিবলৈ ললোঁ। পুলিচ

আছে বুলি, মোক ধৰে বুলি কিছুমান কৰ্মীয়ে পহৰা দি থাকে। তেতিয়া মদগী প্ৰাথমিক কংগ্ৰেছৰ সভাপতি আছিল ৺অভিৰাম কটকী। তেওঁ মোক গাঁৱৰে এঘৰ অতি দুখীয়া মানুহৰ ঘৰত থাকিবলৈ দিলে যাতে কোনেও সন্দেহ কৰিব নোৱাৰে। ঘৰত এৰি থৈ গৈছো মোৰ পৰিবাৰ শ্ৰীমতী ফুলেশ্বৰী বৰা আৰু লগত এটি পানী কেঁচুৱা (বেণু)। ইহঁতৰ বখীয়া হ'ল মোৰ ঘৰত কাম কৰি থকা ক্ৰামৰূপৰ ৺চিতানাথ। পিতাদেউ ঢুকোৱা বেছি দিন হোৱা নাছিল। মনত সিও এটা দুখ। পলাই থাকোতে ৰাতি কেতিয়াবা মৃত পিতাদেউলৈ মনত পৰে, ঘৰত অকলে থকা পৰিবাৰ আৰু কেঁচুৱাটি লৈ মনত পৰে। সিহঁত কেনেকৈ আছে কেনেকৈ খাইছে ইত্যাদি। কব নোৱাৰাকৈ চকু চলচলীয়া হয়। চাৰিদিন মান আঁতৰি থকাৰ পিছত এদিন গধুলি পৰত ঘৰলৈ আহিলোঁ। ধল পুৱাতে আকৌ আঁতৰি যোৱাৰ কথা। মই ঘৰলৈ অহাৰ কথাটো গম পাই কোনোবাই পুলিচক খবৰ দিলে। খবৰ পাই ৰাতিয়েই পুলিচে ঘৰ ঘেৰাও কৰিলে। শেহ নিশা, ক'তো সাৰ সুৰ নাই। গছৰ পাতৰ পৰা সৰা নিয়ৰৰ টোপালৰ শব্দ কাণত পৰিছে। মোৰ ওলাবৰ হ'ল। এনেতে বাহিৰত বুট জোতাৰ শব্দ শুনিলোঁ। বাহিৰলৈ খিৰিকিৰে চালোঁ। পুলিচ। পৰিবাৰক কথাটো কোৱাত তেওঁ কান্দিবলৈ ধৰিলে। মই বুজাইছো তেওঁ নামানে। পলাবলৈও উপায় নাই। চাৰিওফালে সশস্ত্ৰ পুলিচে ঘৰ ঘেৰাও কৰি আছে। এনেতে পোহৰ হোৱাত দুৱাৰ খুলি দিলো। পুলিচ লগে লগে ভিতৰ সোমাই আহিল। এজন আই জনে কলে "আপোনাক এৰেষ্ট কৰা হৈছে।" মই এৰেষ্ট মানি লৈ সাজু হবৰ বাবে অকনমান সময় বিচাৰিলোঁ। চিপাহী এজন মোৰ লগে লগে গ'ল। যিমান প্যাৰো সোনকালে সাজু হলোঁ। কথাটো ওচৰ চুবুৰীয়াই গম পালে। মানুহ চাপিল। মই ভিতৰলৈ এবাৰ

চাই বাহিৰ ওলালোঁ। কোলাত কেঁচুৱা লৈ পৰিবাৰ কান্দি কাটি বাউলি হ'ল। মই বুজাবলৈ চেষ্টা নকৰিলোঁ—লাভ নাই। পুলিচৰ গাড়ীত উঠিলোঁ। এনেতে ৺মহেন্দ্ৰ শৰ্ম্মাই মানুহৰ মাজৰ পৰা আগবাঢ়ি আহি মোৰ ডিঙিত এডাল বনফুলৰ মালা পিন্ধাই দিলেহি।

তেজপুৰ থানাৰ ভিতৰত এখন চকীত বহি আছো। এনেতে এজন চিপাহীয়ে চাহ মিঠাই আনি দিয়াত খালোঁ। আদালতৰ হাকিমৰ আগত হাজিৰ কৰোৱাই জেললৈ মোক লৈ গ'ল। তেজপুৰ জেলৰ ভিতৰত থকা অৱস্থাতে মোৰ বিচাৰ হ'ল। বিচাৰপতি এচ কে দাস। প্ৰথম শ্ৰেণীৰ দণ্ডাধীশ। এমাহৰ ভিতৰতে মোৰ বিচাৰৰ ৰায় দিলে। ভাৰত প্ৰতিৰক্ষা আইন মতে মোৰ এবছৰ সশ্ৰম কাৰাদণ্ড হ'ল। সাধাৰণ কয়দীৰ লগত এমাহ কটোৱাৰ পিছত মই বি ডিভিজন পালোঁ।

কয়দী জীৱন

তেজপুৰ কাছাৰিৰ পৰা গলে বৰপুল পাৰ হৈয়ে বৰজেল পায়। বৰপুলেদি বৰজেলৰ কাষেৰে লৰা কালত সমনীয়াৰ লগত বহুবাৰ অহা যোৱা কৰিছো। অগ্নিগড়, ভৈৰবী দেৱালয় আৰু পুৰণি পানীকলৰ কালে মাজে সময়ে যাওঁ। সেই ঠাই বোৰ ডাঠ হাবিৰে ভৰা আছিল। চোৰ, ডকাইট, খুনী আৰু অন্যান্য অপৰাধীৰ শাস্তিস্থলী তেজপুৰ বৰজেল। জেলৰ ভিতৰত মানুহ ফাঁচি দিয়া হয় বুলি শুনিছিলো। জেলৰ ভিতৰত মানুহ বোৰ কেনেকৈ থাকে জানিবৰ বাবে কৌতুহল হৈ আছিল। পিছত জেললৈ নিজে আহি সেইবোৰ দেখিলোঁ। সিও এক বেলেগ জগত। বি ডিভিজনৰ খোৱা বোৱা, শোৱা পিন্ধা কাপোৰ কানি চি ডিভিজনৰ নিচিনা নহয়। চি ডিভিজনত আঁঠ পৰা মোটাকাপোৰৰ সক চোলা এটা আৰু

আঁঠুৰ মূৰত পৰা হাফ্ পেন্ট এটা দিয়ে। ৰি ডিভিজনৰ কয়দীক আঁচ পৰা চোলা আৰু আঁচ পৰা ধুতি এখন দিয়া হয়। লগত কাম কৰিবলৈ এজন কয়দী থাকে। খোৱা বোৱাও পৃথক। ৰাজনৈতিক বন্দীবোৰৰ প্ৰতি ব্যৱহাৰ সাধাৰণ কয়দীতকৈ কিছু ভাল। বন্দী-বোৰক খাবলৈ দিয়া আহাৰ নিম্ন স্তৰৰ আছিল। আমি প্ৰথমে খানা উন্নত কৰিবলৈ প্ৰতিবাদ কৰিছিলোঁ। জেলত বহুত ৰাজনৈতিক বন্দীক লগ পাইছিলোঁ। ডেকাৰ গাঁৱৰ শ্ৰীঘন শইকীয়াও মোৰ লগতে ৰাজনৈতিক বন্দী হৈ আছিল। জেলৰ ভিতৰত কয়দীৰ খানাৰ প্ৰতি চোৱা চিতা কৰিবলৈ তেওঁক দায়িত্ব দিয়া হৈছিল।

নগাওঁ, শিৱসাগৰ আৰু ডিব্ৰুগড়ৰ কেইবজনো ৰাজনৈতিক বন্দীৰ লগত মোৰ সৌহাৰ্দ্য বাঢ়িছিল। শ্ৰীপৰাগধৰ চলিহা আৰু ৺গজেন ফুকন মই থকা কোঠাতে আছিল। কিবা জৰুৰী সমস্যা উদ্ভৱ হলে আমি তিনিও বহি আলোচনা কৰিছিলোঁ। চাৰিওফালে ওখ গড়েৰে আবৃত জেলৰ ভিতৰত কিছুমান কয়দী থকা খেৰৰ জুপুৰি আছিল। সেই বোৰ জ্বলাই দিবৰ বাবে কোনো কোনোৱে মত দিলে। বাহিৰৰ পৰাও তেনে কামৰ বাবে নিৰ্দ্দেশ আহিছিল। চৰকাৰী কাৰ্য্যালয় আদি জ্বলোৱা তেতিয়া অ'ত ত'ত হৈ আছিল। জুপুৰি কেইটা জ্বলোৱাত মই মত দিয়া নাছিলোঁ, কাৰণ ঘৰ জ্বলালে জেলৰ ভিতৰত কয়দীৰ ওপৰত নিষ্ঠুৰ অত্যাচাৰ হব। ঘৰ জ্বলোৱা কামত ৺বেদা শৰ্ম্মা পাকৈত আছিল। তেওঁ বহুতৰ সমৰ্থন পাই কামটো কৰিবলৈ আগবাঢ়িল। তেওঁ ভোট এৰাৰ গুটি জ্বলাই ধনু কাড়েৰে জ্বলন্ত গুটিবোৰ খেৰী ঘৰবোৰলৈ মাৰিব ধৰিলে। খেৰী ঘৰবোৰ দপ্দপ্কৈ জ্বলি উঠাত জেলৰ ভিতৰত "পাগলা ঘাণ্টি" বাজি উঠিল। আমি নিজৰ নিজৰ কোঠাত সোমাই পৰিলোঁ। জেলৰ জামাদাৰ জনে কোঠা

খিলাকত তলা লগালে। জুই ঘুমুৱা কাম আৰম্ভ হ'ল। পুলিচ চাহাব (বগা চামবাব) খন্তেক পিছতে সশস্ত্ৰ পুলিচ লৈ জেলৰ গেটত হাজিৰ হ'ল। তেওঁৰ উদ্দেশ্য কয়দীবোৰক এপিছন দিয়া। জেলৰ চুপাৰিণ্টেণ্ডেণ্ট জনে গেট খুলি নিদিলে। এই মানুহজন দেখাত ৰুঢ় হলেও বৰ মৰমিয়াল আছিল। তেওঁৰ যোগেদি আমি বহুত সুবিধা পাইছিলোঁ। চেনিৰাম নামৰ কয়দী এজনে জুই ঘুমুৱালে। তেওঁক তাৰ বাবে মাৰ্কা দিয়া হৈছিল।

জেলত থাকোতে মোক চাকৰিৰ পৰা বৰ্খাস্ত কৰাৰ খবৰ পালোঁ। মোৰ ঠাইত পৰ্ব্বতীয়াৰ কমল চন্দ্ৰ বৰা নামৰ এজন লোকক মকৰল কৰিলে। দেশব্যাপি "ভাৰত ত্যাগ" আন্দোলন তীব্ৰতৰ হৈ আহিল। নেতৃস্থানীয় হাজাৰ হাজাৰ মুক্তি যোদ্ধা জেলৰ ভিতৰত আবদ্ধ হ'ল। মহাত্মা গান্ধীক পুনৰ আগা খাঁ প্ৰাসাদত বন্দী কৰি ৰাখিছিল। বিহাৰ, উত্তৰ প্ৰদেশত হোৱা ধ্বংশাত্মক কাৰ্য্যৰ বাবে বৃটিছ চৰকাৰে গান্ধীজী আৰু কংগ্ৰেছ নেতা সকলক জগৰীয়া কৰিলে। গান্ধীজীয়ে ইয়াৰ প্ৰতিবাদত একৈশ দিনীয়া অনশন কৰাৰ খবৰ আহিল। এই খবৰে আমাৰ মাজত গভীৰ উৎকণ্ঠাৰ সৃষ্টি কৰিছিল। মহাত্মাজীক আজি এৰি দিব, কালিলৈ এৰি দিব বুলি খবৰ আহিল। কিন্তু এৰি দিয়া নাছিল। চৰকাৰ আৰু আন্দোলনৰ নেতৃবৰ্গৰ লগত আলোচনা চলি আছিল। জেলৰ ভিতৰত বাতৰি কাকত পঢ়িবলৈ নাপাওঁ। সকলো খবৰ মানুহৰ মুখ বাগৰি আহে। অনশন কৰি মহাত্মাজীৰ স্বাস্থ্যৰ অৱনতি ঘটা বুলি বাতৰি প্ৰচাৰ হোৱাত দেশবাসীৰ মাজত হুৱা দুৱা লাগিল। মই জেলত এদিন ৰাতি এটা সমাজিক সোপন দেখিলোঁ। আমাৰ ঘৰৰ পশ্চিম কালে থকা বেজ জোপাত এটা হাতী বন্ধা আছে। মই সেই হাতীটোৰ বান্ধ খুলি হোলা এটাৰ মাজেদি লৈ গৈ ৰাস্তাত উঠাবলৈ চেষ্টা কৰি আছোঁ। হোলাটোত দুটা গোনা মহে বাট ভেটি আছে। সিহঁতে বাট এৰি নিদিয়ে, শিং ভাঙি খুচিবলৈ আহে। ৰাস্তা উলিয়াব নোৱাৰি স্যৰ

পালোঁ। ৰাতি পুৱা সপোনটোৰ কথা বয়সীয়াল কৰ্মী এজনক কলোঁ। তেওঁৰ নামটো নাজানো। আমি তেওঁক বৈষ্ণৱজী" বুলি মাতিছিলোঁ। বৈষ্ণৱজীয়ে তেতিয়া হাঁহি মাৰি কলে—'আপোনাৰ সপোন ফলিয়াব।' বৃটিছ চৰকাৰে মহাত্মাজীক এৰি



১৯৪২ চনত তেজপুৰ জেলত ৰাজনৈতিক বন্দী শ্ৰীপৰাগ ধৰ চলিহাৰ লগত লিখক। (পিছত উঠোৱা ফটো)

নিদিয়ে। বঙ্গৰ বিধানচন্দ্ৰ ৰায়ে মহাত্মা গান্ধীৰ স্বাস্থ্য পৰীক্ষা কৰি আছিল। অনশনৰ বিশ দিনৰ দিনা তেখেতে কৈছিল যে মহাত্মাই যদি আৰু এদিনো বাচি থাকে তেনেহলে তেওঁ বিজ্ঞানক চেৰ পেলাব। একৈশ দিনৰ মূৰত মহাত্মাই অনশন ভংগ কৰিলে। এই খবৰ আহি পোৱাত সকলোৱে স্বস্তিৰ নিশ্বাস পেলালে।

এক্কৈশ দিনীয়া অনশনে গান্ধীজীৰ স্বাস্থ্যৰ অৱনতি ঘটালে। গান্ধীজী বন্দী হৈ থকা অৱস্থাতে কস্তুৰবা আৰু মহাদেৱ দেশাইৰ মৃত্যু হয়।

জেল জীৱনৰ কঠোৰতা আৰু দুখকষ্টৰ মাজতো আমি মাজে সময়ে আনন্দ স্ফুৰ্ত্তি কৰিবলৈ উপায় উলিয়াই লৈছিলোঁ। মাঘ বিহু আহিল। ৺মহাদেৱ শৰ্ম্মা ৰাজনৈতিক বন্দী হৈ তেজপুৰ জেলতে আছিল। আমি তেখতৰ লগত আলোচনা কৰি জেলৰ ভিতৰত বিহু পতাৰ স্থিৰ কৰিলোঁ। জেল চুপাৰিণ্টেণ্ডেণ্টে ইয়াত সম্মতি দিলে। বিহুৰ দিনা জেলৰ ভিতৰত সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰিলোঁ। পিঠাপনা বাহিৰৰ পৰা অনাৰ বন্দবস্ত হ'ল। অনুষ্ঠানৰ ঘাই আকৰ্ষণ আছিল দুটা দৃশ্যাবৃত্তি। কৰ্ণাৰ্জ্জুন আৰু চন্দ্ৰকান্ত সিংহ নাটক দুখনৰ পৰা দুটা দৃশ্য বাছি লোৱা হল। দুঃশাসনৰ ৰক্তপান দৃশ্যত শ্ৰীযুত পৰাগ ধৰ চলিহা দুঃশাসন আৰু মই ভীম হৈছিলোঁ। আনটো দৃশ্যত চলিহাদেৱ পাতাল বৰবৰুৱা আৰু মই মিঙি মাহা তিলোৱাৰ অভিনয় কৰিছিলোঁ। জেলৰ সকলো অফিচাৰ, অৱাৰ্ডাৰ আৰু কয়দীয়ে দৃশ্যাবৃত্তি চাই আনন্দ লভিছিল। উল্লেখযোগ্য যে আমাক বাহিৰৰ পৰা সকলো লাগতীয়াল বস্তু আনি সহায় কৰাত আগভাগ লৈছিল চিভিল চাৰ্জন অফিচৰ পিয়ন ৺পোৱাল বৰাই।

ব্ৰহ্মদেশ জাপানে অধিকাৰ কৰাত তাত বহুতো ভাৰতীয় সৈন্য যুদ্ধ বন্দী হ'ল। ইফালে সুভাষ চন্দ্ৰ বসু গান্ধীজীৰ আদৰ্শ আৰু মতৰ অমিল হোৱাত দেশ এৰি পলাই গৈ চিঙ্গাপুৰত আছিল গৈ আৰু জাপানৰ পক্ষ লৈছিল। যুদ্ধবন্দী বিলাকক লৈ সুভাষচন্দ্ৰ বসুয়ে বৃটিছৰ বিৰুদ্ধে আজাদ হিন্দ ফৌজ গঠন কৰিলে। প্ৰায় বিশ হাজাৰ সৈন্যৰে গঠিত আজাদ হিন্দ ফৌজৰ মুল ধ্বনি হ'ল "জয়হিন্দ"। সেই সময়ত প্ৰচাৰিত "চাইগন নিউজ"ত আজাদ হিন্দ ফৌজৰ খবৰ আহিছিল। জেলৰ ভিতৰলৈ গোপনে চাইগন

নিউজ যোগান ধৰিছিল ৺শুনাভি শৰ্মাই। তেতিয়া তেজপুৰ পানী কলত কাম কৰে। তেওঁৰে সমন্ধীয়া লোক বিহালীৰ ৺কেশৱ শৰ্মা আমাৰ লগত জেল বন্দী। ৺পোৱাল বৰাই ৺শুনাভি শৰ্মাৰ পৰা লিঠু কৰা চাইগন নিটজ আনি জকেশৱ শৰ্মাক দিয়ে।

১৯৪২ চনত জেলত লিখকৰ লগত একেলগে থকা ৺কেশৱ চন্দ্ৰ শৰ্মা

আমি গোপনে সেই নিউজ পঢ়ো। আজাদ হিন্দ ফৌজ ভাৰত অভিমুখে আহি থকাৰ কথা নিউজৰ পৰা গম পাইছিলোঁ। কহিমাত আজাদ হিন্দ ফৌজৰ বিপৰ্য্যয হোৱাত নিউজ অহা বন্ধ হল।

জেলৰ ভিতৰৰ কাহিনী বহুত আছে। কিছুমানে মনত মচিব নোৱাৰা সাচ বহুৱাই থৈছে। তাৰে এটা উল্লেখ কৰিছো। তেজপুৰ জেলৰ ভিতৰত ফাঁচি দিয়া এডোখৰ ঠাই আছে। তাত মৃত্যুদণ্ড পোৱা অপৰাধীক ডিঙিত ফাঁচ লগাই বধ কৰা হয়। এদিন ৰাতি পুৱা দেখো যে তাত এজন কয়দীক জেলৰ বিষয়া বৰ্গই ফাঁচি কাঠত

ফাঁচি দিয়া কাম শিকাই আছে। মানুহৰ আকৃতিৰে বনোৱা কাঠ এডোখৰ ফাঁচি কাঠত থিয় কৰি লৈছে। কাঠ ডোখৰ দীঘলে মানুহটোৰ সমান। কাঠ ডোখৰৰ মূৰত জৰি এডালত খোৰোচা গাঠি লগোৱাৰ পিছত সময় মতে ইঙ্গিত দিয়াত কয়দীজনে প্লেট ফৰ্মখনৰ চাবি খুলি দিলে। তেতিয়া কাঠ ডোখৰ তললৈ সোমাই গল আৰু ফাঁচ লাগি ধৰিছিল। এই কামটো কয়দীজনক কেইবা দিনো শিকাই থকা দেখিছিলোঁ। পিছত গম পালোঁ। যোৰহাট জেলত কুশল কোঁৱৰ আছে। সৰু পথাৰত ৰেল বগৰোৱা অপৰাধত তেওঁক ফাঁচি দিয়া হব। ফাঁচি দিয়া কাম কয়দীৰ হতুৱাই কৰোৱা হয়। যি কয়দীয়ে এই কাম কৰে তেওঁক শাস্তি কিছু ৰেহাই দিয়ে। ৰেহাই পাবৰ কাৰণেই ফাঁচি দিয়া কাম কৰিবলৈ কোনো কোনো কয়দী আগবাঢ়ি আহে। কুশল কোৱৰৰ ফাঁচিৰ দিন চমু চাপি অহাত কয়দী জনক তেজপুৰৰ পৰা যোৰহাটলৈ নিয়া হল। সেইদিনা আমাৰ সকলো ৰাজনৈতিক বন্দীৰ মন বেজাৰ আৰু বিষণ্ণতাই আৱৰি ধৰিলে।

জেলৰ ম্যাদ শেষ হোৱাত এদিন ৰাতিপুৱা ৯ মান বজাত মোৰ মুক্তি হল। ঘৰ পালোঁহি। ঘৰ ভাগি ছিগি জৰাজীৰ্ণ হৈ আছে। পৰিবাৰ মাকৰ ঘৰত। ঘৰত লাম লাকটু যি আছিল সকলোবোৰ আলাই আথানি হৈ পৰি আছে। গৰু গাই কেইটা গাঁৱৰ মানুহে কোনোবা গৰখীয়াক ৰখিবলৈ দিছিল কিন্তু হেৰাল। মই জেললৈ যোৱাৰ কিছুদিনৰ পিছতে চিতানাথ বেমাৰত পৰি হাস্পতালত ঢুকাল। মই অহা খবৰ পাই কোলাত কেঁচুৱা লৈ পৰিবাৰ আহি ওলালহি। লগত তেওঁৰ ভায়েক ফণী আৰু দুলাল। ওচৰ চুবুৰীয়া আৰু ফণী, দুলাল হঁতে ঘৰটো থিক থাক কৰাত লাগিল।

২য় মহাসমৰ তেতিয়াও চলিয়েই আছিল। খাদ্যসামগ্ৰীকে ধৰি সকলো বস্তুৰে জুই ছাই দাম। পইছা দিলেও বস্তু পাবলৈ নাই।

সাধাৰণ মানুহৰ কাৰণে নিমখেই অতি দৰকাৰী বস্তু। নিমখ নোহোৱা হল। ডেকাৰ গাঁৱত দোকান মাত্ৰ এখন আছিল। ৺মিনাৰাম শইকীয়াৰ দোকান। সেইখন দোকানে অঞ্চলটোৰ মানুহক লাগতীয়াল বস্তু যোগান ধৰিব নোৱাৰে। ৰাইজে এখন সমবায় দোকান খুলিবলৈ সিদ্ধান্ত কৰিলে। সেইমতে সদস্য প্ৰতি এঘাৰ টকাকৈ অংশ বিক্ৰী কৰি ডেকাৰ গাওঁ কো অপাৰেটিভ ছোছাইটি প্ৰতিষ্ঠা কৰা হল। এই প্ৰতিষ্ঠানৰ যোগেদি ৰাইজে সুলভ মূল্যত বস্তু পোৱা হল। সমবায় দোকানখন মোৰ ঘৰতে খোলা হৈছিল। মোক এই কামত বিশেষ ভাবে সহায় কৰা ব্যক্তি সকলৰ ভিতৰত শ্ৰীগিৰিধৰ শৰ্ম্মা, ৺ডিম্বেশ্বৰ বৰা, ৺গোলাপ বৰুৱা, ৺ৰবিৰাম শইকীয়া, ৺নীলকণ্ঠ বৰা, ৺গদাই কেওঁট প্ৰধান আছিল। সমবায়ৰ কাম কাজ পৰিচালনা কৰাৰ বাবদ ৰাইজে দিয়া পাৰিশ্ৰমিকে মোৰ ঘৰ চলোৱাত কিছু সহায় কৰিলে। জেলত থকা কালত জহামাৰিৰ দুজন মান বন্ধু মোৰ লগত আছিল। তেওঁলোক জেলৰ পৰা ওলাই অহাৰ পিছত মোৰ দুৰাৱস্থাৰ কথা গম পাই এদিন গৰু গাড়ীৰে এগাড়ী ধান দি গলহি। ঢেকী দলৰ ৺তুলাৰাম বসুমতাৰী মোৰ বৰ প্ৰিয় আছিল। তেওঁও এগাড়ী ধান লৈ মোৰ ঘৰ ওলালহি। এই দৰে ৰাইজৰ মৰম চেনেহ আৰু সহায় পাই মোৰ উৰলি যোৱা ঘৰখন ঠন ধৰি উঠিল।

জন সোঁতোদি

কংগ্ৰেছতকৈ মুছলিম লীগ একৈশ বছৰৰ সৰু। বৃটিছে ভাৰত দখল কৰাৰ আগ মুহূৰ্ত্তলৈকে ভাৰতত মুছলমান শাসন চলি আছিল। টিপু চুলতান, চিৰাজুদ্দৌলাই ভাৰত ভূমিৰ হকে যুঁজি প্ৰাণ বিসৰ্জন দিছিল। তেতিয়া হিন্দু মুছলিমৰ মাজত ধৰ্ম্মৰ ভিত্তিত প্ৰভেদ

আছিল যদিও সকলো ভাৰতীয় ভাৰত আছিল। ভাৰত ভূমিৰ হকে প্ৰাণাহুতি দিবলৈ সকলো আগবাঢ়ি আহিছিল। স্বাধীনতা আন্দোলনৰ প্ৰথম পৰ্য্যায়ত হিন্দু মুছলিম সকলোৱে একেলগে যোগ দিছিল। কিন্তু ভাৰতবৰ্ষত হিন্দু সংখ্যাগৰিষ্ঠ হোৱাত ভাৰত স্বাধীন হলে হিন্দুৰ প্ৰতিপত্তি বাঢ়িব বুলি ধাৰণা হোৱাত মুছলিম লোকৰ হিন্দুৰ প্ৰতি অবিশ্বাস আৰু সন্দেহৰ ভাবে গা-কৰি উঠিল। সেয়েহে ভাৰতত মুছলমানৰ হক, সত্ব আৰু অধিকাৰ অধিক বুলি বৃটিছৰ ওচৰত যুক্তি দেখুৱাবৰ বাবে মুছলিম লীগ গঠিত হল ১৯০৬ চনত। অৰম্ভে সকলো মুছলমানেই মুছলিম লীগ সমৰ্থন নকৰিলে। কংগ্ৰেছৰ নেতৃত্বত অনেক মুছলমান নেতৃবৃন্দই আন্দোলনৰ গুৰি ধৰিছিল। ১৯৪০ চনত লাহোৰত বহা মুছলীম লীগৰ সভাত মিঃ মহম্মদ আলি জিন্নাই দ্বি জাতি তত্বৰ সূত্ৰ উত্থাপন কৰিলে। এই সূত্ৰ মতে অবিভক্ত ভাৰত দুভাগত বিভক্ত কৰি মুছলিম প্ৰধান অঞ্চলকলৈ পাকিস্থান হব লাগে। প্ৰাক্ বৃটিছ কালত ভাৰতত মুছলমানৰ আধিপত্য চলিছিল। স্বাধীন ভাৰততো সেই আধিপত্য বাহাল থকাৰ আশ্বাস পোৱা হলে হয়তো মুছলিম লীগৰ জন্ম নহল হেতেন। অসমত মিঃ জিন্নাৰ এই সূত্ৰত বিশ্বাসী বহুতো মুছলমান লোক ওলাল। আগৰ বঙ্গদেশ বিভক্ত হৈ পশ্চিমবঙ্গ আৰু পূৰ্ববঙ্গ হৈছিল। পূৰ্ববঙ্গ স্বাধীনতাৰ পিছত পূব পাকিস্থান আৰু ১৯৭১ চনত বাংলাদেশ হল। পূৰ্ববঙ্গৰ লগত অসম ভূখণ্ড (বৰ্ত্তমান অসম, মেঘালয়, অৰুণাচল প্ৰদেশ, নাগাল্যাণ্ড আৰু মিজোৰাম) সামৰি পাকিস্থান কৰা ষড়যন্ত্ৰ চলিল। এই ষড়যন্ত্ৰত অসমৰ বহু মুছলমান লোক জড়িত হল।

জেলৰ পৰা ওলাই আহি পুনৰ আন্দোলনৰ কামতে যোগ দি আছো। কংগ্ৰেছৰ সংগঠন, ৰাজহুৱা কাম কাজত লাগি থাকো। মোৰ ঘৰৰ পৰা পোনাই দিলে এমাইলমান দূৰত পৰোৱা চাহ বাগিচা পায়। এই বাগিচাৰ নাম পিছত সুবৰাৰী হয়। ৺আলি হাজৰিকাৰ

পৰিয়ালে পৰোৱা বাগান কিনি লৈছিল। প্ৰথমে সুৰবাৰী বাগিচা পৰিচালনা কৰিছিল আলি হাজৰিকাৰ ভিনিহিয়েকে। তেখেত দুৰ্ঘটনাত ঢুকুৱাত আলি হাজৰিকাক বায়েকে বাগিচাৰ দায়িত্ব দিয়ে। সেই সময়তে পূৰ্ববঙ্গৰ লগত অসমক সামৰি পাকিস্তান কৰাৰ গোপন আলোচনা মেল মিটিং মুছলিম সম্প্ৰদায়ৰ কোনো কোনো লোকৰ মাজত চলি আছিল। ৺আলি হাজৰিকাৰো ইয়াত সমৰ্থন তাছে বুলি মুখে মুখে মানুহৰ মাজত প্ৰচাৰ হৈছিল। কথাটো শুনি মানুহজনৰ প্ৰতি মোৰ ভাল ভাব নাছিল। তেওঁৰ লগত মই তেতিয়াও চিনাকি হোৱা নাই। ২য় মহাসমৰৰ সামৰণি পৰিল। তেজপুৰৰ আশে—পাশে কেইবা ঠাইত যুদ্ধৰ সময়ত কেৰাচিন, পেট্ৰল, ডিজেল আদি পেলনীয়া বস্তুৰ মাজত মাটিত পুতি ৰাখিছিল। যুদ্ধ ভগাত চৰকাৰৰ পৰা সেইঠাইবোৰ গাৰ্বজ (Garbage) হিচাবে পাৰ্মিট আনি হাজৰিকাই তাত পুতি থোৱা সালগ্ৰীবোৰ উদ্ধাৰ কৰিছিল। ৺দীনেশ দত্ত তেতিয়া পুলিচ চাহাব। তেওঁ আলি হাজৰিকাৰ ভনী জোঁৱাই। চিফ্ চেক্ৰেটাৰী আছিল এচ, কে দাস। এই তিনিওৰে তেতিয়া বৰ মিল আছিল।

যুদ্ধ শেষ হোৱাত বৃটিছ চৰকাৰৰ পূৰ্ব্বৰ আশ্বাস অনুসৰি ভাৰতবৰ্ষক স্বাধীনতা দিয়ালৈ চৰকাৰ আৰু কংগ্ৰেছৰ নেতৃবৰ্গৰ লগত আলোচনা চলি আছে। লৰ্ড ওৱাভেল ভাৰতৰ ভাইচৰয়, এটলী বৃটিছ প্ৰধানমন্ত্ৰী। চাৰ্চিল ভাৰতক স্বাধীনতা দিয়াৰ বিৰোধী আছিল। কিন্তু বনুৱা পাৰ্টিৰ নেতা প্ৰধানমন্ত্ৰী এটলীয়ে এই ক্ষেত্ৰত নৰমভাৱ পোষণ কৰিছিল। বৃটিছ পাৰ্লিয়ামেণ্টৰ পৰা সকলো ৰাজনৈতিক দলৰ নেতাৰে গঠিত এটা সজাতি দলে ভাৰতক স্বাধীনতা দিয়াৰ ক্ষেত্ৰত অধ্যয়ন কৰি গলহি। তাৰ পিছত কেবিনেট মিছন আহিল। চিমলাত কেবিনেট মিছনৰ লগত কংগ্ৰেছ আৰু মুছলিম লীগৰ নেতা সকলে স্বাধীনতা সমন্ধে আলোচনা চলালে—কিন্তু

কোনো ঐক্যমতত আহিব পৰা নহল। কেবিনেট মিছনৰ পৰামৰ্শ অনুসৰি স্বাধীন ভাৰতৰ সংবিধান ৰচনা কৰিবৰ বাবে সংবিধান সভা গঠিত হব লাগে। সংবিধান সভাৰ বাবে নিৰ্ব্বাচন হল। নিৰ্ব্বাচনত কংগ্ৰেছ দলে প্ৰায় বিলাক আসন লাভ কৰিলে। এনে হোৱাত মুছলিম লীগ অসন্তুষ্ট হল। তেওঁলোকে কেবিনেট মিছনৰ পৰামৰ্শাৱলী নামঞ্জুৰ কৰিলে। আৰু হিন্দুৰ বিৰুদ্ধে প্ৰত্যক্ষ সংগ্ৰামত নামি পাকিস্থান গঠন কৰাৰ বাবে দৃঢ় প্ৰতিজ্ঞ হল। ১৯৪৬ চনত বেঙ্গলত মুছলিম লীগৰ মন্ত্ৰী সভা আছিল। ১৬ আগষ্টৰ দিনা মুছলিম লীগে প্ৰত্যক্ষ সংগ্ৰামৰ আহ্বান দিলে। চৰকাৰে সেই দিনটো ৰাজহুৱা বন্ধ ঘোষণা কৰিলে। সাম্প্ৰদায়িক সংঘৰ্ষৰ জুই জ্বলিল। হাজাৰ বিজাৰ নিৰীহ লোকৰ তেজেৰে নৈ বৈ গল। কলিকতা নোৱাখালিত হোৱা ৰক্ত পাতৰ ঘটনাই মানৱবুৰঞ্জীত কলঙ্কৰ কালিমা সানিলে। এই ঘটনাৰ প্ৰতিক্ৰিয়া অসমত ছেগা চোৰোকা কৈ হবলৈ আৰম্ভ কৰিলে। তেজপুৰ অঞ্চলত তলে তলে পৰিস্থিতি উত্তপ্ত হৈ পৰিল। শুনা মতে আলি হাজৰিকাই মুছলিম সকলৰ মাজত আগভাগলৈ হিন্দুৰ বিৰুদ্ধে উচটাই দিছিল। হিন্দুৰ লগত সংঘৰ্ষত নামিবলৈ বাঁহৰ লাঠি কটাই শইকীয়া চুবুৰী মুছলমান গাঁৱত মচজিদৰ ভিতৰত জমা কৰি ৰাখিছিল। সেইকথা গম পাই আমিও গাঁৱে গাঁৱে ঘূৰি ধনু কাড় যোগাৰ ৰখাত ব্যস্ত হৈছিলোঁ। আলি হাজৰিকাৰ লগত মোৰ চিনাকি নাথাকিলেও দূৰে দূৰে তেওঁৰ লগত মোৰ অহি নকুল সমন্ধ। উত্তপ্ত পৰিস্থিতি শাম কটাৰ বহুত দিনৰ পিছৰ কথা। এদিন মই তেজপুৰ টাউনৰ কেদাৰমলৰ দোকানত গেঞ্জী এটা কিনিবলৈ সোমাইছো এনেতে নিকামুল সত্ৰৰ অধিকাৰ গহনচন্দ্ৰ গোস্বামী প্ৰভুক দোকানৰ ভিতৰতে লগ পালো। আমি দুয়ো কথাপাতি আছো এনেতে আলি হাজৰিকা সোমাই আহিল। গোস্বামী দেৱৰ লগত হাজৰিকাৰ

সময় ভাল যেন লাগিল। তেওঁ ওচৰ চাপি অহাত-গোস্বামীদেৱে কলে “হেৰি বৰা, আলি হাজৰিকাক চিনি নাপাই নহয়—এইজন আলি হাজৰিকা।” আৰু হাজৰিকালৈ চাই কলে “এইজন ঠাকুৰ বৰা।” সেইদিনা আমি দেখা দেখিহে হলো মাত বোল নহল। ময়েই মাতিবলৈ ইচ্ছা নকৰিলোঁ। কাৰণ তেওঁৰ কাণ্ড-কাৰখানা-বোৰ শুনি মোৰ মন বিষাক্ত হৈ আছিল।

তেজপুৰত লোকেল বোৰ্ড গঠন হল। নিৰ্ব্বাচনত হলেশ্বৰ মৌজাৰ কংগ্ৰেছ প্ৰাৰ্থী হিচাবে মোক উঠিবলৈ দিলে। ৺সোনাৰাম শইকীয়া এই মৌজাৰ মৌজাদাৰ। তেওঁৰ উঠিবলৈ ইচ্ছা আছিল যদিও মই ওঁলোৱা বাবে নুঠিল। মই বিনা প্ৰতিদ্বন্দ্বিতাৰে লোকেল বোৰ্ডৰ মেম্বাৰ হলো। তেতিয়া সমাজৰ কামত আগ ভাগ লোৱা মানুহৰ সংখ্যা বৰতাকৰ আছিল। মই নিজে কিছুমান অঞ্চললৈ গৈ লোকেল বোৰ্ডৰ সদস্য বাহিৰ কৰিছিলো। এই সকলৰ ভিতৰত শিঙৰীৰ ৺বাহাদুৰ থৰ্কা চেত্ৰী, চতিয়াৰ ৺ডেবা কছাৰী, পানপুৰ জামুগুৰিৰ ৺কলিমন ভড়ালী, গবৈমাৰীৰ ৺জহন তিৰোৰ নাম উল্লেখযোগ্য। লোকেল বোৰ্ডত ৺মহাদেব শৰ্ম্মা চেয়াৰমেন, ৺মহীকান্ত দাস ভাইচ চেয়াৰমেন আৰু মই পাৰ্টিৰ চেক্ৰেটৰী হলোঁ। ১৯৪৬ চন। স্বাধীনতা লাভৰ আশা স্পষ্ট হৈ পৰিছে। ভাৰতবৰ্ষত মধ্যবৰ্ত্তী কালীন চৰকাৰ এটা গঠন হ'ল। পণ্ডিত জৱাহৰলাল নেহৰু ভাইচৰয়ৰ কাৰ্য্যবাহী কাউন্সিলৰ উপ-সভাপতি বা প্ৰধান মন্ত্ৰী হল।

তেতিয়া মুৰবাৰী চাহ বাগিচাৰ প্ৰোপ্ৰাইটৰ ৺আলি হাজৰিকা। চিনাকি হোৱাৰ বহুত দিনৰ পিছত এদিন ৰাতিপুৱা হাজৰিকাই বাগিচাৰ এজন বিশ্বাসী চকীদাৰক মোৰ ওচৰলৈ পঠাই দিলে। চকীদাৰ জনৰ নাম ৺বৰজু। ৺বৰজুয়ে কোৱামতে হাজৰিকাই মোক তেওঁৰ বঙলালৈ মাতিছে। মোৰ সুবিধামতে ৰাতিপুৱাতে মাতিছে।

মই প্ৰথমতে ইতস্ততঃ কৰিছিলো যদিও পিছত যাম বুলি বৰজুক কৈ পঠালোঁ। যাম বুলি কৈ পঠালো যদিও পিছত মনে মনে ভয়ো লাগিছে। কি কৰে কি বিশ্বাস। তথাপিতো কোৱামতে এদিন ৰাতিপুৱা মই বাগিচা লৈ গলোঁ। লগত এজন মোৰ বিশ্বাসী মানুহ লৈ গৈছো। তেওঁ হল বকৱা চুবুৰীৰ শ্ৰীফণীধৰ শইকীয়া। আমি পথকৱা ঘাটেৰে পোনাই গৈছো। যাওঁতে ফণীক শিকাই লৈ গৈছো। তেওঁ মোৰ লগত বাগিচাৰ মালিকৰ বঙলালৈ যাব নালাগে। কল ঘৰৰ কাষতে বৈ থাকিব। যদি মোক বঙলাত অশোভনীয় ব্যৱহাৰ কৰে তেনেহলে তেওঁ লৰালৰিকৈ গৈ গাঁৱত খবৰ দিব। বঙলা উঠি লোগৈ। ৺আলি হাজৰিকাই মোক দেখা পায়েই ওলাই আহি ভিতৰলৈ মাতি নিলে। মোক আথে বেথে ভিতৰৰ ড্ৰইং ৰুমত বহুৱাই ঘৰুৱা খা-খবৰ সুধি কথা পতাত লাগিল। মই লক্ষ্য কৰিছো —মানুহজনৰ কথা বতৰা, আচাৰ ব্যৱহাৰ নম্ৰ। এজন সদাচাৰী ব্যক্তি। হাজৰিকাৰ পৰিবাৰৰ লগতো চিনাকি হলোঁ। তেওঁ-লোকৰ মাত কথা নিভাজ অসমীয়া। সৰু লৰা ছোৱালী কেইটাই বাৰান্দাত লৰি-চাপৰি খেলি ফুৰিছে। সিহঁতো চাল চলনত তেনেই অসমীয়া। পুৰণি অসমীয়া অভিজাত লোকৰ ঘৰত থকা বস্তু তেওঁ-লোকৰো আছে। বাণকাঁহী, ডাঙৰ শৰাই, বটা, সৃকদৈয়া জাপি, ডাঙৰ ফুলৰ গামোচা আদিৰে কোঠালিটো সজাই থৈছে। কিছুপৰৰ পিছত বহল কোঠালীটোৰ একাষত থকা ডাঙৰ খোৱা-বোৱা কৰা টেবুলত বাবুৰ্চিয়ে চাহ মিঠাই দিলেহি। মোক খাবলৈ মাতিলে। হাজৰিকা আৰু তেওঁৰ পৰিবাৰো মোৰ ওচৰতে বহিল। চাহ খাই থাকোতে ভাবি আছো মোক কি কাৰণে মাতি পঠালে। তেনে কোনো বিশেষ কথাৰো দেখোন অৱতাৰনা হোৱা নাই। শেষত খাই বৈ বিদায় ললো। হাজৰিকা পৰিয়ালৰ আতিথ্য আৰু আদৰ সাদৰে সেইদিনা মোৰ মনৰ ধাৰণা কিছু সলনি কৰিলে। কলঘৰৰ কাষতে বেচেৰা ফণী মোৰ কাৰণে বৈ আছিল।

শাৰীৰিক ভাবে অক্ষম বা বিকলাঙ্গ ব্যক্তি সমাজৰ অলাগতিয়াল বা অৱহেলিত হৈ পৰাতো সকলে পৰা দেখি আহিছো। এনে দুভাগীয়া লোকক কোনো কোনোৱে সমবেদনা জনালেও কাৰ্য্যতঃ তেওঁলোকক সহায় কৰিবলৈ আগবাঢ়ি অহা লোক বৰ বিৰল।



আঠুৰে খোজ কঢ়া শিক্ষক জয়চন্দ্ৰ [illegible]

চাকৰি বাকৰি ক্ষেত্ৰতো তেনে মানুহে সুবিধা নাপায়। বৃটিছৰ দিনত কোনো চাকৰিত ভৰ্ত্তি হ'বৰ খাবে প্ৰাৰ্থী জনৰ শাৰীৰিক যোগ্যতা বংশ পৰিয়াল আৰু তেওঁৰ জীৱন বুৰঞ্জী বিচৰা হয়। শাৰীৰিকভাবে

বাধাগ্ৰস্ত লোকৰ মানসিক অৱস্থা কেনে সেইটো আমি বহুতেই উপলব্ধি নকৰোঁ। ফলত এনে লোক সমাজৰ বোজা আৰু অভিশাপ হৈ পৰে। অতি দুখ কষ্টেৰে এওঁলোকে জীৱন পাত কৰিব লগাত পৰে। মানৱতাৰ খাতিৰত সমাজৰ এই শ্ৰেণী লোকৰ বাবে আমাৰ কৰ্ত্তব্য আছে। এই সম্পৰ্কত লোকেল বোৰ্ডৰ দিনৰ কিছু কথা মনত পৰিছে। মই তেতিয়া তেজপুৰ লোকেল বোৰ্ডৰ সদস্য আৰু পাৰ্টি চেক্ৰেটৰী। মোৰ সমষ্টিৰ মদপী গাঁৱৰ এজন লৰা এদিন মোৰ ওচৰলৈ আহিল। তেওঁৰ নাম জয়চন্দ্ৰ বৰা। লৰাটোৱে আঁঠুৰে খোজ কাঢ়ে। আঁঠুত চামৰাৰে বনোৱা জোতাৰ নিচিনাকৈ পিন্ধি আছে। দূৰলৈ যাব লগা হলে আন মানুহে চাইকেলত উঠাই নিয়ে। লৰাজন পঢ়াত এম ভি পাছ। স্কুলৰ চাকৰি বিচাৰি ডি আইৰ ওচৰত আবেদন কৰিছে কিন্তু ডি আইয়ে বিকলাঙ্গ হোৱা বাবে চাকৰি নাপায় বুলি কলে। এল পি আৰু এম, ভি স্কুলৰ চাকৰি তেতিয়া লোকেল বোৰ্ডৰ অধীনত। চেয়াৰমেন তেতিয়া ৺মহাদেৱ শৰ্ম্মা। তেখেতেও ডি আইৰ কথাতে হুৰিভৰ দিলে। উপায় নেপাই মোৰ ওচৰলৈ আহিছে। লৰাজন পঢ়াশুনাত চোকা আছিল কিন্তু দুখীয়া অৱস্থাৰ বাবে আৰু পঢ়িব নোৱাৰিলে। মই লৰাজনক যিদিনা আমাৰ বোৰ্ডৰ মিটিং হব সেইদিনা মোৰ ওচৰলৈ আহিবলৈ কলোঁ।

কথা মতে লৰাজন আহিল। মিটিং বহা ঘৰটোৰ বাৰান্দাতে তেওঁ বৈ আছিল। ডি আই চেক্ৰেটৰী হিচাবে মিটিঙত উপস্থিত থাকে। মিটিং সেইদিনা দহ বজাৰ পৰা আৰম্ভ হল। মিটিং শেষ হোৱাত চেয়াৰমেন নিজৰ কোঠালৈ গল। লগতে ডি আই জনো চেয়াৰমেনৰ কোঠাত সোমাল। মই জয়চন্দ্ৰ বৰাক লগত লৈ চেয়াৰমেনৰ কোঠাত লগ ধৰিলোঁ। ডি আই বহি আছে। লৰা-জনৰ কথা উলিওৱাৰ লগে লগে ডি আইয়ে আপত্তি কৰি উঠিল।

আইনৰ দোহাই দি ডি আইয়ে কলে যে বিকলাঙ্গ লোকে চাকৰি পাব নোৱাৰে। তেতিয়া মই কবলৈ আৰম্ভ কৰিলোঁ। মই আইনৰ কথা বিচৰা নাই। মই বিচাৰিছো মাত্র এওঁ এম ভি পাছ হয় নে নহয়? এওঁ শিক্ষকৰ চাকৰি কৰিব পাৰিবনে নোৱাৰে? মই নদি কওঁ-এওঁ কমান আৰু খ মানত ভাল শিক্ষা দিব পাৰিব। মাটিত বহি কমান আৰু খ মানৰ ছাত্র ছাত্রীক আখৰ শিকাব পাৰিব। তাৰোপৰি লৰাজনে হাতৰ কাম খৰাহি, পাচি, বিচনী আদি সাজিব জানে। হাতঁৰ কাম তৃতীয় মান লৈকে শিকাব পাৰিব। লৰাজন গুণী লৰা। এওঁক স্কুলত চাকৰি দিবই লাগে। চেয়াৰমেন আৰু ডি আইয়ে তভক মাৰি মোৰ কথা শুনি আছিল। মোৰ অনুৰোধ এৰাব নোঁৱাৰি লৰাজনক অন্য এদিন মাতি পঠালে। পিছত জয়চন্দ্ৰই খবৰ দিলে তেওঁক ঠেলামৰাৰ এখন এল পি স্কুলত জইন কৰিবলৈ হুকুম দিছে। ঠেলামৰাবে এঘৰ মানুহৰ ঘৰত আশ্রয় লৈ চাকৰি কৰিব ধৰিলে। চাকৰিত জইন কৰাৰ বহুত দিনৰ পিছত তেওঁক নিজ গাঁৱৰ স্কুললৈ বদলি কৰি অনা হল। জয়চন্দ্ৰই সেই স্কুলতে চাকৰি কৰি বিয়া কৰালে, লৰা ছোৱালীক শিক্ষা দীক্ষা দি মানুহ কৰিলে আৰু শেষত সেই স্কুলৰ পৰাই অৱসৰ লৈ ৰাজহুৱা সম্বৰ্দ্ধনা লাভ কৰিলে। জয়চন্দ্ৰ অলপতে ঢুকাল। স্বাধীনতা লাভৰ পিছৰ কথা। ১৯৫২ চন। লোকেল বোৰ্ড আছেই। হলেশ্বৰ মৌজাৰ পৰা ৰাইজে মোকেই লোকেল বোৰ্ডলৈ সদস্য বাছনি কৰি আছে। গটঙ্গা কাঁহদলৰ পৰা এদিন আমাৰ ঘৰলৈ এজন মানুহ আহিল। মানুহজনক কলা গোসাঁই বুলি মাতে। তেওঁৰ ছোৱালীজনীৰ বাবে স্কুলৰ চাকৰি এটা লাগে। ছোৱালী-জনীৰ নাম হিৰণ্যপ্রভা মহন্ত। তেওঁৰ হাত এখন বাহুতে নাই। শিক্ষাত মেট্রিক পাছ। হাত নোহোৱা ছোৱালী এজনীৰ ভৱিষ্যত কি হব পাৰে এই কথা ভাবি মনত বৰ সহানুভূতি হল। এই বাবে৷

ভি আই, চেয়াৰমেনক বহুতো অনুনয় বিনয় কৰি হোৱালীজনীক এল পি স্কুলৰ শিক্ষয়িত্ৰী পদত সুমুৱাই দিয়ালোঁ। তেৱেঁ। এতিয়া অৱসৰ ললে।

১৯৪৭ চনৰ ১৫ আগষ্ট তাৰিখে মাজৰাতি আমাৰ দেশ স্বাধীন হ'ল। আগৰ ভাৰতবৰ্ষ দুভাগ হল। ভাৰত আৰু পাকিস্থান। এই কথাত গান্ধীজীয়ে বৰ দুখ পালে। ধৰ্মৰ ভিত্তিত দেশ বিভাজন হোৱাতো গান্ধীজীয়ে কামনা কৰা নাছিল। পশ্চিমপাকিস্থান আৰু পূব পাকিস্থানৰ মাজত দূৰত্ব হেজাৰ মাইলৰো অধিক। দুয়ো ভূ খণ্ডৰ মাজত ভাৰতৰ বিশাল গঙ্গা নদীৰ অৱবাহিকা অৱস্থিত। হেজাৰ মাইল দূৰত্বৰে পৃথক হলেও ধৰ্ম্মৰ নামত দুয়ো ভূখণ্ড এখন মুছলিম ৰাষ্ট্ৰ হৈ থাকিবলৈ সিদ্ধান্ত হল। এই সিদ্ধান্ত যে পৰিপক্ক নাছিল পিছত প্ৰমাণ হল। গঙ্গা আৰু ব্ৰহ্মপুত্ৰৰ দ্বাৰাই উৰ্ব্বৰা হোৱা পূব পাকিস্থান এখন শস্যশালী দেশ। তাৰোপৰি প্ৰাকৃতিক সম্পদেৰে ই পৰিপূৰ্ণ। অন্যহাতে পশ্চিম পাকিস্থান মৰুভূমি প্ৰায়। হলেও শাসনৰ বাঘজৰি থাকে পশ্চিম পাকিস্থানত। পূবৰ সম্পদ ব্যৱহৃত হয় পশ্চিমত। পূবৰ ৰাইজ বঞ্চিত হবলৈ ধৰিলে সকলো ক্ষেত্ৰতে। বঞ্চিত হোৱাৰ অনুভব প্ৰকট হোৱাত ধৰ্ম্মই দুয়ো ভূখণ্ড একেলগে ৰাখিব নোৱাৰিলে। বিদ্ৰোহ হল পূব পাকিস্থানত। ৰাষ্ট্ৰ কঠোৰ হৈ বিদ্ৰোহ দমনত লাগিল। ভাৰতৰ প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে পূবৰ ৰাইজক সৈন্য-অস্ত্ৰ দি সহায় কৰিলে। ভাৰতৰ সহায় পাই ১৯৭১ চনত পূব খণ্ড স্বাধীন হৈ বাংলাদেশ হল। শেইখ মজিবুৰ ৰহমান বাংলাদেশৰ প্ৰথম ৰাষ্ট্ৰ প্ৰধান হল।

স্বাধীনতা লাভৰ পিছত শিক্ষা, বাণিজ্য, উদ্যোগ আদিৰ উন্নতিৰ কাৰণে দেশৰ মানুহে চিন্তা চৰ্চা কৰাৰ সুবিধা হল। কংগ্ৰেছৰ আগ শাৰীৰ নেতা সকলৰ ভিতৰত শাসনৰ গাদী দখল আৰু ক্ষমতাশালী হোৱাৰ চিন্তা বাঢ়িল। দেশৰ কামত কৈ ক্ষমতা দখলৰ কাৰণে

ব্যতিব্যস্ত হোৱা কৰ্মী সকলক নিষ্ঠাবান কৰ্মী সকলে খেদা পাবলৈ ধৰিলে। তেজপুৰতো কোনো কোনো নেতাৰ ক্ষমতাৰ হাবিয়াস দেখা পোৱা গৈছিল। জয়মতী আৰু ইন্দ্ৰমালতী কথাছবি নিৰ্ম্মান কৰাৰ পিছত জ্যোতিপ্ৰসাদৰ স্বাস্থ্যৰ কিছু অৱনতি হোৱা দেখা গৈছিল। ভাৰত ত্যাগ আন্দোলনত দেহে কেহে লাগি আৰু পুলিচ মিলিটাৰীৰ ভয়ত পলাতক হৈ থাকিব লগাত স্বাস্থ্যৰ আৰু অৱনতি ঘটিছিল। স্বাধীনতাৰ পিছত তেখেত প্ৰায়ে ডিবুৰুৰ তামোলবাৰী চাহ বাগিচাত থাকিবলৈ লৈছিল। মাজে সময়ে তেজপুৰৰ পকী লৈ আহিলে খবৰ পঠায়। মই গৈ লগ ধৰো। কংগ্ৰেছী নেতা সকলে ত্যাগৰ মনোভাব এৰি ক্ষমতাৰ পিছত দৌৰা দেখি তেঁখেতে বৰ আক্ষেপ কৰিছিল। এবাৰ ক্ষোভেৰে মোক কোৱা মনত আছে। তেখেতৰ মনোভাব আছিল কংগ্ৰেছৰ ভিতৰত "ইয়ংতুৰ্কী"ৰ দৰে ডেকা দল ওলাব লাগে আৰু তেওঁলোকে কংগ্ৰেছৰ ভিতৰত হোৱা অন্যায় দুৰ্নীতিৰ প্ৰতিবাদ কৰি ৰাইজৰ সেৱাত লাগিব লাগে। কংগ্ৰেছক নিকাকৰি ৰাখিব লাগে। তেখেতৰ গাদীৰ প্ৰতি অকনো লোভ নাছিল। ইয়াৰ পিছত আকৌ এবাৰ ডিবুৰুৰ পৰা তেজপুৰলৈ আহোতে জ্যোতিক লগ ধৰিছিলোঁ। সেইবাৰ তেখেতৰ স্বাস্থ্য আৰু ভগ্নৰূপত দেখিলোঁ। মোক দেখি মিচিকিয়া হাঁহিৰে কোৱা কথাবোৰ মনত পৰে। জয়মতী কথা ছবিয়ে ভাৰতীয় কথাছবি জগতত অসমক আগ শৰীত বহুৱালে কিন্তু আৰ্থিকভাবে এই মহান শিল্পী গৰাকী ক্ষতিগ্ৰস্ত হল। তেখেতে কোৱা মতে কথাছবি খনত তেতিয়াৰ দিনত ষাঠি হেজাৰ টকা খৰছ হৈছিল। এই খৰছ নোলাল। ইন্দ্ৰমালতীয়েও বিশেষ ক্ষতিপূৰণ দিব নোৱাৰিলে। তথাপিতো তেখেত পৰম আশাবাদী হৈ আছিল। "জয়মতী"ক হিন্দীলৈ ৰূপান্তৰ কৰাৰ ইচ্ছা সেইদিনা জ্যোতিয়ে প্ৰকাশ কৰিছিল। জ্যোতিয়ে কোৱা মতে তেতিয়া তেখেতৰ তেজত এচিডৰ পৰিমান কম আছিল—তেতেলি টেঙা খাই থাকিব

লগা হৈছিল। চিকিৎসাৰ কাৰণে চিলঙলৈ যোৱাৰ কথা। কিছু দিনৰ পিছত চিলঙৰ পৰা ঘূৰি আহিল। চিকিৎসাই একো কাম নিদিলে। তেজপুৰৰ পকীত আহি সুন্দৰৰ শিল্পী ৰূপকোঁৱৰে ইহ লীলা সম্বৰিলে। অসমীয়া জাতিৰ জ্যোতি ম্লান পৰিল।

তেজপুৰত লোকেল বোৰ্ড গঠন হোৱা দিনৰে পৰা একাদি ক্ৰমে মই ইয়াৰ সদস্য হৈ আছিলোঁ। স্বাধীনতা লাভ কৰাৰ পিছতে মোৰ অঞ্চলটোৰ কেনেকৈ উন্নতি কৰিব পাৰো তাৰ কাৰণে চেষ্টা কৰিব ধৰিলো। শিক্ষাৰ কথাটোতে প্ৰথমে জোৰ দিলোঁ। আমাৰ বৰঝাৰ এম ভি স্কুলখনেই অঞ্চলটোৰ আটাইতকৈ পুৰণি শিক্ষানুষ্ঠান। ইয়াতে চাকৰি কৰি মই স্বাধীনতা আন্দোলনত লাগি চাকৰি হেৰুৱালোঁ। এই স্কুল খন হাইস্কুল কৰিবলৈ মোৰ প্ৰবল হেঁপাহ হল। আগতে এম ভি পাছ কৰি ইংৰাজী স্কুলত পঢ়িলে ক্লাছ ফাইভত নাম ভৰ্ত্তি কৰিব লাগিছিল। তেনে কৰাত লৰা-ছোৱালী বিলাকৰ দুবছৰ ক্ষতি হয়। এম ভিত যদি ইংৰাজী পঢ়োৱা হয় তেনেহলে এম ভি পাছ কৰি ক্লাছ চেভেনত পঢ়িব পাৰে আৰু বছৰ ক্ষতি নহয়। মই বৰুৱা চুবুৰীৰ শ্ৰীফণীধৰ ডেকা নামৰ লৰা এজনক বৰঝাৰ এম ভিত ইংৰাজী পঢ়াবলৈ লগাই দিলোঁ। তেওঁক দৰমহা দিবৰ বাবে ছাত্ৰ-ছাত্ৰীৰ পৰা মাহে এটকাকৈ ফিজ দিয়াৰ নিয়ম কৰিলোঁ। স্কুলৰ মেনেজিং কমিটিতে সেইদৰে সিদ্ধান্ত লৈ এম ভি খনতে ইংৰাজী পঢ়োৱাৰ ব্যৱস্থা কৰা হল।

হাইস্কুল প্ৰতিষ্ঠা কৰিবৰ কাৰণে মই তলে তলে মাটি চোৱাত লাগিলোঁ। বৰ্ত্তমান হাইস্কুল থকা ঠাইখিনি পছন্দ হল। সেই ঠাইখিনি তেতিয়া গাৰ্বজ হৈ পৰি আছিল। জেনেৰেটৰ, লোহা, যুদ্ধৰ যাবতীয় আহিলা পাতি বিলাক নষ্ট কৰি তাত পেলাই থোৱা আছিল। তাৰ পৰা ভাল জেনেৰেটৰ উঠাই আনি আমি বাস

উৎসৱত ব্যৱহাৰ কৰিছিলো। এইবোৰ কাম ৺ললিত শইকীয়াৰ দ্বাৰা কৰোৱা হৈছিল।

মই লোকেল বোৰ্ডৰ চৰকাৰী ধন বিতৰণ কমিটীৰ সদস্য হৈ থকা সময়ৰ কথা। ৺আলটাফ তেতিয়া দৰং জিলাৰ (বৰ্ত্তমান শোনিতপুৰ আৰু মঙ্গলদৈ) উপায়ুক্ত। চৰকাৰৰ পৰা কিছু টকা আহিছে। উপায়ুক্তৰ কোঠাত ধন বিতৰণ কমিটি বহিল। সেই কমিটিৰ মেম্বাৰ আছিল—শ্ৰীবিজয় চন্দ্ৰ ভাগৱতী, ৺বিশ্বদেৱ শৰ্ম্মা, ৺ফুলাল চন্দ্ৰ ভট্টাচাৰ্য্য আৰু মই। অন্যান্য শিতানৰ উপৰিও স্কুলৰ কাৰণে ছহেজাৰ টকা আছে। স্কুলৰ টকাখিনি ৺ফুলাল চন্দ্ৰ ভট্টাচাৰ্য্যই তেজপুৰ একাডেমীৰ কাৰণে দিবলৈ জোৰ কৰিছে। মই ডেকাৰ গাঁৱত এখন হাইস্কুল প্ৰতিষ্ঠা কৰিবৰ কাৰণে সেই টকা খিনি দিব লাগে বুলি দাবী কৰিলোঁ। ইতিমধ্যে ৰৰঝাৰ এম ভি স্কুলত ইংৰাজী পঢ়াই থকাৰ কথাটোও সভাত ব্যক্ত কৰিলোঁ। ভট্টাচাৰ্য্য ডাঙৰীয়াই মোৰ কথা শুনিব নোখোজে। মোৰ তেতিয়া পেটে পেটে খং উঠিল। মই তেতিয়া ভট্টাচাৰ্য্য দেৱক উদ্দেশ্য কৰি কলো—আপোনালোকৰ চহৰৰ লৰা-ছোৱালীয়ে ইংৰাজী শিক্ষা লৈ হাকিম মুক্তিফ হওক আৰু আমাৰ গাঁৱৰ লৰা ছোৱালীবোৰ এম ভি পাছ কৰি মণ্ডল আৰু এল পি স্কুলৰ পণ্ডিত হৈয়ে থাকক। এয়েই যেতিয়া বিচাৰ তাকে হওক। ৺বিশ্বদেৱ শৰ্ম্মাই চাই কলো—আপেনোৰ খুলশালীয়ে ডেকাৰ গাঁৱৰ পৰা খোজ কাঢ়ি অহা যোৱা কৰি টাউনৰ স্কুলত পঢ়িছে—আপুনি কথাটো দকৈ ভাবি চাব। এইদৰে কোৱাত শ্ৰীবিজয় চন্দ্ৰ ভাগৱতী দেৱে ছহেজাৰ টকা ডেকাৰ গাৱত হাইস্কুল পাতিবৰ কাৰণে দিবলৈ দিলে। ৺বিশ্বদেৱ শৰ্ম্মাইও তাত সমৰ্থন জনালে। এয়ে হল ডেকাৰ গাওঁ হাইস্কুলৰ বাবে অৰ্থ সংগ্ৰহৰ প্ৰথম আৰম্ভনি। ডেকাৰ গাওঁ হাইস্কুলৰ বাবে কমিটি গঠন হোৱাত বাইজে মোক কমিটীৰ সভাপতি পাতিলে। শ্ৰীপ্ৰমোদ

শইকীয়া সম্পাদক হল। স্কুল ঘৰ নির্মাণৰ কাৰণে ৺আলি হাজাৰিকাৰ ওচৰ চাপিলোঁ। তেওঁ ঘৰটো সাজি দিলে। স্কুলত ছাত্র-ছাত্রী বহুত হল। ৺বেদধৰ দাসক হাইস্কুলত প্রধান শিক্ষক নিযুক্তি দিয়া হল। প্রথমে এম ই হিচাবে স্বীকৃতি লাভ কৰি পিছত হাইস্কুল শাখাৰো স্বীকৃতি অনা হল। পুখুৰীৰ দক্ষিণ পাৰটো এজন পট্টাদাৰৰ মাটি আছিল। সেই মাটিখিনি এশ টকাত তেওঁৰ পৰা কিনি লোৱা হৈছিল। এখন কাগজত চাৰি পইছাৰ ৰেভিনিউ টিকেট লগাই বিক্রী পত্র লিখা হৈছিল। স্কুল প্রতিষ্ঠা কৰা সময়ত ৰাইজৰ পৰা মাত্র ৪৫০ টকা চান্দা উঠোৱা হৈছিল। স্কুল নির্মাণত ৺আলি হাজাৰিকাৰ সহায় স্মৰণযোগ্য। তেওঁ তেতিয়া লোকেল বোর্ডৰ ভাইচ চেয়াৰমেন। হাট বজাৰৰ ডাক পাওঁতাৰ পৰাও স্কুলৰ বাবে চান্দা লোৱা হৈছিল। মই তেতিয়া লেগু এড্ভাইচৰী বোর্ডৰো মেম্বাৰ আছিলোঁ। স্কুলৰ সম্মুখত সাত বিঘা পট্টাদাৰৰ মাটি আছিল। এই মাটিখিনি স্কুলৰ কাৰণে লৈ ইয়াৰ পৰিবর্ত্তে হলেশ্বৰ মৌজাৰ পুনিয়নী গোপ্চাৰত পট্টাদাৰ সকলক চৌদ্ধ বিঘা মাটি দিয়া হল। ৰৰঝাৰ এম ভি স্কুলখন আগৰ ঠাইৰ পৰা সুবিধাৰ কাৰণে বর্ত্তমানৰ ঠাইলৈ অনা হল। এই কামৰ কাৰণে লোকেল বোর্ডৰ পৰা কিছু টকা মঞ্জুৰ কৰোৱা হৈছিল। আমাৰ গাঁৱৰে এজন ঠিকাদাৰ শ্রীভোলাৰাম দাসক টকাখিনি দি কোনো লাভ নোলোৱাকৈ কামটো কৰি দিবলৈ কলোঁ। তেৱেঁা ৰাজী হৈ পুৰণি স্কুল ঘৰটো ভাঙি বর্ত্তমানৰ ঠাইত সাজি দিলে।

জন সোঁতেদিঃ ৰুৰেল পঞ্চায়ত

সুৰবাৰী বাগানৰ প্রোপ্রাইটৰ ৺আলি মহম্মদ হুচেইন হাজৰিকা মোৰ লগত ক্রমান্বয়ে অন্তৰঙ্গ বন্ধু হৈ পৰিল। হাজৰিকাৰ বাগিচাৰ

বঙলালৈ মই সযতনে অহা যোৱা কৰিবলৈ ললোঁ। হাজৰিকাৰ পৰিয়াৰ, ভাগুৰ লৰা নেছিম, ছোৱালী ছুজনীক্ৰমে বিন্নু আৰু জুমু আমাৰ ঘৰৰ পৰিয়ালৰ লগত আপোন হৈ পৰিল। তেওঁলোক আমাৰ ঘৰলৈ আহে, আমাৰ পৰিয়ালো তেওঁলোকৰ ঘৰলৈ যায়। মোৰভাগুৰ ছোৱালী বেণু আৰু তাৰ পিছৰ ননী তেতিয়া এল পি স্কুলত পঢ়ে। হাজৰিকাৰ ছোৱালী ছুগৰাকীয়ে ইহতঁক নিজৰ ভনীৰ দৰে মৰম কৰে। হাজৰিকাৰ ঘৰত পুৰণি অসমীয়া সাজ পাৰ, গহনা গাঠৰি যেনে গাম খাৰু, গেজেৰা, বেনা, ছুগছুগী, কেৰু, গলপতা দেখি মই অবাক হলোঁ। সেইবোৰ তেওঁলোকে ব্যৱহাৰ কৰে। ৺আলি হাজৰিকাই তেওঁলোকৰ পূৰ্ব্ব পুৰুষে আহোম ৰজাৰ দিনত দৈবজ্ঞৰ হতুৱাই চোৱা চিতা কৰোৱাৰ এখন বহী দেখুৱাইছিল। তাত তেওঁলোকে নামৰ আগত "শ্ৰী" শব্দ ব্যৱহাৰ কৰিছিল। আলি হাজৰিকাৰ পৰা জনামতে তেওঁলোকৰ পূৰ্ব্ব পুৰুষ মিৰজুমলাৰ লগত অসমলৈ আহিছিল। মিৰজুমলা আহোম ৰজাৰ লগত সন্ধি কৰি ঘূৰি গল। কিন্তু হাজৰিকাৰ পূৰ্ব্বপুৰুষ অসমতে থাকি গল। হিলৈত কেনেকৈ জুই দিব লাগে সেই বিষয়ে শিকাবলৈ মিৰজুমলাই এওঁ লোকক অসমত থৈ যায় বুলি কয়। এওঁলোকৰ পৰিয়ালক তেতিয়াৰ পৰা হিলৈদাৰি হাজৰিকা পৰিয়াল বুলি কোৱা হয়। হিলৈদাৰি হাজৰিকাৰ পৰিয়াল কেইবাশ বছৰৰ আগতেই অসমলৈ আহি অসমৰ মাটি পানী জলবায়ুত মিলি গৈ একেবাৰে অসমীয়া হৈ পৰিল। তেওঁলোক মাত্ৰ ধৰ্ম্মত ইচলাম ধৰ্ম্মীয় লোক হল। হাজৰিকাৰ পৰিয়ালৰ ইতিবৃত্ত জনাৰ পিছত তেওঁলোকৰ প্ৰতি মোৰ মৰম স্নেহৰ এনাজৰি দাল ভাবিব নোৱাৰা ধৰনে কটকটীয়া হৈ পৰিল।

স্বাধীনতাৰ পিছত ভাৰতীয় সংবিধান ৰচনা হল। ১৯৫০ চনৰ ২৬ জানুৱাৰীত ভাৰতীয় প্ৰজাতন্ত্ৰৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপিত হল।

১৯৫২ চনৰ পৰা সাধাৰণ নিৰ্ব্বাচন যোগে দেশৰ জন সাধাৰণে নিৰ্ব্বাচন কৰা প্ৰতিনিধিৰে দেশ শাসিত হব ধৰিলে। পঞ্চ বাৰ্ষিক পৰিকল্পনা যোগে দেশখনৰ সৰ্ব্বাঙ্গীন উন্নতিৰ কাৰণে আঁচনি প্ৰস্তুত হব ধৰিলে। নৱ ভাৰতৰ নিৰ্ম্মাতা ৰূপে জৱাহৰ লাল নেহৰু প্ৰথম প্ৰধান মন্ত্ৰী হ'ল। গান্ধীজীৰ পঞ্চায়তী ৰাজ আদৰ্শৰে অনুপ্ৰাণিত হৈ গ্ৰাম্য স্বৰাজৰ দিশত কাম কাজৰ আঁচনিও প্ৰস্তুত হব ধৰিলে। গাওঁ বিলাকৰ উন্নতিৰ কাৰণে প্ৰথমে ৰুবেল পঞ্চায়তক দায়িত্ব দিয়া হল। ৰুবেল পঞ্চায়ত নিৰ্ব্বাচন প্ৰসঙ্গত মোৰ কিছু কথা উল্লেখ কৰিছো।

ৰুবেল পঞ্চায়ত এলেকাত প্ৰথমে চাহ বাগিচাবোৰ অন্তৰ্ভুক্ত নাছিল। নুৰ বাৰী চাহ বাগিচা ব্যতিক্ৰম হ'ল। আমি বহুত চেষ্টা কৰি এই চাহ বাগিচা খন পঞ্চায়তৰ অন্তৰ্ভুক্ত কৰি ললোঁ। আলি হাজৰিকাই নিজেই এই ক্ষেত্ৰত আগ ভাগ লৈছিল। আলি হাজৰিকাক ৰুবেল পঞ্চায়তৰ সভাপতি পাতিম বুলি স্থিৰ কৰিলোঁ। মোৰ ওপৰত ৰাইজৰ মৰম স্নেহ আৰু আস্থা অটুট হৈ আছে বুলি জানিও মই সভাপতি হব নিবিচাৰিলোঁ। ৰাইজে বাছিলে মই উপ-সভাপতি হৈও ৰাইজৰ সেৱা কৰিব পাৰিম। হিন্দু প্ৰধান এটা অঞ্চলত যদি এজন মুছলিম লোকক পঞ্চায়ত সভাপতি নিৰ্ব্বাচিত কৰিব পৰা হয় তেতিয়া হলে ধৰ্ম্ম নিৰপেক্ষতাৰ ক্ষেত্ৰত আমি এক উদাহৰণ দাঙি ধৰিব পাৰিম। মই এই কথাটো মনে মনে ভাবি আছিলোঁ। নিৰ্ব্বাচনৰ সময় আহিল। মই হাজৰিকাক সভাপতিৰ কাৰণে চেষ্টা কৰিবলৈ কলোঁ আৰু মই সভাপতি নহওঁ বুলি তেওঁক কথা দিলো। সেইমতে তেওঁ নিৰ্ব্বাচনলৈ ওলাল। এই কথা শুনি শ্ৰীবিজয় চন্দ্ৰ ভাগৱতী আৰু ৺অমিয় দাদা মোৰ ঘৰ ওলালহি। ৺অমিয় দাদাই মোক ৰুবেল পঞ্চায়তৰ সভাপতিৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰিবলৈ কয়। মই তেতিয়া দাদাক কলোঁ যে মই আলি হাজৰিকাক পূৰ্ব্বতে কথা দিছো। এতিয়া সেই কথা লৰচৰ নকৰো। তেওঁৱেই

সভাপতি হওক। ভাগৱতীয়ে একো নকৈ আমাৰ কথা শুনি আছে। ৺অমিয় দাদাই আলি হাজৰিকাৰ আগৰ কথা কিছু শুনালে। তেওঁ পাকিস্তান পন্থী। আগতে শিলচৰৰ এখন চাহ বাগিচাত মেনেজাৰ হৈ থাকোতে তেওঁ অসমক পূব পাকিস্থানৰ লগত চামিল কৰিবলৈ চেষ্টা কৰিছিল। মই কলোঁ। তেতিয়া কৰিব পাৰে কিন্তু তেওঁ এতিয়া সম্পূৰ্ণ বেলেগ মানুহ। মই নিজে তেওঁক কংগ্ৰেছৰ সক্ৰিয়

আলি হাজৰিকাৰ (লিখকৰ সোঁ ফালে) লগত কংগ্ৰেছ কৰ্মী সকল

সদস্য কৰিছো। তেওঁ কংগ্ৰেছী আৰু পুৰণি অসমীয়া মুছলমান। ধৰ্ম্মৰ বাহিৰে তেওঁলোকৰ পৰিয়ালৰ মাত-কথা, সাজ-পোছাক, চাল-চলন, আচাৰ-ব্যৱহাৰ সকলো অসমীয়া। ভাগৱতী নিমাত, দাদাই মোলৈ তভক মাৰি চাই আছিল। দাদালৈ মোৰ ভয়ও লাগিছিল। তেখেতক গান্ধীবাদী লোক হিচাবে মই বৰ শ্ৰদ্ধা কৰিছিলোঁ। তেখেতক বুজাবলৈ যোৱাতো মোৰ ধৃষ্টতা প্ৰকাশহে হয়। তথাপিতো

মই কলো যে আলি হাজৰিকাৰ যোগেদি মই আমাৰ পিচ পৰি থকা অঞ্চলটোৰ বাবে কিছু উন্নতি মূলক কাম কৰিব পাৰিম। তেওঁ টকা থকা মানুহ আৰু দ্বিতীয়তে ওপৰৰ বহু লোকৰ লগত বন্ধুত্ব আৰু খাতিৰ আছে। বাইজৰ কাম কৰাত তেওঁ থাকিলে মোৰ সুবিধা হব। তেওঁ এসময়ত কিবা ভুল কৰিছিল যদিও এতিয়া পুনৰ সেই ভুল কৰাৰ সুবিধা নাই। ভুলৰ সংশোধন আছে। ভুল কৰিছিল বুলি আমি তেওঁক বাদ দি থলে আৰু সন্দেহ কৰি থাকিলে পৰিণাম বেয়াহে হব। তেওঁক আমাৰ মাজত সুমুৱাই লোৱাহে উচিত। মোৰ কথা সেইদিনা ছুয়ো আগ শাৰীৰ নেতাই মন দি শুনিলে। পিছত অন্যান্য ছুই এটা কথা পাতি তেখেত সকল উঠিল। নিৰ্ব্বাচন হল। আলি হাজৰিকাক ৺নেত্ৰধৰ শইকীয়া, ৺কমলাকান্ত দাস আৰু ৺বেনুধৰ দাসে প্ৰতিদ্বন্দ্বিতা কৰিছিল কিন্তু হাৰিল। উপ সভাপতিৰ কাৰণে মোৰ বিৰুদ্ধে এজন উঠিছিল—কিন্তু কামত নাহিল। এইদৰে প্ৰথম ৰুবেল পঞ্চায়তত আলি হাজৰিকা সভাপতি আৰু মই উপ-সভাপতি হলোঁ।

ডেকাৰ গাঁৱত এখন সমবায় দোকান আছিল। জেলৰ পৰা ওলাই অহাৰ পিছত এইখন প্ৰতিষ্ঠা কৰা হৈছিল। যুদ্ধৰ সময়ত খাদ্যবস্তু আৰু অন্যান্য নিত্য ব্যৱহাৰ্য্য সামগ্ৰী সমূহৰ নাটনি হল। লাভখোৰ বেপাৰী মহলে বস্তুবোৰ লুকুৱাই পেলালে আৰু অধিক মূল্যত সেইবোৰ বেচি ৰাতিৰ ভিতৰতে ধনবান হবলৈ ধৰিলে। চৰকাৰে ভাৰত প্ৰতিৰক্ষা আইন মতে নিত্য ব্যৱহাৰ্য সামগ্ৰী সমূহৰ নিয়ন্ত্ৰণ কৰিলে। ৰেচন কাৰ্ডৰ ব্যৱস্থা কৰা হল। ডেকাৰ গাওঁ কো-অপাৰেটিভ দোকানৰ যোগেদি নিয়ন্ত্ৰিত মূল্যত খাদ্য সামগ্ৰী সমূহ বাইজৰ মাজত বিতৰণ কৰা হৈছিল। স্বাধীনতাৰ পিছত এই কো-অপাৰেটিভ দোকানখন হলেশ্বৰ ব্যৱসায় সমবায় সমিতিলৈ পৰিবৰ্ত্তন কৰা হয়। পাঁচ টকাকৈ চেয়াৰ বিক্ৰী কৰি এই সমবায়

প্ৰতিষ্ঠান খোলা হৈছিল। কিছু বছৰ ধৰি গোটেই হলেশ্বৰ মৌজাৰ বাইজক সুলভ মূল্যত এই প্ৰতিষ্ঠানৰ যোগেদি মাল বস্তুৰ যোগান ধৰা হৈছিল। শেহৰ কালে ৺বাবুৰাম বৰুৱা সমবায়ৰ মেনেজাৰ হৈছিল। এদিন ৰাতি কোনোৱা দুৰ্বৃত্তই দোকানৰ বেৰ ভাঙি সোমাই কাপোৰ কানিকে ধৰি বহুত বস্তু আৰু নগদ টকা চুৰি কৰি লৈ গল। ৺লয়দা ভাতি নামৰ এজন ৰাতিৰ চকীদাৰ আছিল। সি আগফালে বাৰান্দাত শুই থাকোতে পিছফালে চোৰ সোমাই কেতিয়া মাল বস্তু লৈ গল গমকে নাপালে। সমবায় দুৰ্ব্বল হল। কেইদিন মানৰ পিছত অংশীদাৰ সকলৰ মিটিং বহিল। সভাপতি আছিল হুজৰিকা। এই সভাতে সিদ্ধান্ত হল যে সমবায় বন্ধ কৰা হওক আৰু সমবায়ৰ নামত থকা মাটি ঘৰ চাৰে সাত হেজাৰ টকাত কৰেল পঞ্চায়তক দিয়া হওক। সেইমতে নতুনকৈ স্থাপন হোৱা কৰেল পঞ্চায়তে হলেশ্বৰ ব্যৱসায় সমবায় সমিতিৰ ঘৰ মাটি কিনি তাত কাৰ্য্যালয় আৰম্ভ কৰিলে।

হলেশ্বৰ দেৱালয়ৰ ওচৰত বৰপুখুৰী গাওঁ। এই গাঁৱতে পুৰণি দিনীয়া এটা পুখুৰী আছে। প্ৰায় ত্ৰিশ বিঘা মাটিৰ পুখুৰী। পুখুৰীটোক বৰ পুখুৰী বুলি কয়। ই পিট মেটেকাৰে পৰিপূৰ্ণ হৈ আছিল। পুখুৰীৰ ইতিহাস হয়তো কোনোবা বুৰঞ্জীবিদ প্ৰত্নতাত্ত্বিকে উদ্ধাৰ কৰিছে। সঠিক চন তাৰিখ মনত নাই। মই তেতিয়া বৰ পুখুৰী ওচৰৰ গবৈমাৰী স্কুলত চাকৰি কৰোঁ। এদিন বৰ পুখুৰীৰ এটা চুকত দুজনা মূৰ্ত্তি ওলাল। এজনা ব্ৰহ্মাৰ আৰু ইজনা গণেশৰ। গাঁৱৰ বাইজে মূৰ্ত্তি দুজনা তাৰ পৰা নি তেওঁলোকৰ নামঘৰত ৰাখিলে গৈ। কথাটো লাহে লাহে সদৰি হোৱাত পুৰাতত্ত্ব বিভাগৰ পৰা মানুহ আহিল। চৰকাৰৰ মানুহে মূৰ্ত্তি দুজনা লৈ যাব খোজাত গাঁৱৰ বাইজে আপত্তি কৰিলে। নামঘৰত মানুহ গোট খালে। হলেশ্বৰ মৌজাৰ মৌজাদাৰো আছিল। খবৰটো শুনি স্কুলৰ পৰা

মধ্যে নামঘৰ পালোগৈ। বাইজৰ যুক্তি হল মূৰ্ত্তি দুজনাৰ লগত সেই অঞ্চলৰ এটা ঐতিহাসিক পৰম্পৰা জড়িত হৈ আছে। মূৰ্ত্তি দুজনা লৈ গলে এই পৰম্পৰা ব্যাহত হব। বাইজৰ মনোভাব বুজি চৰকাৰৰ মানুহক মূৰ্ত্তিৰ লগত জড়িত ৰাজহুৱা আবেগৰ কথা বুজাই কোৱাত মূৰ্ত্তি নিনিয়াটোকেই সিদ্ধান্ত হল। প্রত্নতাত্বিক ৺ৰাজমোহন ডাঙৰীয়াই কোৱা মতে এনেকুৱা ব্ৰহ্মাৰ মূৰ্ত্তি এজনা ময়ূৰভঞ্জতো আছে। ভাৰতৰ আন ক'তো এনে মূৰ্ত্তি থকাৰ সম্ভেদ পোৱা নাই। এতিয়াও এই দুজনা মূৰ্ত্তি বৰ পুখুৰীৰ নতুন নামঘৰত আটোম টোকাৰিকৈ সজাই থোৱা হৈছে।

ৰুবেল পঞ্চায়ত হোৱাত সেই পুখুৰীটোত মাছ পোহাৰ কথা ভবা হল। ৰুবেল পঞ্চায়তৰ অধীনত তেতিয়া মাছ পোহা আঁচনি নাছিল যদিও আমি এক প্রকাৰ জোৰ কৰি এনে কাৰ্য্যসূচী হাতত ললোঁ। ৰুবেল পঞ্চায়ত সভাত বৰ পুখুৰী উন্নয়ণৰ কাৰণে দহ হাজাৰ টকা মঞ্জুৰ কৰা হল। বৰ পুখুৰীৰ ৰাইজে এই টকাৰে পুখুৰীটো মাছ পোহাৰ উপযোগী কৰি তুলিবলৈ আগবাঢ়ি আহিল। ইয়াত ৺চেনাৰাম নাথে আগ ভাগ লৈছিল। আলি হাজৰিকা আৰু মই নিজে পুখুৰীৰ কাম চোৱা চিতা কৰি থাকোঁ। পুৰণি পিট আৰু মেটেকা উঠোৱাৰ পিছত ৰৌ মাছৰ পোনা দিয়া হল। তিনি বছৰ মাছৰ পোনা দিয়া হৈছিল। পানপুৰৰ পৰা মাছৰ পোনা অনা হৈছিল। পোনা আনিবলৈ আলি হাজৰিকা আৰু মই জীপ গাড়ীত যাওঁ। হাজৰিকাৰ জীপ গাড়ী। পুখুৰীত প্রথম পোনা দিয়াৰ তিনি বছৰৰ পিছত মাছ মাৰিবলৈ দিন স্থিৰ কৰা হল। কলিবাৰীৰ ৺গঙ্গাৰাম দাসক মাছ মৰাৰ দায়িত্ব দিয়া হৈছিল। দাসে নাও, জাল, জাল টনা মানুহ আদি যোগাৰ কৰিলে। তেতিয়াৰ ই, এ, ছি শ্রীমোহিনী ফুকনক মতা হল। বৰ পুখুৰী পাৰ লোকে লোকাৰণ্য হল। মাছ জালত অহাৰ বাহিৰেও ওপৰলৈ জপিয়াইছে বৰমুণৰ

দৰে। কি অপূৰ্ব্ব দৃশ্য। আজিৰ দিনত হোৱা হলে দূৰ দৰ্শনে এই কাৰ্য্যসূচী প্ৰচাৰ কৰিলে হেতেন। কম মূল্যত বাইজৰ মাজত মাছ বিতৰণ কৰা হল। এয়া আছিল বৰ পুখুৰী উদ্ধাৰৰ প্ৰথম পদক্ষেপ। তেতিয়াৰ পৰা আজিকোপতি বৰ পুখুৰীত ফিছাৰী চলি আছে।

গাঁৱৰ ৰাস্তা ঘাটৰ উন্নতি সাধন পঞ্চায়ত আঁচনিৰ অন্তৰ্গত আছিল। পতীয়া চুবুৰী-জাহাজ ডুবা ৰাস্তাটো নিৰ্ম্মান কৰিবৰ বাবে পঞ্চায়তত সিদ্ধান্ত কৰা হয়। ৰাস্তাটোৰ দৈৰ্ঘ্য প্ৰায় চাৰি মাইল। ই পতীয়া চুবুৰীত আৰম্ভ হৈ শইকীয়া চুবুৰী, মুছলমান গাওঁ, হাবি গাওঁ পৰোৱা গাঁৱৰ মাজেদি গৈ জাহাজ ডুবাইদি পাচ

শ্ৰীতিভোজৰ স্মৃতি আলোক চিত্ৰত

মাইলৰ ৰাস্তাত লাগিছে গৈ। এই ৰাস্তাৰ আশে পাশে থকা চুবুৰী বিলাক হল—পতীয়া চুবুৰী, কমাৰ চুবুৰী, বড়া পুখুৰীৰ এক

অংশ, মুছলমান গাওঁ, শইকীয়া চুবুৰী, হাবিগাওঁ বমুৱা, মুৰবাৰী, পবোৱা আৰু জাহাজ ডুবা। জাহাজ ডুবাত এতিয়াও ছুটা ওখ টিপ আছে। একালত সেই ফালেদিয়েই ভৰলী নদী গৈছিল। টিপ ছুটা ডুব যোৱা জাহাজ বুলি কয়। এই ৰাস্তাই সংলগ্ন কৰা গাওঁ বিলাকৰ ৰাইজেই ৰাস্তা বন্ধাৰ কাম হাতত ললে। পঞ্চায়তৰ পৰা আৰ্থিক সাহায্য দিয়া হৈছিল। ১৯৫৫ চনত এই কাম কৰা হৈছিল। ৰাইজৰ উছাহ উদ্দীপনা দেখি ভাল লাগিছিল। কাম চাবলৈ দিনটোত আলি হাজৰিকা বা মই এবাৰ হলেও যাওঁৱেই। ৰাস্তা বন্ধা শেষ হোৱাত পবোৱা গোপচাৰত প্ৰীতি ভোজৰ যোগাৰ কৰিলোঁ। ওচৰা ওচৰিকৈ তিনটা আথা পতা হল। এটা মুছলিমৰ, এটা হিন্দুৰ আৰু এটা হিন্দু বমুৱা সকলৰ। নিৰামিষ ভোজ। একে সময়তে পাগ শেষ কৰি সকলো ৰাইজ শাৰী পাতি বহিল। কলপটুৱাৰ দোৰোলা চলিহাত ভোজ বিলালে। ওচৰা ওচৰিকৈ বহি সকলোৱে ভোজ খোৱা আৰম্ভ কৰিলে। কি অপূৰ্ব্ব মনোৰম, মনোমোহা দৃশ্য! গান্ধীজীৰ অস্পৃশ্যতা নিবাৰণৰ সপোন দিঠকত ফলিওৱা যেন লাগিল। আলি হাজৰিকা আৰু মই লগলাগি ৰাইজৰ পৰা চান্দা উঠাই এই ভোজ পাতিছিলোঁ। তেজপুৰ সমষ্টিৰ বিধায়ক ৺মহীকান্ত দাস আৰু নিকামুল সত্ৰৰ সত্ৰাধিকাৰ ৺গহনচন্দ্ৰ গোস্বামী ভোজত উপস্থিত আছিল।

স্বাধীন জাতি হিচাবে পৰিচয় দিবলৈ পোৱাত ভাৰতবাসী পৰম আনন্দিত হল। সকলোৱে মুকলি মুৰীয়াকৈ কাম কৰাৰ সুবিধা পালে। কৰেল পঞ্চায়তৰ যোগেদি ৰাইজৰ উন্নয়ণ মূলক কামত লাগিবলৈ সুযোগ অহাত মোৰ মনত অপাৰ আনন্দ। সদায় ৰাইজৰ কামতেই ব্যস্ত থাকোঁ। ঘৰ পৰিবাৰে চলায়। কাম কৰা মানুহ এজন ঘৰত ৰাখোৱেই। তেওঁ বাৰীখন চাফ্-চিকুন কৰি ৰখা, দোকান বজাৰ কৰা, ধানখেতি কৰা আদি কাম কৰে। ৰৱপথাৰত-

ছবিধা খেতিৰ মাটি আছে। তাৰ পৰা পোৱা ধানেৰে বছৰ টোলৈ জোৰে। ইয়াৰোপৰি গাই পোহাটো মোৰ সকৰে চথ। পিতাদেৰেও গাই পুহিছিল আৰু ঘৰৰ গাখীৰ খুৱাই মোক ডাঙৰ কৰিছিল। এই অভ্যাসটো মোৰ এতিয়াও আছে। কোনোদিন মোৰ ঘৰত গাখীৰৰ নাটনি হোৱা নাই। ছুসেৰৰ (এতিয়া লিটাৰ) পৰা দহ বাৰ সেৰলৈকে গাখীৰ হয়। আৱশ্যকীয় খিনি ৰাখি বাকী গাখীৰ ওচৰৰ মানুহক বজাৰতকৈ কম মূল্যত বিক্ৰী কৰো। মোৰ পৰিবাৰৰ ভায়েক ফনী, দুলাল আৰু কমলে মোৰ ঘৰুৱা জীৱনত বৰ সহায় কৰি থাকে। ৰাজহুৱা কামত কেতিয়াবা ঘৰলৈ ৰাতি আহিব নোৱাৰিলে তেওঁলোকৰ কোনোবা এজন আহি থাকেহি। পৰিবাৰৰ জ্যেষ্ঠ ভাতৃ শ্ৰীসূৰ্য্যদাস আৰু ৺চন্দ্ৰদাস চাকৰি কৰি দূৰে দূৰে থাকে। গতিকে ফণী, দুলাল আৰু কমলে আমাৰ পুৰা খবৰ ৰাখে।

ৰুৰেল পঞ্চায়ত আমোলত হলেশ্বৰ মৌজাৰ ভিতৰুৱা গাঁৱৰ ৰাস্তা পদুলি, খোৱা পানী, স্কুল ঘৰ আদি উন্নতিৰ কাৰণে কিছু কাম কৰা হৈছিল। তেতিয়া ৰাইজৰ কাম কৰি আনন্দ লাগিছিল; কিয়নো মানুহৰ উছাহ উদ্দীপনা আৰু সহযোগ পোৱা হৈছিল। পৰাধীন জাতি এটাই স্বাধীনতা পোৱাত নিজৰ দেশৰ উন্নতিৰ হকে সকলোৱে হাত উজান দিছিল। ৰুৰেল পঞ্চায়ত যোগে কিছু বছৰ গাওঁ অঞ্চলৰ কাম হোৱাৰ পিছত অসমত নতুন পঞ্চায়তীৰাজ আইন গৃহীত হল। লোকেল বোৰ্ড সমূহ আগতেই উঠাই দিয়া হৈছিল। পঞ্চায়তী ৰাজ আইন মতে গ্ৰামাঞ্চলৰ ৰাইজৰ সুবিধা, অভাৱ অভিযোগ আদি পূৰণ কৰাৰ দায়িত্ব পঞ্চায়তক দিয়া হল। তাৰোপৰি গাওঁ পঞ্চায়ত সমূহ হল স্বায়ত্ব শাসনৰ নিম্নতম গোট। ক্ষমতাৰ বিকেন্দ্ৰীকৰণৰ লগতে দায়িত্ব আৰু কৰ্ত্তব্যৰ বিকেন্দ্ৰীকৰণ কৰা হল। প্ৰথম পঞ্চায়তীৰাজ আইনমতে তিনি খলপীয়া পঞ্চায়ত অনুষ্ঠানৰ ব্যৱস্থা কৰা হৈছিল। গাওঁ পৰ্য্যায়ত গাওঁ পঞ্চায়ত, অঞ্চল

পৰ্য্যায়ত আঞ্চলিক পঞ্চায়ত আৰু মহকুমা পৰ্য্যায়ত মহকুমা পৰিষদ গঠন কৰা হৈছিল। ১৯৫৯ চনত এই আইন গ্ৰহণ কৰা হৈছিল। নতুন আইনমতে পঞ্চায়ত ব্যৱস্থাৰ প্ৰবৰ্ত্তন হোৱাত কৰেল পঞ্চায়ত উঠি গল। কৰেল পঞ্চায়তৰ যোগেদি হোৱা টকা-পইছাৰ সকলো লেনদেন নতুন পঞ্চায়তে নোলোৱা পৰ্য্যন্ত বন্ধ ৰাখিবলৈ নিৰ্দ্দেশ আহিল। এই সংক্ৰান্তত আমাৰ কৰেল পঞ্চায়ত খনৰ কথা এটা মনত পৰিছে।

ডেকাৰ গাঁৱত কোনো চিকিৎসালয় নাছিল। ৰাইজে এই অভাৱ অনুভৱ কৰি আহিছে। চাৰ্‌ছিদিয়েৰী চিকিৎসালয় হলেও ইযাত এখন লাগে। কৰেল পঞ্চায়ত পুঁজিত তেতিয়া পাঁচ হেজাৰ টকা জমা আছিল। ৺মহেন্দ্ৰ শৰ্ম্মা তেতিয়া পঞ্চায়তৰ সম্পাদক। আলি হাজৰিকা সভাপতি হলেও মোৰ চহীৰে টকা উঠোৱা হয়। ফাণ্ডৰ সমুদায় টকাখিনি উঠাই আনিবৰ বাবে ৺মহেন্দ্ৰ শৰ্ম্মাক চেকত চহী কৰি দিলোঁ। এই টকাৰে চিকিৎসালয়ৰ কাম আৰম্ভ কৰিলোঁ। চিকিৎসালয়ৰ স্থান এতিয়া যত আছে তাতেই আছিল। দুহেজাৰ টকাৰে চিকিৎসালয়ৰ ঘৰ, দুহেজাৰ টকাৰে ডাক্তৰ থকা ঘৰ সজা হল। তেতিয়া ঘৰ সজা সামগ্ৰীৰ মূল্য খুব সস্তা আছিল। চিমেন্তৰ বস্তা সাত টকাত আৰু টিনপাতৰ বান্দিল ত্ৰিশ টকাত পোৱা গৈছিল। মিস্ত্ৰিৰ হাজিৰা তেনেই কম আছিল। বাকী থকা এহেজাৰ টকাৰে গাঁৱত খোৱা পানীৰ কাৰণে কুঁৱাৰ ৰিং বনোৱা হল। পঞ্চায়ত ফাণ্ডৰ টকা এনে অবৈধ ভাবে উঠাই অনা কথাটো কেনেবাকৈ পঞ্চায়ত বিভাগৰ দায়িত্বত থকা বিষয়া জনৰ কাণত পৰিলেগৈ। তেওঁ মোৰ ওপৰত খৰ্গহস্ত হল। পঞ্চায়তৰ সভাপতি আৰু সম্পাদক সকলৰ সভাত বিষয়া গৰাকীয়ে মোৰ ওপৰত অভিযোগ আনিলে। মই তেতিয়া বিষয়াজনক সেই টকাৰে কি কৰিলোঁ অনুসন্ধান কৰিবলৈ কলোঁ। পিছদিনা এজন পৰিদৰ্শক

পঞ্চায়ত অফিচলৈ আহিল। পৰিদৰ্শক জন শিলচৰৰ, নামটো পাহৰিলোঁ। তেওঁ তদন্ত কৰি দেখিলে যে পাঁচহেজাৰ টকা ৰাজহুৱা কামতে খৰছ হৈছে। তেওঁ তদন্তৰ ৰিপোৰ্ট দিলে। অগ্নি শৰ্মা ৰিৰয়াজনৰ ভুল ধাৰণা আঁতৰিল। আজি ৰাজ্যিক চিকিৎসালয়লৈ পৰিবৰ্ত্তিত হোৱা এইখন চিকিৎসালয়ৰ আৰম্ভনি এনেকৈয়ে হৈছিল। এই চিকিৎসালয় প্ৰতিষ্ঠাত ৰাইজৰ পৰা কোনো দান বৰঙণি লোৱা হোৱা নাছিল।

হলেশ্বৰ মৌজাতকৈ গবৈমাৰী মৌজাটো বেচি পিছ পৰা আছিল। বিয়াল্লিশৰ আন্দোলনত গবৈমাৰী মৌজাৰ বিভিন্ন ঠাইত সভা সমিতি ৰাজহুৱা অনুষ্ঠান আৰু ভাওনা থিয়েটাৰত যোগ দি ৰাইজৰ প্ৰিয় ভাজন হৈ পৰিছিলোঁ। সেই অঞ্চলৰ ৺বস্তাই হাজৰিকা, ৺তুলাৰাম বসুমতাৰী, ৺বিষ্ণু বড়ো, ৺বেভাৰেণ্ড জহন তিৰো, ৺বৰ্ণৰাছ নাগ পাহুৰী আৰু ৺জুনাথন ভেংৰা মোৰ প্ৰিয়বন্ধু আছিল। তেওঁলোক আটাই কেইজনেই এতিয়া ইহ সংসাৰৰ পৰা বিদায় মাগিলে। এই সকলৰ স্বৰ্গগত আত্মাই চিৰ শান্তি লাভ কৰক! স্বাধীনতাৰ পিছতে এই অঞ্চলৰ উন্নতিৰ হকে কিছু কাম কৰাৰ হাবিয়াস জন্মিল। ইয়াত এখন জৰাজীৰ্ণ এল পি স্কুলৰ বাহিৰে অন্য কোনো শিক্ষানুষ্ঠান নাছিল। পিছত চলা গাওঁ তিনি আলিত এখন এম, ই স্কুল পাতিছিল। সাধাৰণ ঘৰ এটাত স্কুলখন চলাই থকা হৈছিল। চৰকাৰী সাহায্য একো পোৱা নাছিল। ৺জহন তিৰোপাহুৰী, ৺বস্তাই হাজৰিকা আৰু মই আলোচনা কৰি স্কুলখনৰ উন্নতিৰ বাবে চেষ্টা কৰিলোঁ। এই উদ্দেশ্যে ৰাইজৰ পৰা টকা উঠোৱাত লাগিলোঁ। অৱস্থাপন্ন লোকৰ পৰা এশ টকাকৈ দান সংগ্ৰহ কৰা হল। ৺জুনাথন, ৺তুলাৰাম বসুমতাৰী, কচুবিলৰ বৈদাৰ নেপালী গাওঁবুঢ়া, ৺নাৰায়ণ হাজৰিকাকে আদি কৰি কিছু লোকে টকা দিলে। এদিন মই, বস্তাই আৰু তিৰো তিনিও কথা

পাতি ৺ধীৰাই তেলি নামৰ এজন অৱস্থাপন্ন লোকৰ ঘৰলৈ গলোঁ। তেলিৰ ঘৰ বৈঠা ভঙাত। তেখেতক ঘৰত লগ পালোঁ। আমি স্কুল খনৰ কাৰণে এটা ঘৰ সাজি দিবলৈ তেখেতক অনুৰোধ কৰিলোঁ। আমাৰ তিনি জনৰ কথা ৰাখি তেখেতে ঘৰটো বনাই দিম বুলি কলে। সেইমতে ঘৰ বনালে। ঘৰ ওলাল। এই নতুন ঘৰটো সজা হৈছিল ঘোঁৰামাৰীত। আগৰ এম, ই স্কুলৰ ঠাইৰ পৰা কিছু উত্তৰত। এতিয়া তাতেই হেম বৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়, বালিপাৰা খণ্ড উন্নয়ণ কাৰ্য্যালয় আৰু অন্যান্য অনুষ্ঠান গঢ়ি উঠিছে। ৺ধীৰাই মহাজনে ঘৰ সাজি দিয়াৰ পিছত ৺ধৰণীধৰ বৰুৱাৰ লগত ছাত্ৰ-ছাত্ৰী সকলক নতুন ঘৰলৈ নিবৰ বাবে আলোচনা কৰিলোঁ। বৰুৱাৰ ঘৰ চলা গাৱঁত। পুৰণি ধনী মানুহ। তেখেত সমাজৰ কামত বৰ আগ্ৰহী। কংগ্ৰেছ কৰ্ম্মী আৰু সমাজ সেৱক হিচাবে বৰুৱা পিছলৈ প্ৰখ্যাত হৈ পৰিছিল। বৰুৱাৰ লগত মোৰ ঘনিষ্ঠতা সৰুৰে পৰা। বৰুৱা আঞ্চলিক পঞ্চায়তৰ সভাপতিও হৈছিল। স্কুলৰ স্থান সলনি হোৱাত তেখেতে প্ৰথমে আপত্তি কৰিছিল যদিও ঘোঁৰামাৰী সুবিধাজনক স্থান বুলি প্ৰত্যয় জন্মাত ছাত্ৰ-ছাত্ৰী সকলক তালৈ পঠোৱাত ৰাজী হল। নতুন স্কুল ঘৰ লোৱাৰ দিনা বেণ্ড বজাই সমদলে ছাত্ৰ-ছাত্ৰী সকলক আগবঢ়াই লৈ যোৱা হৈছিল। সেইদিনটোৰ কথা এতিয়াও মনত পৰি থাকে। বেণ্ড পাৰ্টিটো আছিল ঢেকী দল ট্ৰাইবেল লোক সকলৰ। এম, ই স্কুল আৰম্ভ হল। আমি তিনিও প্ৰত্যেক কথাতে একেলগে আলোচনা কৰোঁ। স্কুলখনৰ কি নাম দিয়া হব আমাৰ মাজত আলোচনা হ'ল। ৺বগাই হাজৰিকাই ঘোঁৰামাৰী অঞ্চলৰ নামতে নামকৰণ কৰিব খোজে। ৺জহন পাতুৰীয়ে মই কি কওঁ সেইটোলৈ বাট চাই আছে। প্ৰথমতে চলা গাঁৱৰ নামত স্কুলৰ নাম দিয়া হৈছিল। এতিয়া নতুন ঠাইত স্কুল প্ৰতিষ্ঠা হোৱাত নতুন নাম এটা

দিয়াৰ কথা ভবা হল। ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱা ১৯৪৫ চনত মৃত্যু হল। ৺অমিয় দাদাৰ লগত তেখেতৰ বন্ধুত্ব অতি নিবিড় আছিল। অসমৰ সকলো কংগ্ৰেছ কৰ্মী তথা বাইজে হেম বৰুৱাক শ্ৰদ্ধা কৰিছিল। এইজন ত্যাগী পুৰুষৰ নামত স্কুলখনৰ নামকৰণ কৰাৰ ইচ্ছা মই ব্যক্ত কৰিলোঁ। এই নামেৰে নামকৰণ হলে এজন নিস্বাৰ্থ ব্যক্তিৰ স্মৃতি যুগমীয়া হোৱাৰ লগতে অনুষ্ঠানৰো উন্নতি হব। মোৰ প্ৰস্তাৱত হাজৰিকা আৰু তিৰোৱে সমৰ্থন জনালে। এতিয়া য'ত পঞ্চায়ত ব্লক অফিচ আছে তাত আগতে বজাৰ বহিছিল। এই বজাৰতে বহি আমি তিনিও আলোচনা কৰি আছিলোঁ। বন্নাই হাজৰিকাৰ লগতে মেনেজিং কমিটিৰ প্ৰচিডিং বহী থাকে। আমাৰ

সপত্নীক শ্ৰীমান গোলাপ বৰা

সিদ্ধান্তৰ কথা তেতিয়াই তেওঁ প্ৰচিডিং বহীত লিপিবদ্ধ কৰিলে। তাৰ পিছৰ পৰাই হেমবৰুৱা এম ই স্কুল নাম হল। লাহে লাহে এই স্কুল হাইস্কুল হল। চৰকাৰৰ সাহায্য আহিল, ঘৰ দুৱাৰ ধুনীয়া হ'ল আৰু আজিৰ পৰা কিছু বছৰ আগত এই স্কুল উচ্চতৰ মাধ্যমিক স্কুললৈ উন্নীত হ'ল। মোৰ ককাইদেউৰ লৰা শ্ৰীমান গোলাপ বৰাই এই স্কুলতে অধ্যক্ষ হৈ এতিয়া অৱসৰ ললে। এই স্কুলৰ

কলেৰৰ শ্ৰীবৃদ্ধি হোৱাত শ্ৰীমান গোলাপৰ অৱদান এই অঞ্চলৰ ৰাইজে সদায় মনত ৰাখি আছে। ৰাইজে তেওঁক অতি মৰম কৰিছিল। অৱসৰৰ পিছত তেজপুৰৰ নিজা ঘৰত থাকিলেও তাৰ ৰাইজে এতিয়াও সকলো কামতে তেওঁক বিচাৰে। আজি কেইবছৰ মানৰ আগত গোলাপৰ ডাঙৰ ছোৱালীটিৰ বিয়া হ'ল। ঘোঁৰামাৰীৰ ৰাইজে তেজপুৰত বিয়া পাতিব নিদিলে। ঘোঁৰামাৰীৰ স্কুলৰ চৌহদত ৰাইজে সাহিত্য সভাৰ ৰভাৰ নিচিনাকৈ ডাঙৰ ৰভা সাজি তাত বিবাহ সম্পন্ন কৰিলে। সৎচৰিত্ৰ আৰু নিষ্ঠাবান লোক যে ৰাইজৰ আদৰণীয় ই তাৰ জলন্ত উদাহৰণ। এই স্কুলৰ উন্নতিৰ হকে ইয়াৰ জন্ম লগ্নৰ পৰা এতিয়ালৈকে দেহাৰে আৰু মনেৰে লাগি আছো। মোৰ এখন পুৰনি চাইকেল আছিল। এই চাইকেলত উঠিয়েই গাওঁ ভূঁইত সোমাই ৰাইজৰ কামত ঘূৰি ফুৰিছিলোঁ। ৰাতিপুৰা ৮ মান বজাতে ঘৰৰ পৰা ওলাওঁ। ৺তিবোৰ ঘৰলৈ গলে তাতে দুপৰীয়া ভাত খাওঁ। বেভাৰেণ্ড জহন তিৰো এজন খৃষ্টীয়ান পাদুৰী। প্ৰাক্তন চাহবনুৱা সম্প্ৰদায়ৰ লোক। তেখেতৰ ঘৰ বৈঠাভঙাত। তাত আন এজন পাদুৰী আছিল নাম বৰ্ণবাছ নাগ। নাগৰ লগতো মোৰ নিবিড় বন্ধুত্ব আছিল। বৈঠাভঙাত খৃষ্টান সকলৰ এটা গিৰ্জা আছে। কেতিয়াবা গিৰ্জালৈ মোক নাগ আৰু তিবোৱে লৈ যায়। গিৰ্জাৰ উপাসনা শেষ হলে নাগ পাদুৰীয়ে অতি কোমল কণ্ঠস্বৰেৰে শুৱলাকৈ কয় "এতিয়া আমাৰ বৰা চাহাবে ৰাইজক দু-আষাৰ কলে আমি বৰ সুখী হম।" ধৰ্ম্মৰ ওপৰত বক্তৃতা দিবলৈ মোৰ কোনো গভীৰ অধ্যয়ন নাছিল। মই মাত্ৰ কওঁ যে গিৰ্জা, মন্দিৰ, মচ্জিদ আদি সকলোতে এজন ঈশ্বৰকে বেলেগ বেলেগ নামেৰে মাতিলেও ঈশ্বৰ বা ভগৱান এজনেই। আমি সকলোৱে এজনকে বিচাৰিছোঁ। কোনোৱে আল্লা কৈছে, কোনোবাই গড্ কৈছে আৰু কোনোৱে ঈশ্বৰ বুলি কৈছে। নদী

বিলাকৰ কথাকে ভাবক। কোনোবা খনৰ নাম ভৰলী, কোনোবা খনৰ নাম গাভরু, কোনোবা খনৰ নাম খিলাধাৰী ইত্যাদি। নাম বেলেগ বেলেগ হলেও আটাইবোৰ নদী ব্ৰহ্মপুত্ৰত পৰিছে আৰু ব্ৰহ্মপুত্ৰ বৈ গৈ সাগৰত মিলিছে গৈ। সকলো নদীৰে লক্ষ্য সাগৰ। মোৰ কথাত বাইজ বৰ আনন্দিত হোৱা যেন লাগে। ৺বৰ্ণবাহুৰ লৰা শ্ৰীমান বিমল নাগে প্ৰথম শ্ৰেণীৰ এম, এচ, চি, পি, এইচ, ডি হৈ দৰং কলেজত অধ্যাপনা কৰিছিল। বিজ্ঞানৰ মুৰব্বী অধ্যাপক হৈ এতিয়া অৱসৰ গ্ৰহণ কৰিলে। এজন অতি অমায়িক আৰু সৎলৰা শ্ৰীমান বিমল নাগ।

১৯৫৪ চন। লোকেল বোৰ্ডৰ নিৰ্ব্বাচন আৰম্ভ হল। কংগ্ৰেছ দলে নিৰ্ব্বাচনত অংশগ্ৰহণ কৰিব। দলৰ ফালৰ পৰা আবেদন গ্ৰহণ কৰিলে। হলেশ্বৰ আৰু গবৈমাৰী মৌজাত তিনটা সমষ্টি হল। এই সমষ্টি কেইটাত আলি হাজৰিকা, ৺জহন তিৰো আৰু মই কংগ্ৰেছ প্ৰাৰ্থী হলোঁ। নিৰ্ব্বাচনৰ ফলাফল আমাৰ সপক্ষেই গল। ১৯৪২ চনত একেলগে জেলত থকা মোৰ এজন বন্ধু শ্ৰী জোনাৰাম ভূঞা। তেওঁৰ ঘৰ কলংপুৰ মৌজাৰ চাবেঙ্গীয়াত। ভূঞাৰ ছমাহ জেল হৈছিল। তেওঁ লোকেল বোৰ্ডৰ মেম্বাৰ হৈ আহিছিল। সেইবাৰ এজন হাঁহি মুখীয়া উদ্যোগী ডেকাও লোকেল বোৰ্ডৰ সদস্য নিৰ্ব্বাচিত হৈছিল। তেখেত তেজপুৰত থাকি মোক্তাৰী কৰি আছিল। নাম হল শ্ৰী নবীনচন্দ্ৰ কাথ হাজৰিকা। কাথ হাজৰিকাৰ পুৰণি বাসস্থান কলংপুৰৰ বালিজানত। মেট্ৰিক পাছ কৰি প্ৰথমে পুলিচৰ চিপাহী চাকৰিত সোমাইছিল। অসাধাৰণ বুদ্ধি আৰু অধ্যৱসায়ৰ গুণত অতি সোনকালে চাব্ ইন্সপেক্টৰ হৈ তেজপুৰ আদালত পাইছিলহি। সেই সময়তে শ্ৰীকাথ হাজৰিকাৰ লগত মোৰ চিনাকি হয়। প্ৰথম চিনাকিতে তেখেতে মোক বৰ আপোন কৰি ললে। তেখেত তেতিয়া কলিবাৰীত ভাৰাঘৰত থাকে। মই কাথ

হাজৰিকাৰ ঘৰলৈ মাজে সময়ে যাবলৈ ললোঁ। মানুহজনৰ যে বিচক্ষণ বুদ্ধি আৰু কৰ্ম্মদক্ষতা আছে তাক মই প্ৰথমৰ পৰাই ধৰিব পাৰিছিলোঁ। কাথ হাজৰিকাক পুলিচৰ চাকৰি এৰি মোক্তাৰী পাছ কৰি আদালতত ওকালতি কৰিবলৈ কৈ থাকো। শ্ৰী পূৰ্ণনাৰায়ণ সিংহই তেতিয়া মোক্তাৰী কৰি আছিল। পিছত শুনিলোঁ কাথ হাজৰিকাইও সচাকৈয়ে মোক্তাৰী পাছ কৰি তেজপুৰ আদালতত ওকালতি আৰম্ভ কৰিছে। চাকৰিৰ পৰা স্বাস্থ্যজনিত কাৰণ দেখুৱাই অৱসৰ ললে। এজন উদ্যোগী ডেকা মানুহ হিচাবে কাথ হাজৰিকাক কংগ্ৰেছত সুমুৱাই লোৱাৰ মোৰ প্ৰবল হেপাহ হ'ল। মোৰ মনৰ কথা কোৱাত হাজৰিকাইও কংগ্ৰেছত জইন কৰিবলৈ ইচ্ছা কৰিলে। সময়ত কাথ হাজৰিকা কংগ্ৰেছ সদস্য হল। লোকেল বোৰ্ড নিৰ্ব্বাচনত জয়ী হৈ অহাৰ পিছত লোকেল বোৰ্ডত পাৰ্টিৰ সম্পাদক পতা হল। মই হুইপ হিচাবে থাকিলো। তেতিয়াৰে পৰা কাথ হাজৰিকা মোৰ অন্তৰঙ্গ বন্ধুত পৰিণত হল। তেখেতে পিছত বি, এ, পাছ কৰি সুখ্যাতিৰে এল, এল, বি, পাছ কৰিলে। সাহিত্য, সংস্কৃতি

১৯৫৫ চনত শঙ্কৰ জন্মোৎসৱত কাথহাজৰিকাৰ লগত অভিনীত দুঃশাসনৰ বক্তপানৰ দৃশ্য

আৰু সমাজ সেৱাত সমানে ৰাপ আছে। তেজপুৰ সাহিত্য সভাৰ প্ৰতিষ্ঠাতা সম্পাদক হিচাবে কাথ হাজৰিকাই যথেষ্ট কাম কৰিছিল। মই ভাওনা থিয়েটাৰত ভাও দি ফুৰাৰ কথাতো তেখেতে জানে। এবাৰ বৰ্তমানৰ তেজপুৰ হেম বৰুৱা হল প্ৰাঙ্গনত শঙ্কৰ জন্মোৎসৱ হল। তেখেত তাৰ সম্পাদক। সাংস্কৃতিক বিচিত্ৰানুষ্ঠানত দুঃশাসনৰ বক্তপান দৃশ্যটো প্ৰদৰ্শন কৰা হব। মোক ভীমৰ অভিনয় কৰিবলৈ

দিলে। কাথ হাজৰিকা নিজে দুঃশাসন হল। টাউন হলৰ দক্ষিণে খালি হৈ থকা ঠাই দোখৰত বভা আৰু ষ্টেজ সজা হৈছিল। ষ্টেজত আমি দুয়ো ভীম দুঃশাসন হৈ যুদ্ধ কৰি কৰি শেষত দুঃশাসনক বগৰাই লৈ ভীমৰূপী মই দুঃশাসনৰ বুকুৰ ওপৰত বহি ললোঁ। ভীমৰ বচন ফাকি মাতি তৰ্জন গৰ্জনেৰে দুঃশাসনৰ বুকু বিদাৰি তেজ পিয়াৰ দৰে দেখুৱালোঁ। আগতে যোগাৰ কৰি ৰখা আলটা হাতে মুখে ঘঁহি 'যাজ্ঞসেণী, যাজ্ঞসেণী' বুলি আঁৰ কাপোৰৰ ভিতৰলৈ

[শ্ৰীনবীন চন্দ্ৰ কাথহাজাৰিকা আৰু তেখেতৰ পত্নী শ্ৰীমতী প্ৰতিভা কাথহাজাৰিকা]

দৌৰি যাওঁতে দৰ্শকৰ পৰা জাউৰিয়ে জাউৰিয়ে হাত চাপৰি পৰিছিল। কাথ হাজৰিকা কলিবাৰীৰ পৰা বৰ্ত্তমানৰ ঠাইলৈ অহাত আমাৰ দুয়ো ঘৰৰ মাজত অহা যোৱা ঘন হবলৈ ধৰিলে। কাথ হাজৰিকাৰ সহধৰ্ম্মিনী শ্ৰীমতী প্ৰতিভা কাথ হাজৰিকা এগৰাকী পতি পৰায়ণা আৰু বিদ্যুৎসাহী মহিলা। মই তেখেত

সকলৰ ঘৰলৈ গলে—শ্ৰীমতী কাথ হাজৰিকাই "অ', বৰা আছিছে" বুলি চাহ জলপান যোগাৰ কৰেগৈ। তেখেতৰ ডাঙৰ জীয়ৰী জিনুৰ লগত মোৰ ছোৱালী-ৰেণু আৰু ননীৰ ভাল বন্ধুত্ব আছে।

লোকেল বোৰ্ডসমূহ পূৰ্ণ গতিৰে চলি থকা সময়ৰে এটা কথা মোৰ মনত পৰিছে। ৺চেনিৰাম দাস তেতিয়া চেয়াৰমেন। দাসৰ ওপৰত বহুত অভিযোগ আহি পৰিল। সেয়েহে বোৰ্ডৰ সভাত চেয়াৰমেনৰ ওপৰত অনাস্থা দিয়াৰ আলোচনা চলিল। কথা গৈ ওপৰ মহল পালেগৈ। অনাস্থা প্ৰস্তাব অনাটো খাটাং হল। তলে তলে আলোচনা চলিল যে ৺চেনিৰাম দাস অনাস্থা ভোটত হাৰিলে তেখেতৰ ঠাইত ৺আলি হাজৰিকাক চেয়াৰমেন পতা হব। ৺বিষ্ণুৰাম মেধি তেতিয়া মুখ্যমন্ত্ৰী। তেখেত এই সিদ্ধান্তত সুখী হোৱা নাছিল। ৺অমিয় দাদাৰ লগত আলোচনা কৰি এই বিষয়ে বেলেগ সিদ্ধান্ত লোৱা বুলি পিছত গম পালো। লোকেল বোৰ্ড সভা বহিল। দাসৰ ওপৰত অনাস্থা প্ৰস্তাব গৃহীত হ'ল। এতিয়া নতুন চেয়াৰমেন হব লাগে। নতুন চেয়াৰমেন বাছনি কৰিবৰ বাবে সভাই শ্ৰীবিজয়চন্দ্ৰ ভাগৱতী, ৺বিশ্বদেব শৰ্মা আৰু ৺গহনচন্দ্ৰ গোস্বামীক দায়িত্ব অৰ্পণ কৰিলে। তিনিও ভাগৱতীৰ ঘৰলৈ গল। অলপ পিছতে আলোচনা কৰি তিনিও ঘূৰি আহিল আৰু চেয়াৰমেনৰ নাম ঘোষণা কৰিলে। যিজন মানুহ বোৰ্ডৰ মেম্বাৰ নহয় তেনে এজন লোকক চেয়াৰমেন পাতিব বুলি ভবাই নাছিলোঁ। তেখেত আছিল ৺পদ্ম শৰ্মা ; তেজপুৰ আদালতৰ চৰকাৰী উকিল। নাম ঘোষণা কৰাৰ লগে লগে উৎকণ্ঠাৰে অপেক্ষা কৰি থকা ৺আলি হাজৰিকাৰ মুখ বিবৰ্ণ হৈ পৰিল। তেওঁ তাত থন্তেকো নৰল। সভা ঘৰৰ পৰা ওলাই আহি নিজৰ জীপ গাড়ীত উঠিল। লগত মই আৰু ৺গফুৰ মাষ্টাৰ। ৺গফুৰ মাষ্টৰো তেতিয়া বোৰ্ডৰ মেম্বাৰ আছিল। হাজৰিকাই জীপহে চলালে—একো মাতবোল নাই। মই লক্ষ্য

কৰিলোঁ। জীপ চলাই যাওতে মানুহজনৰ চকুৰ পৰা টপ্‌টপ্‌কৈ চকুপানী পৰিব ধৰিছে। কথা সিমানতে শেষ। পিছত জানিব পাৰিলো—মুখ্যমন্ত্ৰীৰ মনঃপুত চেয়াৰমেন নোহোৱা হলে লোকেল বোৰ্ড ভঙ্গ হল হেঁতেন। ইয়াৰ পিছৰ পৰাই ৺আলি হাজৰিকাৰ স্বাস্থ্য ভাগি পৰা দেখা গৈছিল। কিছুদিন পিছত তেওঁৰ অৰ্দ্ধাঙ্গী বেমাৰ হল আৰু এই বেমাৰতে মৃত্যু হল। স্মৰণযোগ্য যে এই মানুহজনে কৰেল পঞ্চায়তৰ সভাপতি থকা কালত উদমাৰী খন্দত থকা তেওঁৰ নিজ নামৰ মাটি ১৯ বিঘা পঞ্চায়তলৈ দান দি যায়। এই মাটিত পঞ্চায়তে কৃষি ফাৰ্ম খোলাৰ কথা আছিল। সেই মাটি এতিয়াও পঞ্চায়তৰ হৈ আছে।

৺কামাখ্যাপ্ৰসাদ ত্ৰিপাঠী মোৰ অন্তৰঙ্গ বন্ধু আছিল। উত্তৰ প্ৰদেশত তেওঁলোকৰ উপৰি পুৰুষৰ পুৰণি ঘৰ হলেও অসমত বসবাস কৰি অসমীয়া হৈ পৰিছে। ত্ৰিপাঠীৰ জন্ম তেজপুৰত। মোৰ সহপাঠী আছিল। ত্ৰিপাঠীৰ দেউতাক তেজপুৰতে চিপাহী হৈ পিছত হাৱালদাৰ হৈছিল। তেওঁলোকৰ কোনো কোনোৱে অসমীয়া ছোৱালী বিয়া কৰাই অসমীয়া জাতিৰ লগত লীন গৈছে। ৺কামাখ্যাপ্ৰসাদ ত্ৰিপাঠী দৰং কলেজৰ প্ৰথম অধ্যক্ষ। তেজপুৰৰ চাৰ্চ ফিল্ডৰ (এতিয়া নেহেৰু ময়দান) ওচৰত থকা ডুকি চাহাবৰ ঘৰত দৰং কলেজৰ আৰম্ভণি হৈছিল। কিন্তু মহাসমৰ শেষ হোৱাত মিছন চাৰি আলিত সৈন্য বিভাগে এৰি থৈ যোৱা ঘৰ বিলাক এনেই পৰি থকাত এই কলেজ তালৈ স্থানান্তৰিত হল। পিছে ঠিকাদৰে লাভ খাই যেনে তেনে সজা ঘৰবোৰ ধুমুহাত এদিন ভাগি পৰিল। দৰং কলেজ আকৌ তাৰ পৰা উঠাই আনিব লগা হল। অস্থায়ী ভাবে কিছুদিন ডাকবঙলাত কলেজৰ কাম কাজ চলিল। পিছত ডাকবঙলাৰ পৰা বৰ্ত্তমানৰ ঠাইলৈ কলেজ অনা হয়। এই কলেজৰ পৰিসৰ বৃদ্ধি হৈ এতিয়া ই অসমৰ ভিতৰতে লেখত লব লগীয়া কলেজত পৰিণত হৈছে।

১৯৫২ চনৰ সাধাৰণ নিৰ্ব্বাচনত ত্ৰিপাঠী তেজপুৰ লোকসভাৰ সমষ্টিৰ পৰা সাংসদ নিৰ্ব্বাচিত হৈছিল। ১৯৫০ চনৰ ৫ আগষ্টত লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ মৃত্যুত বিষ্ণুৰাম মেধি মুখ্যমন্ত্ৰী হল। প্ৰথম সাধাৰণ নিৰ্ব্বাচনৰ পিছতো মেধি মুখ্যমন্ত্ৰী হৈয়ে থাকিল। ১৯৫৭ চনৰ নিৰ্ব্বাচনত ত্ৰিপাঠী, ফখৰুদ্দিন আলি আহমদ, বিমলা চলিহা, দেবেশ্বৰ শৰ্ম্মা, দেৱকান্ত বৰুৱা, মহেন্দ্ৰমোহন চৌধুৰী আদি অসমৰ শীৰ্ষ স্থানীয় নেতা সকল দিল্লীৰ পৰা অসমৰ ৰাজনীতিলৈ আহিল। তেখেত সকল এম, এল, এ, হোৱাত মেধি ডাঙৰীয়াৰ মুখ্যমন্ত্ৰীৰ আসন নিস্কণ্টক হৈ নাথাকিল। ফখৰুদ্দিন আলি আহমদ চাহাব এজন সুদক্ষ আইনজ্ঞ। তেখেত বাৰ এট ল। অসমৰ বিত্ত বিভাগটোৰ বাবে তেখেত উচ্চাকাঙ্খী হৈ আছিল। মেধিয়ে মতিৰাম বৰাৰ পৰা সেইবাৰ আনক দিব নোখোজাত—ফখৰুদ্দিন তলে তলে অসন্তুষ্ট হৈ সাধাৰণ এম, এল, এ, হৈয়ে থাকিল। পাহাৰীয়া যি সকল এম, এল, এ, আছিল—সেই সকলৰো মেধিৰ প্ৰতি বিৰূপ মনোভাব পৰিলক্ষিত হব ধৰিলে। এইদৰে লাহে লাহে মেধিক মুখ্যমন্ত্ৰী পদৰ পৰা অপসাৰিত কৰিবৰ বাবে এটা চক্ৰই গা কৰি উঠিল। কংগ্ৰেছ বিধায়িনী দলৰ দলপতি হিচাপে মেধিৰ ওপৰত অনাস্থা আহিব পাৰে বুলি শুনিবলৈ পালোঁ। তেতিয়া মহীকান্ত দাস উপাধ্যক্ষ। মই আৰু সোমেশ্বৰ মহন্ত চিলং পালোগৈ। মহীকান্ত দাসৰ ঘৰতে উঠিলোঁ। কামাখ্যা ত্ৰিপাঠীক জুয়ে ধৰাদি ধৰিলোঁ। "কিয় মেধিক ভাঙিব খুজিছা?" ত্ৰিপাঠীক সুধিলোঁ। কামাখ্যাই কলে "মেধিক পাহাৰীয়া প্ৰতিনিধি সকলে বেয়া পাবলৈ ধৰিছে। আৰু দ্বিতীয়তে ফখৰুদ্দিন আলি এজন কাৰ্য্যদক্ষ লোক তেওঁক কি কাৰণত ফাইনেন্সটো নিদিলে?" মই কলোঁ যদি ফখৰুদ্দিন আলি চাহাবক ফাইনেন্স দিয়ে তেতিয়া হলে অনাস্থা দিয়াটো বন্ধ হবনে?" ত্ৰিপাঠীয়ে কলে "তেতিয়া হব পাৰে।"

সেইদিনা গধূলি আমি অমিয়দাদাৰ ওচৰ পালোঁগৈ। লগত ত্ৰিপাঠীও গল। অমিয়দাদা সেইবাৰ এম, এল, এ, হৈয়ে আছে। মন্ত্ৰীত্বৰ বাব লোৱা নাই। অমিয়দাদাক সকলোৱে মানে। অমিয়দাদাক ত্ৰিপাঠীয়ে কলে—যদি ফখৰুদ্দিনক ফাইনেন্সত দিয়ে তেন্তে আমি কালিলৈ হব লগা অনাস্থা প্ৰস্তাৱ বন্ধ কৰিম।" অমিয়দাদাই চিঞৰি উঠিল "মেধিয়ে মতি ৰৰাক আঁতৰাই ফখৰুদ্দিনক কেতিয়াও বিত্ত বিভাগত নবহুৱায়"। কথা সিমানতে শেষ। আমি গুচি আহিলোঁ।। পিছদিনা দলৰ ভিতৰত অনাস্থা প্ৰস্তাৱ আনি মেধিৰ ঠাইত আন এজনক দলপতি পতাৰ সিদ্ধান্ত হল। সেইজন হল—যোৰহাটৰ দেবেশ্বৰ শৰ্ম্মা। কংগ্ৰেছ বিধায়িনী দলত ভোট হল। মেধি ডাঙৰীয়া দুটা ভোটত জিকিল। মেধিয়ে দেবেশ্বৰ শৰ্ম্মাক শিক্ষামন্ত্ৰী হিচাবে কেবিনেটত সুমুৱাই ললে। মেধি এটা সঙ্কটৰ পৰা সাৰিল। মুখ্যমন্ত্ৰী পদৰ বাবে একাধিক অভিলাষী নেতা আৰু সমৰ্থকৰ ৺মেধি ডাঙৰীয়াৰ বিৰুদ্ধে চলা ষড়যন্ত্ৰৰ সময়তে কেন্দ্ৰীয় চৰকাৰে মেধিদেৱক মাদ্ৰাজৰ (বৰ্ত্তমান তামিলনাডু) ৰাজ্যপাল নিযুক্ত কৰে। ৺মেধি ডাঙৰীয়া প্ৰথম অসমীয়া ৰাজ্যপাল। পিছৰ কালত শ্ৰীদেবকান্ত বৰুৱা, ৺মহেন্দ্ৰ মোহন চৌধুৰী আৰু শ্ৰীহিতেশ্বৰ শইকীয়া ৰাজ্যপাল হৈছিল। এজন খাটি অসমীয়া আৰু অসমৰ বাবে চিন্তা কৰা ব্যক্তি হিচাপে মেধি ডাঙৰীয়াৰ সুনাম আছিল। তেখেত অসম এৰি যাব লগা হোৱাত বহুতো লোকে দুঃখ প্ৰকাশ কৰিছিল। আনহাতে এজন অসমীয়া লোক এনে উচ্চ পদত অধিষ্ঠিত হোৱাত কোনো কোনোৱে আনন্দও পাইছিল। মেধি গৱৰ্ণৰ হৈ যোৱাত তেতিয়াৰ অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি বিমলাপ্ৰসাদ চলিহা ডাঙৰীয়া অসমৰ মুখ্যমন্ত্ৰী হ'ল। বিধায়ক নোহাৰাকৈয়ে মুখ্যমন্ত্ৰী পদৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰিবলৈ ওলোৱাত একাংশ কংগ্ৰেছী নেতা ক্ষুব্ধ হৈছিল যদিও চলিহা দেৱেই মুখ্যমন্ত্ৰী হ'ল। খাটি কংগ্ৰেছ কৰ্ম্মী আৰু সুদক্ষ সংগঠক হিচাপে চলিহা দেৱৰ নাম আছিল।

মানুহ অভ্যাসৰ দাস। এই কথাষাৰৰ সত্যতা মোৰ জীৱনতে ফলিওৱা দেখিলোঁ। মই জেললৈ যাওঁতে মোৰ প্ৰথম সন্তান বেণু নিচেই কেঁচুৱা। এবছৰ জেলত থাকি ১৯৪৩ চনৰ ডিচেম্বৰ মাহত ওলাই আহিলো। দ্বিতীয় ছোৱালী ননীৰ জন্ম হ'ল ১৯৪৬ চনত। ১৯৫০ চনত এটা ডাঙৰ ভূমিকম্প হৈছিল। এই ভূমিকম্পৰ জোকাৰণি এসপ্তাহ মানলৈ প্ৰত্যেক দিনেই এবাৰ দুবাৰ মানকৈ হৈ আছিল। এই ভূমিকম্পত মোৰ তৃতীয় জনী ছোৱালী বাণু পানী কেঁচুৱা। ১৯৫৮ চনত দীপাৰ জন্ম হয়। এনেকৈ পৰিবাৰে চাৰিজনীকৈ ছোৱালী জন্ম দি অশেষ ত্যাগ আৰু কষ্ট স্বীকাৰ কৰিছিল। মোৰ পুত্ৰ সন্তান নোহোৱাত বন্ধু বান্ধৱ, আত্মীয়-স্বজন আৰু জ্যেষ্ঠ লোক সকলে কোৱা-কুই কৰিবলৈ ললে। পুত্ৰ হলেহে পিতৃ হেনো পুন্নাম নৰকৰ পৰা উদ্ধাৰ হয়। ল'ৰা হলেহে পিতৃ বংশ অবিৰত ভাবে চলি থাকে। ইত্যাদি নানা জনৰ নানা উপদেশ মোৰ কাণত পৰিবলৈ ললে। অৱশ্যে মানুহে কোৱা কথাবোৰৰ সত্যতা নথকাও নহয়। এদিন অজানিতে মই দ্বিতীয় বিবাহ কৰাৰ কথাটো মোৰ মগজুত সোমাল। তেতিয়াৰ দিন আজিৰ দিনৰ দৰে নাছিল। এতিয়া এগৰাকী পত্নী জীৱিত কালত দ্বিতীয় বিবাহ কৰিলে মানুহ আচৰিত হয় আৰু আইনেও বাধা দিয়ে। তেতিয়া সমাজে দ্বিতীয় বিবাহ সহজভাবে মানি লৈছিল। আৰু ই এটা সচৰাচৰ কথা আছিল। মই মোৰ পত্নী শ্ৰীমতী ফুল বৰাৰ মত সাপেক্ষে বহুত কথা ভাবি গুনি দ্বিতীয় বিবাহ কৰিবলৈ ওলালোঁ। কটকী চুবুৰীৰ বালিৰাম দাস মৌজাদাৰৰ কথা আগতে উল্লেখ কৰি আহিছো। মোৰ পৰিবাৰৰ দেউতাকৰ ঘৰো বালিৰাম দাসৰ ঘৰৰ ওচৰতে। দুয়ো ঘৰৰ মাজত ওচৰ সম্পৰ্ক আছে। বালিৰাম দাসৰ তৃতীয়া কন্যা শ্ৰীমতী স্বৰ্ণপ্ৰভা দাস এগৰাকী তেতিয়াৰ দিনৰ শিক্ষিতা আৰু সমাজ কৰ্মী ছোৱালী আছিল। তেওঁ পঢ়া-শুনা কৰি সমাজ সেৱাৰ কামত ঘূৰিবলৈ লৈছিল। আমাৰ

লগত মাজে সময়ে মেল মিটিং কৰে। মহিলা সংগঠনতো স্বৰ্ণই আগ ভাগ লৈছিল। স্বৰ্ণৰ ককাইদেৱেক পূৰ্ণ দাস (কন) মোৰ বাল্য বন্ধু। আমি সকৰে পৰা দুয়ো একেলগে উমলি-জামলি ডাঙৰ হোৱা। পূৰ্ণদাসৰ লগত একেলগে বহু ঠাইত ভাওনা থিয়েটাৰ কৰিছিলোঁ। তেওঁক মই ভকত বুলি মাতিছিলো। এদিন সকলোৰে ইচ্ছানুসৰি ভকতৰ ভনীয়েক স্বৰ্ণক মই বিয়া কৰিলোঁ। গুৱাহাটীৰ কামাখ্যা মন্দিৰত এই বিবাহ সম্পন্ন হৈছিল। এই বিবাহৰ ফলত আমাৰ প্ৰথম সন্তানটি ল'ৰা হৈছিল; কিন্তু জন্ম হোৱা এমাহৰ ভিতৰতে কেঁচুৱাটো ঢুকাল। ইয়াৰ পিছৰ সন্তান মুন (কন্যা) ৰ জন্ম হওতে জন্ম যন্ত্ৰণাতে স্বৰ্ণও ঢুকাল। পুত্ৰৰ কাৰণে দ্বিতীয় বিবাহ কৰি

লিখকৰ পঞ্চম জোঁৱাই শ্ৰীমান মহেন্দ্ৰ ভূঞাৰ কোলাত পুত্ৰদ্বয় পাঞ্চ আৰু বিচিত্ৰ কাষত শ্ৰীমতী মুন ভূঞা (ৰূপাঞ্জলি)

এগৰাকী ছোৱালীৰ অকাল মৰণ পথ ৰচনা কৰিলোঁ। এই ভুলৰ পৰিতাপ জীৱন থাকে মানে থাকিব। মোৰ কনিষ্ঠা কন্যা প্ৰীতি মুনতকৈ ছবছৰ সৰু। মুনক আইতাকে তুলি তালি ডাঙৰ কৰে। সময়ত মুনক আইতাকৰ ঘৰৰ পৰাই বিয়া দিলোঁ। জোঁৱাই হ'ল শ্ৰীমান মহেন্দ্ৰ ভূঞা। জামুগুৰিৰ মাধৱত ঘৰ আছিল। কিন্তু এতিয়া

ৰাষ্ট্ৰপতি শঙ্কৰ দয়াল শৰ্ম্মাই লিখকৰ নাতি পাঞ্চক সাহসিকতাৰ বাবে পুৰস্কৃত কৰিছে।

তেজপুৰ চহৰত ঘৰবাৰী কৰি ইয়াতে নিগাজি হ'ল। শ্ৰীমান মহেন্দ্ৰ বিজ্ঞানৰ স্নাতক। তেওঁ স্বাধীন চিতীয়া ব্যৱসায়ত লাগি চাকৰি নকৰিলে। মুন্নুৰ দুটা ল'ৰা। পাঞ্চ আৰু বিচিত্ৰ। পাঞ্চই আজি কেইবছৰ মান আগতে সাহসী শিশু হিচাবে ৰাষ্ট্ৰপতিৰ পুৰস্কাৰ পাইছিল। সিহঁত এতিয়া হাইস্কুলৰ ছাত্ৰ।

মোৰ প্ৰথমা ভাৰ্য্যাৰ পাঁচজনী ছোৱালী। ৰেণু সকলোতকৈ ডাঙৰ। শ্ৰীমান তুলসী চৰণ দাস মোৰ ডাঙৰ জোঁৱাই। ১৯৬৩ চনত ৰেণুক তেওঁলৈ বিয়া দিওঁ। মেধাবী আৰু কৃতী শিক্ষক ৰূপে পৰিচিত তুলসীয়ে পিছত শিক্ষা বিভাগত প্ৰথম শ্ৰেণী স্নাতকোত্তৰ ডিগ্ৰী লৈ ডিব্ৰুগড় বিশ্ববিদ্যালয়ত অধ্যাপনা আৰম্ভ কৰে। কিছুদিন ডিব্ৰুগড়ত থকাৰ পিছত গুৱাহাটী বিশ্ব বিদ্যালয়লৈ যায়। আৰু তাতে সুদীৰ্ঘ কাল চাকৰি কৰি অৱসৰ গ্ৰহণ কৰে। তেওঁলোকৰ দুটি লৰা আৰু

লিখকৰ প্ৰথম জোঁৱাই তুলসী চৰণ দাস, প্ৰথমা কন্যা বেণু আৰু নাতি প্ৰণৱ এজনী ছোৱালী আছে। ডাঙৰ নাতি শ্ৰীমান প্ৰণৱজ্যোতি দাসে অৰ্থনীতিত গুৱাহাটী বিশ্ব বিদ্যালয়ৰ পৰা প্ৰথম শ্ৰেণীৰ প্ৰথম হৈ দৰং কলেজত অধ্যাপনা কৰি আছে। দিগন্ত (মন্টি) আৰু স্বপ্নালী (পলি) য়ে ডিগ্ৰী পঢ়ি আছে।

শ্ৰীমান বিপিন কটকী মোৰ দ্বিতীয় জোঁৱাই। ননীক তেওঁলৈ বিয়া দিয়াৰ সময়ত তেওঁ বৰঙাবাৰীৰ মধ্য ছয় ছুৱাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিজ্ঞান শিক্ষক হৈ আছিল। মোৰ ৰাজনৈতিক জীৱনৰ অন্যতম সুহৃদ শ্ৰীজোনাৰাম ভূঞাই শ্ৰীমান বিপিনৰ লগত মোৰ যোগসূত্ৰ স্থাপন কৰে। তেওঁক যিদিনা মই ভূঞাৰ লগত প্ৰথম দেখা পাওঁ সেইদিনাই তেওঁৰ প্ৰতি মই আকৰ্ষিত হলোঁ। ৰাজনীতি আৰু সমাজ সেৱাৰ লগতে সাহিত্য সংস্কৃতিত তেওঁৰ ৰাপ থকাৰ কথা জানি মোৰ আৰু ভাল লাগিল। তেওঁলৈ ননীক বিয়া দিযৰ বাবে মই দৃঢ় প্ৰতিজ্ঞ হলোঁ। বিপিনৰ লগত ননীৰ বিয়া হ'ল। ননীৰ সৰুৰে পৰা নাচ গানত ৰাপ আছিল। পঢ়ি থকা অৱস্থাতে তেওঁ তেজপুৰ চহৰ আৰু অন্যান্য ঠাইত হোৱা সাংস্কৃতিক অনুষ্ঠানত নাচ গানত অংশ লৈ ৰাইজৰ প্ৰশংসা পাইছিল। বিয়াৰ

পিছত এল, এল, বি ডিগ্ৰীলৈ বিপিন সক্ৰিয় ৰাজনীতিত নামিল। তেওঁ গহপুৰ সমষ্টিৰ পৰা কংগ্ৰেছ প্ৰাৰ্থী হিচাবে ১৯৭৮ চনত অসম বিধান সভাৰ সদস্য পদৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰিলে। প্ৰয়াত প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধীয়ে জৰুৰী কালীন পৰিস্থিতি ঘোষণা কৰি গণতন্ত্ৰৰ প্ৰতি আওহেলা কৰা বুলি ৰাইজে অনুভৱ কৰাত, দেশবাসী কংগ্ৰেছৰ প্ৰতি বিতুষ্ট হৈছিল। লোকনায়ক জয়প্ৰকাশ নাৰায়ণ কংগ্ৰেছৰ বিৰুদ্ধে আন্দোলনত নামিল। ভাৰতৰপ্ৰধান ৰাজনৈতিক দল-প্ৰজা চচিয়েলিষ্ট, ভাৰতীয় লোকদল, জনসংঘ আদিয়ে এক গোট হৈ জনতা পাৰ্টি গঠন কৰি লোক নায়কৰ নেতৃত্বত নিৰ্ব্বাচনত অৱতীৰ্ণ হ'ল। দেশত "জনতা"ৰ ঢৌ উঠিল। অন্য হাতে কংগ্ৰেছৰ মাজত আকৌ বিভাজন হ'ল। ইন্দিৰা গান্ধীৰ নেতৃত্বত কংগ্ৰেছ (আই) গঠন হ'ল। নিৰ্ব্বাচনত জনতা পাৰ্টি বিপুল সংখ্যাগৰিষ্ঠ ভোটত জিকি কেন্দ্ৰ আৰু প্ৰদেশত শাসনলৈ আহিল। গহপুৰ সমষ্টিতো জনতা পাৰ্টিৰ প্ৰাৰ্থীজন জিকিল। অতি কম ভোটৰ ব্যৱধানত পৰাজয় বৰণ কৰি বিপিনে তেজপুৰ বাৰত জইন কৰিলে। তেওঁৰ ছোৱালী দুজনী। বৰ্ণালীক (মামু) এম এচ চি পঢ়ি থকা অৱস্থাতে ১৯৯৩ চনৰ ডিচেম্বৰ মাহত দৰং কলেজৰ প্ৰৱক্তা শ্ৰীমান প্ৰবীন কলিতালৈ বিয়া দিয়ে। আনজনী ছোৱালী স্নিগ্ধা (মনমি) ই ইংৰাজীত মেজৰ লৈ কটন কলেজত পঢ়ি আছে।



দ্বিতীয় জোঁৱাই শ্ৰীমান বিপিনৰ লগত ননী, কাষত (সোঁফালে) বৰ্ণালী আৰু স্নিগ্ধামণি

স্বাধীনতা আন্দোলনৰ সময়ত গাঁৱে ভূঞে ঘূৰি কংগ্ৰেছ সংগঠন-

আৰু আন্দোলনৰ কাম কৰি ফুৰোঁতে চলাৰ ৺নাৰায়ণ হাজৰিকাৰ লগত মোৰ চিনাকি হৈছিল। ঘোঁৰামাৰীত এম, ই স্কুল পাতোতে হাজৰিকাই দান বৰঙণি দি সহায় কৰিছিল। সোনাবিল চাহ

[বাওঁফালৰ পৰা (বহি) বাপু, দেবুমাইনা [redacted]]

বাগিচাত তেখেত জামাদাৰ আছিল। পিছত তেখেতৰে কনিষ্ঠ পুত্ৰ শ্ৰীমান কৰুণা হাজৰিকালৈ মোৰ তৃতীয়া কন্যা ৰামুক বিয়া দিওঁ ১৯৭২ চনত। শ্ৰীমান কৰুণা যোগান বিভাগৰ এজন বিষয়া। তেওঁলোকৰ দুজন ল'ৰা আৰু এজনী ছোৱালী। মনোজ (বাবু) আৰু বন্দনাই (মাজনী) ক্ৰমে বাণিজ্য আৰু ইংৰাজী মেজৰ লৈ দৰং কলেজত পঢ়ি আছে। সৰু লৰাটি অভিজিৎ (দেবু মাইনা) তেজপুৰ ডনবস্কো স্কুলৰ ছাত্ৰ।

মোৰ চতুৰ্থ জনী ছোৱালী দীপাক-গুৱাহাটীৰ শ্ৰীমান শিৱপ্ৰসাদ দাসলৈ বিয়া দিছো। শিৱ বীমা কোম্পানীৰ মেনেজাৰ। মধুপৰ্ণা

(আইমু) দীপাৰ ডাঙৰ ছোৱালী। তেওঁ নতুনকৈ স্থাপন কৰা আসাম ভেলি স্কুলত চতুৰ্থ মানত পঢ়ি আছে। সৰু লৰাটিৰ নাম

লিখকৰ ৪ৰ্থ জোঁৱাই শ্ৰীমানশিৱ প্ৰসাদ দাসৰ লগত তেওঁৰ পৰিয়াল। শ্ৰীমতী দীপাৱলী দাস (পত্নী) মধুপৰ্ণা আৰু বেদান্ত (পুত্ৰ)

বেদান্ত (সুমিত)। তেওঁ গুৱাহাটীৰ এখন ইংলিচ মাধ্যমৰ স্কুলত কেজি শ্ৰেণীত পঢ়ি আছে।

আমাৰ পেটমচা ছোৱালী প্ৰীতি (ভন্টি) হাইস্কুলৰ শিক্ষয়িত্ৰী। তেওঁৰ স্বামী শ্ৰীমান ৰাজীৱ বৰাও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয়

শিক্ষক। জোৱাইৰ ঘৰ পৰ্ব্বতীয়াত। এতিয়া তেজপুৰ টাউনত

লিখকৰ মৰমলীয়া জোঁৱাই শ্ৰীমানৰাজীৱ ববাৰ লগত তেওঁৰ পৰিয়াল। শ্ৰীমতী প্ৰীতিৰেখা ববা আৰু একমাত্ৰ কন্যা ৰূপভূষা।

ঘৰ-মাটি কৰিছে। তেওঁলোকৰ একমাত্ৰ ছোৱালী ৰূপভূষা (ৰিমি) ই তেজপুৰ কনভেন্টত তলৰ শ্ৰেণীত পঢ়ি আছে।

জন সোঁতদি ঃ চীনৰ ভাৰত আক্ৰমণ

ভাৰতৰ উত্তৰে তিব্বত মালভূমিৰ সিপাৰে বিশাল ভূমিখণ্ড হৈছে চীন দেশ। ই এখন পুৰণি সভ্য দেশ। ভাৰতৰ লগত চীনৰ সম্বন্ধও অতি পুৰণি। এই দুই দেশৰ মাজত দুৰ্লঙ্ঘ্য হিমালয় পৰ্ব্বত মালা অৱস্থিত। হিমালয় বোলে একালত সাগৰ আছিল। সাগৰত থকা জীৱ জন্তুৰ চিন এই পৰ্ব্বতত পোৱা গৈছে। দুৰ্গম

পৰ্ব্বতমালা অতিক্ৰম কৰি বহু পুৰণি কালৰ পৰা এই দুই দেশৰ মাজত মানুহৰ অহা যোৱা চলি আছিল। চীন দেশৰ পৰিব্ৰাজক সকল ভাৰতলৈ অহা আমি বুৰঞ্জীত পাওঁ। ভাৰতৰ প্ৰধান মন্ত্ৰী জৱাহৰ লাল নেহৰু এজন বিদগ্ধ ৰাজনীতিজ্ঞ আৰু পণ্ডিত ব্যক্তি। বুৰঞ্জীত নেহৰুৰ পাণ্ডিত্য অগাধ। ভাৰত আৰু চীন দেশৰ মাজত থকা কৌটিকলীয়া বন্ধুত্বত নেহৰুৰ অটল বিশ্বাস আছিল। ১৯৫৫ চনত ইন্দোনেচীয়াৰ বান্দুং চহৰত এচিয়া আৰু আফ্ৰিকা মহাদেশৰ জাতি সমূহৰ এখন সভা হৈছিল। নেহৰুৱে ইয়াৰ নেতৃত্ব লৈছিল। চীন দেশৰ প্ৰধান মন্ত্ৰী চৌ এন লাই, ইন্দোনেচীয়াৰ ৰাষ্ট্ৰপ্ৰধান সুকৰ্ণ ইজিপ্তৰ নাছেৰ, আৰু জৱাহৰ লাল নেহৰু এই মহসভাৰ মূখ্য নেতা আছিল। ১৯৫৪ চনত ভাৰত চীনৰ মাজত নেহৰুৰ পঞ্চশীল নীতিৰ আধাৰত হোৱা চুক্তিয়ে দেশ সমূহৰ মাজত শান্তি আৰু সমৃদ্ধি অব্যাহত ৰাখিবলৈ কৰা প্ৰচেষ্টাক সকলো দেশে আদৰণি জনাইছিল। নেহৰুও আস্বস্ত হল যে ওচৰ চুবুৰীয়া দেশ সমূহৰ পৰা ভাৰত বিপদগ্ৰস্ত হোৱাৰ সম্ভাবনা নাই।

চীন আৰু তিব্বত দুখন লগালগি দেশ। চীনৰ মতে তিব্বতখন তেওঁলোকৰে অংশ। তিব্বতত চীনৰ অধিকাৰহে সাব্যস্ত হব লাগে। চীনৰ এই মনোভাব প্ৰকট হৈ উঠাত দুয়ো দেশৰ মাজত শত্ৰুতা বাঢ়িল। শক্তিশালী চীনৰ হাতত তিব্বতৰ ধৰ্ম্মগুৰু আৰু ৰাষ্ট্ৰপ্ৰধান দালাই লামা অপদস্থ হোৱাৰ সম্ভাবনাই দেখা দিলে। দালাই লামা উপায়হীন হৈ ভাৰতত ৰাজনৈতিক আশ্ৰয় বিচাৰিলে। ভাৰতে মানবতাৰ খাতিৰত দালাই লামাক আশ্ৰয় দিলে। ইয়াতেই ভাৰতৰ লগত চীনৰ বিৰোধ ভাব জাগি উঠিল। চীনে তিব্বত দেশ অধিকাৰ কৰি ১৯৬২ চনত ভাৰত আক্ৰমণ কৰিলে। তেতিয়া ভাৰতৰ প্ৰধান মন্ত্ৰী জৱাহৰ লাল নেহৰু, প্ৰতিৰক্ষা মন্ত্ৰী ভি, কে কৃষ্ণ মেনন। চীনৰ আচম্বিত আক্ৰমণত ভাৰতীয়

সৈন্যৰ বিপৰ্য্যয় ঘটিল। এই আক্ৰমণ হৈছিল ভাৰতৰ পূৱ সীমাত থকা পূৰ্ব্বোত্তৰ সীমান্ত ভূ-ভাগত (নেফা)। এই বিস্তীৰ্ণ অঞ্চলটো স্বাধীনতাৰ পিছতো বৰ অৱহেলিত হৈ আছিল। ৰাস্তা পদূলি আৰু যোগাযোগৰ কোনো সুব্যৱস্থা নাছিল। এই অঞ্চলৰ বিষয়ে আমাৰ ভৈয়ামবাসী ৰাইজৰ কোনো জ্ঞান নাছিল।

চীনা সৈন্য যেতিয়া লাহে লাহে ভাৰতীয় মাটিত প্ৰবেশ কৰিলে দেশত চাঞ্চল্যৰ সৃষ্টি হ'ল। জৰুৰী কালীন অৱস্থা ঘোষণা কৰা হ'ল।



[জৱাহৰলাল নেহৰুৰ লগত লিখক]

স্বাধীনতাৰ পিছত বিদেশী ৰাষ্ট্ৰৰ লগত হোৱা ভাৰতৰ এইখন প্ৰথম যুঁজ।

যেতিয়া দালাই লামা ভাৰতলৈ আহে তেতিয়া জৱাহৰ লাল নেহৰু নিজে আহি লামা গৰাকীক ফুটহিলৰ পৰা তেজপুৰলৈ আদৰি

আনে। তেজপুৰ জিলা কংগ্ৰেছৰ পৰা মইও আদৰণি অনুষ্ঠানত যোগ দিবলৈ গৈছিলোঁ। বহু নেতৃবৃন্দৰ তেতিয়া সমাগম হৈছিল। দালাই লামাক তেজপুৰ চাৰ্কিট হাউচত ৰখা হ'ল। তেখেতৰ লগত অহা কিছু লোকক বৰ্ত্তমান বাণ ষ্টেজৰ মুকলি ঠাই ডোখৰত ওখকৈ তম্বু তৰি থাকিবলৈ দিয়া হৈছিল। বহুত তিব্বতী ৰাইজ আহি তেজপুৰ পালেহি। এই সকলক ভাৰতৰ আলহী স্বৰূপে চৰকাৰে সোধপোছ কৰিলে। অবাৰিত ধাৰে অহা তিব্বতী সকলক থকা মেলাৰ কাৰণে মিছামাৰীত অস্থায়ী শিবিৰ সাজিব লগা হৈছিল। বাঁহ, খেৰ, টিৰপাল আদিৰে শিবিৰ বোৰ সজা হৈছিল। তেজপুৰত বাঁহ খেৰৰ দাম তেতিয়াৰ পৰা ভাবিব নোৱাৰা হাৰত বৃদ্ধি পালে।

দৰং জিলা তেতিয়া বিভক্ত হোৱা নাই। পশ্চিমে বৰনদীৰ পৰা পুবে হাৰাজানলৈ দৰং জিলাত পৰে। দৰং জিলাৰ উত্তৰে গাতে লাগি আছে পূৰ্ব্বোত্তৰ সীমান্ত ভূ-ভাগ বা নেফা। এতিয়া নেফা অৰুণাচল ৰাজ্য হ'ল। চীনা আক্ৰমণৰ ফলত প্ৰথম বিপদগ্ৰস্ত হ'ল ভৈয়ামৰ তেজপুৰ চহৰ। ১৯৬২ চনৰ নবেম্বৰ মাহত এই আক্ৰমণ। ভাৰতীয় জোৱানৰ বিপৰ্য্যয় মানুহৰ কাণত পৰিল। ৰেডিঅ' যোগে জনসাধাৰণ আৰু জোৱানৰ উচ্চ মনোবল অটুট ৰাখিবলৈ আশাৰ বাতৰি প্ৰচাৰ হৈ আছিল, কিন্তু পৰিস্থিতি বেয়ালৈ ঢাল খালে। যি কোনো মুহূৰ্ত্তত চীনা সৈন্য নেফা অতিক্ৰম কৰি দৰং জিলাত প্ৰবেশ কৰিব বুলি মানুহৰ মাজত হুলস্থুল, হুৱাদুৱা লাগিল। ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ মানুহ ঘৰ দুৱাৰ এৰি আঁতৰি যাবলৈ আৰম্ভ কৰিলে। অসমত বাহিৰৰ পৰা নিয়োজিত হৈ থকা মানুহ, ব্যৱসায় বাণিজ্য কৰি থকা লোক সকল অসম এৰি নিজ নিজ ঠাইলৈ যাব ধৰিলে। সভা সমিতি পাতি ৰাজনৈতিক নেতা সকলে ৰাইজক অভয় দি আছে যদিও তেওঁলোকৰ নিজৰে কথা আৰু কামৰ

মিল নথকা ৰাইজৰ চকুত পৰিল। অভয় বাণীয়ে কাম নিদিয়া হ'ল।

এনে পৰিস্থিতিৰ আগে আগে প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰু আৰু তেওঁৰ কন্যা শ্ৰীমতী ইন্দিৰা গান্ধী অসমলৈ আহি তেজপুৰ পালেহি। ভাৰতৰ প্ৰতিৰক্ষা পুঁজিলৈ দান বৰঙণি আগবঢ়াবলৈ চৰকাৰৰ তৰফৰ পৰা আহ্বান আহিল। দেশতকৈ একো ডাঙৰ নাই। ৰাইজে মুক্ত হস্তে দেশৰ কাৰণে দান আগবঢ়ালে। ডেকাৰ গাঁৱত এখন ডাঙৰ সভা বহিল। স্থান উষা নাট্য মন্দিৰ। শ্ৰীমতী গান্ধী এই সভালৈ আহিল। সভাত শ্ৰীমতী গান্ধীয়ে ৰাইজক সম্বোধি ভাষণ দিলে। ভাষণৰ পিছত শ্ৰীমতী গান্ধী মঞ্চত বহিল। তেতিয়া সভাত উপস্থিত থকা লোক সকলে তেওঁৰ ওচৰলৈ গৈ ধন, সোণ যেয়ে যি পাৰে দিবলৈ ধৰিলে। মোৰ পত্নীয়েও পিন্ধি থকা হাতৰ খাৰু আৰু সোণৰ আঙঠিটো শ্ৰীমতী গান্ধীৰ ওচৰত সমৰ্পণ কৰিলে।

তেজপুৰ চহৰ আৰু ইয়াৰ আশে পাশে থকা গাওঁবোৰৰ মানুহৰ মাজত কিংকৰ্ত্তব্য বিমূঢ়তা আৰু অস্থিৰতা ক্ৰমে বাঢ়ি আহিল। সকলোৰে মনত সন্ত্ৰাস আৰু অনিশ্চয়তাৰ ভাব পৰিলক্ষিত হ'ল। ব্ৰহ্মপুত্ৰ নদীখন পাৰ হৈ সিপাৰলৈ যাব পাৰিলেও কিছু নিৰাপদ হব পৰা যাই বুলি মানুহৰ মনত খেলালে। তেজপুৰ জাহাজঘাট, ৰুদ্ৰপদ, ভোমোৰাগুৰি, পানপুৰ, গমিৰিঘাট হৈ মানুহ কোনো নাৱেৰে, কোনো ফেৰী জাহাজেৰে, কোনো মাৰ নাৱেৰে ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰলৈ যাবলৈ আৰম্ভ কৰিলে। ঘৰ-দুৱাৰ, গৰু ছাগলী, হাঁহ পাৰ, সা-সম্পত্তি য'ৰে বস্তু ত'তে পৰি থাকিল। চোৰ ডকাইতবো বস্তুৰ প্ৰতি লোভ নোহোৱা হ'ল। তেজপুৰ চহৰ ৰাতিৰ অন্ধকাৰত ডুব গৈ থাকে। মানুহ বুলিবলৈ আঙুলিৰ মূৰত গনিব পৰা হ'ল। টাউনৰ ৰাস্তাত কুকুৰ-গৰুৰ অবাধ বিচৰণ।

চীনা সৈন্যক বাধা দিব নোৱাৰি আমাৰ জোৱান সকল পিছ হোঁহকি আহি আছে। বহুত জোৱান মৃত্যুৰ মুখত পৰিল। কোনো

বাধা নোপোৱাত শত্ৰু সৈন্য আগুৱাই আহি ফুটহিল পালেহি। ফুটহিল আহি চীনা সৈন্য পোৱাৰ কথা প্ৰচাৰ হোৱাত আমাৰো ভীষণ ভয় লাগিল। কি কৰো উপায়হীন হলো। এনে মুহূৰ্ত্তত শ্ৰীবিজয়চন্দ্ৰ ভাগৱতী, তেতিয়াৰ জিলা উপায়ুক্ত ৰাণা কে, ডি, এন সিং আৰু অমিয় দাদা আমাৰ ডেকাৰ গাৱঁত থকা বালিপাৰা আঞ্চলিক পঞ্চায়ত অফিচলৈ আহিল। তেখেত সকলৰ পৰা জানিব পাৰিলোঁ যে চীনা সৈন্য আহি ফুটহিল পাইছেহি আৰু তিনি ঘণ্টাৰ পিছত তেজপুৰ পাবহি পাৰে। তেখেত সকলে ৰাইজক সাবধানে থাকিবলৈ কলে। অফিচৰ ওচৰতে মোৰ ঘৰ। সেই সময়ত ৰেণু আৰু ননী গাভৰু। বাকী ছোৱালী কেইজনী সৰু সৰু। তেওঁলোকক দেখি ভাগৱতী দেৱে কলে "ছোৱালী কেইজনীক গাঁৱৰ মাজলৈ পঠাই দিয়ক। ৰাস্তাৰ কাষত নাৰাখিব।" গাঁৱৰ মানুহ ভাগি গৈছে। পৰ্ব্বতীয়া আৰু ভোমোৰাগুৰি ঘাটত ভাগি যোৱা মানুহৰ ভিৰ ক্ৰমাৎ বাঢ়ি গৈ আছে। সকলোৰে উদ্দেশ্য ব্ৰহ্মপুত্ৰ পাৰ হৈ নগাঁৱৰ ফালে যোৱা। গাড়ী মটৰ থকা সকল ইতিমধ্যে গুৱাহাটীৰ ফালে গুচি গৈছে। কিছুমানে গাড়ীত তেল ভৰাই সাজু হৈ আছে। তেজপুৰৰ জেল দুখনৰ দুৱাৰ খুলি দিলে। কয়দীবোৰ জেলৰ পৰা পলাল। মেণ্টেল হাস্পতালৰ পগলাবোৰ ওচৰৰ গাৱেঁ ভুঞে পিয়াপি দি ঘূৰি ফুৰিব ধৰিলে। পগলাইও সন্ত্ৰাসৰ সৃষ্টি কৰিলে। তেজপুৰ টাউনৰ বিজুলি যোগান কেন্দ্ৰটো ডিনামাইট দি ধ্বংশ কৰি পেলাবলৈ ওপৰৰ পৰা নিৰ্দ্দেশ অহা বুলি শুনিছিলোঁ।—কিন্তু কাৰোবাৰ শুভ বুদ্ধিত সেই কাম নহ'ল। তেজপুৰ ষ্টেট বেঙ্কত জমা থকা নোটবোৰ বাহিৰলৈ উলিয়াই জ্বলাই দিয়া হ'ল। আৰু মুদ্ৰাবোৰ ওচৰৰ পদুম পুখুৰীত পেলাই দিয়া হ'ল। শুনামতে কোনো কোনোৱে সেইদৰে নষ্ট কৰিবলৈ লোৱা টকাবোৰ কেনেবাকৈ হাত কৰিছিল। চৰকাৰৰ পৰাই এনে দুৰ্ব্বলতা প্ৰকাশ পোৱাত জন সাধাৰণৰ মাজত অস্থিৰতা আৰু হতাশা ক্ৰমাৎ বাঢ়ি গ'ল।

ৰাজ আলিৰ কাষতে মোৰ ঘৰ। চীনা সৈন্য আহিলে মোৰ ঘৰৰ আগেদিয়েই তেজপুৰলৈ যাব। বাটৰ কাষত এনেকৈ থকাটো উচিত নহয় বুলি ভাবি পৰিবাৰ আৰু ছোৱালী কেইজনীক গাঁৱৰ মাজত থকা মামাক হঁতৰ ঘৰলৈ যাবলৈ কলোঁ। তেওঁলোকে মোক এৰি নগ'ল। গধূলি হৈ আহিল। এনেতে পাহাৰৰ ফালে ডাঙৰ আৱাজ হল। বোমাৰ শব্দই হব যেন লাগিল। ক'ত কি হৈছে জনাৰ উপায়ই নাই। ৰাতি হোৱাত ভাগ্যক থিয়াই ঘৰৰ ভিতৰতে আছো। সৈন্য বিভাগৰ উৰা জাহাজবোৰ এই আহিছে এই গৈছে। ওচৰতে শালনী বিমান ঘাটি। চাৰিওফালে ক'তো মানুহৰ মাত বোল নাই। ভয়তে সকলো তাপ মাৰি সোমাই আছে। মই বাহিৰৰ কোঠাটোত বহি আছো। মাজে মাজে খিৰিকিৰ ফাকেদি ৰাস্তালৈ চাওঁ কি জানি শত্ৰু আহি পালেহিয়েই। মনত অন্তহীন আবেগ আৰু উৎকণ্ঠা। মাজে মাজে পৰিবাৰে উঠি আহি মোক চাই যায়হি। মই তেওঁলোকক নিৰ্ভয় দি শুই থাকিবলৈ কওঁ। ফুট হিলৰ পৰা তিনি ঘণ্টাৰ ৰাস্তা। মোৰ ঘৰৰ সম্মুখতে ৰাজ আলিত এখন কাঠৰ দলং আছিল। এতিয়া পকা কালৰ্ভাট হ'ল। দলঙত বুট জোতাৰ শব্দ শুনিলোঁ। ভালকৈ কানপাতি শুনিলোঁ - হয়, বুট জোতাৰেই শব্দ। পৰিবাৰ ভয়তে মোৰ ওচৰ পালেহি। মই তেতিয়া তেওঁক কলো-আহিল, চীনা সৈন্য আহিল। তুমি ছোৱালী কেইটিৰ লগত থাকা সিহতে তুমি নাথাকিলে কান্দিব। মই তোমাক ক'ম পিছত কি কৰিব লাগে। এতিয়া যোৱা। সচাকৈয়ে বহুত মানুহৰ জোতাৰ শব্দ আহি আছে। মই হাতত সাৰে ভৰিত সাৰে কোঠাটোৰ ভিতৰতে ইফাল সিফাল কৰি আছো। মোৰ ভয় হৈছে চকুৰ আগতে শত্ৰুয়ে পৰিবাৰ আৰু ছোৱালী কেইটিক কি ব্যৱহাৰ কৰে। এনেতে ৰাস্তাত কেচুৱাই কন্দা শুনিলোঁ। কি কথা! কেচুৱাৰ কান্দোন ক'ৰ পৰা আহিল? খিৰিকিৰে চাই দেখো

হাৰিকেনলেম জ্বলাই এদল মানুহ গৈছে। পোহাকত চিনিব পাৰিলোঁ। সেই সকল মন্‌পা মানুহ। মনৰ সংশয় আঁতৰিল। লাহেকৈ গোটেই খিৰিকি খন খুলি দিলোঁ। হয় বহুত মনপা মানুহ আহিছে। তেতিয়া ৰাতি পুৱাও পুৱাও। মই পৰিবাৰক ক'লো হেৰা চীনা সৈন্য নহয়। মন্‌পা ৰাইজ। ভয়ত ভাগি আহিছে।` মোৰ কথা শুনি তেওঁৰ মুখলৈ পানী আহিল। ৰাতি পুৱাল। চাহ খাই তেজপুৰ টাউনৰ ফালে গলোঁ। টাউনত গৈ গম পালো চীনা সৈন্যই এক পক্ষীয়ভাবে “চিজ ফায়াৰ” ঘোষণা কৰি ফুটহিলৰ পৰা উভটি গুচি গৈছে। দালাই লামাক ফুটহিলৰ পৰাই আদৰি অনা হৈছিল। যুদ্ধ বিৰতি ঘোষণা কৰা সময়ত ভাৰতৰ সেনাপতি আছিল জেনেৰেল জে এন চৌধুৰী। যুদ্ধ বিৰতি ঘোষণাৰ আগে আগে তেওঁ কাৰ্য্যভাৰ গ্ৰহণ কৰিছিল। জেনেৰেল চৌধুৰীয়ে গোৱাক পৰ্তুগীজৰ হাতৰ পৰা মুক্ত কৰাত বিশেষ ভূমিকা লৈছিল।

এইখিনিতে মোৰ এটা সৰু কথা মনত পৰিছে। চীনা আক্ৰমণৰ বাতৰি পাই মানুহবোৰ যেনি তেনি ভাগিছে। সকলোৰে আতঙ্ক ভৰা মন। এনে পৰিস্থিতিত কোনো কোনো লোকে উৰা বাতৰি প্ৰচাৰ কৰি অশান্তিৰ সৃষ্টি কৰিবলৈও চেষ্টা চলাইছিল। তাৰে এটা উদাহৰণ দিলোঁ। চাৰি দুৱাৰত চেঙেলীমৰা বুলি এখন গাওঁ আছে। তাৰে দুজনী ট্ৰাইবেল (কছাৰী লোক) ছোৱালী তেওঁ লোকৰ কচুবিলত থকা আত্মীয়ৰ ঘৰলৈ আহিছিল। কচুবিলত থকা মাৰোৱাৰী গোলা এখনৰ গোমস্তাজনে এটা গুজব উলিয়ালে যে কেইটামান মিঞাই ছোৱালী দুজনীক ধৰি নি ধৰ্ষণ কৰিলে আৰু মিঞা বিলাকে ৰাস্তাৰ কাষতে গৰু কাটিবলৈ আৰম্ভ কৰিছে। এই কথাটো প্ৰচাৰ হোৱাৰ লগে লগে হুলস্থুল লাগিল। বালিপাৰা আঞ্চলিক পঞ্চায়তৰ তেতিয়াৰ সভাপতি শ্ৰীপুলিন চৌধুৰীৰ কাণত

কথাটো পৰিল। তেওঁ তেতিয়া এজন বন্ধুৰ লগত ৺বিশ্বদেৱ শৰ্মাক গৈ কথাটো কলে। ৺বিশ্বদেৱ তেতিয়া মন্ত্ৰী। মন্ত্ৰীয়ে আবেগ বিহ্বল হৈ লগে লগে প্ৰধানমন্ত্ৰী নেহৰুক জনালে। ঘটনাটো অনুসন্ধান কৰি প্ৰতিবেদন দিবলৈ নেহৰুৱে ৰাজ্য চৰকাৰক নিৰ্দ্দেশ দিলে। অনুসন্ধানৰ দায়িত্ব পৰিল তেজপুৰৰ সুদক্ষ পুলিচ বিষয়া ৺নৰেন হাজৰিকাৰ ওপৰত। তেজপুৰ থানাৰ অ' চি আৰু হাজৰিকাই অনুসন্ধান কৰি একো উলিয়াব পৰা নাই। বালিপাৰা আঞ্চলিক পঞ্চায়তৰ কাৰ্য্যালয় তেতিয়া মোৰ ঘৰৰ ওচৰতে আছিল। হাজৰিকা শ্ৰীপুলিন চৌধুৰীক বিচাৰি অফিচলৈ আহিছে। তেওঁৰ লগত মোৰ ভাল চিনাকি আছিল। হাজৰিকাক দেখি মইও অফিচলৈ গলোঁ। কথাটো ওলাল। নৰেন হাজৰিকাই ঘটনা সম্বন্ধে এখন এজাহাৰ লিখাই ললে। এজাহাৰত চহী কৰিলে চৌধুৰীৰ বন্ধুজনে। তেওঁৰ নামটো পাহৰিলোঁ। ঘটনাৰ কথা মই তেতিয়াহে গম পালোঁ। কচুবিলত মোৰ ভাল চিনাকি মানুহ আছে। মই ইয়াৰ সম্ভেদ উলিয়াব পাৰিম বুলি হাজৰিকাক কোৱাত তেওঁ মোক গাড়ীতে উঠাই ললে। আমি বাষ্টুলা নামৰ এজন নেপালী মানুহৰ ঘৰত নামিলোঁ। বাষ্টুলা মোৰ বন্ধু। তেওঁক সোধাত তাতে বসবাস কৰা এঘৰ বৰো মানুহৰ নাম কলে। তাত গলে সকলো কথাৰ গম পোৱা যাব। বৰো মানুহ ঘৰ পালোঁগৈ। ছোৱালী দুজনীৰ কথা সোধাত তেওঁ কলে যে কেইদিন মানৰ আগতে তেওঁলোকৰ ঘৰলৈ চেঙেলী মৰাৰ ছোৱালী দুজনী অহাটো হয়। সিহঁত তাত থাকি ঘৰলৈ ঘূৰি গ'ল। মই, হাজৰিকা আৰু তেজপুৰৰ অ'চি চাৰি দুৱাৰৰ চেঙেলীমৰা পাই ছোৱালী দুজনীৰ ঘৰ ওলালোঁ গৈ। তেওঁলোকক মাতি আনি সোধা হ'ল। ঘটনাৰ কথা তেওঁলোকে একো নাজানে বুলি কলে। তেওঁলোক নিৰাপদে ঘৰলৈ ঘূৰি আহিছে—একো অপায় অমঙ্গল হোৱা নাছিল। তেতিয়াহে বুজিব পাৰিলোঁ কেনেকৈ উৰা বাতৰিয়ে

ৰাজ্যৰ বিপদ আনিব পাৰে। মিছা কথাৰে খবৰ দিয়া মানুহজনৰ ওপৰত কেচ হ'ল। কেচত তেওঁৰ তিনি মাহ জেল হোৱা বুলি শুনিছিলোঁ।

জন সোঁতেদি ঃ পাহাৰ ভৈয়ামৰ সম্প্ৰীতি

চীনা আক্ৰমণে অসমৰ উত্তৰাংশৰ পৰ্ব্বতমালাৰে আবৃত বৃহৎ অঞ্চলৰ প্ৰতি চৰকাৰ তথা ৰাইজৰ চকু মেল খুৱালে। এই বৃহৎ খণ্ডটোক নেফা নাম দিয়া হৈছিল। নেফা অঞ্চল অসম ৰাজ্যৰ পৰিসীমাৰ ভিতৰত আৱদ্ধ আছিল। চীনা সৈন্যই যুদ্ধ বিৰতি ঘোষণা কৰি বমডিলাৰ পৰা উভতি যোৱাৰ পিছত—আমাৰ ভৈয়ামৰ মানুহ তালৈ যোৱাৰ ধুম উঠিল। চৰকাৰী—বেচৰকাৰী দল, শিল্পী সাহিত্যিক সাংবাদিক সকলে নেফা ভ্ৰমণ কৰি তাৰ ৰাইজৰ বুজ লোৱাত ব্যস্ত হ'ল। পাহাৰ-ভৈয়ামৰ সম্প্ৰীতিৰ ঢৌ উঠিল। পাহাৰীয়া ভাই-ভনী সকলক ভৈয়াম বাসীয়ে আপোন কৰি লোৱাৰ উদ্দেশ্যে ঠায়ে ঠায়ে তেওঁলোকক আমন্ত্ৰণ কৰি আনি আদৰণি জনোৱা হৈছিল। আমি বালিপাৰা আঞ্চলিক পঞ্চায়তৰ তৰফৰ পৰাও তেনে এটা কাৰ্য্যসূচী হাতত ললোঁ। পাহাৰীয়া ৰাইজক নিমন্ত্ৰণ কৰিলোঁ। তেতিয়া বালিপাৰা আঞ্চলিক পঞ্চায়তৰ কাৰ্য্যালয় মোৰ ঘৰৰ ওচৰতে আছিল। আঞ্চলিক পঞ্চায়ত হোৱাৰ আগতে সেই ঘৰ চুৱাৰ কৰেল পঞ্চায়তৰ আছিল। পঞ্চায়তৰ সভাপতি শ্ৰীপুলিন চৌধুৰী আৰু উপ-সভাপতি ৺ধৰণীধৰ বৰুৱা। মই সদস্য। পঞ্চায়ত কাৰ্য্যালয় মোৰ ঘৰৰ ওচৰতে হোৱা বাবে মই পঞ্চায়তৰ বহু কামৰ দায়িত্ব বহন কৰিব লগীয়া হৈছিল। চৌধুৰী আৰু বৰুৱা কিছু আঁতৰৰ লোক। পঞ্চায়ত কাৰ্য্যালয়ৰ ওচৰতে ভেকাৰ গাওঁ এম ভি স্কুল। নিমন্ত্ৰিত পাহাৰ বাসী ৰাইজক এই স্কুলতে থকা

মেলাৰ বন্দবস্ত কৰি দিয়া হল। ৰূপা, দিবাং আৰু বম ডিলাৰ পৰা অহা মানুহেই সৰহ। দিনত মিটিং আৰু ৰাতিলৈ সাংস্কৃতিক অনুষ্ঠান হয়। কেইবা দিনো ধৰি অনুষ্ঠান চলি আছিল। তেজপুৰ টাউন আৰু ওচৰৰ গাঁৱৰ পৰা বহু মানুহ আহি পাহাৰীয়া ভাই-ভনী সকলক আদৰ সম্ভাষণ জনাইছিল। মোৰ ছোৱালী বেণু আৰু ননীৰ লগত দিবাংজংৰ পৰা অহা তিনি জনী ছোৱালীৰ বন্ধুত্ব গঢ়ি উঠিছিল। বেণু-ননীয়ে সাংস্কৃতিক অনুষ্ঠানত দৃশ্যাবৃত্তি আৰু গানত ভাগলৈছিল।

[মনপা ছোৱালী কেইগৰাকীৰ লগত বেণু]

ছোৱালী তিনি জনীৰ ভিতৰত এজনী দিবাংজংৰ গাঁও বুঢ়া চিৰিং চাবাংৰ কন্যা শ্ৰীমতীফুল পালামো। ফুল পালামোৱে তেতিয়া বমডিলাত ৬ষ্ঠ মানত পঢ়ি আছিল। দ্বিতীয় গৰাকী ছোৱালীৰ নাম চন্দ্ৰমা। চন্দ্ৰমা তেতিয়া ৫ম মানৰ ছাত্ৰী বমডিলাতে। তৃতীয় ছোৱালীজনীও তাৰেই। তেওঁ স্কুল পঢ়া নাছিল। নামটো পাহৰিলোঁ। মোৰ ছোৱালীহঁতৰ লগত বান্ধৱী হৈ এওঁলোক

আমাৰ ঘৰলৈ আহিল। চা-চিনাকি হোৱাৰ পিছত তিনিওজনী ছোৱালী আমাৰ একে পৰিয়ালৰ যেন হৈ পৰিল। এওঁলোকে আমাৰ বাথৰুমতে গা ধুই চাহ-জলপান খাই কেম্পলৈ যায়। কেম্প চলি থকা দিন কেইটাত এওঁলোক প্ৰায় আমাৰ ঘৰতে আছিল। তেওঁলোকক অসমীয়া ৰিহা মেখেলা পিন্ধাই ৰেণুৱে তেজপুৰ টাউন দেখুৱাবলৈ লৈ গৈছিল। তেজপুৰত অগ্নিগড়, কোলপাৰ্ক, মহাভৈৰৱ মন্দিৰ আদি দেখুৱাইছিল। ৰেণুৰ লগত উঠা ছোৱালী কেইগৰাকীৰ ফটো আমাৰ ঘৰত এতিয়াও আছে। ফুৰি আহি তেওঁলোকে ৰিহা মেখেলা সলাই নিজ পোছাক পিন্ধি কেম্পলৈ যায়। কেম্পৰ মানুহে মোক গাওঁবুঢ়া বুলি মাতিছিল। পাহাৰত গাওঁবুঢ়া মানে ৰজা। মোক সম্মান দেখুৱাবৰ কাৰণেই তেওঁলোকে মোক গাওঁবুঢ়া বুলি মাতিছিল। তেতিয়া মাঘ বিহুৰ সময় আছিল। ওচৰৰ মানুহে বিহুৰ পিঠা পনাৰে কেম্পৰ ৰাইজক আপ্যায়িত কৰিছিল। চীনা সৈন্য আহোঁতে তাত মানুহবোৰে কি কৰিছিল বুলি সোধাত তেওঁলোকে তাৰ বিৱৰণ দিছিল। তেওঁলোকে কোৱামতে—সৈন্য আহোঁতে মানুহবোৰ ভয়ত পৰ্ব্বতৰ গুহাত লুকাই আছিল। সৈন্যবোৰে গুহাৰ পৰা মানুহ ধৰি ধৰি ঘৰলৈ লৈ গৈছিল আৰু ঘৰত থাকিবলৈ দিছিল। খাবলৈ খোৱা বস্তুও দিছিল। মানুহৰ চোতালত সৈন্যবোৰে নাচগান কৰি স্ফূৰ্তি কৰিছিল। ইত্যাদি। সম্প্ৰীতি অনুষ্ঠান শেষ হোৱাত পাহাৰীয়া ৰাইজ আকৌ নিজ নিজ ঘৰলৈ বিদায় লৈ গুচি গল। অৰুণাচলৰ প্ৰথম মুখ্যমন্ত্ৰী শ্ৰীপ্ৰেম খাণ্ডু থুংগনে শ্ৰীমতী ফুল পালামোক বিয়া কৰোৱা বুলি জানিব পাৰো। থুংগনে দৰং কলেজত পঢ়িছিল।

পাহাৰ-ভৈয়াম সম্প্ৰীতিৰ প্ৰতি মোৰ আগ্ৰহ আগৰে পৰাই আছিল। চীনা আক্ৰমনৰ প্ৰায় দহবছৰ মান আগৰ কথা। ভদ্ৰক আৰু লক্ষী ছয়ো ককাই ভাই। আমাৰ ওচৰৰ কুন্দাবৰাবী গাঁৱত

তেওঁলোকৰ ঘৰ। দেউতাক সুৰেন বৰুৱা মোতকৈ কিছু ডাঙৰ যদিও আমি দুয়ো বন্ধুৰ দৰে। ডম্বৰু আৰু লক্ষীয়ে বৰ্ডাৰ চিকিওৰিটি ফোৰ্চত চিপাহীত সোমাই খাছীয়া-জয়ন্তীয়া পাহাড়ত থাকিবলৈ লৈছিল। পূব পাকিস্তানৰ বৰ্ডাৰত তেওঁলোকৰ চাকৰি। চাকৰি কৰি থকাৰ কিছুদিনৰ পিছত ডম্বৰুৱে তাৰে এজনী খাছীয়া ছোৱালী ভাল পাই বিয়া কৰালে। খাছীলোকৰ প্ৰথামতে ডম্বৰু ছোৱালী গৰাকীৰ ঘৰতে থাকে। ছোৱালীজনীৰ মাকৰ অৱস্থা ভাল। কমলাৰ বাগান আছে। কথাটো লাহে লাহে গুলোৱাত মানুহৰ মাজত বু-বু বা-বা চলিল। ডম্বৰুৰ ঘৰে কথাটো কোনোমতেই মানি লব নোখোজে। সেই সময়ত আমাৰ সমাজত জাত-পাতৰ বিচাৰ খুব বেছি আছিল। অসমীয়া সমাজৰ ভিতৰতে বহুত ভাগ। এটা ভাগে আনটো ভাগৰ লগত খোৱা-বোৱা, বিয়া-বাৰু কৰাত বাধা আছিল। ভোজ ভাত খাওঁতেও পাত ছিঙা হব লাগিব। অৰ্থাৎ ভোজৰ পাত পাৰোতে জাত অনুসৰি ভাগ ভাগকৈ পাৰি যাব লাগে। কোনোবাই নিয়ম ভঙ্গ কৰিলে ৰাইজে তেওঁক বাদ দি থব। তেনে এটা সময়ত ডম্বৰুৱে কৰা কামটো ঘৰে আৰু সমাজে কোনোমতে নামানে। লক্ষীক চাকৰি এৰুৱাই লৈ আহিল। চাকৰি এৰা সহজ পোৱা টান। চাকৰি এৰি লক্ষী নিবনুৱা হৈ ঘৰতে আছেহি। মোক লক্ষীৰ কাৰণে চাকৰি এটা সুবিধা কৰি দিবলৈ দেউতাকে কৈ থকা হ'ল। এই কামৰ কাৰণে লক্ষীও প্ৰায় মোৰ ওচৰলৈ আহি থাকে। এদিন এটা সুবিধা পালোঁ। তেতিয়া সিদ্ধিশৰ্মা পৰিবহন বিভাগৰ মন্ত্ৰী। তেখেত তেজপুৰলৈ আহিছিল। লক্ষীক লগতলৈ মন্ত্ৰী শৰ্মাদেৱক তেজপুৰ চৰ্কিট হাউচত লগ ধৰিলোঁ। কণ্ডাক্টৰ চাকৰি এটাত লক্ষীক মুমুৱাই দিবলৈ তেখেতক অনুৰোধ কৰাত মন্ত্ৰীয়ে পি, এক কথাটো নোট কৰি ৰাখিবলৈ কলে। কিছুদিনৰ পিছতে লক্ষীৰ চাকৰি হ'ল। অৱশ্যে চাকৰিটোৰ ৰাবে লক্ষীৰ লগত কেইবাবাৰো

খিলঙলৈ অহা যোৱা কৰিব লগা হৈছিল। তেতিয়া ৰাজধানী খিলঙত আছিল।

কেইবছৰমান পাৰহৈ গ'ল। এদিন ঘৰৰ আগফালে বহি থাকোতে দেখিলোঁ ডেকাৰগাঁও ৰেল ষ্টেচনত (পুৰণি ষ্টেচন) ৰেলৰ পৰা নামি কোলাত এটা কেঁচুৱালৈ এজন ডেকা, এগৰাকী ছোৱালী (যাৰ পিন্ধন—উৰণ খাছীয়া) আৰু এটি সৰু ল'ৰা কুন্দাৰবাৰী ৰাষ্টায়েদি যাব ধৰিছে। মই অনুমান কৰিলোঁ এই জনেই ডম্বৰু। তেওঁ পত্নীকলৈ, দেউতাকৰ ঘৰলৈ আহিছে। আজি গাঁৱৰ ৰাইজ আৰু ডম্বৰুৰ ঘৰৰ মানুহে তেওঁলোকক কেনে ব্যৱহাৰ কৰিব ঠিক নাই। ঘৰ আৰু সমাজৰ অমতত ডম্বৰুৱে যি কাম কৰিলে তাক সহজে কোনেও নামানিব। মই লৰালৰিকৈ চহৈকেল খনলৈ ৺সুৰেন বৰুৱাৰ ঘৰলৈ ওলালোঁ। ৰাস্তাত ডম্বৰু হঁতক পাইছো যদিও বিশেষ একো সুসুধিলোঁ। মই আগতীয়াকৈ গৈ ডম্বৰুহঁতৰ ঘৰ পালোঁগৈ। ডম্বৰুৰ মাক দেউতাক আৰু ঘৰৰ বাকী সকলো মানুহ আছে। মই গৈয়েই দেউতাকক কলোঁ—'আপোনাক এটা কথা ক'ম মোৰ কথাটো ৰাখিবনে? তেওঁলোকে কলে—"কি কথা?" মই কলো যদি আপোনালোকে ৰাখিম বুলি কয় তেতিয়াহে কম। কিছুপৰ ভাবি চিন্তি ঘৰৰ সকলোৱে একমুখে কলে—"আপোনাৰ কথা নেপেলাওঁ কওক।" ইতিমধ্যে তেওঁলোকৰ ঘৰৰ মানুহে মোক সকলো কথাতে প্ৰাধান্য দিয়া দেখিছিলোঁ। বিশেষকৈ লক্ষীক চাকৰি সুবিধা কৰি দিয়াৰ পিছৰ পৰা। মই কবলৈ ধৰিলোঁ—আপোনাৰ লৰা ডম্বৰু আৰু তেওঁৰ পৰিবাৰ কেঁচুৱা ছুটিৰ সৈতে ঘৰলৈ আহি আছে। মোৰ অনুৰোধ তেওঁলোকক আপোনালোকে ভাল ব্যৱহাৰ কৰক। আপোনালোকৰ মাজলৈ তেওঁলোকক লৈ আনক। বকুলৰ তলৰ পৰা তেওঁলোকক আদৰি আনক। কণ কণ কেঁচুৱা ছুটিক কোলাত তুলি লওক। মই

যেনেকৈ কলোঁ। মাক বাপেক ভাই কেইজনে সেইদৰেই উভয়কৰ পৰিয়ালটোক বাটৰ পৰা আদৰি আনিলে। সেই সময়ত সকলোৰে চকুত আনন্দৰ চকুপানী ওলাল। ৰক্ষণশীল ৰীতিনীতি আৰু অন্ধ বিশ্বাসেৰে ভৰা এখন সমাজত মোৰ প্ৰচেষ্টা ফলৱতী হোৱাত মইও আনন্দিত হলোঁ।।

জনসোঁতেদি ঃ মনৰ খেদ

স্বাধীনতাৰ পিছত পঞ্চ বাৰ্ষিক পৰিকল্পনাৰ যোগেদি দেশৰ সৰ্ব্বাঙ্গীন উন্নতিৰ বাবে চৰকাৰে কাম হাতত লৈছে। জন-স্বাস্থ্য, শিক্ষা, কৃষি, উদ্যোগ, ৰাজহুৱা বাট পথৰ উন্নতিয়েই প্ৰথম লক্ষ্য। অসমৰ ক্ষেত্ৰত উন্নতি শামুকীয়া গতিত বুলিব পাৰি। প্ৰথম কিছু বছৰলৈ বাইজে উন্নতিৰ মুখেই দেখা নাই। ইয়াৰ প্ৰধান কাৰণ অসম-ভাৰতৰ একেবাৰে পূৱ সীমাত অৱস্থিত। দেশৰ প্ৰধান ভূমি খণ্ডৰ লগত অসমৰ যোগাযোগ অতি নিশকতীয়া। বাটপথৰ সুচল ব্যৱস্থা নাই। যাতায়তৰ বাবে ভাল ব্যবস্থা নথকাত দেশৰ মূল খণ্ডৰ পৰা অসম এক প্ৰকাৰ বিচ্ছিন্ন হৈ আছে। এই অৱস্থাৰ এতিয়াও উন্নতি হোৱা নাই। প্ৰাকৃতিক সম্পদত অসম চহকী। প্ৰাকৃতিক গেচ, তেল, কয়লা, চূণ শিল, বনজ সম্পদৰ উপৰিও ভাৰতৰ এই পূৰ্ব্বোত্তৰ খণ্ডত বহুত সম্পদ উদ্ধাৰ হবলৈ বাকী আছে। তাৰ বাবে উপযুক্ত ব্যৱস্থা লব লাগে কিন্তু হোৱা নাই। যি সম্পদ উদ্ধাৰ হৈছে তাকো অসমৰ স্বাৰ্থৰ হকে ব্যৱহৃত নোহোৱাতো আৰম্ভণিৰ পৰাই ৰাইজে দেখা পাইছে। ১৯৫৬ চনত অসমৰ খাৰুৱা তেল শোধন কৰিবৰ বাবে অসমত এটা শোধনাগাৰ স্থাপনৰ দাবি উঠিল। কাৰণ অসমত প্ৰচুৰ পৰিমাণে থকা খাৰুৱা তেলৰ তুলনাত বুঢ়িছৰ দিনতে হোৱা ডিগবৈ শোধনাগাৰ অতি নগন্য।

কেন্দ্ৰীয় চৰকাৰে এই দাবিৰ প্ৰতি সহাৰি নিদিয়াত—অসমৰ বাইজে আন্দোলন কৰিব লগীয়া হল। অনেক শক্তিৰ অপচয় হোৱাৰ পিছত গুৱাহাটীত সৰুকৈ এটা শোধনাগাৰ হল—কিন্তু সৰহ ভাগ তেল অসমৰ বাহিৰতহে শোধন কৰা হৈছে। ভাৰতবৰ্ষৰ আটাইতকৈ বেছি চাহ উৎপন্ন হয় অসমত কিন্তু চাহ নীলাম কেন্দ্ৰটো হল অসমৰ বাহিৰত। বহু বাক বিতণ্ডা আৰু বাইজৰ দাবিত আজি কিছু বচৰৰ আগতে গুৱাহাটীত তেনে কেন্দ্ৰ এটা হৈছে। স্বাধীনতা লাভৰ অৰ্দ্ধ শতিকা হবৰ হল যদিও ব্ৰড গজ ৰেল লাইন অসমৰ ইমূৰ সিমূৰ জুৰি এতিয়াও হোৱা নাই। অন্যান্য ৰাজ্যৰ তুলনাত অসম তথা পূৰ্ব্বোত্তৰ খণ্ডৰ উন্নতি নগণ্য বুলিব পাৰি। ভাৰতৰ অন্যান্য ৰাজ্য বোৰ ঘূৰি পকি আহি ঘিয়ে পূৰ্ব্বোত্তৰ খণ্ডত প্ৰবেশ কৰে সিয়ে এই সত্যৰ উমান পাব। নিদিও নিদিও কৈ দিয়া বস্তু শেষত পালেও পোৱাৰ তৃপ্তি কম হয়। হতাশা-ক্ষোভ মনত থাকি যায়। প্ৰশাসনিক ক্ষেত্ৰটো দেখা যায়—সৰ্ব্ব ভাৰতীয় পৰ্য্যায়ৰ চাকৰিত অসমৰ বাহিৰৰ লোকৰ প্ৰভাৱ অধিক। অসমৰ স্বাৰ্থৰ হকে নীতি নিৰ্দ্ধাৰণ কৰে অসমৰ বাহিৰৰ মানুহে। গতিকে উন্নতি কি হব পাৰে সহজে অনুমান কৰিব পাৰি। আজি কিছু বছৰৰ পৰাহে ইয়াৰ সামান্য পৰিবৰ্ত্তন হোৱা দেখা গৈছে।

সৰুতে তেজপুৰৰ পৰা জামুগুৰিলৈ যাব লগা হলে চকী ঘাটেদি ভৰলী নদী নাৱেৰে পাৰ হৈ গৈছিলোঁ। পিছৰ কালত বৃটিছ চৰকাৰৰ দিনতে খৰালি কালত ইয়াৰ ওপৰত আওকঠীয়া খুটা আৰু বাঁহৰ চ'ছালিৰে অস্থায়ী দলং সাজি দিয়ে। বাৰিষা অহাৰ লগে লগে অস্থায়ী দলং পানীত উটি যায়। প্ৰতি বছৰে এনেকৈ অস্থায়ী দলং সাজি মানুহ, যান-বাহন অহা যোৱাৰ সুবিধা কৰা হৈছিল। ভাবিলে দুখ লাগে যে এই অৱস্থাৰ এতিয়াও উন্নতি নহল।

এতিয়াও চকী ঘাটত এখন পকা দলং হৈ উঠা নাই। মাজে মাজে কোনোবা নেতাই ভোট গোটোৱাৰ উদ্দেশ্য আগত ৰাখি কাগজত চকীঘাটৰ দলং হব বুলি আশ্বাস দিয়ে কিন্তু কামত ফুটুকাৰ ফেন। তেজপুৰ জামুগুৰিৰ মাজত দূৰত্ব ৰাষ্ট্ৰীয় ঘাই পথেৰে নগৈ চকী ঘাটেৰে গলে ২০ মাইল (৩২ কিঃ মিঃ) চমু হয়।

তেজপুৰৰ প'ল ফিল্ড, চাৰ্চ ফিল্ড (নেহৰু ময়দান) হজৰা পাৰ মোৰ মনত পৰাৰে পৰা একেই আছে। প'ল ফিল্ড বা হজৰা পাৰত এটা আধুনিক ধৰণৰ ষ্টেডিয়াম এতিয়াও হৈ নুঠিল।

কংগ্ৰেছত যোগ দিয়া দিন ধৰি দলীয় সংগঠন আৰু ৰাইজৰ উন্নয়নমূলক কামত সাধ্যানুসৰি লাগি আছোঁ। ক্ষমতাৰ লোভ নাছিল। বহুত সুবিধা পাইছিলোঁ কিন্তু গ্ৰহণ কৰা নাছিলোঁ। এতিয়া সেইবোৰ কথা কলে বিশ্বাস কৰা লোক কম ওলাব। কৈও লাভ নাই। চকুৰ আগতে বহুতে বহুত সুবিধা লৈ এতিয়া সুখে সন্তোষে আছে। মোৰ কোনো আক্ষেপ নাই। সকলোৰে মঙ্গল হোৱাটো বাঞ্চা কৰো। স্বাধীনতা আন্দোলনৰ সময়ত আন্দোলনৰ গুৰুত্ব যি বুজা নাছিল সিও এতিয়া মুক্তি যোদ্ধা। বহুতলৈ হাত মেলে। হাস্যাস্পদ কথা এইয়ে যে কংগ্ৰেছৰ বিৰুদ্ধে চোৰা চোৱা গিৰী কৰা আৰু অন্যান্য অপৰাধত জেল খোৱা কোনো কোনো লোকো পিছৰ কালত ডাঙৰ কংগ্ৰেছী হল। ৰাজহুৱা স্মৃতি বৰ খন্তেকীয়া বুলি এষাৰ কথা আছে। ইয়াৰ প্ৰমাণ বহুতে নিজে পাইছে আৰু দেখিছে। ভাল কাম কৰা লোকো পৰিস্থিতিত পৰি বেয়া বুলি পৰিগণিত হয় আৰু অন্য হাতে কলঙ্কিত লোকো সময়ত নিকা বুলি সমাদৃত হয়। ইয়াৰ বাবে ৰাইজক দোষাৰোপ কৰিব নোৱাৰি। স্বাৰ্থান্বেষী মুষ্টিমেয় লোকৰ প্ৰৰোচনাত মাজে মাজে সমাজত পৰিস্থিতি সললি হৈ থাকে। এক অদৃশ্য শক্তিয়ে ক্ৰিয়া কৰি ৰাইজক একাললৈ ঢাল খুৱাই লৈ যায়। ৰাইজ সেইকালেই

লৈ থাকে—যেতিয়ালৈকে কঢ় বাস্তৱৰ সন্মুখীন হৈ মোহভঙ্গ নহয়। ৰাজনৈতিক আৰু সামাজিক ক্ষেত্ৰত হোৱা পৰিবৰ্ত্তনবোৰ এনেদৰেই হৈছে বুলি মোৰ দৃঢ় ধাৰণা।

হলেশ্বৰ মৌজাৰ পৰোৱা বাগিচাৰ ওচৰত মোৰ কেই বিঘা মান মাটি আছিল। চীনা আক্ৰমণৰ পিছত প্ৰতিৰক্ষা বিভাগে অন্যান্য লোকৰ লগতে মোৰো সেই মাটি কেই বিঘা অধিগ্ৰহণ কৰিলে। কিছু টকা পালোঁ। তাৰেই এতিয়া থকা ঘৰটো সাজিলোঁ আৰু মোৰ তৃতীয় ছোৱালী বাণুক বিয়া দিলোঁ। বাণুৰ বিয়াৰ সময়ত (১৯৭২ চন) নতুন ঘৰলৈ আহোঁ। নতুন ঘৰটোৰ লগতে লগা পুৰণি ঘৰটো। পুৰণি ঘৰটোত মোৰ জীৱনৰ বহু স্মৃতি জড়িত হৈ আছে। জেলৰ পৰা অহাৰ পিছত শইকীয়া চুবুৰীত থকা মোৰ পিতাদেউৰ ঘৰভেটি এৰি আহি বৰ্ত্তমানৰ ঠাইত ঘৰ সাজি থাকিবলৈ লওঁ। প্ৰথমে বাহঁ খেৰেৰে সাজি লৈছিলো পিছত লাহে লাহে বহু কষ্টেৰে অসম টাইপ ৪ কুঠলীয়া টিন্ পাতৰ ঘৰ এটা সাজো। ঘৰটোৰ আগত আৰু পাছত দুখন বাৰান্দা, লগতে এটা পাক ঘৰ আৰু গা ধোৱা ঘৰ আছে। ভড়াল ঘৰ, গৰু গোহালি আৰু পায়খানা কিছু দূৰত। জীৱনৰ বহু সুখ-দুখৰ কাহিনী এই ঘৰটোৱে জানে। প্ৰথম দুজনী ছোৱালী ইয়াৰ পৰাই বিয়া দিছো। তেওঁলোকক কেনেকৈ বিয়া দিলো—ভাবিলে এতিয়া নিজে আচৰিত হওঁ। হাতত টকা পইছা নাছিল। বন্ধু-বান্ধৱৰ সহায় আৰু ছোৱালীৰ মামাক হঁতৰ কায়িক পৰিশ্ৰমৰ জোৰতে বিয়া দুখন হৈছিল। এই ঘৰটোত বহুত শিল্পী-সাহিত্যিক, গুণী-জ্ঞানী আৰু পুৰণি ৰাজনৈতিক নেতাৰ সমাগম হৈছিল। মই বাইজৰ কামতে ব্যস্ত হৈ থকাৰ বাবে ডেকাৰ গাঁৱলৈ অহা স্বনামধন্য ব্যক্তি সকলে—মোৰ ঘৰতে পদাৰ্পণ কৰে আৰু সি সকলক যথাসাধ্যে মই সোধ পোছ কৰো। ৺গহনচন্দ্ৰ গোস্বামী, ৺মহীকান্ত দাস, ৺অমিয়কুমাৰ

দাস, ৺জ্যোতিপ্ৰসাদ আগৰৱালা, ৺বিষ্ণুপ্ৰসাদ ৰাভা, শ্ৰী বিজয়চন্দ্ৰ ভাগৱতী, শ্ৰী শ্ৰীকান্ত শৰ্ম্মা, ৺ফণী শৰ্ম্মা আদি স্থানীয় গণ্যমান্য লোক সকল প্ৰায়ে মোৰ ঘৰলৈ আহে ; ৰাজনীতিকে লৈ নানা কথাপাতে, গঞ্জা বাইজৰ খবৰ লয়। স্বাধীনতাৰ পাছত যি সকল ব্যক্তিৰ লগত ৰাজনীতি আৰু সামাজিক কাম—কাজত জড়িত আছিলোঁ—সেই সকলৰ ভিতৰত বেছি ঘনিষ্ঠতা হৈছিল শ্ৰী শ্ৰীকান্ত শৰ্ম্মাৰ লগত। বয়সত শৰ্ম্মা মোতকৈ বহুত সৰু—তথাপিতো আমি দুয়ো ঘনিষ্ঠ বন্ধু আছিলোঁ। আমি চাহ বাগিচা বিলাকৰ বনুৱাৰ মাজত সংগঠন গঢ়ি তুলিবলৈ বহুত দিন বাগানে বাগানে ঘূৰিছিলোঁ। বনুৱাৰ মাজত সংগঠন গঢ়ি তোলাত অমিয় দাদাই আগ ভাগ লৈছিল। অমিয় দাদা প্ৰকৃততে শ্ৰমিকৰ বন্ধু আছিল। শ্ৰী শ্ৰীকান্ত শৰ্ম্মা প্ৰথমে জিলা কংগ্ৰেছৰ সম্পাদক আৰু পিছলৈ বহুত দিন সভাপতি হৈ আছিল। সেই সময়তে তেওঁ তেজপুৰ পৌৰ সভাৰো সভাপতি হৈ আছিল। জিলা কংগ্ৰেছৰ সভাপতি হৈ থকা সময়তে শ্ৰী শ্ৰীকান্ত শৰ্ম্মাই জিলা কংগ্ৰেছৰ কাৰ্য্যালয়ৰ বাবে এখন জীপ গাড়ী কিনে। জীপখনৰ চালক নন্দী। তেওঁ বহুত দিন জিলা কংগ্ৰেছৰ জীপখন আৰু তাৰ পিছত লোৱা এম্বেছাডোৰ গাড়ীখন চলাই আছিল। নন্দীয়ে চলোৱা জীপত উঠি শ্ৰী শ্ৰীকান্ত শৰ্ম্মা গধূলি পৰত প্ৰায়ে মোৰ ঘৰলৈ আহে। আমি দুয়ো আগফালৰ বাৰান্দাত বহি নানা বিষয়ে আলোচনা কৰি থাকো। মোৰ ছোৱালীহতক তেওঁ "মাই" বুলি মাতে। শৰ্ম্মা আহিলে ঘৰুৱা ব্যস্ততাৰ মাজতো পৰিবাৰে এবাৰ হলেও ওলাই আহি মাত এষাৰ দি যায়। আমাৰ লগত শৰ্ম্মাৰ একেবাৰে ঘৰুৱা সমন্ধ।

১৯৬৮ চনত মই অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সদস্য হলোঁ। তেতিয়াৰ উদ্যোগ মন্ত্ৰী ৺বিশ্বদেৱ শৰ্ম্মাই মোৰ লগত এই পদৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰিছিল। ৺বিশ্বদেৱ শৰ্ম্মাৰ পৰিয়ালৰ লগত আমাৰ

ঘৰুৱাভাবে আহ যাহ আছে। ডেকাৰ গাঁৱৰ ৺গোলোক মৌজাদাৰৰ ভায়েক ৺গগন শৰ্ম্মাৰ জীয়ৰী—৺বিশ্বদেৱ শৰ্ম্মাৰ সহধৰ্ম্মিনী। মোৰ ঘৰৰ ওচৰতে ৺গগন শৰ্ম্মাৰ ঘৰ। ৺বিশ্বদেৱৰ পিতৃ ৺মহাদেৱ শৰ্ম্মা তেজপুৰ লোকেল বোৰ্ডৰ চেয়াৰমেন হৈ



[স্বাধীনতাৰ ৰূপালী জয়ন্তীবৰ্ষত লিখকলৈ ভাৰত চৰকাৰে আগবঢ়োৱা তাম্ৰপত্ৰ]

থাকোতে মই বোৰ্ডৰ মেম্বাৰ। ৺বিশ্বদেৱক সৰুৰে পৰা পাইছো। তেওঁৰ খুৰাক ৺বেদা শৰ্ম্মাৰ লগত একেলগে তেজপুৰ জেলত থকাৰ কথা আগতে উল্লেখ কৰিছোঁ।

চাওঁতে চাওঁতে ভাৰত স্বাধীন হোৱা পঁচিশ বছৰ পূৰ্ণ হ'ল। সমগ্ৰ দেশতে স্বাধীনতাৰ ৰূপালী জয়ন্তী বৰ্ষ পালনৰ আয়োজন চলিল। আমিও বালিপাৰা আঞ্চলিক পঞ্চায়তৰ উদ্যোগত এই বৰ্ষ উলাহ মালহেৰে উদ্‌যাপন কৰিছিলোঁ। ৰূপালী জয়ন্তী বৰ্ষৰ ভিতৰতে ভাৰত চৰকাৰে মোক স্বাধীনতা আন্দোলনত ত্যাগৰ

স্বীকৃতি স্বৰূপে তাম্ৰপত্ৰ দি সন্মান যাচিলে। দিল্লীত অনুষ্ঠিত হোৱা উৎসৱত ভাগ লবলৈ মই যাব নোৱাৰিলোঁ। সেয়েহে তেজপুৰৰ হেম বৰুৱা ভৱনত হোৱা ৰাজহুৱা সভাত তেতিয়াৰ মুখ্যমন্ত্ৰী শ্ৰী শৰৎ চন্দ্ৰ সিংহ ডাঙৰীয়াই ভাৰত চৰকাৰৰ হৈ মোক তাম্ৰপত্ৰ প্ৰদান কৰে।

স্বাধীনতাৰ পঁচিশ বছৰৰ ভিতৰত মোৰ অঞ্চলত কিছু কাম হৈছিল। সমন্বৰ আহ্বানত ৰাইজৰ সহযোগত কেইখনমান



প্ৰাক্তন মুখ্যমন্ত্ৰী শ্ৰীশৰৎ চন্দ্ৰ সিংহই লিখকক তাম্ৰপত্ৰ প্ৰদান কৰিছে (মাজত) কাত তেজপুৰ জিলা কংগ্ৰেছৰ প্ৰাক্তন সভাপতি শ্ৰীকান্ত শৰ্মা।

শিক্ষানুষ্ঠান, হাস্পতাল হ'ল। গাঁৱৰ ভিতৰুৱা বাট পথৰ কিছু উন্নতি হ'ল। হেমবৰুৱা হাই স্কুল আৰু ডেকাৰ গাঁৱৰ হাইস্কুলৰ উপৰিও হলেশ্বৰত আৰু মিছন চাৰি আলিত দুখন হাইস্কুল প্ৰতিষ্ঠাৰ কাম চলিছিল। হলেশ্বৰ হাইস্কুল প্ৰতিষ্ঠাত মই মেনেজিং কমিটিৰ

সভাপতি আছিলোঁ। মিছন চাৰি আলি হাইস্কুলৰ বাবে গোপচাৰ মাটি মই লেণ্ড এড ভাইচৰী বোৰ্ডৰ মেম্বাৰ হৈ থাকোতেই দিয়া হৈছিল। ডেকাৰ গাঁৱত এখন পাব্লিক স্কুল খোলাৰ মানসেৰে কিছু কামত আগবঢ়া হৈছিল। কুণ্ডাৰ বাৰীৰ উত্তৰ ফালে কিছু চৰকাৰী মাটি আছিল। এই মাটিখিনি লেণ্ড এড্ভাইচৰী বোৰ্ডত স্কুলৰ বাবে মঞ্জুৰ কৰালোঁ। তেজপুৰৰ বিখ্যাত ৺ব্যৱসায়ী দোৱাৰকা প্ৰসাদক অনুৰোধ কৰাত তেওঁ স্কুলৰ বাবে দুই লাখ টকা আগবঢ়াবলৈ সন্মত হৈছিল। এদিন শ্ৰীবিজয়চন্দ্ৰ ভাগৱতী, দোৱাৰকা আৰু মই মাটি চাবলৈ গলোঁ। মাটি দেখি তেখেত সকলে পছন্দ কৰিলে। চৰকাৰী সাহায্যৰ বাবে মুখ্যমন্ত্ৰী ৺চলিহা দেৱক লগ ধৰিলোঁ। মুখ্যমন্ত্ৰীয়ে একে আষাৰে পইছা দিব নোৱাৰোঁ বুলি কলে। কাৰণ পাব্লিক স্কুলত ধনী মানুহৰ লৰা-ছোৱালীয়েহে পঢ়িব। তাত দুখীয়া লৰা ছোৱালীৰ বাবে স্থান নাই। এনে স্কুলৰ বাবে চৰকাৰে টকা দিব নোৱাৰে। গতিকে পাব্লিক স্কুলৰ কথা তাতে সামৰণি পৰিল। দোৱাৰকাই আমাক দিম বোলা টকাৰে তেজপুৰত এখন আয়ুৰ্বেদিক হাস্পতাল খুলিলে। পাব্লিক স্কুলৰ নামত মঞ্জুৰ কৰোৱা মাটিখিনি পিছত ৺বিশ্বদেৱ শৰ্ম্মা উদ্যোগ মন্ত্ৰী হৈ থকা কালত ইণ্ডাষ্ট্ৰিয়েল এৰিয়া হিচাপে সংৰক্ষিত কৰি ৰখা হ'ল।

জন সোঁতৰ্দি ঃ হৃদা গছত বাগি কুঠাৰ

বৰ্ত্তমান মোৰ বয়স ৮৮ বছৰ। স্বাস্থ্য এতিয়া পৰি আহিছে। এবছৰ মান আগলৈকে চাইকেল চলাই তেজপুৰ টাউন, গৰৈমাৰী, চলাগাঁও, বৈঠা ভঙা আদি ঠাই ভ্ৰমি ফুৰিছিলো। এদিন মোৰ ঘৰৰ পছুলি মুৰতে চাইকেল চলাই আহোঁতে মিলিটাৰী মটৰ চাইকেলে

শুশ্ৰিয়ালে। এমাহমান বিছনাত পৰি থাকিব লগীয়া হৈছিল। জী-য়েঁৱাই হঁতে মানা কৰাত তেতিয়াৰে পৰা চাইকেল চলাবলৈ এৰিলোঁ। মই সত্তৰৰ দশকৰ পৰাই প্ৰকৃততে কৰবলৈ গলে সক্ৰিয় ৰাজনীতিৰ পৰা আঁতৰত আছো। বাইজৰ কামত ওলোৱাটো মোৰ সৰুৰে অভ্যাস। সেইটো এতিয়াও আছে। ৰাইজে মাতিলে এতিয়াও মেল মিটিঙলৈ যাওঁ। কোনোবাই বিচাৰিলে সাধ্যমতে



মিলিটাৰী মটৰ চাইকেলৰ লগত হোৱা দুৰ্ঘটনাৰ পিছত লিখক।

সহায় কৰোঁ। বৰ্ত্তমান ঘৰত মই আৰু পৰিবাৰ মাত্ৰ। আমাৰ লগত সহায়কাৰী হিচাবে এজনী ছোৱালী আৰু দুজন মানুহ থাকে

মানুহ দুজন প্ৰাক্তন চাহ বনুৱা সম্প্ৰদায়ৰ লোক, নাম—দীন আৰু চুমু। ছোৱালী জনীৰ দেউতাক প্ৰাক্তন চাহ বনুৱা আছিল। নাম ধনু। মোৰ ঘৰত তেওঁ বহুত দিন আছিল। পিছত মোৰ ঘৰৰ ওচৰৰে অসমীয়া ছোৱালী এজনী লৈ মোৰ ঘৰৰ পৰা গুচি গ'ল। দুজনী ছোৱালী আৰু এটা নবাজন্ম হোৱাৰ পিছত ধনুৰ মৃত্যু হয়। ডাঙৰ জনী ছোৱালী উষা মোৰ ঘৰলৈ আহিল। এতিয়া তাই মোৰ লগতে থাকে। ১৯৮৯ চনৰ ২৭ ফেব্ৰুৱাৰীত মোৰ আটাতকৈ সৰু ছোৱালী জনীক বিয়া দিলোঁ আৰু কন্যাদানৰ পৰাও মুক্ত হলোঁ। পুত্ৰ নাথাকিলে বোলে পিতৃ মাতৃ পুন্নাম নৰকত পৰে। সেয়া আমাৰ ভৱিতব্য বুলি লব লাগিব।

আজি প্ৰায় ২০ বছৰ মানেই হল—গধূলি সদায় মোৰ ঘৰত ভাগৱত পাঠ হয়। আমাৰ ওচৰৰে কেইবাজনো আস্থাশীল

ভাগৱত পাঠৰ ভকত সকলত লগত লিখক

লোকৰ সহযোগত এই ফেৰা কাম হৈ থাকে। চাকি বন্তি জ্বলাই আৰম্ভ কৰা ভাগৱত পাঠত কেতিয়াবা ওচৰৰ লৰা-ছোৱালীয়েও যোগ

দিয়েছি। গুৰুজনাৰ স্মৃতি বাস, ভাওনাত এতিয়াও মই আগ্ৰহী। আজি কিছু বছৰৰ আগতে ডেকাৰগাঁও উষা নাট্য মন্দিৰত ভীমৰ অভিনয় কৰিছিলোঁ। তেতিয়া কোনোবা সাংবাদিকে "আশী বছৰীয়া ভীম" শীৰ্ষক বাতৰি পৰিবেশন কৰিছিল।

অসমীয়া চলচ্চিত্ৰৰ সোনালী জয়ন্তী বৰ্ষ ১৯৮৫ চনত উদ্‌যাপন

আশীবছৰ বয়সত লিখক ভীমৰ ভাৱত (দুঃশাসনৰ ৰক্তপান দৃশ্য)

কৰা হয়। গুৱাহাটীৰ ৰবীন্দ্ৰ ভৱনত শিল্পী সকলক সম্বৰ্দ্ধনা জনালে চৰকাৰী ভাবে। এই সম্বৰ্দ্ধনালৈ মইও আমন্ত্ৰিত হৈছিলোঁ। নগদ ধন, ফলক আৰু শৰাই গামোচাৰে সম্বৰ্দ্ধিত হলোঁ। মোৰ মনত অপাৰ আনন্দ যে মই জীৱনত যি দুটা বিষয়ত লাগি আছিলোঁ— দুয়োটাতে চৰকাৰ তথা বাইজৰ পৰা স্বীকৃতি পালোঁ। ইতিমধ্যে ১৯৯৪ চনৰ ১৫ আগষ্টৰ পৰা শিল্পী পেন্সনো পাইছো।

৫/২/৮৩ তাৰিখ শনিবাৰ। এই দিনটো মোৰ বাবে ভয়ঙ্কৰ দিন। সেইদিনাৰ ঘটনাৰ দৃশ্য এতিয়াও মাজে মাজে সপোনত দেখা পাই চিঞৰি উঠো। কিন্তু আগুৰাই গৈ কৰলৈ ওলাইছো।

মোৰ পুৰণি ঘৰটোৰ কথা আগতে উল্লেখ কৰিছোঁ। নতুন ঘৰটো ১৯৭২ চনত অহাত সেই ঘৰটো ডাক বিভাগক ভাৰা দিলোঁ। ছুয়োটা ঘৰ এখন ঠেক বাৰান্দাৰে সংলগ্ন। ঘৰটোৰ পৰা পোৱা

স্মাৰক পত্ৰ

পৰম শ্ৰদ্ধাস্পদ, ভাৰতৰ প্ৰধান মন্ত্ৰী মহোদয়াৰ সমীপেষু —
পূৰৎ জিলাৰ উপায়ুক্ত মহোদয়ৰ জৰিয়তে

মহোদয়া,

অসমৰ পৰা বিদেশী নাগৰিক বহিষ্কাৰ কৰা এটি গুৰুত্ব পূৰ্ণ ৰাষ্ট্ৰীয় সমস্যা। এই সমস্যাৰ সমাধানৰ উদ্দেশ্যে সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদৰ নেতৃত্বত সমগ্ৰ অসমবাসীয়ে শান্তিপূৰ্ণ, অহিংস, আৰু গণতান্ত্ৰিক আন্দোলন চলাইছে তাৰ প্ৰতি কেন্দ্ৰীয় চৰকাৰে আৱশ্যকীয় সহাৰি দি উক্ত সমস্যা সমাধানৰ কাৰণে যথাযোগ্য ব্যৱস্থা কৰাৰ বিপৰীতে দমন মূলক নীতি গ্ৰহণ কৰি উক্ত আন্দোলন মষিমূৰ কৰিবলৈ নানান ব্যৱস্থা কৰা দেখা গৈছে। শান্তিপূৰ্ণ আন্দোলন কাৰীৰ ওপৰত লাঠি চালনা, গুলী চালনা হৈছে, নিবাৰক নিৰোধ আইনৰ দ্বাৰা বহুতলোকক আটক কৰা হৈছে আৰু চৰকাৰী কৰ্মচাৰী অনেকক ওপৰত শাস্তি মূলক ব্যৱস্থা লোৱা দেখা গৈছে।

অসমৰ মুক্তি যুদ্ধাকসকলে গোটেই বিষয়টো সতৰ্ক দৃষ্টিৰে লক্ষ্য কৰি আছিছে আৰু অসমৰ বাহিৰৰ এই অন্যায় সকলো আন্দোলনৰ প্ৰতি চৰকাৰে লোৱা দমন মূলক ব্যৱস্থাত মৰ্মাহত হৈছে।

সেয়ে, আজি সমগ্ৰ অসমৰ মুক্তি যুদ্ধাকৰ লগতে তেজপুৰ জিলাৰ মুক্তি যুদ্ধাক সন্থাই স্থিৰ সিদ্ধান্ত গ্ৰহণ কৰে যে অসমৰ মুক্তি যুদ্ধাকসকলক ভাৰতৰ প্ৰধান মন্ত্ৰীয়ে যি তাম্ৰ পত্ৰ প্ৰদান কৰিছিল তাক পুনৰ প্ৰধান মন্ত্ৰীলৈ জিলাৰ উপায়ুক্ত জৰিয়তে চৰকাৰৰ দমন নীতিৰ প্ৰতিবাদ স্বৰূপে ঘুৰাই দিয়া হওক। মুক্তি যুদ্ধাক সকলে আশা কৰে যে চৰকাৰে সকলো দমন নীতি পৰিত্যাগ কৰি আলোচনাৰ মাজেদি এই গুৰুত্বপূৰ্ণ ৰাষ্ট্ৰীয় সমস্যা আইন আৰু সংবিধান মতে সমাধানৰ কাৰণে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব লাগে। সেই উদ্দেশ্যে এটা সুস্থ বাতাবৰণ সৃষ্টি কৰিবলৈ আটক বন্দী সকলক বিনা-চৰ্তে মুক্তি দিব লগতে চাকৰিয়াল সকলৰ ওপৰত আৰোপ কৰা সকলো শাস্তিমূলক নিৰ্দেশ উঠাই ল'ব লাগে। ইতি —

তেজপুৰ মুক্তি যুদ্ধাক সন্থাৰ হৈ —
শ্ৰীঠানুৰাম বৰা, সভাপতি
শ্ৰীভিয়েশ্বৰ বৰা, সম্পাদক
Secretary

তেজপুৰ
১৫।৩।৮০

চিৰজীৱ প্ৰেছ : তেজপুৰ।

ভাৰা আৰু মাহিলী পেন্সন লৈ কোনোমতে বৃদ্ধকালৰ দিন অতি-বাহিত কৰি আছোঁ। তেতিয়া "বিদেশী খেদা" আন্দোলনৰ পূৰ্ণ

পৰোক্ষত। এই আন্দোলনৰ গুৰি ধৰিছে সদৌ অসম ছাত্ৰ সন্থা আৰু গণ সংগ্ৰাম পৰিষদে। মই নিজেও আন্দোলনত যোগ দিওঁ। ভাৰতৰ প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধীলৈ পঠোৱা স্মাৰক পত্ৰত মোৰ

স্মাৰক পত্ৰ

ভাৰতৰ প্ৰধান মন্ত্ৰী মহোদয়ৰ, সমীপেষু নতুন দিল্লী

([illegible] উপায়ুক্ত [illegible])

মহোদয়,

আপোনাৰ [illegible] সংগ্ৰামী [illegible] সকলে আপোনাৰ ওচৰত এই স্মাৰক পত্ৰ যোগেদি অসমৰ [illegible] বিদেশী [illegible] কথা দুটি মান [illegible] বিচাৰিছো।

আমাৰ [illegible] অসমৰ বাহিৰৰ [illegible] আৰু [illegible] সংগ্ৰাম কৰিব লগা হৈছে। [illegible] আন্দোলনৰ নেতৃত্ব বহন কৰিছে। এই [illegible] আন্দোলনত [illegible] এই আন্দোলনত [illegible] লগা হৈছে।

আজি প্ৰায় [illegible] ছাত্ৰসকলৰ নেতৃত্বত বিদেশী বহিষ্কাৰৰ [illegible] জাতীয় পিতা মহাত্মা গান্ধীৰ [illegible] যি অহিংসা আন্দোলন গঢ়ি উঠিছে পৃথিৱীৰ ইতিহাসত ইয়াৰ দৃষ্টান্ত বিৰল। আপুনিয়ে আমাৰ জাতীয় চৰকাৰৰ যি [illegible] এই আন্দোলন-দমন কৰিবলৈ [illegible] লাগিছে ইও পৃথিৱীৰ [illegible]। মহাত্মাৰ [illegible] এটা [illegible] স্বাধীন দেশত বিদেশী বহিষ্কাৰ কৰিবলৈ আন্দোলন কৰিব লগা হোৱাটোৱেই লজ্জাজনক। অসমৰ বাহিৰে আজি ভাৰতৰ অখণ্ডতা ৰক্ষা কৰিবলৈ [illegible] অসমৰ [illegible] উপৰিও সমূহ দেশবাসীৰ স্বাৰ্থত অসমৰ বাহিৰে এই আন্দোলনত জড়িত আছে।

স্বাধীনতা [illegible] অসমৰ [illegible] উল্লেখযোগ্য আছিল। অসমত যি স্বাধীনতা সংগ্ৰাম হৈছিল [illegible] আছিল। ইয়াৰ বিনিময়ত আমি যি পালো তাক যদি [illegible] বাহিৰে একো নাপাওঁ। বৃটিছ চৰকাৰে ভাৰতত উপনিৱেশ স্থাপন কৰি অসমক যি ভাবে শোষণ কৰিছিল আজি ভাৰতৰ জাতীয় চৰকাৰে তাতোকৈ [illegible] শোষণ কৰিবলৈ ধৰিছে। [illegible] আমাৰ [illegible] মাটিকিয়া [illegible] দুখিছে। লাখ লাখ বিদেশী [illegible] অসমৰ [illegible] বিপদ হোৱা দেখিও ভাৰত চৰকাৰে চকু মুদি বহি থাকেনে? ভাৰত চৰকাৰৰ [illegible] এনে এটা বিপদ অৱস্থাৰ পৰিপ্ৰেক্ষিতত স্বাধীনতা আন্দোলনত জড়িত [illegible] সংগ্ৰামী সকলে চকু মুদি [illegible] বহি থাকিব নোৱাৰে। সেয়েহে আপোনাৰ যোগেদি মহামান্য ভাৰত চৰকাৰক আমি [illegible] নিবেদন কৰিব খুজিছো যে, অতিসোনকালে অসমৰ পৰা বিদেশী বহিষ্কাৰ কৰক। নহলে [illegible] বিপন্ন হ'ব।

অসমৰ বাবে এই আন্দোলন এখন মহাভাৰতৰ যুদ্ধৰ দৰেই ধৰ্ম যুদ্ধ। সুদূৰ অতীতত অসমৰ বাহিৰে [illegible] ভাৰতৰ [illegible] ৰক্ষা কৰি আহিছে। আজিও অসমৰ বাহিৰে ভাৰতৰ অখণ্ডতা ৰক্ষা কৰিবলৈ [illegible]। চৰকাৰে [illegible] উপলব্ধি কৰা উচিত যে এই আন্দোলন বন্দুকৰ জোৰেৰে দমন কৰিব নোৱাৰি।

এসময়ৰ মহাত্মা গান্ধীৰ নেতৃত্বত অহিংস সংগ্ৰামকাৰী সকলে আজি চৰকাৰ পৰিচালনা কৰিছে। আজৌ এই চৰকাৰেই আজি গান্ধীৰ আদৰ্শক ভৰিৰে মোহাৰি পেলাব খুজিছে। ইয়াতকৈ [illegible] আৰু কি হব পাৰে? যি গান্ধীৰ আদৰ্শক পৃথিৱীৰ জনগণে উদ্ভুত [illegible] কৰিছিল; সেই আদৰ্শক যি সকলে আজি ভৰিৰে মোহাৰিব খুজিছে, ইতিহাসে সেই সকলক কেতিয়াও ক্ষমা নকৰে।

অসমৰ বাহিৰে সেয়েহে আজি অস্তিত্ব ৰক্ষাৰ বাবে জীৱন মৰণ পণ কৰিব লগা হৈছে আৰু স্বাধীনতা যুঁজৰ সংগ্ৰামী সকলেও [illegible] ভাৰতৰ ঐক্য অখণ্ডতা, সংবিধানৰ মৰ্য্যদা ৰক্ষাৰ বাবে অসমৰ পৰা বিদেশী বহিষ্কাৰ দাবী উত্থাপন কৰিছে। ইতি—

"জয় আই অসম"

বিনীত

শ্ৰীমহেশ্বৰ নাথ

[illegible] মুক্তি যুঁজাৰু [illegible]

শ্ৰীবাবুৰাম বড়া

সভাপতি, [illegible]

শ্ৰীবিষ্ণুদেৱ শৰ্মা

[illegible]

নাম দিছো। · ভাৰতৰ মাটিত অবৈধ ভাৱে কোনো বিদেশী থাকিব নোৱাৰে। ই সৰ্বজন স্বীকৃত কথা। চৰকাৰেই অসমৰ পৰা

বিদেশী খেদাৰ প্ৰক্ৰিয়া প্ৰথমে আৰম্ভ কৰিব লাগিছিল। কিন্তু সেইটো হৈ মুঠাত আন্দোলন কৰিব লগা হৈছিল। মই তেতিয়া তেজপুৰ জিলা মুক্তি যুঁজাৰু সন্মিলনৰ সভাপতি। তেজপুৰ কাছাৰিত উপায়ুক্ত কাৰ্য্যালয়ৰ সন্মুখত অনশন কৰিছো। বাঙা-পাৰাত ট্ৰেইন বন্ধ কৰিবৰ কাৰণে বাইজৰ লগত তালৈকো গৈছো। আন্দোলনৰ সকলো কাৰ্য্যসূচীতে অংশ গ্ৰহণ কৰি আছিলোঁ। ১৯৫১ চন ভিত্তি বছৰ হিচাবে লৈ বিদেশী বহিস্কাৰ কৰিব লাগে বুলি আন্দোলনকাৰী পক্ষৰ পৰা দাবি উঠোৱা হ'ল। কেন্দ্ৰীয় চৰকাৰে ইয়াৰ কাৰণে ১৯৬৬ চনলৈকে ভিত্তি বছৰ ঠিৰাং কৰিবলৈ উদ্যত হৈছিল। কিন্তু ইতিমধ্যে গোটেই পৰিস্থিতিটোৱে ৰাজ-নৈতিক মুনাফা আদায়ৰ ৰূপ গ্ৰহণ কৰাত চৰকাৰী পক্ষ আৰু আন্দোলনকাৰী পক্ষৰ মাজত আলাপ-আলোচনা চলোৱাৰ বাট বন্ধ হৈ অহাৰ উপক্ৰম হ'ল। আন্দোলনৰ গতি ক্ষিপ্ৰতৰ হৈ উঠিল। অসমৰ বিভিন্ন ঠাইত আন্দোলনে ভয়াবহ ৰূপ ললে। ৫/২/৮৩ তাৰিখে ডেকাৰ গাঁৱত গধূলি জোঁৰ শোভাযাত্ৰা উলিওৱাৰ কথা সিদ্ধান্ত হ'ল। সেইদিনা গধূলি পৰত আমাৰ ঘৰত অন্যদিনাৰ দৰে ভাগৱত পাঠ হৈ আছে। মই আৰু মোৰ পৰিবাৰ ভকতৰ ওচৰত বহি ভাগৱত শুনি আছো। দীপাক বিয়া দিয়া ৮ মাহ পাৰ হৈ গৈছে। আমাৰ লগত সৰু জনী ছোৱালী ভন্টিহে আছে। তাই ভিতৰত কিবা কামত ব্যস্ত। ইতিমধ্যে দেখিছো-হাতত জোঁৰলৈ ডেকা লৰাৰ দল এটাই ৰাস্তাত শ্লোগান দিছে—"আহ ঐ আহ ওলাই আহ, খেদ ঐ খেদ বিদেশী খেদ।" ভকতৰ ভাগৱত পঢ়া বন্ধ হ'ল। আমি বাহিৰলৈ ওলাই আহিলোঁ। প্ৰথমতে ভাবিছিলোঁ-দলটো ৰাস্তায়েদি শ্লোগান দি আঁতৰি যাব। কিন্তু কি আচৰিত! ভাবিব নোৱাৰা কথা দেখোন। দলটোৰ মাজৰে পৰা কেইবাজনো ডেকা ফালৰি কাটি দ্ৰুতবেগে আমাৰ পুৱণি ঘৰটোৰ ফালে সোমাই আহিছে। তেওঁলোকে ছুৱাৰত হেঁচা দিয়াত পোষ্টমাষ্টাৰ জনে দুৱাৰ খুলি

দিলে। পোষ্ট মাষ্টাৰ জন এজন বঙালী লোক। তেওঁৰ উপাধিটো সেনগুপ্ত। ইতিমধ্যে আৰু ডেকা লৰা শোভাযাত্ৰা কাৰিৰ মাজৰ পৰা ঘৰলৈ সোমাই গ'ল। তেওঁলোকে ডাকঘৰৰ কাগজপত্ৰ আৰু চকী মেজবোৰ গোটাই ঘৰৰ ভিতৰতে জ্বলাই দিলে। পোষ্ট মাষ্টাৰৰ পৰিবাৰ আৰু কেঁচুৱাটো লৈ সেনগুপ্ত ভয়ার্ত্ত কণ্ঠেৰে চিঞৰি চিঞৰি আমি থকা ঘৰটোৰ বাৰান্দালৈ আহিল। ঘৰৰ ভিতৰত জুই দপ্ দপ্‌কৈ জ্বলিছে। ঘৰৰ পৰ্দাত জুই লাগি ওপৰলৈ উঠিছে। ডেকা দলটো ইতিমধ্যে ওলাই গৈ ওচৰতে থকা পঞ্চায়ত কাৰ্য্যালয়টোত অগ্নি সংযোগ কৰিছেগৈ। ওচৰতে এখন ট্ৰাক ৰাস্তাত ৰখাই থোৱা আছিল। সেই খনতো জুই লগাই দিলে। ঘৰটো জ্বলি ভস্মীভূত হৈ আমি থকা ঘৰটোও জ্বলাৰ আশঙ্কাত আমি সকলোৱে পাৰ্য্যমানে জুই নিয়ন্ত্ৰণ কৰিবলৈ চেষ্টা কৰিছো। এনেতে আকৌ মানুহবোৰ বিকট চিঞৰ মাৰি সোমাই আহিল। সেইবাৰ বাহিৰে ভিতৰে ঘৰত অগ্নি সংযোগ কৰিলে। আমাৰ প্ৰাণৰ সংশয় হ'ল। পুথি পঢ়া ভকত সকল পলাল। মই, পৰিবাৰ আৰু সৰু ছোৱালীজনীক লগত লৈ বাৰীৰ পিছফালে থকা বাঁহ জোপাৰ ফালে দৌৰ মাৰিলোঁ। আমাৰ লগত পোষ্টমাষ্টাৰৰ পৰিবাৰ আৰু কেঁচুৱাটোও আছে। বাঁহৰ তলত বহি দপ্ দপ্‌কৈ জ্বলা ঘৰটোলৈ চাই আছো। কোনোবাই চিঞৰা কাণত পৰিছে—"ইটো ঘৰো জ্বলাই দে, মানুহ কেইটা জুইত পেলাই দে।" বাঁহৰ তলত আটাইকেইটি প্ৰাণীয়ে কান্দিছো। মোৰ মৰমৰ ঘৰটো চকুৰ আগতে বৌ-বৌ কৈ জ্বলিব লাগিছে। মোৰ ঘৰত কাম কৰা দীন আৰু পোষ্ট মাষ্টাৰ সেনগুপ্তই আপ্ৰাণ চেষ্টা কৰি আমি থকা ঘৰটোৰ কালৰ পৰা বাল্টিৰে পানী মাৰিছে যাতে জুই বিয়পি আহি নতুন ঘৰটো নাপায়হি। জুয়ে আগুৰি ধৰাত দলটো আঁতৰি গ'ল। দীন আৰু সেনগুপ্তই পানী মাৰি আছে। চাওতে চাওতে ঘৰটোৰ ফ্ৰেমটো জ্বলিযোৱাত টিন পাত সহ ঘৰটো ভীষণ শব্দ কৰি তললৈ ভাগি পৰিল। জুই আৰু

ধোঁৱা উড়িছে চাৰিওফালে। বাঁহৰ তলত উচুপনি বাঢ়িছে। মই কান্দিব পৰা নাই—বুকুত কাকো বুজাব নোৱাৰা বেদনাই খুন্দা মাৰি ধৰিছে। এক প্ৰকাৰ অজ্ঞানৰ দৰে বাঁহৰ তলতে বহি আছো।” এইদৰে বহু সময় পাৰ হৈ গ'ল। জুইৰ লেলিহান শিখা কমি আহিল। তেতিয়া পুলিচৰ গাড়ী আহি পাইছেহি। জুই নুমুৱা গাড়ীও আহিল কিন্তু কামত একো নাহিল। সকলো শেষ হৈ গৈছে। পোষ্ট মাষ্টাৰৰ সকলো সম্পত্তি ভস্মীভূত হ'ল। পুলিচে মোৰ পৰা এজাহাৰ বিচাৰিছে। মই এজাহাৰ দি শক্ৰ কিনি নললোঁ। ভয় আৰু শঙ্কাৰ মাজেৰে সেই ভয়ঙ্কৰ ৰাতিটো কটালোঁ। ৰাতি পুৱা ওচৰৰ দুই একে ধোঁৱাই থকা ধ্বংস স্তূপটো চাইছেহি। এনে কাৰ্য্যত গৰিহণা দিবলৈ ইচ্ছা থাকিলেও ভয়ত কোনো নোলাল।

জন সোঁতেদি ঃ বৈঠা ভণ্ডাৰ তিৰো আৰু নাগ পৰিয়াল

বৈঠা ভণ্ডাৰ বেভাবেন্দ জহন তিৰো আৰু বৰ্ণবাচ নাগ পাহুৰী পৰিয়াল দুটিৰ লগত থকা মোৰ ঘনিষ্ঠ সম্বন্ধৰ কথা আগতে কৈছো। তিৰো আৰু নাগৰ লগত মোৰ বন্ধুত্ব অতি পুৰণি। তেওঁলোক প্ৰাক্তন চাহ বনুৱা সম্প্ৰদায়ৰ লোক। তেওঁলোকৰ পূৰ্ব্ব পুৰুষ চাহ খেতিৰ লগত জড়িত হৈ অসমলৈ আহিছিল। পৰবৰ্ত্তী কালত চাহ বাগিচাৰ আৰেষ্টনীৰ পৰা ওলাই আহি অসমীয়া জন-জীৱনৰ লগত খাপ খুৱাই বসবাস কৰিবলৈ লয়। দুয়োটি পৰিয়াল খৃষ্টান ধৰ্ম্মাৱলম্বী। তিৰোৰ লৰা শ্ৰীগিয়াৰচন তিৰোৱে অসম চৰকাৰৰ চাহ শ্ৰমিক কল্যাণ আয়ুক্ত হৈ অৱসৰ গ্ৰহণ কৰিছে আৰু আনজন ল'ৰা শ্ৰীদান তিৰো সেই অঞ্চলৰ এজন আগশাৰীৰ সমাজকৰ্ম্মী। নাগ পাহুৰীৰ পুত্ৰ ডঃ বিমল নাগে দৰং কলেজত সুখ্যাতিৰে অধ্যাপনা কৰি এতিয়া অৱসৰ ললে।

বেভ জহন তিৰোৰ মৃত্যু হোৱা আজি কিছু বছৰ হৈছে। তেওঁৰ মৃত্যুৰ দিনা মই তেজপুৰ জিলা কংগ্ৰেছ কাৰ্য্যালয়ত আছো। এনেতে গম পালোঁ জহন তিৰো পৰলোক হ'ল। এই খবৰ পোৱা মাত্ৰেই কংগ্ৰেছৰ জীপ গাড়ীখন লৈ বৈঠাভঙালৈ আহিলোঁ। মই গৈ পাওঁতে মৃতদেহ কফিনত ভৰাই গাঁৱৰ গিৰ্জালৈ নিব ওলাইছে। মোক দেখি পাহুৰীয়ে শৱাধাৰ নমাবলৈ কলে। মই ফুলৰ তোৰা

৺জহনতিৰোৰ সমাধিত তিনি মুঠি মাটি দি লিখক।

লৈ গৈছো। কফিনৰ আগ ভাগ খুলি দিয়াত মৃতকৰ আত্মাৰ সদগতি কামনাৰে শেষ শ্ৰদ্ধা জনাই ফুলৰ তোৰাটো দিলোঁ। মৃত দেহৰ ওচৰত তেতিয়া বহুতো লোকৰ সমাবেশ হৈছিল। তেতিয়াৰ এম, এল, এ শ্ৰীগোলোক ৰাজবংশী আৰু ৰাঙাপাৰা মজদুৰ কংগ্ৰেছৰ

সম্পাদক শ্ৰীপ্ৰিয় গোপাল মুখাৰ্জীও গৈছিল। পৰিয়ালৰ অনুৰোধ ক্ৰমে শৱ যাত্ৰীৰ লগত মই গিৰ্জালৈও গলোঁ। গিৰ্জাৰ পৰা শৱদেহ কবৰ স্থলীলৈ যাওঁতে মইও গৈছো। কবৰত সকলোৱে তিনি মুঠিকৈ মাটি দিছে। মই কবৰত তিনি মুঠি মাটি দি উঠাৰ পিছত



শ্ৰীমতী তিৰোৰ মৃত্যুত লিখকৰ শেষ শ্ৰদ্ধাঞ্জলি অৰ্পণ

পিয়াৰচনে মোক গৰামাৰি ধৰি হুক্ হুকাই কান্দি পেলালে। তেওঁ

কান্দি কান্দি কৈছিল—"আজিৰ পৰা আমাৰ দেউতা নাই তেখেতৰ পৰিবৰ্ত্তে আপুনি আছে।"

কিছু বছৰ পিছত জহন তিবোৰ পত্নীবো মৃত্যু হয়। দান তিবোৰা এজন ল'ৰা আহি ৰাতি পুৱাতে মোক খবৰটো দিলেহি। ময়ো তেওঁৰ লগতে যেনে আছো তেনে ভাবেই গৈ তেওঁলোকৰ ঘৰ পালোঁগৈ। মাহুহ গৰাকীয়ে আগতে বৈঠা ভঙা স্কুলত শিক্ষয়িত্ৰী কাম কৰিছিল। তেখেত এগৰাকী শুদ্ধ অন্তৰৰ মহিলা আছিল। মই গলেই তেখেতে মোক ৰান্ধি বাঢ়ি অতি পবিত্ৰভাবে খাবলৈ দিয়ে শ্ৰীমতী তিবোৰ মৃত্যুত মনত বৰ দুখ লাগিল। ধৰ্ম্মীয় ভাবে মৃতদেহ সৎকাৰ্য কৰা অনুষ্ঠানত মই যোগ দিলোঁ। মৃতকৰ প্ৰতি শেষ শ্ৰদ্ধা জনাই দু-আযাৰ কোৱাৰ পিছত প্ৰফেচাৰ বিমল নাগেও শ্ৰদ্ধাঞ্জলি জনালে।

শ্ৰীদান তিবোৱে তেওঁৰ পিতাকৰ স্মৃতিত ফুটবল খেলাৰ কাৰণে এখন চিল্ড আৰু এটা কাপ দান দিছে। প্ৰতি বছৰে এই প্ৰতিযোগিতা হৈ আছে আৰু তাত মোক সভাপতি নাইবা উদ্বোধক হিচাবে নিমন্ত্ৰণ কৰে। তেওঁলোকে কেতিয়াও মোক বাদ দিয়া নাই। দান তিবোৰ ভাই বোৱাৰী আৰু গিয়াৰচনৰ ভাৰ্য্যা শ্ৰীমতী মেৰী তিবো এগৰাকী বিদুষী নাৰী। তেওঁ বৰ্ত্তমান হেম বৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষা। মই বৰ সুখী যে একালত নিজ হাতেৰে গঢ়া আৰু অসংখ্য গঞা বাইজৰ উপকাৰ সাধি অহা এই শিক্ষানুষ্ঠানত তিবো পৰিয়ালৰে এগৰাকী নাৰীয়ে এই বিদ্যালয়ৰ গুৰি ধৰি আছে। তিবো পৰিয়াল বৰ্ত্তমান সেই অঞ্চলত শিক্ষাই দীক্ষাই আগবঢ়া পৰিয়াল।

জনসোঁতেদি ঃ বিৰ্‌চা মুণ্ডা আৰু মাউৰা লৰাটো।

আগৰ মদগী বাগানখনৰ নাম এতিয়া হুকং টিএষ্টেট হ'ল।

নিজৰ ভাতৰ মজদুৰ আছিল। বিৰচা আৰু পৰিয়াল লগত এটা জন্মই ছোৱালী এবছৰ মানৰ পিছতে মাক ঢুকাল। কিছুদিনৰ পিছত কেচুঁৱাটো লগত লৈ বিৰচাও বাগিচাৰ পৰা ওলাই আছিল। যিমনুৰুকিত কোনোবা আত্মীয়ৰ ঘৰত থাকিবলৈ ললে।' বিৰচাই খুলশালীৰ ঘৰ বুলি কৈছিল। তেওঁলোকৰ লগতো কিবা মনোমালিন্য হোৱাত তাৰ পৰা গুচি গৈ হুগ্ৰাজুলিৰ এজন মানুহৰ ঘৰত আশ্ৰয় লয়। তেতিয়া লৰাটোৰ বয়স পাঁচ বছৰ। ছমাহ মান তাতে থাকিল। এদিন লৰাটোক সেই ঘৰতে গৰখীয়া দি বিৰচা ডেকাৰ গাওঁ পালেহি। লগত আৰু দুজন। তিনিও জন ডেকাৰ গাৱৰ ৺ললিত শইকীয়াৰ ঘৰতে আছেহি। পিছত তাৰে এজনক ৺চেনাৰাম দাসৰ ঘৰলৈ নিয়ে আৰু বিৰচাক মই আনিলোঁ। মোৰ ঘৰত ধনু নামৰ যিজন মানুহ আছিল তেওঁ ইতিমধ্যে আমাৰ ওচৰৰে অসমীয়া ছোৱালী এজনী লৈ পলাই গ'ল। দীন তেতিয়া সৰু ল'ৰা। বিৰচাই ধনুৰ কামৰ ভাগ ললেহি। কিছু দিন থকাৰ পিছত এদিন ৰাতিপুৱা মই আগফালে বাৰান্দাত বহি থাকোতে বিৰচাই কলে "বাবু মোৰ এটা ছানা আছে, হুগ্ৰাজুলি গাঁৱত। তাক আনিব লাগে।" বিৰচাৰ কথা শুনি মই ভাবিলোঁ—ইয়াৰ লগৰ কেইটা পলাল পতিকে ইও মোৰ তাত নাথাকে। লৰা আনিম বুলি কৈ যাব আৰু নাহে। মই তেতিয়া কলোঁ—তুমি যোৱা আনাগৈ মই খৰচ দিম। তেতিয়া বিৰচাই কলে নহয় বাবু, আপুনি মোৰ লগত যাব লাগিব।" তেতিয়া মোৰ বিশ্বাস হ'ল কথাটো সঁচা। মই তেতিয়া যাম বুলি কৈ ডিপোটা গাঁৱৰ ৺কুমুদ শইকীয়াৰ ওচৰলৈ গলোঁ। চপাইত শইকীয়াৰ এটা মদৰ মহল আছিল। চপাই হুগ্ৰাজুলিৰ ওচৰতে। ৺কুমুদ শইকীয়া এজন ৰাজনৈতিক বন্দী আছিল। তেজপুৰ জেলত একে লগে আছিলোঁ। তেওঁৰ ছমাহ জেল হৈছিল। মোৰ লগত সেই লৈ বন্ধুত্ব আছিল। তেওঁ জীপ

গাড়ীখন প্ৰায়ে চলাইছিল সেইবাবে। মই তেওঁৰ লগত ৰঙ্গাজুলিলৈ যোৱাৰ কথা কলোঁ। কাৰণটো সংক্ষেপে কলোঁ। সেইমতে তেওঁ মোক পিছদিনা ঘৰত ওলাই থাকিবলৈ কলে। মই ওলাই আছো, লগতে বিৰ্চাও। ৺শইকীয়া আহিলে। জীপত মই চপাই মঙ্গল পালোঁগৈ। তাতে চাহ কটি খাই ৰঙ্গাজুলিলৈ গলোঁ। সেইখন এখন ধুনীয়া সৰুলৰ গাওঁ। দিনত গাঁৱৰ মতা মানুহবোৰ প্ৰায়ে কামত ওলাই যায়। লগ ধৰা টান। যি ঘৰ মানুহৰ ঘৰত বিৰ্চাৰ ল'ৰা পৰবীয়া হৈ আছে তেওঁলোকৰ ঘৰতো মতা মানুহজন নাই। ল'ৰাটো আনিব বিচৰাত বুঢ়ী গৰাকীয়ে ল'ৰাটো নিদিয়ে। তাক ঘূৰাই ফুৰাই বখাৰ কাৰণে টকা লাগে। বাপেকে ল'ৰাটো বিচাৰি গৰু বখা ঠাইলৈ গ'ল। ল'ৰাটোৱে খুব ভয় খাইছে। আছো নাছো একো নকয়। সিহঁতৰ মানুহ খিনিক সি খুব ভয় কৰিছে। তাক মৰম খুব পিটে। আমি উপাই নেদেখি তাৰ পৰা আহি ঢেকীয়াজুলি থানা পালোঁহি। থানাৰ দাৰোগা জনক সকলো কথা ভাঙি পাতি কলোঁ। বাপেকৰ পৰা এখন এজাহাৰ দিয়ালোঁ। আঁচিয়ে তেতিয়া আমাক পিছদিনা ৰাতি পুৱা মাতিলে। মোৰ অনুৰোধ ৰক্ষা কৰি ৺কুমুদ শইকীয়াই পিছদিনাও জীপখন দিলে। সেইদিনা জীপত ৺টংকেশ্বৰ শইকীয়া গৈছিল। তাইতাৰ জনৰ নামটো পাহৰিলোঁ। আমি সময় মতে ঢেকীয়াজুলি থানা পালোঁগৈ। থানাৰ পৰা পুলিচ ওলাল। ৰঙ্গাজুলি গৈ আমি দেখিলোঁ—ল'ৰাটোৱে পথাৰত গৰু চৰাই আছে। বাপেক আনিবৰ কাৰণে গ'ল। ল'ৰাটো ভয়তে পথাৰত লুটি খাই পৰিল। বাপেকে আনিব নোৱাৰিলে। ঘৰত মতা মানুহ নাই। পুলিচে লেখা পঢ়া কৰি বুঢ়ীৰ আৰু ওচৰৰ মানুহৰ চহী ললে। ইয়াৰ পিছত এজন চিপাহী আৰু বিৰ্চাই ধৰি ল'ৰাটোক জীপত তুলালে। ল'ৰাটো খীনাই শুকাই পেট ওলাই গৈছিল। পুষ্টিহীনতাত ভুগি হাড়

অস্থিৰ গাঁঠিবোৰ ওলাই পৰিছিল। মৃত্যুৰ মুখৰ পৰা ল'ৰাটোক বচোৱা হ'ল। মোৰ ঘৰত বাপেকৰ লগতে সি থাকে। সৰু-সুৰা দুই এটা কামো কৰি দিয়ে। মোৰ জোঁৱাই তুলসী তেতিয়া ডিব্ৰুগড় বিশ্ব বিদ্যালয়ত নতুনকৈ সোমাইছে। তাৰা ঘৰ ভাল মতে পোৱা নাই। ডাঙৰ নাতি বাবা (প্ৰণৱ জ্যোতি) তেতিয়া ৪/৫ বছৰীয়া। দ্বিতীয় নাতি মনুটি (দিগন্ত জ্যোতি) পানী কেঁচুৱা। লৰা-দুটিক লৈ বেণু আমাৰ ঘৰতে আছে। প্ৰাইমাৰী স্কুলত নাম লগাই দিম বুলি বাতিপুৱা আগফালে বাৰান্দাত বহি নাতিটোক

বিৰ্চা মুণ্ডা আৰু তেওঁৰ পুত্ৰ শ্ৰীহেমন্ত দাস (মঙ্গল)

পঢ়াই থাকো। লৰাটোৱে মাজে মাজে ভুমুকিয়াই চাই যায়হি। বাপেকক তাৰ নামটো সুধিলোঁ। তাৰ নাম মঙ্গল মুণ্ডা বুলি কলে। আমি সকলোৱে লৰাটোক মঙল বুলি মাতো। মোৰ খীৰতি গাই আছে। বাপেকে গাখীৰ খীৱায়। মঙ্গলকো আমাৰ লগৰ গাখীৰ খাবলৈ দিওঁ। এদিন বাতিপুৱা বিৰ্চাই কলে "বাবু মোৰ লৰাটোকো অলপ জ্ঞান দিয়কচোন। অৰ্থাৎ তাকো মোৰ নাতিৰ লগতে পঢ়াব লাগে। বিৰ্চাৰ মুখত "জ্ঞান" শব্দটো শুনি বৰ ভাল পালোঁ। মঙ্গলক তাৰ পিছ দিনাৰ পৰা পঢ়াবলৈ ললোঁ। এইদৰে দুয়োটাকে পঢ়াই আছোঁ। তিনি মাহ মান পঢ়ালোঁ। ক আৰু খ মানৰ কিতাপ দুখন সিহঁতে লিখিব পৰা হ'ল। নেওতাও অলপ অলপ মুখস্থ হৈছে। স্কুলত নাম লিখাই দিব পৰা হ'ল। মঙ্গলে বাতিপুৱা পঢ়ে যদিও বাকী সময়ত ঘৰুৱা কামত ব্যস্ত হয়। মই পৰিবাৰক মাতি আনি কলোঁ-মঙ্গলক ঘৰুৱা কামত নলগাবা।

বাবাৰ লগত স্কুল পঢ়ক। তেওঁ মোৰ কথাত ৰাজী হ'ল। 'ৰবৰ্টাৰ' এল পি স্কুলৰ শিক্ষয়িত্ৰী তেতিয়া শ্ৰীমতী বিৰজা বৰা। বিৰজাৰ ঘৰ আমাৰ ওচৰতে। তেওঁলৈ চিঠি লিখি-বাবা আৰু মঙলক স্কুললৈ পঠাই দিলোঁ। মঙ্গলৰ নাম সি নিজেই হেমন্ত কুমাৰ দাস বুলি লিখালে। সেই দিনাৰ পৰা প্ৰণৱ জ্যোতি দাস আৰু হেমন্ত কুমাৰ দাস দুয়ো বন্ধুৰ নিচিনাকৈ পঢ়াত মনপুতি লাগিল। এল পি বৃত্তি পৰীক্ষালৈ সময়ত দুয়োটাকে বাছনি কৰিলে। দুয়ো এল পি বৃত্তি পৰীক্ষা দিলে। হেমন্তই বৃত্তি পালে। মাহে পাঁচ টকাকৈ। মই তেতিয়া ডেকাৰ গাঁও হাইস্কুলত তেওঁলোকক নাম ভৰ্ত্তি কৰালোঁ। বাবা আৰু মঙল পঢ়াত দুয়োটা চোকা। মঙ্গলে ৮ম মানলৈ প্ৰথম হৈ পাছ কৰিছিল। ইতিমধ্যে তুলসী ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা গুৱাহাটী বিশ্ববিদ্যালয়লৈ বদলি হৈ আহিল। সপ্তম মানত পঢ়ি থাকোতে বাবাক গুৱাহাটীলৈ দেউতাকে লৈ গ'ল। হেমন্ত অকল শৰীয়া হ'ল। সঙ্গ দোষত তাৰ পঢ়া-শুনা আগতকৈ বেয়া হবলৈ ধৰিলে। মেট্ৰিকত ২য় বিভাগ পালে। দৰং কলেজত নাম ভৰ্ত্তি কৰাই দিলোঁ। পচে যদিও লগৰ লগৰীয়াই আওবাটে লৈ যায়। আনকি সঙ্গী সকলৰ কুচুলনিত পৰি মোকো মঙ্গলে মাজে সময়ে ভুলকৈ বুজিবলৈ ধৰিলে। মনত বৰ দুখ পালেও তাৰ গাত দোষ নাই বুলি ধৰি থাকিলোঁ। খোৱা বোৱাত অনিয়ম কৰি য'তে ত'তে ঘুৰি ফুৰি সি বেমাৰত পৰিল। জণ্ডিচ হ'ল। মিছন হাস্পতালত ৰাখি চিকিৎসা কৰালোঁ। ভালহৈ ঘৰলৈ অহাৰ কিছুদিন পিছত আকৌ হ'ল। এইবাৰ তেজপুৰ চিভিল হাস্পতালত চিকিৎসা কৰোৱালোঁ। কলেজত পঢ়ি থকা অৱস্থাতে পুলিচ বিভাগত ওৱাৰলেচ অপাৰেটৰ চাকৰিৰ বাবে বিজ্ঞাপন দিয়াত তাক আবেদন কৰিবলৈ কলোঁ। আবেদন কৰাত চাকৰি পালে। পুলিচ ভেৰিফিকেচন আহিল। সি ৰাজতে বিৰোধী পাৰ্টিৰ লগত

যোগাযোগ ৰাখিছিল। পুলিচে বোধহয় কথাটো কেনেকৈ জানিছিল। মই পুলিচক খাটিৰ কৰি ভাল প্ৰতিবেদন দিয়ালোঁ। প্ৰথমেই ট্ৰেনিং লব লাগে ডেৰ গাঁৱত। টকাৰ দৰ্কাৰ হ'ল। মোৰ হাতত টকা নাই। গুৱাহাটীত মোৰ চতুৰ্থ ছোৱালী দীপাৰ ঘৰ। জোঁৱাই শ্ৰীশিৱ প্ৰসাদ দাস বীমা কোম্পানীৰ মেনেজাৰ। মঙ্গলক চিঠি লিখি তেওঁৰ ওচৰলৈ পঠালোঁ। শিৱই সকলো যোগাৰ কৰি দিলে। ট্ৰেনিং শেষ হোৱাত টংলাত তাৰ প্ৰথম পোষ্টিং হ'ল।



পত্নী শ্ৰীমতী ফুলেশ্বৰী বৰা সহ লিখক। দুয়োকাষে শ্ৰীহেমন্ত দাস (মঙ্গল) আৰু তেওঁৰ পত্নী।

পিছত মঙ্গলদৈলৈ বদলি হৈ আছিল। সি অকলে থাকে কাৰণে তেওঁতাক বিৰ্চাক মোৰ ঘৰৰ পৰা লৈ গ'ল। এতিয়া মঙ্গলক মঙ্গলদৈত ঘৰ বাৰী কৰি এজনী অসমীয়া ছোৱালী বিয়া কৰালে। ছোৱালী গৰাকীও পঢ়াশুনা কৰা [illegible] বাকিয়াক

সমৰত যেমাবত পৰি বিৰ্‌চা ঢুকাল। সময় সুবিধা পালেই মজজে তাৰ পৰিবাৰক লৈ আমাৰ ঘৰলৈ আহে।

জন সোঁতেদি : সম্পত্তি লোভ

তেজ মঙহৰ সমন্ধ নহলেও জোনাই পেহীয়ে মোক বৰ মৰম কৰিছিল। একে সীমাতে আমাৰ ঘৰ। পিতাদেউ কামত বাড়িপুৰাতে ওলাই যায়। মই দিনটো ঘৰত অকলে থাকো। পেহীয়ে মোক খাবলৈ দিয়ে। পেহীৰ একমাত্ৰ ল'ৰা বাধা মোতকৈ বয়সত ডাঙৰ। সেয়েহে তেওঁক ডাঙৰ ককাইৰ দৰে মানো। বাধাই বালিৰাম দাস মৌজাদাৰৰ ঘৰছলা মৌজাত মহৰী কাম কৰিছিল। কাম কৰি থকা অৱস্থাতে পুথিখাতী গাঁৱৰ ৺ভদাই দাসৰ ছোৱালীক খাক মণি পিন্ধাই আনে। তেওঁলোকৰে একমাত্ৰ পুত্ৰ শ্ৰী প্ৰেমা শইকীয়া। জোনাই পেহীৰ ঘৰৰ কাষতে ভেকাৰ গাওঁ ৰেল ষ্টেচনৰ তেতিয়াৰ ষ্টেচন মাষ্টৰ নাৰায়ণ শইকীয়াৰ ঘৰ। ষ্টেচন মাষ্টৰে চতিয়াৰ বগাধনী ঘৰৰ ছোৱালী বিয়া কৰাইছিল। দুৰ্ভাগ্য যে কিছু বছৰৰ ভিতৰতে নাৰায়ণৰ ঘৰখন—উলিয়াই দিয়া এজনী ছোৱালী আৰু তিনি বছৰীয়া লৰা এটাক এৰি যেমাৰত উছন হ'ল। লৰাটোক চাওঁতা কোনো নোহোৱা হ'ল। দূৰ সম্পৰ্কীয় লোক সকলেও তাৰ একো খবৰ নললয়। উছন হোৱা ঘৰখন হাবি বননিয়ে ঢাকি ধৰিলে। সম্বন্ধত একো নহলেও স্নেহশীলা জোনাই পেহীয়ে লৰাটোক সামৰি ললে। নিৰ্বংশ লৰাটোক মৰম চেনেহৰে পেহীয়ে ডাঙৰ দীঘল কৰিলে। পেহীয়ে লৰাটোৰ নাম -ৰাখিলে উমেশ। পেহীৰ ঘৰত লৰা দুটা হ'ল। উমেশ আৰু একমাত্ৰ নাতি প্ৰেমা। উমেশ প্ৰেমাতকৈ ডাঙৰ। দুয়োটাই মোক বৰ শ্ৰদ্ধা কৰে। নিয়তিৰ বিধানত এদিন জোনাই পেহী, বাধা আৰু তেওঁক

ভাৰ্য্যা সকলো ইহ সংসাৰ এৰি গুচি গ'ল। উমেশ আৰু প্ৰেমা থাকিল। সিহঁতৰ অভিভাৱক মই হলোঁ।

মোক সিহঁতে 'খুৰা' বুলি মাতে। সম্বন্ধত একো নহওঁ। মই কলিতা কুলৰ আৰু তেওঁলোক কোঁচ ৰজাবংশৰ। তথাপিও তেওঁলোক মোৰ বৰ আপোন। উমেশৰ মাকৰ কিছুমান সোণৰ গহনা টেকেলি এটাত ভৰাই থোৱা আছিল। জোনাই পেহীয়ে সেই টেকেলিটো মোক ঘৰলৈ দিছিল। তাত যদি পেহীৰ গহনাও আছিল মই নাজানো। টেকেলিটো মুঠতে গহনাৰে ভৰা। উমেশ ডাঙৰ হোৱাত আৰবীয়া বেমাৰে দেখা দিলে। মাজে মাজে উকাই থাকে। সেই কাৰণে বিয়া বাৰু নকৰালে। উমেশে বেজনীবাৰত থকা তেওঁৰ ভাগৰ ছ বিঘা মাটিও মোৰ নামতে লিখাই থলে। মই পূৰণি ঘৰ ভেটি এৰি বৰ্ত্তমানৰ ঠাইলৈ গুচি আহিলোঁ। উমেশৰ মৃত্যু হ'ল। প্ৰেমাই বিমান বাহিনীত সৰু চাকৰি এটা যোগাৰ কৰি ললে। শ্ৰীনগৰত পোষ্টিং হ'ল। প্ৰেমা শ্ৰীনগৰত থকা অৱস্থাত উমেশৰ বিবাহিতা বায়েক গৰাকী আমাৰ ঘৰলৈ আহিল। আমাৰ ঘৰত থকা গহনাবোৰ খুজিলে। সেই গহনাত মোৰ কোনো মোহ নাই। খোজা মাত্ৰকে মই পৰিবাৰক কৈ গহনাৰ টেকেলিটো দি দিলোঁ। ঘৰলৈ আহোঁতে প্ৰেমাই কথাটো গম পাই মোক বৰ খং কৰি উঠিল। টেকেলিটোত বোলে—জোনাই পেহীৰ গহনাও আছিল। মানুহৰ সম্পত্তিৰ লোভ বৰ বেছি। গহনাখিনি হাত কৰাৰ পিছত উমেশৰ ভাগৰ ছ বিঘা মাটি বিচাৰি মোৰ ওচৰলৈ সম্বন্ধীয়া মানুহ বহুত আহিল। জীৱিত কালত উমেশৰ খবৰ লোৱা মানুহ কোনো নোলাল। এতিয়া মৰাৰ পিছত সম্পত্তি বিচাৰি অহা মানুহৰ অন্ত নাই। মই তেওঁলোকক সেই মাটি নিদিওঁ বুলি কলোঁ। জোনাই পেহীয়ে উমেশক তুলি তালি ডাঙৰ কৰিছিল। উমেশৰ কাৰণে পেহীয়ে অশেষ ত্যাগ কৰিছিল—সেই কাৰণে উমেশৰ মাটি পেহীৰ

মাটি প্ৰেমাই শহৰখনাসেখুলি মোক দিবেকে কয়। মাটিখিনি মই প্ৰেমাৰ নামত দান বিক্ৰী লিখাই দিলোঁ। সেই মাটিৰ মূল্য বৰ্তমান লক্ষাধিক টকা হ'ব।



প্ৰেমা শইকীয়া (নবা) আৰু তেওঁৰ পৰিয়াল বৰ্গ।

প্ৰেমাই চাকৰি কৰা কিছু বছৰ পিছতে বিয়া কৰালে। ছোৱালী গৰাকী শিক্ষয়িত্ৰী। ঘৰ পুৰণি হেলেমত। প্ৰেমাৰ তেতিয়া ঘৰ নাই। পুৰণি ঘৰ ভাগিছিগি উৰলি গ'ল। মোৰ ঘৰতে দ-ছোৱালী থুমুৱালৈছিঁ। ছোৱালী ঘৰেও মোক প্ৰেমাৰ পুৰাক হিচাবে জানি

কৰিলে। মই হোৱালী পৰাকীক বদলি কৰি ঘৰৰ ওচৰলৈ অনাই দিলোঁ। প্ৰেমাও শ্ৰীনগৰৰ পৰা ঘৰৰ ওচৰলৈ আহিল। এতিয়া পুৰণি বাৰীতে প্ৰেমাই ঘৰ দুৱাৰ সাজি সুখে সন্তোষে সংসাৰ চলাই আছে।

জন সেৱাতদি: ডেকাৰগাঁও চিকিৎসালয়

কবেল পঞ্চায়ত উঠি যোৱাৰ সময়ত আমাৰ পঞ্চায়ত পুঁজিত থকা পাঁচ হাজাৰ টকাৰে চিকিৎসালয়ৰ ঘৰ সজাৰ কথা আগতে কোৱা হৈছে। ঘৰ হ'ল—কিন্তু চৰকাৰী অনুমোদন আৰু মঞ্জুৰি পোৱা নাই। তেতিয়া প্ৰতি পাঁচ মাইল দূৰত্বত একোখন ৰাজ্যিক চিকিৎসালয় পাতিবলৈ চৰকাৰী আঁচনি আছিল। তেজপুৰ সমষ্টিৰ এম, এল, এ, তেতিয়া ৺মহীকান্ত দাস। তেখেতৰ পুৰণি ঘৰ হলেশ্বৰত। সেয়েহে তেখেতে গাঁৱৰ ৰাইজৰ ইচ্ছানুসৰি চিকিৎসালয়খন হলেশ্বৰত পতাৰ সিদ্ধান্ত কৰি তাত চিকিৎসালয়ৰ কাম আৰম্ভ কৰিলে। কিন্তু অৱশেষত চিকিৎসালয়খন গৰৈমাৰীত হ'লগৈ। তেজপুৰৰ পৰা গৰৈমাৰীলৈ দূৰত্ব সাত মাইল। গতিকে তেজপুৰ আৰু গৰৈমাৰীৰ মাজত আৰু এখন চিকিৎসালয় ডেকাৰ গাঁৱত হোৱাৰ আশা ক্ষীণ হৈ পৰিল। ৰাইজৰ লগত আলোচনা কৰি ডেকাৰ গাঁৱত এখন চাৰচিডাইজদ্ চিকিৎসালয়কে আৰম্ভ কৰাৰ সিদ্ধান্ত লোৱা হ'ল। ইয়াত চৰকাৰেও সম্মতি দিলে। ডেকাৰ গাঁৱত চাৰ্‌চিদাইজদ্ চিকিৎসালয়খন চলি থকা অৱস্থাতে—স্বাস্থ্য-মন্ত্ৰী গিৰিণ চৌধুৰী তেজপুৰ লৈ আহিল। চৌধুৰী মোৰ সৰু কালৰে বন্ধু। তেখেতৰ দেউতাক তেজপুৰত বহুত দিন ই, এ, চি; হৈ আছিল। চৌধুৰীক আমি মণ্টু বুলি মাতো। খবৰ পাই মই মন্ত্ৰীক তেজপুৰত লগ ধৰি আমাৰ চিকিৎসালয়খন এবাৰ পৰিদৰ্শন

কৰি ইয়াক ৰাজ্যিক চিকিৎসালয়লৈ উন্নীত কৰিবৰ বাবে অনুৰোধ কৰিলোঁ। মন্ত্ৰীয়ে লক্ষীমপুৰৰ পৰা ঘূৰি আহোঁতে চিকিৎসালয়খন পৰিদৰ্শন কৰিব বুলি মোক কথা দিলে। সেইমতে আমি ভেকাৰ গাঁৱৰ ৰাইজ সাজু হৈ আছোঁ। কিন্তু মন্ত্ৰী নোসোমাল। সেই দিনাই গধূলি সময়ত মন্ত্ৰী মোৰ ঘৰ ওলালহি। ভেতিয়াহে গম পালো—অতি ব্যস্ত হৈ থকাৰ বাবে আমাৰ চিকিৎসালয়ত সোমাবলৈ পাহৰিলে। চিকিৎসালয়খনৰ বিষয়ে সকলো কথা ভাঙি পাতি মন্ত্ৰীক অৱগত কৰালোঁ। তেখেতে মোৰ কথাত পতিয়ন গৈ সোণকালেই ভেকাৰ গাওঁ চিকিৎসালয় ৰাজ্যিক চিকিৎসালয়লৈ উন্নীত কৰা হব বুলি কথা দিলে। কথা মতে কাম হ'ল। কিছুদিনৰ পিছত ৰাজ্যিক চিকিৎসালয় হোৱাৰ আৱশ্যকীয় হুকুম আহিল। ডাঃ ৰবীন্দ্ৰকুমাৰ গোস্বামী ১৯৭২ চনৰ নিৰ্ব্বাচনত তেজপুৰ সমষ্টিৰ বিধায়ক নিৰ্ব্বাচিত হ'ল। এজন গুণী জ্ঞানী আৰু সুদক্ষ চিকিৎসক হোৱাৰ উপৰিও ডাঃ গোস্বামী সমাজ সেৱাত বিশেষ ৰূপ থকা লোক। তেখেতৰ সুযোগ্যা ভাৰ্য্যা শ্ৰীমতী (ডাঃ) লক্ষ্মী গোস্বামীও (দীপ) আন্তঃ ৰাষ্ট্ৰীয় খ্যাতিসম্পন্না চিকিৎসক। তাৰোপৰি শ্ৰীমতী গোস্বামী সমাজ সেৱাত অত্যন্ত আগ্ৰহী আৰু বহুতো সামাজিক অনুষ্ঠানৰ গুৰি ধৰোতা এগৰাকী বিদুষী মহিলা। তেজপুৰত এনে দম্পতী বিৰল। গোস্বামী দম্পতীৰ লগত মোৰ নিবিড় সম্বন্ধ আছে। ডাঃ গোস্বামীয়ে মোৰ অনুৰোধ ক্ৰমে ভেকাৰ গাওঁ ৰাজ্যিক চিকিৎসালয়ত পানীৰ ব্যৱস্থা আৰু কম্পাউণ্ডৰ পকা দেৱাল কৰাই দিছিল। ভুক টি এষ্টেটৰ প্ৰোপ্ৰাইটৰ ভগৱত প্ৰসাদৰ লগত ডাঃ গোস্বামীৰ যোগেদিয়েই পৰিচিত হৈছিলোঁ। তেখেতেও মোৰ অনুৰোধ ৰাখি চিকিৎসালয়ৰ বাবে এটা চকীদাৰ থকা ঘৰ সজাই দিছিল। জন্ম লগ্নৰে পৰা বহু দিনলৈকে ৰাইজে মোক এই চিকিৎসালয়ৰ সভাপতি পাতি থৈছিল আৰু মইয়ো স্বাধ্যানুসৰি

অনুষ্ঠানটোৰ বাবে কাম কৰি আছিলোঁ। গত পৰিষদ চৰকাৰৰ দিনত শ্ৰীবৃন্দাবন গোস্বামী আমাৰ এম, এল, এ, হ'ল। তেখেতে এই চিকিৎসালয়খনৰ কাৰণে মনোযোগ দিছিল। ভাৰতীয় চাহ সন্থাৰ অসম শাখাৰ (ABITA) অনং ধণ্ডৰ সভাপতি—সোণাখিল বাগিচাৰ মেনেজাৰ শ্ৰী বসন্তকুমাৰ গোস্বামী। শ্ৰী বৃন্দাবন গোস্বামীৰ যত্নত এ, বি, আই, টি,-য়ে ডেকাৰ গাওঁ চিকিৎসালয়ৰ কাৰণে এটা স্থায়ী সুন্দৰ ঘৰ সাজি দিবলৈ সন্মত হ'ল।

ডেকাৰ গাওঁ ৰাজ্যিক চিকিৎসালয়ৰ সৈতে মই ওতঃপ্ৰোতভাৱে জড়িত থকাৰ কথা শ্ৰীবসন্ত কুমাৰ গোস্বামীয়ে জানে। সেয়েহে এদিন গোস্বামী আৰু সম্পাদক মৈত্ৰ ডাঙৰীয়া আহি মোক লগ ধৰি চিকিৎসালয় খনৰ সকলো কথা জানি বুজি ল'লে। তেখেত সকলে

ডেকাৰ গাঁৱৰ ৰাজ্যিক চিকিৎসালয়ৰ নতুন ভৱনৰ আধাৰ শিলা স্থাপনত লিখক।

মোক চিকিৎসালয় খনৰ নতুন ভৱনটিৰ আধাৰ শিলা স্থাপন কৰিবৰ বাবে অনুৰোধ জনালে। সেইমতে আধাৰ শিলা স্থাপন হ'ল আৰু কিছুদিনৰ মূৰত ভৱনৰ কামো সম্পূৰ্ণ হৈ উঠিল। লক্ষাধিক টকা

খৰচ কৰি নিৰ্মাণ কৰা এই ভৱনতে বৰ্তমান চিকিৎসালয় চলি আছে। ডাক্তৰ থকা নতুন কোৱাৰ্টাৰ হোৱাৰ আগৰ কথা এটা মনত পৰিছে। ৰাজ্যিক চিকিৎসালয়লৈ উন্নীত হোৱাৰ পিছত ডেকাৰ গাঁৱলৈ বদলি হৈ অহা দ্বিতীয় ডাক্তৰজন হ'ল শ্ৰীসত্য ৰবা। এওঁ তেজপুৰৰ স্বৰ্গীয় ৰবা উকিলৰ নাতি। বিয়া কৰাইছে মঙ্গলদৈৰ সুসাহিত্যিক শ্ৰীভৱানন্দ ৰাজখোৱাৰ কন্যা। সৰু সন্তান দুটিৰে সৈতে তেওঁলোক চিকিৎসালয়ৰ পুৰণি কোৱাৰ্টাৰতে থাকে। এদিন ৰাতি ভীষণ ধুমুহা বৰষুণ আহিল। ধুমুহাই ডাক্তৰ থকা ঘৰটোৰ টিন পাত উৰুৱাই নিলে। ডাক্তৰ পৰিবাৰ আৰু কেঁচুৱা দুটি লৈ মহাবিপদত পৰিল। ওচৰত মানুহৰ ঘৰ নাই। চিঞৰিলেও কোনেও নুশুনে। ধুমুহাৰ লগতে মুষল ধাৰে বৰষুণ পৰিছে। উপাই নাপাই আটাই কেইটি প্ৰাণী বিছনাৰ তলত সোমাল। ধুমুহা বৰষুণ নেৰালৈকে তেওঁলোক তাতে সোমাই থাকি প্ৰাণ বচালে।

অসমৰ চাহৰ পৰা কোম্পানী সমূহে প্ৰচুৰ পৰিমাণৰ ধন উপাৰ্জ্জন কৰি আহিছে। কিন্তু অসমৰ ৰাইজৰ কল্যাণৰ কাৰণে সেই ধনৰ সামান্য অংশও ব্যৱহৃত হোৱা নাছিল। কিন্তু আজি কিছু বছৰৰ আগৰ পৰা ৰাইজৰ দাবি আৰু আন্দোলনৰ ফলত চাহ কোম্পানী সমূহে সামাজিক কল্যাণ আঁচনি গ্ৰহণ কৰিছে। এই আঁচনি যোগে ভাৰতীয় চাহ সন্থাৰ অসম শাখাই (ABITA) জন কল্যাণৰ কামত কিছু ধন খৰুৱাইছে। ডেকাৰ গাও চিকিৎসালয়ৰ ভৱন নিৰ্মাণ এই আঁচনিৰ অন্তৰ্গত।

আজি প্ৰায় দুবছৰৰ আগৰ কথা। চলা গাৱত ৰঙালী বিহু উৎসৱ পাতিছিল। বিহু কমিটিৰ সভাপতি প্ৰাক্তন বি ডি অ' উপেন শইকীয়া। মোক বিহু উৎসৱলৈ সভাপতি মাতিলে। মন্ত্ৰী হৈ সভাপতি হলোঁ। উৎসৱত সোনাবিল বাগিচাৰ এটা দলে এটি সুন্দৰ ঝুমুৰ নৃত্য আৰু বিহু নৃত্য প্ৰদৰ্শন কৰিলে। মোৰ

দলটোৰ বৰ ভাল লাগিল। সুবিধা পালে এওঁলোকে আৰু উৎকৃষ্ট নৃত্যকলা প্ৰদৰ্শন কৰিব পাৰিব। মই এই আলমকে লৈ এদিন সোনাবিল বাগিচাৰ মেনেজাৰ শ্ৰীবসন্ত কুমাৰ গোস্বামীৰ ওচৰলৈ গলোঁ। আৰু বাগানৰ দলটোৱে প্ৰদৰ্শন কৰা উৎকৃষ্ট নৃত্যৰ কথাও উলিয়ালোঁ। মোৰ কথাত তেখেতে আগ্ৰহ দেখুৱাত মই সেই ছেগতে ঘোৰামাৰীত এটা ৰাজহুৱা পেক্ষাগৃহ সজাৰ ওপৰত জোৰ দিলোঁ। এটা ৰাজহুৱা পেক্ষাগৃহ হলে তাৰ যোগেদি স্থানীয় শিল্পী সকলে বহুত সুবিধা পাব বুলি গোস্বামীক প্ৰত্যয় জন্মাবলৈ চেষ্টা কৰিলোঁ। মোৰ কথা তেখেতে মনোযোগেৰে শুনা যেন মোৰ ধাৰণা হ'ল। সেইদিনা মোৰ কথা সিমানতে সামৰণি মাৰি গুচি আহিলোঁ। কেই দিন মান যোৱাৰ পিছত এদিন শ্ৰীকমল বসুমতাৰী (প্ৰাক্তন এম, এল, এ) শ্ৰীতৰু নাৰ্জাৰী, শ্ৰীগিৰিবচন তিৰো, শ্ৰীদান তিৰো, শ্ৰীমুকুল বসুমতাৰী আৰু শ্ৰীফুকন বসুমতাৰীক লগত লৈ মই শ্ৰীবসন্ত কুমাৰ গোস্বামীৰ বাগিচাৰ বঙলালৈ গলোঁ। আমাৰ উদ্দেশ্য এ-বি আই টি-এৰ ফালৰ পৰা ঘোৰামাৰীত এটা ৰাজহুৱা পেক্ষাগৃহ নিৰ্ম্মাণ কৰোৱা। গোস্বামীৰ ওচৰত আমাৰ উদ্দেশ্য ব্যক্ত কৰিলোঁ। গোস্বামী তেতিয়া এ, বি আই টি-এৰ ৩নং খণ্ডৰ সভাপতি। তেখেতে ইচ্ছা কৰিলে আমাৰ কামটো কৰাই দিব পাৰে। কিছুপৰ আলোচনা কৰাৰ পিছত গোস্বামী আমাৰ কথাত সম্মত হ'ল—কিন্তু পেক্ষা গৃহৰ বাবে মাটিৰ নামজাৰি আগতীয়াকৈ হ'ব লাগিব। আমি খাটি মেলি সোনকালেই পেক্ষা গৃহৰ বাবে নিৰ্ব্বাচন কৰা মাটি কমিটিৰ নামত নামজাৰি কৰোৱালোঁ। যথা সময়ত এ বি আই টি এ পেক্ষা গৃহৰ কাম আৰম্ভ কৰিলে। কিছু দিনৰ ভিতৰত পেক্ষা গৃহ প্ৰস্তুত হৈ উঠিল। পেক্ষা গৃহৰ দ্বাৰ উন্মোচনৰ দিনা বাইজে মোক "দুঃশাসনৰ ৰক্ত পান" দৃশ্যত ভীমৰ অভিনয় কৰি দেখুৱাবলৈ জোৰ দি ধৰিলে। মোৰ বয়স

তেতিয়া ৮৭ বছৰ। ভীমৰ ভাও দিবলৈ স্বাস্থ্যই নকয়। তথাপিতো মনৰ জোৰ আৰু ৰাইজৰ শুভেচ্ছা সাৰোগত কৰি বিপুল দৰ্শকৰ

৮৭ বছৰ বয়সত ভীমৰ অভিনয়ত লিখক

আগত ভীমৰ অভিনয় কৰিলোঁ। ৰাইজে হৰ্ষধ্বনি কৰিলে। আনন্দত মোৰ চকুলো ওলাল।

সোঁতোদি : জাতীয় বৈশিষ্ট্যৰ গৰাখহনীয়া

স্বাধীনতাৰ পিছত ভাৰতত যান্ত্ৰিক সভ্যতাৰ বিকাশ মন কৰিব লগীয়া। নতুন সভ্যতাৰ হেঁচাত আমি আপুৰুগীয়া বহুতো বস্তু হেৰুৱাইছো। জাতীয় জীৱনৰ চিনাকি আমাৰ স্বকীয় বৈশিষ্ট্য যি আছিল—সি ক্ৰমান্বয়ে গৰাখহনীয়াত নিঃশেষ হৈ যাব ধৰিছে। জাতি হিচাবে জীয়াই থাকিবলৈ নিজৰ বৈশিষ্ট্য, স্থাপত্য, কলা-কৃষ্টি,

সংস্কৃতিৰ বিকাশ, প্ৰচাৰ আৰু প্ৰসাৰ হৰ লাগে। উপজাতিসমূহে স্বকীয় বৈশিষ্ট্য হেৰুৱালে—ভাৰতীয় মহাজাতিৰো জেটি দুৰ্বল হ'ব। অসমীয়াই আধুনিকতাৰ নামত সাতামপুৰুষীয়া বস্তু এপদ এপদকৈ বাদ দি মেৰুদণ্ডহীন এটা জাতি হ'বলৈ ওলাইছে। পুৰুষ তিৰোতা উভয়ে অসমীয়া সাজ পাৰত অনীহা দেখুওৱা হ'ল। পুৰণি আদব-কায়দাৰে নিৰ্ম্মিত অসমীয়া মানুহৰ ঘৰবাৰী লোপ পাব ধৰিছে। বাট চ'ৰা, চ'ৰাঘৰ, মাৰল ঘৰ, বৰঘৰ, ৰান্ধনী ঘৰ, ভ'ৰাল, গোহালি, গড়াল, পাভটি, পানী চাং বৰ চাং, ধেঁৱা চাং, কৰা, কামি, জেঠি, বাৰটা, (বেৰেটা), খবুৰা, তমাল, সুত, কুকুৰ, লাইখুটা, পাৰিখুটা, ফুলচ'তি, দমৰা, মাৰলি, বুকলি, কোৰা আদি শব্দবোৰ অচিনাকি হোৱাৰ লগে লগে বস্তুবোৰো লোপ পাইছে। অসমীয়া মানুহৰ ঘৰত ব্যৱহাৰ কৰা বান বাটি, হাতী খুজীয়া বাটি, বান কাঁহী (মাই হাং) কলহ, লোটা, গছা, ঠগা, ঠগি, সঁফুৰা, ভাৰ-কটাৰি (ডবুৱা কটাৰি), টেমি, বৰ কাপোৰ (ডাঙৰ কাপোৰ), খনীয়া কাপোৰ, চেলেং, চাপকন, জপা, হাতনি পেৰা, বৰপেৰা আদি বহুতো বস্তুৰ ঠাই বাহিৰৰ পৰা আমদানি কৰা সামগ্ৰীয়ে দখল কৰিবলৈ লৈছে। আজিৰ চাম লৰাছোৱালীৰ মুখত পিতা (পিতাই), আই, বুঢ়ী আই, ককা—দেউতা, তাৰৈ, আমৈ আদি সম্বোধন বাচক শব্দ বোৰ মুফুটা হৈছে। কোনোবাই সেই মাতেৰে মাতিলেও এক শ্ৰেণীয়ে 'বেকওৱাৰ্ড' বুলি হাঁহে। পেজেৰা, ডুগডুগি, কেক, গাম খাৰু এলাগী হ'ল। আজি আমি এহাতে অসমীয়াৰ অসমীয়াত্ব ৰক্ষা কৰিবলৈ লাজ পাওঁ আৰু আন হাতে জাতীয় অস্তিত্ব ৰক্ষা কৰাৰ নামত ৰাস্তালৈ ওলাই শ্লোগান দি নেতাগিৰী কৰি নিজৰ ক্ষুদ্ৰ স্বাৰ্থ পূৰণ কৰাত লাগিছো। সোণৰ অসম গঢ়িবলৈ হোজা বাইজক আভুৱা ভাঁৰি সোণৰ সংসাৰ গঢ়িছো। স্বাৱলম্বী জাতি হিচাবে পৰিচিত অসমীয়া জাতি এতিয়া পুতৌৰ পাত্ৰ হ'ব ধৰিছে।

এই জাতিটোক ৰক্ষা কৰিব লাগে বুলি ভাৰতীয় সংবিধান সংশোধন কৰিবলৈ দাবি উঠিছে। আজিৰ অসমত একালৰ কুমাৰ গাওঁ আছে কুমাৰ নাই, বাঢ়ৈ চুক আছে বাঢ়ৈ নাই, সোণাৰী গাওঁ আছে সোণাৰী নাই, কমাৰ গাওঁ আছে কমাৰ নাই, ধোবা গাওঁ আছে ধোবা নাই, আৰু বহুত আছে একো নাই।

কৃষি, বাণিজ্য, হস্তবিদ্যা, হস্তশিল্প আৰু যুগোপযোগী উদ্যোগত মনোনিৱেশ নকৰি অকল চাকৰি মুখী হোৱা জাতি এটাই জাতি সত্বা ৰক্ষা কৰিব পাৰিবনে? দেশৰ প্ৰগতিৰ কাৰণে সকলো লোক শিক্ষিত হোৱাটো নিতান্ত আৱশ্যক। আনুষ্ঠানিক শিক্ষাৰে শিক্ষিত হলেও আমি শ্ৰমৰ মৰ্য্যাদা অক্ষুন্ন ৰখা উচিত। কিন্তু আমাৰ ভৱিষ্যতৰ বংশধৰ সকলে শ্ৰমৰ মূল্য বা মৰ্য্যাদাৰ ক্ষেত্ৰত নিৰাশ জনক ভূমিকা লৈছে। ইয়াৰ উদাহৰণ বহুত আছে। অসম এখন কৃষি প্ৰধান ৰাজ্য। অসমীয়া মানুহৰ মাজত কৃষিকাৰ্য্যৰ পৰম্পৰা অতি পুৰণি। আজি সেই পৰম্পৰা নোহোৱা হৈছে। স্কুল, কলেজ, বিশ্ব বিদ্যালয়লৈ ওলাই অহা ডেকা গাভৰু সকলে খেতিবাতিত মন নিদিয়া হ'ল, শিল্প বাণিজ্যলৈ পিঠি দিছে। উৎপাদন সামগ্ৰী বুলি-বলৈ অসমীয়া মানুহৰ কি আছে? খেতিৰ মাটি কেইডৰাও লাহে লাহে অসমীয়া মানুহৰ হাতৰ পৰা বাহিৰা মানুহৰ হাতলৈ গৈছে। আমাৰ তথা কথিত আধুনিক চামে পথাৰত বোকা পানী গছকি খেতিত লগাটো লজ্জা জনক কাম বুলি ভবা হৈছে। পথাৰলৈ নাযায়। দেউতাক, খুড়াক হঁতে আঁঠুৰ মূৰত চুৰিয়া পিন্ধি মূৰত জাপি লৈ বাঁৰিষা বৰষুণত খেতি কৰে। কিন্তু ল'ৰা হতে পথাৰত তেওঁলোকক চাহ জল পান দিবলৈ যাবলৈও লাজ কৰে। হাতত মোনাখন লৈ বজাৰলৈ যাবলৈও লাজ কৰে। বিক্ৰী লাগে। এই বিক্ৰী চলায় কোনে? বজাৰত আৱশ্যকীয় খাদ্য আৰু ব্যৱহাৰ্য্য সামগ্ৰী সমূহ বিক্ৰী কৰে কোনে? পণ্য দ্ৰব্যৰ ব্যৱসায় কাৰ হাতত?

আমি সকলোৱে স্কুলখনৰ ঘৰ সাজি থাকিব বিচাৰো। কিন্তু ঘৰ সাজিবলৈ ৰাজমিস্ত্ৰি জন কোন? কাঠ মিস্ত্ৰি যোগালি এক্য? ভাৰতৰ অন্যান্য প্ৰদেশৰ লোকে অসমতে বেপাৰ বাণিজ্য, কৃষি আৰু বিভিন্ন শ্ৰমৰ যোগেদি ধন ঘটি আছে। সেই ধনৰ সৰহ ভাগেই অসমৰ বাহিৰলৈ গৈছে। কিন্তু আমি দেশপ্ৰেমী সকলে কি কৰিছো? লোকৰ টনকিয়াল অৱস্থা দেখি হায়ৰাও কাঢ়ি মৰিছো। লোকৰ শ্ৰীবৃদ্ধি হোৱা দেখি পৰশ্ৰীকাতৰ হৈ জ্বলি পুৰি মৰিছো নাইবা হিংসাৰ আশ্ৰয় লৈছো। মহামানৱ, মহৎ লোকৰ বাণী মেলে মিটিং এ আওৰাই কথাৰ ফুলজাৰিৰে নেতা হৈ দেখুৱাইছো কিন্তু কাৰ্য্যত ওলোটাটো কৰিছো। হকে বিহকে যুক্তি দাঙি ধৰি ৰাজহুৱা সভা সমিতিত আস্ফালন কৰি নেতা হৈছো বা পালি নেতা হৈ নেতাৰ কাষত নেগুৰ পাৰি বহিছো। অসমীয়াত এটা কথা আছে—নাই পো মুখে নাই পো গোফে গতিকে মুখ আৰু গোফ্ দুয়োটা ব্যৱহাৰ কৰি বৰ ডাঙৰ নেতা হৈছো।

আজি মোৰ ৮৭ বছৰ বয়স হৈছে। আনুষ্ঠানিক শিক্ষা মোৰ নিচেই কম। কিন্তু জীৱনত বহুতো ঘাত-প্ৰতিঘাত আৰু বাস্তৱৰ ঠেকাত কিছু শিক্ষা হৈছে। বয়সে শিকোৱা শিক্ষা মূল্যহীন বুলি নাভাবো। অৱশ্যে বিশ্ববিদ্যালয়ৰ ডুৱাৰডলি গছকা কোনো কোনোৱে ভাবে যদি নাজানো। যি কি নহওক মই ভবা কথা এটা কব খুজিছো। আমি জাতিটোক জীয়াই ৰাখিবলৈ মাজে সময়ে আন্দোলন কৰি আহিছোহঁক। স্বাধীনতাৰ পিছত ১৯৬০ চনত প্ৰথম বাৰৰ কাৰণে এনে এটা আন্দোলন হল। ভাষা আন্দোলন। কোৱা বাহুল্য এই আন্দোলনৰ উদ্দেশ্য অতি মহৎ আছিল। অসমীয়া ভাষা ৰাজ্যিক ভাষা হব লাগে। চৰকাৰেও ৰাইজৰ মাজত যোগাযোগৰ ক্ষেত্ৰত, কোৰ্ট কাছাৰিত, মামলা মোকৰ্দ্দমাত আৰু চৰকাৰী বিভিন্ন কাগজ পত্ৰত অসমীয়া ভাষা প্ৰয়োগ কৰিব

লাগে। অসমীয়া বাইজৰ এই দাবি কোনেও অস্বীকাৰ কৰিব নোৱাৰে। কোনো কোনো ৰবমুৰীয়া নেতাই কোৱাও শুনিছিলোঁ যে অসমীয়া ভাষা অসমৰ বাজ্যিক ভাষা নহৈ বিহাৰ, উৰিষ্যা, বঙ্গ আদিত হব নেকি? গণতান্ত্ৰিক পদ্ধতিৰে ন্যায্য দাবিত কৰা আন্দোলন সফল নহৈ নোৱাৰে। কিন্তু আবেগ অনুভূতিক প্ৰশ্ৰয় দি হিংসাৰ আশ্ৰয় লোৱাত এই আন্দোলনত বহুত ৰক্তপাত হল, বহুতৰ ঘৰ দুৱাৰ, সা-সম্পত্তি লোকচান হল, অসমীয়া জাতি বিদ্বেষী ভাব ধাৰাই গা কৰি উঠিলে। তাৰ বিষময় ফল বিভিন্ন ঠাইত বিভিন্ন ধৰণে হব ধৰিলে। কুমলীয়া ছাত্ৰ বঞ্জিত ৰব পূজাৰী, সম্ভাৱনা সম্পন্ন নাট্যকাৰ, লেখক সূৰ্য্য ৰৰা আৰু বহুতো আন্দোলনৰ বলি হল। আজিও অ'ত ত'ত তাৰ ক্ৰিয়া-প্ৰতিক্ৰিয়া হৈ আছে। ১৮৩৬ চনত অসমত বঙলা ভাষা প্ৰচলন হোৱাত তেতিয়াৰ এচাম বেঙ্গলী ভদ্ৰলোকে লোৱা ভূমিকাৰ ফল স্বৰূপে উদ্ভৱ হোৱা তিক্ততাৰ ভাব আজিও এই দুই জাতিৰ মাজত কিছু হলেও আছে। এই ভাব থাকিব আৰু সুবিধা পালেই মাজে মাজে উক্ দিব। এটি শিশুৱে প্ৰথমে পিতৃ মাতৃ আৰু আপোনজনৰ মুখত শুনা মৰমৰ মাতেই সেই শিশুৰ মাতৃ ভাষা। এই ভাষাৰ প্ৰতি জন্মা তাৰ মৰম আৰু দুৰ্ব্বলতা কোনেও কেতিয়াও শক্তি প্ৰয়োগ কৰিও আঁতৰাব নোৱাৰে। ঐতিহাসিক পটভূমিত অসমৰ জন গাথনি লক্ষ্য কৰিলে দেখা যায় যে এই ভূখণ্ডত অতীজৰে পৰা বিভিন্ন সময়ত বিভিন্ন জাতি উপজাতিৰ লোক সকল আহি মিলিত হৈছিল। কালক্ৰমত প্ৰাকৃতিক পৰিবেশ আৰু সময়ৰ শিকনি মানি সকলোৱে মিলিজুলি বসবাস কৰিবলৈ ললে। অসমীয়া ভাষা ভাষীৰ জন সংখ্যা গৰিষ্ঠ হোৱাত সেই ভাষাকেই বাকী জাতি উপজাতি সমূহে পৰস্পৰৰ মাজত যোগাযোগৰ মাধ্যম ৰূপে গ্ৰহণ কৰিছিল। ইয়াত কাৰো প্ৰৰোচনা বা বাধ্য বাধকতা নাছিল। কিন্তু নিজ নিজ মাতৃ ভাষাৰ প্ৰতি থকা আবেগ অনুভূতি, মৰম শ্ৰদ্ধা তেতিয়াও আছিল। তেওঁ

লোকে আপোনজনৰ লগত নিজৰ ভাষাৰেই কথা পাতে। উগ্ৰ জাতীয়তাবাদৰ বীজ বোপন নোহোৱালৈকে সকলোৱে অসমীয়া ভাষাকেই মাতৃভাষা ৰূপে মানি লৈছিল। লোক পিয়ল আৰু শিক্ষানুষ্ঠান সমূহৰ পুৰণি নথি পত্ৰ চালে ইয়াৰ প্ৰমাণ পোৱা যায়। অসমীয়া ভাষা প্ৰেমী সকলো বাইজ এই ভাষা ৰাজ্যিক ভাষা হোৱাত আনন্দিত হলোঁহক। কিন্তু উদ্দেশ্য সাধনৰ পদ্ধতিগত ত্ৰুটি বিচ্যুতিয়ে কিছুমানৰ প্ৰাণত জোকাৰণি মাৰিলে। ভৱিষ্যত অনিশ্চয়তাৰ শঙ্কাত তেওঁলোক ভূগিব ধৰিলে। নিৰাপত্তা হীনতাৰ ভয় আৰু সংশয়ে ক্ৰমাৎ গা কৰি শেষত বিচ্ছিন্নতাবাদৰ জন্ম দিলে। ৰাজ্যিক ভাষা আইন প্ৰণয়ণ হোৱাৰ পিছত ১৯৭২ চনত অসমীয়া ভাষা বিদ্যালয় সমূহত শিক্ষাৰ মাধ্যম হব লাগে বুলি আন্দোলন কৰা হল। এই আন্দোলনৰ দাবি পূৰণ কৰিবলৈও অনেক বাক্‌বিতণ্ডা আৰু শক্তিৰ অপচয় কৰিব লগা হল। শেষত মহা বিদ্যালয় পৰ্য্যায়লৈকে অসমীয়া ভাষা শিক্ষাৰ মাধ্যম হল যদিও বৰাক উপত্যকা ব্যতিক্ৰম হৈ বল। এতিয়া আমি কব পৰা হলোঁ যে অসমীয়া ভাষা অসমত আইনগত ভাবে সুৰক্ষিত হ'ল। অসমীয়া ভাষা ভাৰতীয় সংবিধানৰ ভাষা হিচাবেও পূৰ্ব্বৰে পৰা স্বীকৃত হৈ আছে। আজি কিছু বছৰ ধৰি অসম সাহিত্য সভাইও প্ৰতি বছৰে ব্যাপক হাৰত সাহিত্যিকৰ সমাবেশ ঘটাই মেলা, প্ৰদৰ্শনী আদিৰে জন সাধাৰণক আকৃষ্ট কৰি ভাষা জননীৰ উন্নতিৰ কাৰণে আপ্ৰাণ চেষ্টা কৰি আহিছে। শিক্ষা আহৰণত ব্যুৎপত্তি লভিবলৈ; সৰ্ব্ব ভাৰতীয় আৰু আন্তঃ ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত কৃতিত্ব লভিবলৈ আৰু মহৎ সাহিত্য সৃষ্টি কৰিবলৈ এতিয়া অসমীয়া লোক সকলৰ কিবা বাধা আছে বুলি কোনেও বুকুত হাত দি কব নোৱাৰে। কিন্তু কাৰ্য্য ক্ষেত্ৰত কি দেখা পাইছো? উচ্চ শিক্ষাৰ ক্ষেত্ৰত অসমীয়া পণ্ডিত সকলে উচ্চমান বিশিষ্ট অসমীয়া ভাষাত গ্ৰন্থ সৃষ্টি কৰিব পৰা নাই, যি অনুবাদ কৰিছে শুনামতে তাতো বাবেকুৰি ভুল। আগ্ৰহী

শিক্ষক সকলে ইংৰাজীৰ পৰা অনুবাদ কৰি শ্ৰেণীত ছাত্ৰ-ছাত্ৰীক টোকা দিয়া যথেষ্ট নহয়। ফলত কলেজৰ ছাত্ৰ ছাত্ৰী সকলৰ হাহাকাৰ অৱস্থা হৈছে। হাজাৰ হাজাৰ ছাত্ৰ ছাত্ৰী অসমৰ বাহিৰলৈ গৈ শিক্ষা আহৰণ কৰাৰ পৰা বাদ পৰিব লগা হৈছে। অসমত বৰ্ত্তমান ভাষা জননীৰ বুকুত কুঠাৰাঘাত কৰা এটা অশুভ লক্ষণে দেখা দিছে। সেইটো হল—চহৰ সমূহৰ আৰু গাঁৱৰ অৱস্থাপন্ন লোক সকলে তেওঁলোকৰ লৰা ছোৱালীক অসমীয়া মাধ্যমৰ বিদ্যালয় সমূহত পঢ়ুৱাবলৈ প্ৰকাশ কৰা অনিচ্ছা। নগৰ বোৰত চাবি ও কালে কাঠফুলা বঢ়াদি ইংলিচ মিডিয়াম স্কুলবোৰ বাঢ়িব লাগিছে। আজিৰ অধিকাংশ অভিভাৱকে ইংলিচ মিডিয়াম স্কুলতহে লৰা ছোৱালী পঢ়োৱাৰ ইচ্ছা কৰে। এনেবোৰ স্কুলত পঢ়া ছাত্ৰ ছাত্ৰীৰ অসমীয়া ভাষা জ্ঞান বহুত কম দেখা যায়। হলেও তাতেই জোৰ বেছি। তাত নাপালেহে অন্যলৈ গতিকৰে। এনে বিদ্যালয় সমূহত শিক্ষা লোৱা ছাত্ৰ ছাত্ৰী সকলৰ মুখত অসমীয়া শব্দবোৰে বিকৃত ৰূপ ধাৰণ কৰিছে আৰু ইংৰাজী, হিন্দীয়ে প্ৰাধান্য পাইছে। পাপা, মামা, আঙ্কল, আন্টিৰ কোব বাঢ়িছে। অসমীয়া মানৱ সম্পদৰ মেধা অংশটোৰ এনেকৈ সকতেই ভাষাত কেনা লাগিলে আমি অসমীয়া ভাষাৰ ভৱিষ্যত উন্নতি আশা কৰিব পাৰোনে? ১৯৭৯ চনত অসমৰ পৰা বিদেশী বিতাৰণ কৰিবলৈ অসমীয়া ৰাইজ আন্দোলনত নামিব লগা হল। আন্দোলনৰ সূত্ৰপাত হল এইদৰে। মঙ্গলদৈ লোক সভা সমষ্টিৰ সদস্য হীৰালাল পাটোৱাৰীৰ মৃত্যুত উপ নিৰ্ব্বাচন পাতিব লগা হৈছিল। এই উদ্দেশ্যে ভোটাৰ তালিকা প্ৰস্তুত কৰোতে তাত বহুতো বিদেশী থকা বুলি ধৰা পৰিল। এই বিদেশী বোৰ প্ৰধানতঃ পূব পাকিস্থানৰ (বৰ্ত্তমান বাংলা দেশ) লোক। কেচু খান্দোতে সাপ ওলাল। বিদেশী অকল মঙ্গলদৈতে নহয় গোটেই অসমতে বিদেশীৰ সংখ্যা ক্ৰমাৎ বৃদ্ধি পোৱা বুলি জানিব পৰা গল। বিদেশী বিতাৰণ কৰিব লাগে

বুলি জনমত গঢ়ি উঠিল আৰু আন্দোলন আৰম্ভ হল। আন্দোলনৰ আৰম্ভণিতে তেতিয়াৰ প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে দূৰদৰ্শিতাৰে এটা বাস্তৱ মুখী প্ৰস্তাৱ আগ বঢ়ালে। এই প্ৰস্তাৱ মতে ১৯৭১ চনটো প্ৰথমে ভিত্তি বছৰ ধৰি লৈ তেতিয়াৰ পৰা অসমত অনুপ্ৰবেশ কৰা বিদেশী সকলক বহিষ্কাৰ কৰা হব। এই বহিষ্কৰণ কাৰ্য্যত উদ্ভৱ হোৱা সমস্যা আৰু পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত ভিত্তি বছৰ আৰু পিচুৱাই নি সেইমতেই সকলো বিদেশী বিতাৰণ কৰা হব। এই প্ৰস্তাৱত আন্দোলন পক্ষ কোনো মতেই ৰাজী নহল॥ ১৯৫১ চনৰ ৰাষ্ট্ৰীয় পঞ্জীত যাৰ নাম নাই সেইবোৰকে বিদেশী গণ্য কৰি বিতাৰিত কৰিব লাগে বুলি খামোচ মাৰি ধৰিলে। এইদৰে আন্দোলন কাৰী আৰু চৰকাৰৰ ভিত্তি বছৰক কেন্দ্ৰ কৰি টনা আঁজোৰা লাগি থকাত বিদেশী বিতাৰণৰ কাৰ্য্যসূচী স্থগিত হল আৰু আন্দোলন পূৰ্ণ গতিত আগ বাঢ়িল। এই আন্দোলনৰ গুৰি ধৰিলে ছাত্ৰ ছাত্ৰী সকলে। ছবছৰ কাল এই আন্দোলন চলিল। আন্দোলনত কত যে মানুহ মৰিল, কত যে ঘৰ দুৱাৰ জ্বলি ভস্মীভূত হল, কত যে গৃহহীন হল, কত যে মানুহ জীৱনলৈ ঘূণীয়া হল, কত যে গাওঁ উছন হল, তাৰ হিচাপ নাই। গহপুৰ, নেলী আদিত হোৱা নৃশংস হত্যাকাণ্ডই বুৰঞ্জীত কলঙ্কিত অধ্যায় ৰূপে স্থান পালে। বিদেশী কিন্তু বিতাৰণ নহল। আন্দোলনৰ নেতৃবৰ্গ আৰু চৰকাৰৰ মাজত হোৱা চুক্তিয়ে বিদেশীক স্বদেশীহে কৰিলে। এখন বিদেশী আইন থকা সত্বেও চুক্তি কৰি অসমৰ কাৰণে এখন নতুন আইন হল আৰু সেই আইনৰ অধীনত বিদেশী খেদিবলৈ লোৱা হল। এই ক্ৰটি পূৰ্ণ আইনৰ মেৰ পাক অসমীয়াই বুজিব নোৱাৰিলে। এতিয়া সেই আইনমতে এজনো বিদেশী খেদিব নোৱাৰা হ'ল। অন্য হাতে ওচৰ চুবুৰীয়া ৰাষ্ট্ৰৰ পৰা ব্যাপক হাৰত বিদেশী অনুপ্ৰবেশ কৰি অসমীয়াৰ অস্তিত্ব নিঃশেষ কৰিব ধৰিছে। চুক্তি বিদেশী খেদাৰ বাবেহে হৈছে—কিন্তু আজি সেয়েহে চুক্তি কৰি হাতত কুঠাৰ মাৰিলোঁ।

মোৰ গাঁৱৰ অতীত বিচাৰি

আহোম ৰাজৰত শাসন ব্যৱস্থাৰ সুবিধাৰ বাবে কিছুমান পদবীৰ সৃষ্টি কৰিছিল ! সেইবোৰ যেনে-বৰা, শইকীয়া, হাজৰিকা, বৰুৱা, ফুকন ইত্যাদি। সকলো সম্প্ৰদায়ৰ লোক উক্ত পদবীবোৰত অন্তৰ্ভুক্ত হৈছিল। বৰুৱা সকল উচ্চ পৰ্য্যায়ৰ ৰাজ বিষয়া আছিল। ফুকনৰ সমকক্ষ বৰুৱাই শোধ শোধে আৰু সমাজত শান্তি শৃঙ্খলা ৰক্ষাৰ বাবে সচেষ্ট থাকে। বৰুৱাৰ পৰিয়ালত ভাতৃ সকলক ডেকা বৰুৱা বোলা হয়। যেনেকৈ সত্ৰাধিকাৰৰ ভাতৃ সকলক ডেকা অধিকাৰ বোলে। মোৰ গাওঁ শইকীয়া চুবুৰী আৰু পাটগিৰী চুবুৰী দুয়োটা নামেৰে জনাজাত। শইকীয়া সকলৰ বাসস্থলী হোৱা বাবে চুবুৰীটোৰ নাম শইকীয়া চুবুৰী হোৱা যেন লাগে। এই শইকীয়া সকলৰে মাজত পোৱালী শইকীয়া নামে এজন লোক আছিল। তেওঁ পিছলৈ হলেশ্বৰ মৌজাৰ মৌজাদাৰ হৈছিল। সেয়া বহুত দিনৰ আগৰ কথা। তেতিয়া হলেশ্বৰ আৰু গবৈমাৰী মৌজা একেলগে আছিল। পিছত এই মৌজা দুভাগত বিভক্ত হয়। পোৱালী শইকীয়াক পোৱালী পাটগিৰী বুলিছিল। মৌজাদাৰক পাট গিৰী বুলিও কয়। পোৱালী পাটগিৰীৰ পৰাই শইকীয়া চুবুৰীৰ নাম পাটগিৰী চুবুৰী হয়। কালৰ কুটিল গতিত মৌজাটো শইকীয়া পৰিয়ালৰ পৰা অন্য লোকৰ হাতলৈ গ'ল। সেই বংশৰে এজন আছিল দধি শইকীয়া। তেওঁ তেজপুৰ কাছাৰিত চাকৰি কৰিছিল। দধিৰ লৰা ৰাধিকা। ৰাধিকা শইকীয়াই পিতৃৰ অকাল বিয়োগত উচ্চ শিক্ষা লাভ কৰিব নোৱাৰি বগাপাৰা চাহ বাগিছাত চাকৰিত সোমাল। ৰাধিকাৰ এজন ভায়েক ৺ফটিক মোৰ লগৰীয়া। ৺ফটিকৰ লগত প্ৰায়ে একেলগে ফুৰাচকা কৰো। ৺ফটিকৰ কাৰণেই তেওঁ-লোকৰ ঘৰৰ লগত মোৰ অহা যোৱা হৈছিল। উক্ত বাটৰ মন্দিৰ প্ৰতিষ্ঠা কৰা সময়ৰ কথা। টৈজৰৰ সাজিবৰ বাবে আলনী বিজাৰ্জৰ

পৰা শাল গছৰ পাৰ্মিট অনা হল। কিন্তু বৰেণ্টি দিবলৈ বাইজৰ কাগুত টকা নাছিল। সেয়েহে ৺ৰাধিকা শইকীয়াক অনুৰোধ কৰা হ'ল। তেখেতে বাইজৰ অনুৰোধ ৰক্ষা কৰি শালগছৰ বৰেণ্টিৰ টকাখিনি দিলে। শইকীয়া বংশৰে অন্যতম ব্যক্তি ৺ৰঘুৰাম শইকীয়া। তেওঁৰ ছোৱালী ৺কন শইকীয়ানীক তেজপুৰ চহৰৰ উপকণ্ঠত থকা বৰুৱা চুবুৰীৰ ৺লক্ষী বৰুৱালৈ বিয়া দিছিল। ৺কন শইকীয়ানী বিয়াৰ পিছত ৺কন বৰুৱানী বা ৺চন্দ্ৰেশ্বৰী বৰুৱানী নামে জনাজাত হৈছিল। ৺কন বৰুৱানীৰ কন্যা ৺ৰাসেশ্বৰী বৰুৱানীয়ে ইন্দ্ৰ মালতী কথাছবিত মালতীৰ অভিনয় কৰাৰ কথা আগতে কৈ আহিছো। শইকীয়া চুবুৰীৰ শইকীয়া পৰিয়াল আগৰে পৰা সকলো দিশত আগবঢ়া আছিল। সেই পৰিয়ালৰে বৰ্ত্তমান শ্ৰীমান অতুল শইকীয়া অঞ্চলটোত এজন আগশাৰীৰ ব্যক্তি।

তেজপুৰ চহৰৰ আশে পাশে কেইবা ঠাইতো ডেকা বৰুৱা সকলৰ বাসস্থান আছিল। ডেকাৰ গাওঁ পুৰণি ৰেল ষ্টেচনৰ পশ্চিমৰ গাওঁ খনৰ নাম ডেকাৰ চুবুৰী কুন্দাৰ বাৰী। ইয়াৰ কেইজনমান ডেকা বৰুৱাৰ নাম মোৰ বিণিকি বিণিকি মনত পৰে। তেওঁলোক ৺বানেশ্বৰ বৰুৱা ৺পহুম বৰুৱা, ৺ডালিম বৰুৱা আৰু ৺দীন বৰুৱা। বৰ্ত্তমান য'ত প্ৰতিৰক্ষা বিভাগৰ সামৰিক চিকিৎসালয় প্ৰতিষ্ঠা হৈছে সেই অঞ্চলটো ডেকা বৰুৱাৰ বাসস্থান আছিল। সেই অঞ্চলৰ নাম ডেকা চুবুৰী। শ্ৰীচন্দ্ৰ ডেকা বৰুৱা, ৺দণ্ডিনাথ ডেকা ইয়াৰ প্ৰধান লোক। ইয়াৰ উপৰিও আৰু এখন ডেকাৰ গাওঁ আছে। বৰ্ত্তমান এইখন গাওঁ-তেজপুৰ চহৰৰ ভিতৰত সোমাই পৰিছে। হজৰা পুখুৰী পাৰৰ গাওঁ খনৰ নাম ডেকাৰ গাওঁ। এই পাৰৰ ৺কমলা বৰুৱা প্ৰখ্যাত লোক আছিল। তেখেত ৺ভাৰত বৰুৱা (পিছত চামচুল হুদা) আৰু ৺দেৱ বৰুৱাৰ পিতৃ। ৺কমলা বৰুৱাক সকলে দেখা মনত পৰে। তেখেত শকত-আৱত, ওখ-পাখ সুন্দৰ চেহেৰাৰ

লোক আছিল। মূৰত দীঘল চুলিৰ ওপৰত মথুৰা পাগ। পিন্ধনত ধুতি, গাত কোটচোলা আৰু ভৰিত জোতা। হাতত ভাওৰ ভলুকা বাহঁৰ টুপা লগোৱা লাঠি। খোজকাঢ়ি কাঢ়ি ৺কমলা বৰুৱা আমাৰ গাঁৱলৈ আহিলে মানুহে তেখেতক ঘৰৰ পৰা ওলাই ওলাই চায়। মানুহজনক মানুহে বৰ সম্ভ্ৰম কৰিছিল। ডেকা বৰুৱা সকলৰ স্মৃতিৰ কাৰণেই ইয়াৰ টি বি আৰ ৰেল ষ্টেচনটোৰ নাম ডেকাৰ গাওঁ ৰখা হয়। পূৰ্ব্বতে এই ৰেল ষ্টেচনটো বৰ্ত্তমান উষা নাট্য মন্দিৰৰ পূৰত আছিল।

আহোম ৰাজত্বত ৰাজ বিষয়া সকলে সমাজত বেচ সন্মান লাভ কৰিছিল। এই সন্মান বংশানুক্ৰমে বৈ গৈছিল। পিছৰ কালত বৃটিছৰ দিনতো এই সকল লোকৰ বংশ পৰিয়ালে সমাজত আগস্থান পাইছিল। মই সৰুতে আমাৰ গাঁৱৰ নামঘৰত ভাওনা সবাহত থাকোৱেই। তেতিয়া দেখিছিলোঁ এনে লোক সকলক শৰাই বটাৰ ওপৰত তুলি মাহ প্ৰসাদৰ পাত দিয়া হৈছিল। নামঘৰত বহিবৰ কাৰণে এই সকল লোকৰ বাবে-গালিচা, কম্বল, কঠ, ঢাৰি আদি পাৰি দিয়া হৈছিল। গোসাঁই, ব্ৰাহ্মণ আৰু মহন্ত সকলৰ কাৰণেও সুকীয়া আসন থাকে। সৰুতে একো বুজিব পৰা নাছিলোঁ। যদিও ডাওৰ হোৱাত এনে ভেদ নীতি মোৰ মনে মানি লোৱা নাছিল। এনেবোৰ প্ৰথাৰ মই বিৰোধিতা কৰিবলৈ লৈছিলোঁ। পিছলৈ ৰাস মন্দিৰৰ ভাওনা-ৰাসত এনে নিয়ম উঠাই দিয়া হ'ল। বিবাহলৈ নিমন্ত্ৰণ কৰোতেও মাননীয় লোক সকলক তামোল পানৰ শৰাই দি আৰু সৰ্ব্ব সাধাৰণক টকৌপাত বা কল পাতত তামোল পানৰ টোপোলা বান্ধি তাৰ একোটাকৈ টোপোলা দি নিমন্ত্ৰণ কৰাৰ প্ৰথা আছিল। এই নিয়মৰ মাজেৰে নিমন্ত্ৰণ নকৰিলে মানুহ বিয়া খাবলৈ নাযায়। এনে নিয়মে দুখীয়া মানুহক আৰ্থিকভাবে জুকলা কৰিছিল। মোৰ খুলশালী শ্ৰীমান হেমেন্দ্ৰ দাস (বৰ্ত্তমান অৱসৰ

প্ৰাপ্ত মূখ্য অভিযন্তা)ৰ বিয়াৰ কথা। মানুহ নিমন্ত্ৰণ কৰাৰ কথা ওলাওতে মই মুখেৰে মানুহ মতাৰ নিয়ম কৰিব লাগে বুলি ক'লো। মোৰ কথা শুনি দুই এজন ডিক্ ডিকাই উঠিল। মই কিন্তু মোৰ মতকে খামোচ মাৰি ধৰিলো। তেওঁলোকক কলো—সত্য নাৰায়ণ পূজালৈ মুখেৰে মাতিলে মানুহ যেতিয়া যায় বিবাহত নো এই প্ৰথা কিয় লাগে? মোৰ কথাত বহুতে সম্মতি জনালে। ৺নীলকান্ত বৰা (কানন্ গো) মোৰ প্ৰধান সমৰ্থক আছিল। বিবাহলৈ মানুহ মুখেৰেই নিমন্ত্ৰণ কৰা হল। সমাজেও এই নিয়ম মানি ললে। বিয়া ভালদৰেই হৈ গল। ৺বালিৰাম দাস মৌজাদাৰৰ কনিষ্ঠ পুত্ৰ শ্ৰীহেমেন্দ্ৰ দাস। সেই সময়ত মৌজাদাৰ সকলৰ বৰ প্ৰভাৱ আছিল। বিশেষকৈ ৺বালি ৰাম দাসক স্থানীয় ৰাইজে বেচ সমীহ কৰিছিল। ৺বালিৰাম দাসৰ মৃত্যুৰ পিচতো তেখেতৰ পৰিয়ালৰ ওপৰত ৰাইজৰ ভাল ভাব আছিল। সেয়েহে বিবাহত মুখেৰে নিমন্ত্ৰণ দিয়া সত্বেও মানুহ বিয়া খাবলৈ আহিছিল। হলেও এই বিয়াতে নিমন্ত্ৰণৰ নতুন নিয়ম হোৱাত পিছলৈও এই নিয়মেই থাকি গল।

জন সোঁতেদি ঃ অসমগণ পৰিষদ দলৰ ৰাজত

১৯৬২ চনৰ চীনা আক্ৰমণত হাজাৰ হাজাৰ সাহসী জোৱানৰ মৃত্যু হল। কিন্তু ঘৰ-দুৱাৰ সা-সম্পত্তি কাৰো লোকচান হোৱা নাছিল। ১৯৭৯ চনৰ পৰা ১৯৮৫ চনলৈ হোৱা ছবছৰীয়া অসম-বাসীৰ আন্দোলনত অগনন নিৰীহ লোক, যুৱক-যুৱতী আৰু অবাল বৃদ্ধ বণিতাই প্ৰাণ হেৰুৱালে। বহুত গাওঁ ভূঁই উচ্ছন্ন হল, ঘৰ-দুৱাৰ সা-সম্পত্তি জুইত জাহ গল। গৃহশত্ৰু বিদেশী শত্ৰুতকৈ ভয়ানক। ছবছৰীয়া গৃহ যুদ্ধই অসমৰ ক্ষেত্ৰত তাকে প্ৰমাণ কৰিলে। অশেষ

এন জন হেকেৱাই আমি কি পালো ? ১৯৮৫ চনৰ ১৪ আগষ্টৰ মাজ নিশা একালে অসম ছাত্র সন্থা আৰু গণ সংগ্ৰাম পৰিষদৰ কৰ্ণধাৰ সকল আৰু আনকালে ভাৰত চৰকাৰৰ হৈ গৃহ সচিব (আৰ ডি প্ৰধান)-ৰ মাজত এখন চুক্তিপত্র স্বাক্ষৰিত হল। আলোচনাত ভেতিয়াৰ প্ৰধান মন্ত্রী ৰাজীৱ গান্ধী আৰু গৃহ মন্ত্রী এচ, বি চৱন উপস্থিত আছিল। চুক্তি স্বাক্ষৰিত হোৱাৰ বাতৰি প্ৰচাৰ হোৱাৰ লগে লগে অসমবাসী ৰাইজ আনন্দত উৎফুল্লিত হৈ পৰিল। জন-সাধাৰণৰ মাজৰ পৰা ভয় সন্ত্রাস আৰু নিৰাপত্তাহীনতাৰ আশঙ্কা আঁতৰি যোৱাত আনন্দৰ পৰিবেশ গঢ়ি উঠিল। আন্দোলন কৃতকাৰ্য্য হোৱা বুলি অসমৰ চৌদিশে আনন্দৰ জোৱাৰ উঠিল। হাজাৰ হাজাৰ ৰাইজ ৰাস্তালৈ ওলাই আহি আনন্দত আতচ্‌বাজী ফুটালে। ভেতিয়াৰ প্ৰধানমন্ত্রী ৰাজীৱ গান্ধীৰ মধ্যস্থতাত চুক্তি সম্পাদন হোৱাত ৰাজীৱ গান্ধীৰ প্ৰতি ৰাইজৰ সদ্‌ভাব প্ৰকাশ পালে। গোলাঘাটত ছাত্র সন্থা আৰু সংগ্ৰাম পৰিষদৰ ডাঙৰ সভা হল। এই সভাতে অসমৰ বাবে এটা আঞ্চলিক দল গঠন কৰা হল। অসম গণ পৰিষদ এই দলৰ নাম দিয়া হ'ল। অসমত জনতা চৰকাৰ পতন হোৱাৰ পিছত ১৯৮০ চনত পুনৰ কংগ্ৰেছ দলৰ মন্ত্রী সভা গঠন হয়। ১৯৮৩ চনত হোৱা বিধানসভা নিৰ্ব্বাচনত শ্ৰীহিতেশ্বৰ শইকীয়া মুখ্যমন্ত্রী হ'ল। ভোটাৰ তালিকাৰ পৰা বিদেশীৰ নাম কৰ্ত্তন নকৰাকৈয়ে অনুষ্ঠিত কৰা এই নিৰ্ব্বাচন অসমৰ একাংশ ৰাইজে বৰ্জন কৰিছিল—আৰু এই নিৰ্ব্বাচনক অবৈধ বুলি ঘোষণা কৰিছিল। শ্ৰীশৰৎচন্দ্ৰ সিংহ অসমৰ মুখ্যমন্ত্রী হৈ থকা কালত শ্ৰীহিতেশ্বৰ শইকীয়া শিক্ষামন্ত্রী আৰু পিছত গৃহমন্ত্রী হৈছিল। শ্ৰীশইকীয়া যে এজন তীক্ষ্ণধীসম্পন্ন ৰাজনৈতিক নেতা হব এই কথা বহুত দিনৰ আগতেই গম পাইছিলোঁ। মহেন্দ্ৰমোহন চৌধুৰী মুখ্যমন্ত্রী হৈ থকা কালত এবাৰ তেজপুৰলৈ আহিছিল। তেজপুৰৰ চাৰ্কিত হাউচত তেখেতক আমি লগ পাইছিলোঁ। কথা প্ৰসঙ্গত তেখেতে কৈছিল

যে উজনি অসমত কংগ্ৰেছৰ কাম কৰিব পৰা এটা বৰ ভাল লৰা ওলাইছে। কংগ্ৰেছত থাকিলে তেওঁ বেচ নাম কৰিব। পিছত গম পালো—এই লৰা জনেই শ্ৰীহিতেশ্বৰ শইকীয়া। শ্ৰীশইকীয়াই শিক্ষামন্ত্ৰী হৈ থকা অৱস্থাত অসমৰ বেচৰকাৰী কলেজ শিক্ষকৰ

জ্যোতি ভাৰতীৰ ভাৰ প্ৰাপ্ত বিষয়া শ্ৰীভিবেশ্বৰ দাসে শিল্পী দিৱসত শিক্ষক সম্বৰ্দ্ধনা জনাইছে।

দৰমহা চৰকাৰী কলেজ শিক্ষকৰ সমপৰ্য্যায়লৈ অনা হয়। ইয়াৰ ফলত বে-চৰকাৰী কলেজ শিক্ষক সকল যথেষ্ট উপকৃত হ'ল। তেজপুৰৰ "জ্যোতিভাৰতী" শ্ৰীশইকীয়াৰ প্ৰচেষ্টাতে গঢ়ি উঠিল।

অসম চুক্তি স্বাক্ষৰিত হোৱা সময়ত শ্ৰীহিতেশ্বৰ শইকীয়া মুখ্যমন্ত্ৰী হৈ আছিল। অসম গণ পৰিষদ গঠন হোৱাৰ পিছত শ্ৰীশইকীয়া মিজোৰামৰ উপ-ৰাজ্যপাল হয়। মিজোৰাম ৰাজ্য ঘোষিত হোৱাত শ্ৰীশইকীয়া ইয়াৰ ৰাজ্যপাল হয়। লালডেঙাৰ নেতৃত্বত হোৱা মিজো বিদ্ৰোহী সকলক দমন কৰি চুক্তি কৰোৱাত শ্ৰীহিতেশ্বৰ শইকীয়াই মুখ্য ভূমিকা গ্ৰহণ কৰিছিল। গৃহমন্ত্ৰী হৈ থকা কালত শইকীয়াক মানুহে অসমৰ কিছিংগাৰ বুলিও কোৱা শুনিছিলোঁ।

১৯৮৫ চনৰ ডিচেম্বৰ মাহত হোৱা অসম বিধানসভা নিৰ্ব্বাচনত অসম গণ পৰিষদ দলে বিপুল সংখ্যাগৰিষ্ঠ ভোটত জয়লাভ কৰি অসমত মন্ত্ৰীসভা গঠন কৰিলে। কংগ্ৰেছে মাথোন ২৫টা সমষ্টিত জয়লাভ কৰিবলৈ সক্ষম হ'ল। ২৪ ডিচেম্বৰত গুৱাহাটীৰ নেহৰু ষ্টেডিয়ামত লক্ষ লক্ষ জনতাৰ উপস্থিতিত অসম গণ পৰিষদ দলৰ মন্ত্ৰী সকলে শপত গ্ৰহণ কৰিলে। ৰাইজৰ কিমান যে আনন্দ, কিমান আশা! অসমৰ জ্বলন্ত সমস্যা বিদেশী অনুপ্ৰৱেশ বোধ হব আৰু অসমত থকা লক্ষ লক্ষ বিদেশী বিতাৰিত হব বুলি ৰাইজৰ বিশ্বাস হ'ল। ৰাইজৰ বিশ্বাস আৰু আশা আকাঙ্ক্ষা মোৰ কাৰ্য্যত পৰিণত হোৱা নোহোৱা সম্বন্ধে মই কোৱা নিষ্প্ৰয়োজন। সেয়া পাঠকলৈ এৰিছো। অসম গণ পৰিষদ দলৰ শাসনৰ শেষৰ ফালে ৰাজ্যখনত চাৰিওফালে কিছুমান অশুভ শক্তিৰ উদয় হৈ ৰাইজৰ সাধাৰণ জীৱন যাত্ৰা ব্যাহত হৈ পৰিল। নৃশংস হত্যাকাণ্ড আৰু লুণ্ঠনত মানুহ পৈঁপুৱা হ'ল। জন সাধাৰণৰ জীৱনৰ নিৰাপত্তা নোহোৱা হ'ল। গাওঁ ভুঁই, চহৰ নগৰৰ বাট পথ গধূলি হোৱাৰ লগে লগে জন শূন্য হৈ পৰিল। হিংসাবৃত্তিৰ ভয়ত চাহ কোম্পানী বোৰৰ কিছু সংখ্যক মালিক আৰু অসমৰ বাহিৰৰ পৰা অহা ব্যৱসায়ী অসম এৰি গুচি যাবলৈ বাধ্য হ'ল। অৱশ্যে সন্ত্ৰাসবাদ অকল অসমৰে সমস্যা নহয়। গোটেই বিশ্বজুৰি এই সমস্যাই আজি

শান্তিপ্ৰিয় জনতাক চিন্তান্বিত কৰি তুলিছে। ১৯৯১ চনৰ ২১ মে'ত মাদ্ৰাজৰ এক জনসভাত ভাষণ দিবলৈ যাওঁতে তেতিয়াৰ প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধী আত্মঘাতী বোমা বিস্ফোৰণত নিহত হ'ল। ইয়াৰ বিচাৰ এতিয়াও শেষ হোৱা নাই। আশী দশকৰ শেষৰ ফালে অসমত সুকীয়া ৰাজ্য আৰু অধিকতৰ স্বায়ত্ব শাসনৰ দাবীত আন্দোলন প্ৰকট হ'ল। অসমৰ আইন শৃঙ্খলাৰ পৰিস্থিতি দিনক দিনে বেয়াৰ ফালে ঢাল খালে। আইন শৃঙ্খলা ৰক্ষাৰ কামত অধিক ধন-জন ব্যয় কৰিব লগা হোৱাত ৰাজ্যৰ উন্নয়ন মূলক কাম কাজত স্থবিৰতা আহি পৰিল। ৰাজ্য চৰকাৰৰ ধাৰৰ বোজা বাঢ়িল। বিদেশী বহিষ্কাৰ কৰাৰ মন্ত্ৰেৰে নতুন চৰকাৰে কাৰ্য্যভাৰ গ্ৰহণ কৰিছিল যদিও বাস্তৱ পৰিস্থিতিৰ মুখামুখি হোৱাত বহিষ্কৰণৰ কামত শিথিলতা আহি পৰিল। অবৈধ প্ৰব্ৰজনকাৰী আইনৰ অধীনত বিদেশী চিনাক্ত কৰা আৰু বিতাৰণ কৰা কাম এই আইনৰ সুকঙা বোৰৰ কাৰণেও মন্থৰ হ'ল। অসমত বিদেশী নাগৰিক বুলিলে পূৰ্ব্বৰ পূব-পাকিস্তানী আৰু বৰ্ত্তমানৰ বাংলাদেশী সকলকে বুজায়। অন্যান্য বিদেশী নাগৰিক আছে যদিও নিচেই নগণ্য। বাংলাদেশৰ পৰা অবিৰত ভাবে অসমলৈ সোঁতবোৱা নাগৰিকৰ সমস্যাটো সমাধান কৰি অসমত ইতিমধ্যে সোমোৱা অবৈধ লোক সকলক বিতাৰিত কৰিলে বিদেশী সমস্যা ওৰ পৰে। কামটো সহজ নহয়। ইয়াৰ বাবে বাংলাদেশ আৰু ভাৰতবৰ্ষৰ চৰকাৰৰ মাজত আলোচনা ক্ৰমে সিদ্ধান্ত গ্ৰহণ কৰিব লাগিব। ভাৰতবৰ্ষৰ যহতে বাংলাদেশ স্বাধীন হ'ল যদিও এই দেশ তাৰ বাবে ভাৰতৰ ওচৰত কৃতজ্ঞ নহয়। সেইদেশৰ চৰকাৰে কব খোজে অসমত এজনো বাংলাদেশী বিদেশী নাই। বাংলাদেশৰ ভাৰতৰ প্ৰতি সদ্‌ভাব নথকাৰ ইয়ে প্ৰমাণ। অকল বাংলাদেশেই নহয় অসমৰ ওচৰ চুবুৰীয়া ৰাষ্ট্ৰ সমূহৰ পৰাও

আমাৰ দেশৰ ভৱিষ্যত যে নিষ্কণ্টক নহয় ই বুৰঞ্জী সিদ্ধ কথা। আজি কিছুদিনৰ পৰা ভাৰতবৰ্ষৰ উত্তৰ পূৰ্ব্বাঞ্চলত সন্ত্ৰাসবাদী সকলৰ কাৰ্য্যকলাপ বৃদ্ধি পাইছে। গোটেই দেশৰ জনসাধাৰণৰ দৃষ্টি এই অঞ্চলত পৰিছে। অসম আজি ৰাজনৈতিক আৰু অৰ্থ-নৈতিক অনিশ্চয়তাৰ মাজেৰে আগ বাঢ়িছে। বিপুল প্ৰাকৃতিক সম্পদৰে চহকী হোৱা সত্বেও অসমৰ পয়া লগা অৱস্থাৰ বাবে কাকনো তুষিম? বাস্তৱ বৰ নিষ্ঠুৰ। ই দয়া-মায়া-ক্ষমাহীন। বাস্তৱৰ কঠোৰ মাটিত খোজ পেলাওঁতে আমি সেয়েহে বৰ সাবধান হব লাগে। আমাৰ উত্তৰ পুৰুষে দেশৰ ভৱিষ্যতৰ কথা ভালদৰে চিন্তা কৰা দৰ্কাৰ। সুখ-সমৃদ্ধি লৈ দেশৰ জনগণে যাতে মনৰ আনন্দৰে একৈশ শতিকাক আদৰিব পাৰে তাকে কামনা কৰো। মই এই বয়সত একৈশ শতিকা দেখা পাবলৈ কামনা কৰাটো অনুচিত। তথাপিতো ৰাইজৰ সুখ সন্তোষ আৰু এই সৰু ৰাজ্যখনৰ উজ্জ্বল ভৱিষ্যত সচিতে-সপোনে কামনা কৰি আছো।

জীৱনৰ বিয়লি বেলা : অনাগত দিনৰ অপেক্ষাত

অসমৰ ভোটাৰ তালিকা শুধৰণি হোৱাৰ পিছত আৰু এই শুধৰণি সকলোৱে মানি লোৱাত ১৯৯১ চনত যি নিৰ্ব্বাচন হ'ল সেই নিৰ্ব্বাচনত কংগ্ৰেছ (ই) দলে সংখ্যাগৰিষ্ঠ ভোট লাভ কৰি মন্ত্ৰীসভা গঠন কৰিলে। এই নিৰ্ব্বাচনত শোণিতপুৰ জিলাৰ ৮টা বিধানসভাৰ সমষ্টিৰ ভিতৰত সকলোতে কংগ্ৰেছ (ই) দলৰ প্ৰাৰ্থীয়ে জয়লাভ কৰিলে। তেজপুৰত কংগ্ৰেছ (ই) দলৰ প্ৰাৰ্থী শ্ৰীবিজিত শইকীয়া আৰু ভূতপূৰ্ব্ব অগপ মন্ত্ৰী শ্ৰীবৃন্দাবন গোস্বামীৰ মাজত মুখ্য প্ৰতিদ্বন্দ্বিতা হ'ল। শ্ৰীবিজিত শইকীয়া বিজয়ী হৈ উদ্যোগ মন্ত্ৰীপদ

লাভ কৰিলে। দলীয় আনুগত্য থকা সকলৰ বাহিৰে সৰ্ব্ব সাধাৰণ ৰাইজৰ মাজত শ্ৰীশইকীয়া প্ৰিয়ভাজন হবলৈ সমৰ্থ হৈছে। তেওঁক সকৰে পৰা মই জানো। তেজপুৰ জিলা কংগ্ৰেছৰ লগত যেতিয়া মই ঘনিষ্ঠ ভাবে জড়িত হৈ আছিলোঁ। তেতিয়া বিজিত সক লৰা যদিও জিলা কংগ্ৰেছ কাৰ্য্যালয়লৈ প্ৰায়ে আহি থাকে। কংগ্ৰেছৰ প্ৰতি তেওঁৰ সমৰ্থন থকাৰ উমান তেতিয়াৰ পৰাই পাইছিলোঁ। সমবায়ৰ কাম কাজত তেওঁৰ বিশেষ আগ্ৰহ আছিল। পিছলৈ যুৱক কংগ্ৰেছ



ভাৰত ত্যাগ আন্দোলনৰ সোনালী জয়ন্তী উদ্‌যাপনৰ সামৰণী অনুষ্ঠানত লিখকলৈ আগবঢ়োৱা সন্মান।

সংগঠনতো আগ ভাগ লৈছিল। এজন উদ্যোগী আৰু সাহসী ডেকা হিচাবে বিজিত পৰিচিত। ৩০ জুন ১৯৯১ চন।

কংগ্ৰেছ (ই) দলে ৰাইজৰ অকুণ্ঠ সমৰ্থন পাই চৰকাৰ গঠন কৰিলে। শ্ৰীহিতেশ্বৰ শইকীয়া পুনৰ মুখ্যমন্ত্ৰী হ'ল। অগপ চৰকাৰৰ দিনতে আৰম্ভ হোৱা অশান্তিৰ পৰিস্থিতি ক্ৰমাৎ বৃদ্ধি পাবলৈ ধৰিলে। হত্যা, লুণ্ঠন, লোক অপহৰণ আৰু বহুতো অশ্লীল অশ্ৰাব্য কাণ্ড ৰাজ্যখনত হৈ থাকিবলৈ ধৰিলে। এইবোৰ খবৰে বাতৰি কাকতৰ পাত ভৰি থাকে। কেন্দ্ৰত কংগ্ৰেছ (ই) দলে শাসনভাৰ ললে। শ্ৰী পি. ভি. নৰসিংহ ৰাও প্ৰধানমন্ত্ৰী হ'ল। অসমৰ জটিল পৰিস্থিতিৰ সন্মুখীন হবলৈ ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰে দৃঢ় পদক্ষেপ লবলগীয়া হ'ল। ৰাজ্যৰ জন-সাধাৰণৰ সুখ-শান্তি আৰু প্ৰগতি হবলৈ হলে আইন-শৃঙ্খলা অটুট ৰখাটো চৰকাৰৰ প্ৰথম আৰু প্ৰধান কৰ্ত্তব্য হোৱা উচিত। ৰাজ্য খনত উদ্ভৱ হোৱা অশান্তি আৰু আৰু অনিশ্চয়তা দূৰ কৰিবলৈ নিৰ্ব্বাচনী ইস্তাহাৰত উল্লেখ কৰা মতে শইকীয়া চৰকাৰ আগ বাঢ়িল। ৰাইজৰ একাংশ আৰু স্বাৰ্থান্বেষী কিছু বিৰোধী দল ইয়াতে ক্ষুব্ধ হোৱা দেখা গৈছিল। বহুতে বহুত সমালোচনা কৰিলে। কিন্তু শইকীয়া চৰকাৰে সেইবোৰলৈ কানসাৰ নকৰি আইন শৃঙ্খলা আৰু ৰাইজৰ মাজত শান্তি ঘুৰাই আনাৰ কামত ব্ৰতী হৈ থাকিল। গণতন্ত্ৰত ৰাইজ আৰু বাতৰি কাকত তথা প্ৰচাৰৰ মাধ্যম সমূহৰ গুৰুত্ব স্বীকাৰ কৰিবই লাগিব। কিন্তু স্বাৰ্থ জড়িত ৰাজনৈতিক দলৰ প্ৰৰোচনাত মুখৰ হোৱা ৰাইজ আৰু প্ৰচাৰ মাধ্যমৰ সমালোচনা মতে কোনো চৰকাৰে কাম কৰিব নোৱাৰে। তেনে কৰিলে দেশত অৰাজকতাৰ সৃষ্টি হব।

দুৰ্নীতি সমাজৰ এক কাল ব্যাধি। এতিয়া আমাৰ সমাজত এই ব্যাধিয়ে মহামাৰী ৰূপ ধাৰণ কৰিছে। এই ব্যাধিৰ চিকিৎসা এতিয়ালৈকে চকুত পৰাকৈ ওলোৱা নাই। 'বেজৰ নাকত খৰ' বুলি এটা কথা আছে। দুৰ্নীতি ব্যাধি নাশিবলৈ মাজে সময়ে দুই এজন বেজ ওলালেও তেওঁৰ নাকৰ খৰ টুকুৰা দেখিলে ৰাইজ নিৰাশ

হৈ পৰে। অৱশ্যে বাইজে এইটো ভাবিলে ভুল হব যে দুৰ্নীতি নিবাৰণত ৰাজনৈতিক নেতাৰহে ভূমিকা আছে বাইজৰ একো নাই। দুৰ্নীতি আমাৰ সমাজত ক'ত নাই? অফিচ কাছাৰিত দুৰ্নীতি, বজাৰ-সমাৰত দুৰ্নীতি, ৰাজনীতিত দুৰ্নীতি, স্বামী-স্ত্ৰীৰ মাজত দুৰ্নীতি, শিক্ষানুষ্ঠানত দুৰ্নীতি, চাকৰি বাকৰিত দুৰ্নীতি, সাহিত্যত দুৰ্নীতি আৰু কিমান হিচাব দিম? মুঠতে সকলোতে দুৰ্নীতিৰে ভৰা। দুৰ্নীতিৰে ভৰা সমাজখনৰ পৰা এই মহাব্যাধি আঁতৰাবলৈ বাইজৰ দায়িত্ব আৰু কৰ্ত্তব্যই বেছি। দুৰ্নীতিত লিপ্ত হোৱা যেনেকৈ দোষণীয় দুৰ্নীতি আওকান কৰাও সমানেই দোষণীয়। আমি বহুতেই অপ্ৰিয় হোৱাৰ ভয়ত দুৰ্নীতিৰ প্ৰতিবাদ নকৰো। অৰ্থাৎ দুৰ্নীতি ভ্ৰষ্টাচাৰক প্ৰশ্ৰয় দিহে থাকো। ধনবান লোক সমাজত আদৰণীয় হৈ পৰাটো আজিৰ কথা নহয়। সেই ধন কেনেকৈ আহৰণ কৰা হৈছে আমি কোনেও তাৰ বিচাৰ নকৰো। কন্যা দানৰ বেলিকা আমি সদায় ভাবী জোঁৱাই জনৰ স্বভাৱ-চৰিত্ৰ ব্যক্তিত্বতকৈও তেওঁৰ "বাহিৰা ইনকাম" ভাল ঘৰ-দুৱাৰ, গাড়ী আদিতহে জোৰ দিওঁ। এজন মেধাবী ছাত্ৰই জীৱনত বহু কষ্ট আৰু ত্যাগ কৰি জ্ঞান অন্বেষণত ব্ৰতী হৈ আছে আৰু তেওঁতকৈ বহু নিম্ন খাপৰ আন এজনে আনুষ্ঠানিক শিক্ষাৰ প্ৰমাণ পত্ৰ এখন লৈয়েই প্ৰচুৰ ধন সম্পত্তি গোটাই ভোগ বিলাসত মত্ত হৈছে। সমাজত এই দুজনৰ পিচৰ জনে বেচি বাহ্ বাহ্ পোৱা দেখা যায়। এতিয়া আমাৰ বাহ্যিক আহ-বিলাহত গা ঢালি দিয়াৰ প্ৰৱণতা বাঢ়িছে। ধন, স্বাস্থ্য আৰু চৰিত্ৰৰ ভিতৰত ধনে আগস্থান পাইছে। যি কোনো প্ৰকাৰে ধনী হোৱাটোৱেই এতিয়া জীৱনৰ লক্ষ্য হৈছে। ফলত দুৰ্নীতি ব্যাধিয়ে সমাজত স্থায়ীভাৱে বাহ লৈছে। আজি কিছু বছৰৰ ভিতৰতে এনে নতুন ধনী বহুত ওলাইছে। আইন আদালতৰ যোগেদি এওঁলোকৰ দোষ প্ৰমাণ কৰাটো সহজসাধ্য নহয়। আইনৰ সুৰুঙা বহুত আছে।

এই সুবিধাটোকে আজিৰ এচাম লোকে গ্ৰহণ কৰি ইচ্ছামতে ধন ঘটাত ব্ৰতী হৈছে। সমাজৰ প্ৰতিজন লোক দুৰ্নীতিৰ বিৰুদ্ধে সজাগ হবৰ হ'ল। সামাজিক প্ৰমূল্যবোৰ চালি জাৰি চাই মানুহৰ সঠিক মূল্যায়ণ হব লাগে। নিৰ্মোহ আত্ম সমালোচনা একান্ত প্ৰয়োজনীয় কথা। আমি আনৰ দোষ দেখো—কিন্তু নিজৰ দোষ লুকুৱাওঁ। মহামানৱ মহাত্মা গান্ধীয়ে নিজৰ দোষ কেতিয়াও লুকুওৱা নাছিল। মোৰ সত্য অন্বেষনৰ কাহিনীত (The story of my Experiments with Truth) ইয়াৰ প্ৰমাণ জল্ জল্ পট্ পট্ হৈ আছে। আমি মহাত্মা গান্ধীজীৰ নীতি আৰু আদৰ্শ সকলো ৰাজনৈতিক দলে গ্ৰহণ কৰিছো—কিন্তু কিমানে সেই নীতি আদৰ্শ অনুসৰণ কৰি ধন্য হৈছো ?

নিকা প্ৰকশাসন, নিকা সমাজ, নিকা ৰাজনীতি, সমাজনীতি, নিকা ব্যৱসায়-বাণিজ্য, নিকা ধৰ্ম্মীয় পৰিবেশ আদি লভিবলৈ হলে গান্ধীজীৰ নীতি আদৰ্শ আমাৰ সকলোৰে জীৱনত প্ৰতিফলিত হব লাগে।

বংশতরু

- মনিরাম
  - কেহাই
    - বাপাতি
    - সোমনাথ
  - বন্দী

- বাপাতি
  - বাচ
  - লাল
  - শ্রীঠাকুরাম বরা (পত্নী—শ্রীমতী ফুল বরা)
    - বেণু
    - নণী
    - রাণু
    - দীপা
    - প্রীতি
    - মুন (২য় পত্নীর কন্যা)

- সোমনাথ
  - কেশর বরা (পত্নী-শ্রীমতী দুর্গেশ্বরী বরা)
    - শ্রীগোলাপ বরা
      - অসীম
      - অর্পনা
      - অর্চনা
      - অচিন্ত্য
  - সর্বেশ্বর বরা

- শ্রীমতী বেণু দাস স্বামী শ্রীতুলসী চরণ দাস
  - শ্রীপ্রণবজ্যোতি দাস
  - শ্রীদিগন্ত দাস
  - শ্রীমতী স্বপ্নালী দাস

শ্ৰীমতী ননী কটকী স্বামী শ্ৰীবিপিন কটকী

শ্ৰীমতী বৰ্ণালী কটকী (কলিতা) স্বামী শ্ৰীপ্ৰবীণ কলিতা
শ্ৰীমতী স্নিগ্ধামণি কটকী

শ্ৰীমতী বাণু হাজৰিকা স্বামী শ্ৰীককণা হাজৰিকা

শ্ৰীমনোজ হাজৰিকা শ্ৰীমতী বন্দনা হাজৰিকা শ্ৰীঅভিজিৎ হাজৰিকা

শ্ৰীমতী দীপাৱলী দাস স্বামী শ্ৰীশিৱপ্ৰসাদ দাস

শ্ৰীমতী মধুপৰ্ণা দাস
শ্ৰীবেদান্ত দাস

শ্ৰীমতী ৰূপাঞ্জলি ভূঞা (মুন) স্বামী শ্ৰীমহেন্দ্ৰ ভূঞা

শ্ৰীপাঞ্চজন্য ভূঞা
শ্ৰীবিচিত্ৰ ভূঞা

শ্ৰীমতী প্ৰীতিৰেখা বৰা স্বামী শ্ৰীৰাজীৱ বৰা—শ্ৰীমতী ৰূপতৃষা বৰা

শ্ৰীঅসীম বৰা (১) পত্নী শ্ৰীমতী অঞ্জু বৰা—নৱজাত পুত্ৰ অয়ন

শ্ৰীমতী অপৰ্ণা বৰা স্বামী শ্ৰীঅসীম বৰা (২)

শ্ৰীমতী বৰষা বৰা
শ্ৰীনিবিড় বৰা

শ্ৰীমতী অৰ্চনা দত্ত স্বামী শ্ৰীদীপক দত্ত—পুত্ৰ শ্ৰীকৌশিক দত্ত

———

বিগত দিনৰ স্মৃতি ৰোমন্থন ঃ
ড° ভূপেন হাজৰিকা আৰু লিখক



বোৰেৰ নাট্য সম্পাদক শ্ৰী[illegible] পৰিচালক আৰু শিল্পী সকলক " জয়মতীৰ" শুটিঙৰ অভিনয়ত শিশুক চকু মুদাই অভিনয় কৰাৰ কথা [illegible] আলোচনাত কৈ আছে।



লিখকৰ বৌদেউ, শ্ৰীমান গোলাপ বৰাৰ
মাতৃ শ্ৰীমতী দুৰ্গেশ্বৰী বৰা।



প্ৰয়াত আলি হাজৰিকা



সপত্নীক শিক্ষক সমুখত ঠিয় হৈ নৰী,
কোলাত বাপু, পিচত ঠিয় হৈ বেণু।

একালৰ মন্ত্ৰী ৰামনাথ দাসৰ লগত ডেকাৰ গাঁও স্কুলৰ
কৰ্মকৰ্ত্তা আৰু ছাত্ৰী শিল্পীবৃন্দ। মন্ত্ৰীৰ সোঁকাষত লিখক।

লিখক আৰু সহচৰ শিল্পী তিলক দাস



উষানাট্য মন্দিৰৰ নাট্যাভিনয়ত কংশ
ৰজাৰ ভাবত লতিফুদ্দিন আহমেদ

ডাঙৰ নাতিনী বৰ্ণালী (মানু) ৰ
বিযাৰ দিনা ঃ ৯।১২।৯৩

ভাৰত ত্যাগ আন্দোলনৰ সোণালী জয়ন্তী সমাৰোহ

শোণিতপুৰ : তেজপুৰ ৯/৮/৯২

মুক্তি যুঁজাৰু সম্বৰ্দ্ধনা পত্ৰ

হে স্বাধীনতা যুদ্ধৰ মহান যোদ্ধা।

কৰিম নে মৰিম মন্ত্ৰ লৈ ভাৰতৰ মুক্তি আন্দোলনত জপিয়াই পৰি দেশসেৱাৰ যি মহান আদৰ্শ দেখুৱালে, আপোনাৰ সেই মহান ত্যাগ আৰু সংগ্ৰাম অবিস্মৰণীয়। আজি '৪২ ৰ ভাৰত ত্যাগ আন্দোলনৰ সোণালী জয়ন্তীৰ দিনত আপোনাৰ ত্যাগক পুনৰ শ্ৰদ্ধাপূৰ্ণ ভাবে সোঁৱৰিছো। স্বাধীনতা লাভৰ পাছত সংকটপূৰ্ণ পৰিস্থিতিৰ মাজতো আধুনিক সভ্যতা আৰু বিজ্ঞানৰ যুগৰ লগত খোজ মিলাই যোৱাৰ প্ৰচেষ্টা আপোনাৰ অবিৰত অপৰিসীম।

দেশৰ বৰ্তমান পৰিস্থিতিত স্বাধীনতা আন্দোলনৰ প্ৰেৰণাৰে দেশমাতৃক একবিংশ শতিকাৰ দুৱাৰ দলিত প্ৰতিষ্ঠা কৰাৰ প্ৰয়াসত সম্পূৰ্ণ সহায় সহযোগ কৰিবৰ বাবে আপোনাক [illegible] সুস্বাস্থ্য আৰু দীৰ্ঘ জীৱন দান কৰিবৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ।

প্ৰতি শ্ৰীযুত ধানুৰাম বৰা
সাং ডেকাৰগাঁও
পো তেজপুৰ
জিলা শোণিতপুৰ

(শ্ৰী [illegible])
উপ মুখ্য মন্ত্ৰী
সভাপতি ভাৰত ত্যাগ আন্দোলনৰ
সোণালী জয়ন্তী উদযাপন সমিতি
তেজপুৰ।

নং - ১১৪২

তাং - ২৩/৯/৪২

হেড পণ্ডিত -

বৰগাওঁ - মজলীয়া স্কুল।

মহাশয়,

জানিবলৈ পোৱা গৈছে যে আপোনাৰ স্কুলৰ সহকাৰী শিক্ষক শ্ৰীযুক্ত ঠানুৰাম বড়াই বৰ্তমান পাৰিপাৰ্শ্বিক কাৰ্য্য-কলাপত মুকলিকৈ যোগ দি-স্বেচ্ছাসেৱক সংগঠন আদি- মিটিং সভা সমিতি- কৰি ঘূৰি ফুৰিছে। নিজেও কোনো কোনো বিষয়ত পৰিচালনাৰ ভাৰ- লৈছে। আপুনি - এই বিষয়ে ভিন্ন কালে আৰু তেওঁ স্কুলত কাম পঢ়ে ও সম্ভাব্যমান উপস্থিত হোৱা আৰু স্কুলৰ পৰা যোৱা সময় আদি কথা এই কাগজ পোৱাৰ দিনাই লিখি জনাব।

এই কাম অতি জৰুৰী বুলি জানিব।

ACDeka

Deputy Inspector of Schools

TEZPUR

হেড পণ্ডিত
বৰমাৰ এম. ভি. স্কুল।

মহাশয়,

আপোনাৰ স্কুলৰ শিক্ষক শ্ৰীযুত-
ঠানুৰাম বড়াই- বৰ্ত্তমান ৰাজনৈতিক
আন্দোলনত কি কৰিছিল, কেতিয়াৰ পৰা
কৰিছিল, স্কুলত কোন তাৰিখলৈ
উপস্থিত হৈছিল স্কুলত উপস্থিত হৈ
থাকোঁতে কেনে ভাবে আন্দোলনত যোগ
দিছিল, আৰু কেতিয়া আৰু কেনেকৈ স্কুললৈ
পিকেটিং কৰি আনিলে ইত্যাদি বিষয়
সবিশেষ বিবৰণ লিখি জনাব।
শিক্ষকৰ হাজিৰা বহী- খনো দাখিল কৰিবা।

ইতি

A. C. Sen
Deputy Inspector of
SchoolTEZPUR

নং- ১৫৩১-৩২

তাং ২৮/৯/৮৩

হেডপণ্ডিত - বৰঘাট - সোণাদিহাপুৰ

মহাশয়,

আপোনাৰ স্কুলৰ - সহকাৰী

শিক্ষক - শ্ৰীযুত - উমাকান্ত বৰুৱা - কাম

ভাৰ " ত্ৰিশ দিন " হৈ গ'ল।

মোৰ অফিচৰ - পত্ৰযোগে

শ্ৰীযুত - কমল চন্দ্ৰ মহন্ত - সাহে-

১২ ইং - চৰ্চিত - নিযুক্ত হৈছেন।

এওঁ কাম - হাতত - লৈছে - তাৰিখ

জনাব - দিব।

Deputy Inspector of Schools

TEZPUR.

সত্যমেৱ জয়তে

প্ৰতি,

শ্ৰীযুত ঠানুৰাম বৰা

শ্ৰদ্ধাভাজনেষু

শিল্পী মানুহৰ
প্ৰাণলো প্ৰাণত
সুপ্ত হৈ থকা

জনগণৰ কল্যাণকামী শিল্পীসত্ত্বা
যুগৰ জগতৰ প্ৰয়োজনত
জাগৰিত কৰি তোলাৰ দিশত

আপোনাৰ কলাকৃতিয়ে যঁচা
অৰিহণাৰ প্ৰতি

শ্ৰদ্ধাভৰা স্বীকৃতি স্বৰূপে
আপোনালৈ আগবঢ়ালোঁ

এই সন্মান পত্ৰ

লগতে কামনা কৰিলোঁ
আপোনাৰ সুন্দৰ সুদূৰ প্ৰসাৰী
কলাৰ সেৱাত ব্ৰতী কৰ্ম্মময়
জীৱন।।

বিষ্ণু ৰাভা দিৱস
২০ জুন, ১৯৯২
[illegible]

(হিতেশ্বৰ শইকীয়া)
মুখ্যমন্ত্ৰী : অসম

অচিনাকি নাতিৰ চিঠি:

প্ৰতি,

মোৰ মৰমৰ [illegible] লবা।

প্ৰথমে মোৰ প্ৰণাম লব। আপুনি মোক চিনি নাপাব। মই আপোনাৰ পাঠক মাত্ৰ ১৯৯৬ চনৰ শ্ৰীমতী নামত [illegible] ১৬ – ৬১ পৃষ্ঠাত। আপোনাৰ প্ৰতিটো [illegible] [illegible] মোৰ বৰ ভাল লাগিছে। মই আপোনা-নালৈ এই কাৰণেই চিঠি লিখিছো যে আপুনি [illegible] অনুবাদ পাৰ্ট লিখে আৰু আপোনাৰ এই [illegible] এক এক [illegible] [illegible] [illegible] [illegible] দিছে আৰু [illegible] [illegible] [illegible] [illegible] [illegible] কাপোৰেৰে [illegible] দিছে।

এই কাৰণে বৰ ভাল পাওঁ। মই অনুবাদ পাৰ্টত লেখো কিন্তু মোক কেতিয়াও কোনেও [illegible] [illegible] আপুনি মোক ~~[illegible]~~ কওঁক যে আপুনি [illegible] কি দৰে [illegible] [illegible] [illegible] কি দৰে [illegible] [illegible] [illegible] লৈ [illegible]। [illegible] পাৰে যদি আপোনাৰ অনুবাদ পাৰ্ট লেখা [illegible] [illegible] দি পঠাব যেন।

যদি আপুনি মোক সু-পৰামৰ্শ আগবঢ়াই [illegible] সুখী হম।

ইতি

আপোনাৰ মৰম —

শ্ৰী [illegible] —।

[illegible]।

পো: অ: [illegible], জিলা - [illegible]

ডেকাৰ গাওঁ ৰাস উৎসৱৰ

এতিয়াৰ শ্ৰীকৃষ্ণৰ ভাৰত

শ্ৰীদিবাকৰ শইকীয়া